ওঁ

।। জীৱেশ্বৰ তত্ত্ব ।।

শ্ৰীজীৱেশ্বৰ দেৱ গোস্বামী, কাব্য-তৰ্ক-ষড়্দৰ্শন-তীৰ্থ,
দৰ্শন-বাচস্পতি বিৰচিত।

১৮৭৭ শকাব্দ ১৩২৬ ভাস্কৰাব্দ ৫ পুহ

প্ৰকাশক - শ্ৰীৰত্নেশ্বৰ গোস্বামী
টিহু, নাথকুছি
নলবাৰী, অসম

Jibeswar Tattva - by Jibeswar Deva Goswami, Kavya-Tarka, Sadadarshana Tirtha, Darshana Vasaspati, published by Shri Ratnesneswar Goswami, Tihu, Nathkuchi, Nalbari, Assam. Price : 90.00

প্ৰকাশক : শ্ৰীৰত্নেশ্বৰ গোস্বামী
টিহু, নাথকুছি, নলবাৰী, অসম

সম্পাদক : শ্ৰীসত্য নাথ গোস্বামী
বিজয় নগৰ, নুনমাটি, গুৱাহাটী-২০
ঘৰৰ নং ৩৫

প্ৰথম প্ৰকাশ : ৯ জুন, ২০০৮, (২৬ জেঠ ১৪১৫ ভাস্কৰাব্দ
শুক্লা ষষ্ঠী তিথি)

পৰিবেশক : চন্দ্ৰ প্ৰকাশ
পাণবজাৰ, গুৱাহাটী-১

মণি-মানিক প্ৰকাশ
পাণবজাৰ, গুৱাহাটী-১

প্ৰকাশকৰ নিবাস : টিহু, নাথকুছি, নলবাৰী

বেটুপাত : শ্ৰীপ্ৰাণেশ্বৰ গোস্বামী

বেটুপাত পৰিকল্পনা : ড° থানেশ্বৰ শৰ্মা

আহি পাঠক : শ্ৰীপ্ৰসন্ন কলিতা

মূল্য ৯০.০০ টকা

ডিটি পি আৰু মুদ্ৰণ : শৰাইঘাট লেজাৰ প্ৰিন্ট
শিলপুখুৰী, গুৱাহাটী - ৩

অৰ্পণ

পৰমাৰাধ্য পিতৃ দেৱ

আৰু

পৰমাৰাধ্যা মাতৃ দেৱীৰ

কৰকমলত "গ্ৰন্থখনি"

শ্ৰদ্ধাৰ্ঘৰূপে অৰ্পণ কৰিলোঁ।

প্ৰকাশক

জীৱেশ্বৰ দেৱ গোস্বামীৰ হস্তাক্ষৰৰ নমুনা



শ্রীজীবেশ্বর দেব গোস্বামী, কাব্য-তর্ক-ষড়্‌ দর্শন-তীর্থ,
দর্শন-বাচস্পতি বিরচিত।

জন্ম : ২৬ এপ্রিল ১৮৯১ খৃঃ মৃত্যুঃ ৯ জুন ১৯৬১ খৃঃ।

পণ্ডিত জীৱেশ্বৰ দেৱ গোস্বামীৰ চমু পৰিচয়

জন্ম- ১৮৯১ ইং চনৰ ২৬ এপ্ৰিল; ১৮১৩ শকৰ ১৪ বহাগ।

পিতৃ- * হৰি চন্দ্ৰ দেৱ গোস্বামী; **মাতৃ**- * কামেশ্বৰী দেৱী।

জন্মস্থান- সৰুক্ষেত্ৰী মৌজাৰ পাকা সত্ৰ। ১৮৯৭ চনৰ প্ৰবল ভূমিকম্পৰ ফলত প্ৰব্ৰজন কৰি বনগাঁৱত বসতি কৰে।

ছাত্ৰ জীৱন :- বনগাঁও প্ৰাথমিক বিদ্যালয়ত প্ৰাথমিক শিক্ষা (১৮৯৯-১৯০৪) সমাপ্ত কৰি, চৌখুঁটি মধ্য ইংৰাজী বিদ্যালয়ৰপৰা শেষ পৰীক্ষাত উত্তীৰ্ণ হয় (ইং ১৯০৪-১৯০৮ চন)।

সংস্কৃত শিক্ষা :- (১) বনগাঁৱৰ সভানাথ শৰ্ম্মাৰ অধীনত ব্যাকৰণ অধ্যয়ন কৰি ১৯১০ চনত আদ্য পৰীক্ষাত উত্তীৰ্ণ হৈ বৃত্তি লাভ কৰে।

(২) দতবাৰ পণ্ডিত শিৱনাথ বুজৰবৰুৱা স্মৃতিতীৰ্থৰত্ন স্মৃতি বাচস্পতি দেৱৰ ব্ৰময়ী টোলৰ পৰা ব্যাকৰণৰ মধ্য, কাব্যৰ আদ্য, মধ্য আৰু উপাধি পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ ৰূপৰ পদক লাভ কৰে (ইং ১৯১২-১৯১৬)।

(৩) ইং ১৯১৭ চনত বিহাৰৰ মজঃফৰ চৰকাৰী মহাবিদ্যালয়ত পণ্ডিত বালকৃষ্ণ মিশ্ৰৰ অধীনত ন্যায়শাস্ত্ৰ অধ্যয়ন কৰি ১৯১৮ চনত ন্যায়ৰ আদ্য পৰীক্ষাত ১ম বিভাগত উত্তীৰ্ণ হয়।

(৪) বঙ্গদেশৰ ২৪ পৰগণা জিলাত অৱস্থিত মূলাজোৰ সংস্কৃত মহাবিদ্যালয়ত ভৰ্ত্তি হৈ ১৯১৯ চনত ন্যায় (খ)ৰ মধ্য পৰীক্ষাত ১ম বিভাগত উত্তীৰ্ণ হৈ ৩ বছৰৰ বাবে বৃত্তি লাভ কৰে।

(৫) চিলেটৰ শ্ৰীহট্ট নগৰত অৱস্থিত সংস্কৃত মহাবিদ্যালয়ৰপৰা ১৯২২ চনত ষড়দৰ্শনৰ মধ্য পৰীক্ষাত ১ম বিভাগত উত্তীৰ্ণ হয়। উক্ত মহাবিদ্যালয়ৰপৰা ১৯২৪ চনত নব্যন্যায়ৰ (ক) উপাধি পৰীক্ষাত (২য় বিভাগত প্ৰথম স্থান অধিকাৰ কৰি) উত্তীৰ্ণ হৈ বৃত্তি আৰু পুৰস্কাৰ লাভ কৰে। ১৯২৬ চনত তাৰে পৰাই ষড়দৰ্শনৰ উপাধি পৰীক্ষাত উত্তীৰ্ণ হৈ ত্ৰিশ বছৰীয়া ছাত্ৰ জীৱনৰ অন্ত পেলায়।

কৰ্ম্ম জীৱন :- ১৯২৬ চনত শ্ৰীহট্ট সংস্কৃত মহাবিদ্যালয়ত এজন অধ্যাপকৰ ছুটীত কাব্যৰ অধ্যাপক পদত কেইমাহমান অধ্যাপনা কৰি ঘৰলৈ আহে। মূলাজোৰত পঢ়ি থাকোতেই তেখেতে ১ম বাৰ বিয়া কৰায়। কিন্তু প্ৰথম পত্নীৰ বিয়োগ হয়। তাৰ

পাছত টিহুৰ নামাটাৰীৰ গোপীনাথ গোস্বামীৰ কন্যা খৰ্গেশ্বৰী দেৱীৰ পাণি গ্ৰহণ কৰে।

কামাখ্যাৰ কালীপুৰ আশ্ৰমত সন্নাসী স্বামী পূৰ্ণানন্দৰ সংস্কৃত টোলত অধ্যাপকৰ পদ অলংকৃত কৰি কৰ্ম্মজীৱনৰ পাতনি মেলে। ১৯২৮ চনত স্বামীজীৰ বিয়োগ হোৱাত টোলখন বন্ধ হয়। ১৯৩০ চনত মাটিক্ৰয় কৰি টিহুৰ হালধিবাৰীত ১৯৩১ চনত "শ্ৰীকৃষ্ণ বিদ্যালয়" প্ৰতিষ্ঠা কৰি অধ্যাপনা কৰে। তাৰ আগে আগে পাণ্ডুলাত প্ৰতিষ্ঠিত দামোদৰ ধাম ধীৰেশ্বৰ সংস্কৃত টোলত কেইমাহমান অধ্যাপনা কৰিছিল। ১৯৩৯ চনত পাঠশালাৰ হৰিপুৰত প্ৰতিষ্ঠিত সংস্কৃত মহাবিদ্যালয়ত নিজৰ ছাত্ৰসকলক ভৰ্ত্তি কৰি অধ্যক্ষৰ পদ অলংকৃত কৰে যদিও অনুষ্ঠানটো বৰ্ত্তি থাকিব নে নাই সন্দেহ হোৱাত ছাত্ৰ সকলৰ সৈতে উভতি আহি নিজৰ টোল জাগ্ৰত কৰে। নলবাৰী সংস্কৃত মহাবিদ্যালয়তো ১৯৪১ চনৰ ১ আগষ্টৰ পৰা ১৯৪৫ চনৰ ৩১ মে লৈ অধ্যক্ষৰূপে কাৰ্য্য নিৰ্বাহ কৰে। বিভিন্ন অসুবিধা হেতুকে অধ্যক্ষৰ পদ ত্যাগ কৰি নিজ ঘৰৰ টোলখন সঞ্জীৱিত কৰি জীৱনৰ অন্তিম কাললৈ অধ্যাপনা কৰে।

গোস্বামী দেৱৰ গ্ৰন্থসমূহ :- পণ্ডিত ˚ গোস্বামীদেৱে পৰিপক্ক পাণ্ডিত্য আৰু অভিজ্ঞতাৰ চানেকিৰূপে ৰচনা কৰা গ্ৰন্থসমূহ হ'ল—

(১) জীৱেশ্বৰ তত্ব,
(২) দামোদৰীয় দৰ্শনম্,
(৩) ভক্তি বিবেকৰ টীকা,
(৪) নিত্য কৰ্ম্ম পদ্ধতি,
(৫) জ্যোতিষ চিন্তামণি,
(৬) হাস্যৰস তৰঙ্গ,
(৭) শব্দাৰ্থ বিচাৰ (অসম্পূৰ্ণ),
(৮) মুমূৰ্ষু গাঁথা,
(৯) সংস্কৃত ভাষা শিক্ষা (ভ্ৰূণ অৱস্থাত),
(১০) মনোহৰ পদ্যমালা।

তিৰোভাৱ :- পণ্ডিত জীৱেশ্বৰ গোস্বামী দেৱে পক্ষাঘাত ৰোগত আক্ৰান্ত হৈ ইং ১৯৬১চনৰ ৯ জুনত দেহত্যাগ কৰে।

শ্ৰীসত্যনাথ গোস্বামী
বিজয় নগৰ, নুনমাটি
গুৱাহাটী-২০

পণ্ডিত জীৱেশ্বৰ দেৱ গোস্বামী জন্ম শতবাৰ্ষিকী উদ্‌যাপন সমিতিৰ দ্বাৰা প্ৰকাশিত স্মৰণিকাখনত ড° থানেশ্বৰ শৰ্মা দেৱে লিখা "পণ্ডিত জীৱেশ্বৰ দেৱ গোস্বামীৰ জীৱনত এভুমুকি" প্ৰবন্ধৰ আলামত গোস্বামী দেৱৰ চমু পৰিচয় প্ৰস্তুত কৰা হ'ল।

প্ৰকাশকৰ নিবেদন

পৰম আৰাধ্য পিতৃদেব *জীবেশ্বৰ দেৱ গোস্বামী কাব্য-তৰ্ক ষড়দৰ্শন তীৰ্থ দৰ্শন-বাচস্পতি দেৱে পক্ষাঘাত ৰোগত আক্ৰান্ত হৈ শয্যাসায়ী হৈ থাকোতে মোৰ অগ্ৰজ *হৰেশ্বৰ দেৱ গোস্বামী আৰু মই শুশ্ৰূষা কৰাৰ সুযোগ পাইছিলোঁ। এদিন শুশ্ৰূষা কৰি থাকোতে পিতৃদেৱে কৈছিল "হৰি (মোৰ ঘৰত মতা নাম) মোৰ "জীবেশ্বৰ তত্ব" গ্ৰন্থখন, এখন বৰ মূল্যবান গ্ৰন্থ হ'ব। এইখন প্ৰকাশ কৰিবি। তোৰ শেষ কাল বৰ ভাল হ'ব।" পিতৃ আজ্ঞা পালন কৰিবলৈ মই মনতে দৃঢ় সঙ্কল্প লৈছিলোঁ। চৰকাৰী চাকৰিৰ ব্যস্ততা আৰু আৰ্থিক দৈন্যতাৰ কাৰণে গ্ৰন্থখন প্ৰকাশৰ কামত হাত দিব পৰা নাছিলোঁ যদিও পিতৃ আজ্ঞাই মোক অনবৰতে সঁকীয়াই আছিল। অতি যত্ন সহকাৰে পুথিখনৰ পাণ্ডুলিপিটো মই সংৰক্ষণ কৰি ৰাখিছিলোঁ।

১৯৯৩ ইং চনত জীবেশ্বৰ গ্ৰন্থমালা প্ৰকাশৰ উদ্যোগ লৈ মোৰ অগ্ৰজ শ্ৰীযুত সুৰেশ্বৰ গোস্বামীৰ পুত্ৰ শ্ৰীমান প্ৰাণেশ্বৰ গোস্বামী পিতৃদেৱৰ "শ্ৰীমদ্ দামোদৰীয় দৰ্শনম্" পুথিখন গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ অধ্যাপক ড° থানেশ্বৰ শৰ্ম্মাৰ সম্পাদনাত প্ৰকাশ কৰে। সেই সময়তে দাদা শ্ৰীযুত সুৰেশ্বৰ গোস্বামীয়ে "জীবেশ্বৰ তত্ব" পুথিখন মোৰ পৰা সংগ্ৰহ কৰি ড° থানেশ্বৰ শৰ্ম্মাক প্ৰদান কৰে। ড° শৰ্ম্মা দেৱে পুথিখন সযত্নে সংৰক্ষণ কৰি ৰাখি পুনৰ মোক প্ৰদান কৰে। পুথিখন প্ৰকাশ কৰাৰ কাৰণে তথা পিতৃ আজ্ঞা পালন কৰাৰ অৰ্থে দৃঢ় সংকল্প লৈ পুথিখনৰ পাণ্ডুলিপি অতি পুৰণি হোৱা হেতুকে কলিকতালৈ যাবলৈ মনস্থ কৰিছিলোঁ। মোৰ বিয়ৈ শ্ৰীযুত সত্যনাথ গোস্বামীৰ লগত পুথিখন প্ৰকাশৰ বিষয়ে আলোচনা কৰাত তেখেতে অতি উৎসাহেৰে গুৱাহাটীতে প্ৰকাশ কৰিব পৰা হ'ব বুলি মন্তব্য কৰে। মই তেখেতকে ছপাশালৰ লগত যোগাযোগ কৰাৰ দায়িত্ব দিয়াত তেখেতে কেইবাটাও ছপাশালৰ লগত যোগাযোগ কৰে। শেষত শ্ৰীযুত গোস্বামীদেৱে সম্পদ কেন্দ্ৰ, অসমৰ সমন্বয়ক তথা বিভিন্ন গ্ৰন্থ প্ৰকাশৰ অভিজ্ঞ ব্যক্তি শ্ৰীপ্ৰসন্ন কলিতাৰ সহযোগত শৰাইঘাট লেজাৰ প্ৰিন্টৰ স্বত্বাধিকাৰ শ্ৰীযুত ৰমেন শৰ্ম্মাক ইং ১৪ ফেব্ৰুৱাৰী ২০০৮ তাৰিখে পুথিখনৰ পাণ্ডুলিপি দেখুওৱাত, শৰ্ম্মাদেৱে অলপ কষ্ট কৰি হলেও পুথিখন ছপাব পৰা যাব বুলি দায়িত্ব গ্ৰহণ কৰে। শৰাইঘাট লেজাৰ প্ৰিন্টৰ সুদক্ষ কৰ্মীবৃন্দই অশেষ কষ্ট কৰি পুথিখনৰ পাণ্ডুলিপিৰপৰা আৰ্হিকাকত ছপা কৰি শুধৰণিৰ কাৰণে দিয়াত

শ্ৰীপ্ৰসন্ন কলিতাই শ্ৰীযুত সত্যনাথ গোস্বামীৰ সৈতে পাণ্ডুলিপিৰ লগত মিলাই আৰ্হি কাকত শুধৰণি কৰি দি অন্তিম আৰ্হিকাকত ছপাবলৈ দিয়ে। ছপাশালৰপৰা পোৱা অন্তিম আৰ্হিকাকত চাই শুধৰণি কৰি দিয়াৰ লগতে পুথিখনৰ ওপৰত এটি পাতনি লিখি দিয়াৰ কাৰণে গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ প্ৰাক্তন অধ্যক্ষ পণ্ডিতপ্ৰৱৰ ড° থানেশ্বৰ শৰ্ম্মাক অনুৰোধ কৰাত মাননীয় শৰ্ম্মাদেৱে পুথিখনৰ পাণ্ডুলিপিৰ সৈতে মিলাই অন্তিম আৰ্হিকাকত শুধৰণি কৰি দিয়াৰ লগতে পুথিখনৰ বিষয়বস্তুৰ ওপৰত তত্ত্বগধুৰ তথ্য সম্বলিত পাণ্ডিত্যপূৰ্ণ এটি পাতনি লিখি দি পৰম উপকৃত কৰে। এই পাতনিৰ জৰিয়তে শৰ্ম্মাদেৱে পিতৃদেৱৰ প্ৰতি থকা তেখেতৰ অকৃত্ৰিম শ্ৰদ্ধা আৰু ভক্তি ব্যক্ত কৰে। ইয়াৰ পূৰ্বে প্ৰকাশিত "শ্ৰীমদ্ দামোদৰীয় দৰ্শনম্" পুথিখনি সম্পাদনা কৰাৰ লগতে দীঘলীয়া ভূমিকা লিখি দি পিতৃদেৱৰ প্ৰতি থকা শ্ৰদ্ধাৰ নিদৰ্শন দাঙি ধৰিছে আৰু আমাৰ পৰিয়ালক উপকৃত কৰিছে। ড° শৰ্ম্মা দেৱৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সম্পদ কেন্দ্ৰ অসমৰ সমন্বয়ক শ্ৰীপ্ৰসন্ন কলিতাই পুথিখন প্ৰকাশৰ ক্ষেত্ৰত অতি সহৃদয়তাৰে ছপাশালৰ লগত যোগাযোগ কৰাৰ পৰা আৰ্হিকাকত শুধৰণি কৰি দিয়ালৈ সম্পূৰ্ণ দায়িত্ব বহন কৰি যি কষ্ট স্বীকাৰ কৰিলে সেই ঋণ মই পৰিশোধ কৰিব নোৱাৰিম। তেখেতলৈ মই হিয়াভৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

শৰাইঘাট লেজাৰ প্ৰিণ্টৰ স্বত্বাধিকাৰী শ্ৰীযুত ৰমেন শৰ্ম্মা আৰু ছপাশালৰ কৰ্ম্মীবৃন্দই পুথিখন প্ৰকাশৰ দায়িত্ব গ্ৰহণ কৰি ছপাকামৰ সকলো কাৰ্য্য সুকলমে সফল কৰাত যি অৰিহণা যোগালে তাৰ বাবে তেখেত সকলৰ ওচৰত মই আজীৱন কৃতজ্ঞ হৈ ৰ'ম।

পুথিখনৰ বিষয়বস্তু গুৰু-শিষ্যৰ মাধ্যমেৰে আলোচনাৰ জৰিয়তে উপস্থাপন কৰা হৈছে। ইয়াত কোনো অধ্যায় হিচাবে উপস্থাপন কৰা হোৱা নাই। সেয়েহে পুথিখনত সূচীপত্ৰ দিয়া নহ'ল।

পুথিখন প্ৰকাশৰ ক্ষেত্ৰত সম্পূৰ্ণ দায়িত্ব গ্ৰহণ কৰি আৰম্ভণিৰপৰা শেষলৈ ওতঃপ্ৰোতভাৱে লাগি থকা মোৰ ভাতৃপ্ৰতীম বিঁয়ে শ্ৰীসত্য নাথ গোস্বামীৰ শলাগ নললে মোক পাপে চুব। তেখেতলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

গ্ৰন্থখন সকলোৱে সাদৰে গ্ৰহণ কৰিব বুলি আমি আশা কৰিলোঁ। শেষত অজ্ঞাতে বৈ যোৱা ভুলত্ৰুটিৰ বাবে সদৌটি পাঠকৰ ওচৰত ক্ষমা বিচাৰি সামৰিলোঁ।

তাৰিখ ১১ জেঠ
১৪১৫ ভাস্কৰাব্দ
কৃষ্ণ সপ্তমী তিথি

টিহু, নাথকুছি

পাতনি

বহুমুখী প্ৰতিভা সম্পন্ন পণ্ডিত মাৰ্ত্তণ্ড * জীৱেশ্বৰ দেৱ গোস্বামীদেৱে (২৬ এপ্ৰিল, ১৮৯১ - ৯ জুন, ১৯৬১) অসমীয়া সাহিত্য জগতলৈ একাধিক পাণ্ডিত্যপূৰ্ণ জ্ঞানগৰ্ভ গ্ৰন্থ উপহাৰ দি গৈছে। যেনে 'শ্ৰীমদ্ দামোদৰীয় দৰ্শনম', 'মনোহৰ পদ্যমালা', 'জোতিষচিন্তামণি', 'মুমূৰ্ষুগাঁথা', 'জীৱেশ্বৰতত্ত্ব' ইত্যাদি। ইয়াৰ মাজৰপৰা প্ৰথমখন গ্ৰন্থ ১৯৯৩ চনত তেখেতৰ জন্ম শতবাৰ্ষিকীৰ লগত সঙ্গতি ৰাখি 'স্মৃতিগ্ৰন্থ'ৰ সৈতে আমিয়ে সম্পাদনা কৰি প্ৰকাশত সহযোগ দিছিলোঁ। সম্প্ৰতি স্বৰ্গীয় দেউৰ পুত্ৰ শ্ৰীৰত্নেশ্বৰ গোস্বামীদেৱে "জীৱেশ্বৰ তত্ত্ব" পুথিখন প্ৰকাশ কৰিবলৈ মনস্থ কৰি তাৰ অন্তিম আৰ্হি কাকত চাই এটি 'পাতনি' লিখি দিবলৈ এই অধমৰ ওপৰত দায়িত্ব অৰ্পণ কৰাত হতভম্ব হৈছোঁ। পণ্ডিত চূড়ামণি ˚গোস্বামীদেৱৰ জ্ঞানগৰ্ভ গ্ৰন্থ এখনৰ 'পাতনি' লেখাৰ সামৰ্থ্য বা বিদ্যাবুদ্ধি তথা জ্ঞান আমাৰ নাই। তথাপি গোস্বামী সকলৰ আক্ৰান্তি এৰাবলৈ নোৱাৰি আমি সামান্যভাৱে 'পাতনি'ৰ নামত দুআষাৰ লেখিবলৈ ওলাইছোঁ।

'জীৱেশ্বৰ তত্ত্ব' গ্ৰন্থৰ এই নামটোৱে জীৱ (জীৱাত্মা) আৰু ঈশ্বৰৰ (পৰমাত্মাৰ) গূঢ় তত্ত্বকে সূচায়। কিন্তু গ্ৰন্থৰ ভিতৰ সোমাই চালে দেখা যায় যে 'জীৱেশ্বৰ তত্ত্ব'ই গ্ৰন্থৰ কিছু অংশহে অধিকাৰ কৰিছে; তাৰ লগত 'ভাৰত বিদ্যা'ৰ একাধিক বিষয় ইয়াৰ লগতে আলোচিত বা চৰ্চা কৰা হৈছে। গ্ৰন্থকাৰে প্ৰশ্ন আৰু উত্তৰৰ গইনা লৈ বিষয়বোৰ সুন্দৰ ৰূপে নিজৰ মুখৰ ভাষাত তুলি ধৰিছে আৰু চমুকৈ ব্যাখ্যা কৰিছে।

প্ৰথমতে তেখেতে জ্ঞানৰ প্ৰয়োজন সম্বন্ধে কৈছে। জ্ঞানৰ বিভাগবোৰ (১) স্বাভাৱিক জ্ঞান, (২) ব্যৱহাৰিক জ্ঞান, (৩) শাস্ত্ৰীয় জ্ঞান, (৪) শাস্ত্ৰীয় উৎকৃষ্ট জ্ঞান, (৫) তত্ত্বজ্ঞান, (৬) জ্ঞানৰ উৎকৃষ্টতা-নিকৃষ্টতা আৰু (৭) জ্ঞানোৎকৃষ্ট আদিত তুলি ধৰিছে। শৰীৰ-শৰীৰীৰ কথা ক'বলৈ গৈ শৰীৰ আৰু তাৰ অবয়বৰ জ্ঞান উল্লেখ কৰিছে। জীৱাত্মাৰ জ্ঞানৰ কথা সহজ সৰল ভাষাত ব্যাখ্যা কৰিছে। জীৱৰ পুনৰ্জ্জন্ম, সংস্কাৰ আদিৰ কথা কোৱাৰ পাছত পৰমাত্মা বিষয়ক জ্ঞানৰ ব্যাখ্যা কৰিছে। বিশ্বসৰ্গ, বিসৰ্গ আদি নৱিধ লক্ষণৰ দ্বাৰা কেনেকৈ পৰমেশ্বৰৰ জ্ঞান হয় তাকো কৈছে। তাৰ লগতে জগতৰ সৃষ্টি আৰু প্ৰলয়, ঈশ্বৰৰ একত্ব আৰু পৰিবেশ ভেদে অনেকত্ব, ঈশ্বৰে আমাৰ সম্বন্ধ কি আৰু স্বভাৱৰ ব্যাখ্যা কৰিছে।

মানুহে ঈশ্বৰৰ অস্তিত্বলৈ সন্দেহ প্ৰকাশ কৰে। পৃথিবী আৰু গ্ৰহ-উপগ্ৰহবোৰে পৰস্পৰে আকৰ্ষণ কৰি যে সহাবস্থান কৰি আছে, তাৰ গুৰিত কোনোবা নাইনে? তালৈ চাই কোনো এক অদৃশ্য শক্তি আছে বুলি বোধ হয়। ঈশ্বৰ অনেক নহয় এক। সেইবাবে সৃষ্টি কাৰ্য্যত পৰিপাটি দেখা যায়। আত্মাৰ বিষয় ক'বলৈ গৈ তেওঁ আঙুলিয়াই দিয়ে যে দেৱদত্ত আদি আত্মাৰ নাম। শৰীৰৰ নাম নহয়। দেৱদত্তৰূপ শৰীৰৰ মৃত্যু আছে, আত্মাৰ মৃত্যু নাই। মৃতশৰীৰ এৰি যায় আত্মাই। এই আত্মাৰ সদ্‌গতিৰ বাবে দেৱদত্ত আদিৰ নামত প্ৰেতকাৰ্য্য কৰা হয়। জীৱাত্মাৰ পৰিমাণ সম্বন্ধে তেওঁ কয় যে চাৰি প্ৰকাৰ প্ৰাণীৰ যিমান সংখ্যা জীৱাত্মাবো সিমান সংখ্যা। জ্ঞানাজ্ঞান, ইচ্ছানিচ্ছা, দ্বেষাদ্বেষ, তথা গুণত্ৰয় অনুসৰি জীৱাত্মাৰ অনেকত্ব দেখা যায়। (কিন্তু জীৱাত্মাৰ একত্ব সন্দেহাতীত)।

আত্মাৰ নিত্যতা লৈ সন্দেহ হয়। প্ৰাণীৰ মৃত্যুৰ লগে লগে আত্মাবো মৃত্যু হ'ব লাগে। ধৰ্মাধৰ্ম কাৰ্য্যৰ দ্বাৰা যি সংস্কাৰ তাক জীৱ আত্মাৰ অদৃষ্ট বোলা হয়। কাৰোবাৰ অদৃষ্ট ভাল কাৰোবাৰ বেয়া। সেইদৰে কৰ্মানুসৰি মানুহে তাৰ ফল ইহজন্ম বা পৰস্পৰ জন্মত ভোগ কৰে। প্ৰাণীৰ মৃত্যুৰ লগে লগে আত্মাৰ মৃত্যু হলে পৰস্পৰ জন্মত জীৱে তাৰ কৰ্মফল ভোগৰ পৰিধি একেটা জন্মতে সমাপ্ত কৰিলেহেঁতেন। সংসাৰত কিছু লোকে সহজে জ্ঞান লাভ কৰে, কিছুমানে অকণো জ্ঞান লাভ নকৰে। ইয়াৰ কাৰণ পূৰ্বজন্মৰ সংস্কাৰ।

নিজৰ শৰীৰত অনুভূত বস্তু জীৱাত্মা। ই শৰীৰ, মন, ইন্দ্ৰিয়ৰপৰা পৃথক। পৰামাত্মাক তেনেকৈ কোৱা নাযায়। জ্ঞান, ইচ্ছা আৰু কৃতি (যত্ন) এই গুণত্ৰয়ৰ লগত সৃষ্টি, স্থিতি আৰু প্ৰলয়ৰ কাৰ্য্য যোগ কৰি যি নটা লক্ষণৰ লক্ষ্য তাকে পৰমেশ্বৰ বোলা হয়। যেনে বিশ্ব সৃষ্টি বিষয়ক জ্ঞানাজ্ঞান পৰমেশ্বৰ। ইত্যাদি। গতিকে বিশ্ব বিষয়ৰ এইদৰে জ্ঞানাদি যাৰ আছে সেয়ে পৰমেশ্বৰ। আমাৰ জ্ঞান, ইচ্ছা আৰু যত্ন অনিত্য, পৰমেশ্বৰৰ জ্ঞান, ইচ্ছা আৰু যত্ন নিত্য।

ঈশ্বৰ এজন, বহুজন নহয়। এজন নহৈ বহুত হলে তেওঁৰ সৃষ্টি, স্থিতি, প্ৰলয়ৰ লগত জ্ঞান, ইচ্ছা আৰু কৃতিৰ যোগত খেলিমেলি হ'লহেঁতেন। লেখকে ভাৱা শিক্ষাৰ উদাহৰণেৰে পৰোক্ষ শিক্ষকৰূপে পৰমাত্মাৰ অৱস্থানৰ কথা কৈছে। আৰু পাশাখেলৰ দৃষ্টান্তৰে ভগবান পৰমেশ্বৰৰ সাংসাৰিক লীলা-খেলা বুজাবলৈ চেষ্টা কৰিছে। মাত্ৰ আনন্দ লাভৰ বাবে পৰমেশ্বৰে জগতৰ প্ৰাণী সকলৰ লীলা খেলা কৰি আহিছে। পাশাখেল স্থগিত ৰাখি মানুহে যিদৰে খোৱা-বোৱা-শোৱা কাৰ্য্য কৰে, তেনেকৈ পৰমেশ্বৰেও প্ৰলয়ৰ দ্বাৰা সৃষ্টি-স্থিতি কাৰ্য্য স্থগিত ৰাখে। প্ৰলয়ৰ অন্তত আকৌ আৰম্ভ হয় সৃষ্টি কাৰ্য্য।

হিন্দু, বৌদ্ধ আৰু জৈনসকলে পুনৰ্জন্মত বিশ্বাস কৰে। পূৰ্বজন্মৰ সুকৃতি-দুষ্কৃতিৰ ফলত পৰজন্মত প্ৰাণীয়ে উচ্চ-নিম্ন যোনিত জন্ম লাভ কৰি যথাআৰ্জিত ফল ভোগ কৰে। শ্ৰাদ্ধাদি কৰিলেও শ্ৰাদ্ধীয় পিণ্ডাদি পিতৃমাতৃসকলে পিতৃলোকত লাভ কৰে। ডাকঘৰত মনিঅৰ্ডাৰ যোগে পঠোৱা টকা বিলাতত থকা লোকে পাউণ্ড-চিলিঙৰ ৰূপত পায়। সেইদৰে পুত্ৰই বিধিমতে পঠোৱা শ্ৰাদ্ধীয় দ্ৰব্য মৃত পিতৃয়ে পৰলোকত অমৃতৰূপে লাভ কৰে।

বাজীকৰৰ খেল চাই- সেই খেল ভ্ৰান্তিজনক হ'লেও - চাওতাই তাকে চাই আনন্দ লাভ কৰে, অথবা তাত বিশ্বাস কৰিলে ঠগ খায়। তাৰ মিথ্যাচাৰ অৱগত হ'লে সুখ-দুখ অনুভূত নহয়। একেদৰে পৰমেশ্বৰ সম্বন্ধীয় জ্ঞান হ'লে মানুহৰ সুখ-দুখ অনুভূত নহয়। এই সম্বন্ধীয় তত্ত্বজ্ঞান হ'লে মানুহৰ মুক্তিলাভ হয়।

প্ৰসঙ্গক্ৰমে কোৱা হৈছে যে অব্ৰাহ্মণক দান দিলে দানৰ সমান ফল হয়; ব্ৰাহ্মণ কুলত জন্মাজনক দান দিলে দুগুণ ফল লাভ হয়; বেদ অধ্যয়ন কৰা ব্ৰাহ্মণক দান দিলে দানৰ শত-সহস্ৰ গুণ ফল লাভ হয় আৰু বেদপাৰগ ব্ৰাহ্মণক দান দিলে অনন্ত ফল লাভ হয়।

আকৌ পৰমেশ্বৰৰ নিৰ্দেশত জীবাত্মাৰ ঠাই নিৰ্দিষ্ট হয়। কিন্তু কৰ্ম অনুসাৰে মানুহে ফল ভোগ কৰে। এজনৰ কৰ্মফল, আনজনে ভোগ নকৰে। পৰমাত্মাৰ লগত জীবাত্মাৰ পূজ্য-পূজক, সেব্য-সেৱক, স্তুত্য-স্তাৱক, জ্ঞেয়-জ্ঞাতৃ অথবা ধ্যেয়-ধ্যাতৃ ভাব সম্বন্ধ। এই পাঁচ প্ৰকাৰ সম্বন্ধ দৃশ্য হ'লেও তাৎপৰ্য্য এটাই।

জীৱে জন্ম-জন্মান্তৰত প্ৰাৰব্ধ কৰ্মৰ ফল ভোগ কৰে। ভক্তি আৰু জ্ঞানৰ তুলনাত্মক চৰ্চাও দেৱে কৰিছে।

মুক্তিৰ স্বৰূপ কি তাক ব্যাখ্যা কৰাৰ পাছত সালোক্য, সাৰূপ্য, সামীপ্য, সন্নিৰ্ষ্টী আৰু সাযুজ্য- এই পাঁচ প্ৰকাৰ মুক্তিৰ চৰ্চা কৰিছে।

জাতি-বৰ্ণৰ কথা ক'বলৈ গৈ লেখকে জাতি-বৰ্ণ জন্মগত বুলি সিদ্ধ কৰিছে।

তাৰ পাছত প্ৰণৱৰ (ওঙ্কাৰৰ) আলোচনা কৰিছে। প্ৰণৱ সৃষ্টি-স্থিতি-প্ৰলয়ৰ সমাহাৰ। ইয়াৰ মাজত উক্ত তিনি কাৰ্য্য নিহিত আছে। শূদ্ৰবৰ্ণ আৰু নাৰীৰ দ্বাৰা প্ৰণৱৰ উচ্চাৰণ নিষিদ্ধ হোৱাৰ মাজত বিশেষ তাৎপৰ্য্য লুকাই আছে। যেনেকৈ মানুহৰ মাজত খাদ্যাখাদ্য বা ভক্ষাভক্ষৰ নিয়ম চলি আহিছে, তেনেকৈ মন্ত্ৰোচ্চাৰণৰ বেলিকাও বাধা-নিষেধৰ প্ৰশ্ন আছে। কিন্তু প্ৰণৱৰ সলনি স্ত্ৰী আৰু শূদ্ৰই 'নমো' উচ্চাৰণ কৰিব পাৰে। তাৰো অৰ্থ একে। অ + উ + ম / ন + ম + অ + উ এই তিনি অক্ষৰে সৃষ্টিকৰ্তা ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰক বুজায়।

ন্যায়াদি ষড়দৰ্শনৰ অধ্যোতা *গোস্বামীদেৱে ইয়াৰ পাছত ন্যায়াদি দৰ্শনৰ চমু আভাস দিবলৈ চেষ্টা কৰিছে। ন্যায় আৰু বৈশেষিক দৰ্শনৰ পাৰ্থক্য দাঙি ধৰিবলৈ গৈ কৈছে যে ন্যায় দৰ্শনমতে প্ৰত্যক্ষ, অনুমান, উপমান আৰু শব্দ এই চাৰি প্ৰমাণ। বৈশেষিক দৰ্শনৰ মতে প্ৰত্যক্ষ আৰু অনুমানৰ দ্বাৰা সকলো জ্ঞান সম্ভৱ। দ্বিতীয়তে ঘট পোৰোতে পুৰণি (কেঁচা) ঘট নষ্ট হৈ নতুন ঘটৰ সৃষ্টি হয়, এয়া বৈশেষিকৰ মত। ন্যায় মতে পুৰণি ঘটটেই কেঁচা গুচি পকা হয়; মাজতে নষ্ট হোৱাৰ প্ৰশ্ন নুঠে।

ইয়াৰ পাছত ছখন আস্তিক দৰ্শনৰ চমু টোকা পেচ কৰিছে। আৰু ন্যায়-বৈশেষিক, সাংখ্য-যোগ, মীমাংসা-বেদান্ত দৰ্শন চমু অথচ সুন্দৰ বৰ্ণনা কৰিছে। তাৰ লগতে পূৰ্ণপ্ৰজ্ঞ, পাশুপাত, শৈৱ, প্ৰত্যভিজ্ঞা, ৰসেশ্বৰ আৰু পাণিনিৰ দৰ্শনৰ চমু আলোচনা কৰিছে। ৰসেশ্বৰ ৰূপে পাৰদৰ আৰু শব্দ ব্ৰহ্মৰূপে শব্দৰ সুন্দৰ চমু আলোচনা আগবঢ়াইছে।

তাৰ পাছত লেখকে কিছু বহলভাৱে নব্য ন্যায়ৰ উৎপত্তি আৰু গঙ্গেশৰ উপস্থাপন কৰিছে।

গ্ৰন্থখনত বৰ্ণৰ উৎপত্তি, বৰ্গীকৰণ আৰু জ্যোতিষৰ ফালৰপৰাও অক্ষৰৰ গুৰুত্ব সম্যকভাৱে বিবেচনা কৰা হৈছে। তন্ত্ৰৰ ফালৰপৰাও মেৰুদণ্ডৰ কোন ঠাইৰপৰা কোন কোন বৰ্ণৰ উৎপত্তি হয় তাক গ্ৰন্থকাৰে প্ৰকাশ কৰিছে (পৃ. ৬৫-৬৬)। তেখেতে ব্যাকৰণ, তন্ত্ৰ আৰু জ্যোতিষ শাস্ত্ৰত পোৱা অক্ষৰৰ বিশেষত্ববোৰ প্ৰাঞ্জল ভাষাত দাঙি ধৰিছে। তেখেতে সংখ্যা জ্যোতিষৰ মতে 'ন' অক্ষৰ (১-৯ আৰু শূন্যৰ) তত্ত্বৰ উল্লেখ কৰিছে। আনকি প্ৰসঙ্গক্ৰমে শ্ৰীমান-শ্ৰীমতী শব্দৰ তাৎপৰ্য্যও তুলি ধৰিছে।

ইয়াৰ পাছত পুৰাণ সম্মত ব্ৰহ্মাণ্ডৰ কথা, চতুৰ্দশ ভুৱন আৰু মন্বন্তৰৰ কথা কৈছে। কালানুসৰি চাৰি যুগৰ দৈৰ্ঘ্য তথা চাৰিপ্ৰকাৰ প্ৰলয়ৰ কথাও সূচিত কৰিছে।

তৎপশ্চাৎ অষ্টাদশ মহাপুৰাণ আৰু অষ্টাদশ উপপুৰাণৰ শ্লোকৰ তালিকা পেচ কৰিছে। লগতে চতুৰ্দশ আৰু অষ্টাদশ বিদ্যাৰ কথা লিখিছে।

দহ প্ৰকাৰ নাম অপৰাধৰ কথা লেখাৰ পাছত লেখকে শ্ৰাদ্ধাদিৰ অৱশ্যকৰ্তব্যতা সম্বন্ধে কয় আৰু তাৰ সলনি নামধৰ্ম কৰা অনুচিত বুলি যুক্তি দেখুৱাইছে। "গতিকে সকলোৱে নিত্য-নৈমিত্তিক বেদবিহিত কৰ্ম সকল যথা সম্ভৱ কৰি সাধু গুৰু প্ৰভৃতিৰ দ্ৰোহাচৰণ নকৰি যথাসম্ভৱ হৰিনাম জপ কৰিব পাৰিলে যথেষ্ট।" (পৃ. ৭৮)।

দেৱে চন্দ্ৰ আৰু সূৰ্য্য গ্ৰহণৰ কথাও চমুৱাই কৈছে। লগতে নৱগ্ৰহৰ পূজা কৰাৰ কথা কৈছে। মৎস্য আদিৰপৰা মানুহলৈ জীৱৰ ক্ৰমবিকাশ নিৰসন কৰা হৈছে।

ইয়াৰ মাজতে লেখকে ফলিত জ্যোতিষৰ কথা উল্লেখ কৰিছে। তেওঁ কয় যে

মানুহে কায়িক, বাচিক আৰু মানসিক কাৰ্য্যৰ ফল অৱশ্যে ভোগ কৰে। বিধাতাই এচাম প্ৰাণীৰ বাবে আন এচাম প্ৰাণীৰ সৃষ্টি কৰিছে খাদ্যৰূপে।

তথাপি 'মা হিংসাৎ সৰ্বাণি ভূতানি' বেদবাক্য পোৱা যায়। মাত্ৰ বেদবিহিত কাৰ্য্যৰ বাবে হিংসা কৰ্ম কৰিবলৈ দিছে। নিত্য-নৈমিত্তিক কৰ্ম কৰোতে সামান্য পাপ হ'লেও বেদবিহিত যাগ-যজ্ঞ কৰা উচিত। কাৰণ নিৰ্দোষভাৱে যাগ-যজ্ঞ অনুষ্ঠিত কৰিব পাৰিলে যজমানৰ স্বৰ্গ লাভ সম্ভৱপৰ; কিন্তু মুক্তিলাভ সম্ভৱ নহয়। তাৰ বাবে লাগে সম্যক জ্ঞান। কাৰণ, ভগৱদ্‌গীতাত 'জ্ঞানাগ্নিঃ সৰ্ব কৰ্মাণি ভস্মসাৎ কুৰুতে' বুলি কৈছে। তথাপি মীমাংসাত বৈধ হিংসাৰ কথা কৈছে। বেদ-বিধি মতে খাদ্য সংগ্ৰহ তথা প্ৰজাপালনৰ অৰ্থে ৰজাই যুঁজ বাগৰত প্ৰাণী হিংসা কৰিবলগীয়া হয়। কাৰণ দুষ্টক দমন আৰু প্ৰজা বা সন্তৰ পালন ক্ষত্ৰিয়ৰ ধৰম।

বেদবিহিত কৰ্ম ধৰ্মমূলক। বেদত নিষিদ্ধ কৰ্ম অধৰ্মমূলক, অৰ্থাৎ অধোগমনৰ, জন্মান্তৰত হীনতা প্ৰাপ্তিৰ আৰু নৰকগমনৰ কাৰণ (পৃ. ৮৩)। শ্ৰীৰাম আৰু শ্ৰীকৃষ্ণই ক্ষত্ৰিয় কুলত জন্মিও সকলোৰে পূজ্য হৈছে। আনহাতে ঈশ্বৰ হৈও তেওঁলোকে কোনো কোনো সময়ত ব্ৰাহ্মণক সেৱা-পূজা কৰিছিল। মুঠতে জ্ঞানীভক্ত আৰু জীৱন্মুক্ত সকল সকলোৰে পূজ্য হয়। (পৃ. ৮৪)।

গোস্বামীদেৱে মত প্ৰকাশ কৰিছে যে মূলগ্ৰন্থ পাঠ আৰু তাৰ অনুবাদ পাঠ কৰাৰ ফল একে নহয়। (আজিকালি অনুবাদক মূলৰ সমান বুলিও জ্ঞান কৰা দেখা যায়। মহাপুৰুষীয়া অসমীয়া ভাগৱতকে থাপনাত ৰাখে)। ভগৱান কৃষ্ণই অৰ্জুনক শ্ৰীমদ্ভগৱদ্‌গীতা পাঠৰ ফলশ্ৰুতি শুনাইছে। কিন্তু তাৰ অনুবাদকসকলে তেওঁৰ অনুবাদ পঢ়িলে মূল গীতা পাঠৰ সমান ফল পাঠকে লাভ কৰিব বুলি ক'তো কোৱা নাই। গতিকে মূল গ্ৰন্থ পাঠৰ ফল অধিক; অনুবাদে মূলগ্ৰন্থ বুজাত সহায় কৰে (পৃ. ৮৪)।

ইয়াৰ পাছত দেৱে বৈদিক, তান্ত্ৰিক আৰু পৌৰাণিক দীক্ষাৰ তাৎপৰ্য্য ব্যাখ্যা কৰিছে। কেনেকৈ দীক্ষা ল'ব লাগে আৰু দীক্ষিতজনে সমাজত কেনে ব্যৱহাৰ কৰিব লাগে, গুৰু-শিষ্যৰ মাজত কেনে সম্বন্ধ থাকিব লাগে- এই সকলো বিষয় চমুকৈ আলোচনা কৰিছে (পৃ. ৮৫)। তাৰ পাছতে বীজমন্ত্ৰ, নামমন্ত্ৰ আদিও চমুকৈ চৰ্চা কৰিছে।

লেখকে অশৌচৰ কথা গুৰুত্ব সহকাৰে ব্যাখ্যা কৰিছে (পৃ. ৯০-৯১)। বংশানুক্ৰমে ইয়াৰপৰা (বৰ্তমানৰ পৰা) সাতপুৰুষ পৰ্য্যন্ত অশৌচ পালনৰ আৱশ্যকতা আছে। বিয়াৰ বন্দোৱস্তৰ সময়ত সম্বন্ধ বিচাৰৰ আৱশ্যক। ইতৰ পশু-পক্ষীৰ দৰে মানুহৰ ব্যৱহাৰ নহয়। অন্যথাই বংশ নাশৰ সম্ভাৱনা থাকে (পৃ. ৯১)।

ইয়াৰ পাছত লেখকে শ্ৰাদ্ধ, সপিণ্ডন, প্ৰায়শ্চিত্তৰ কথা চমুকৈ আলোচনা কৰিছে।

পূৰ্ব পিতৃপুৰুষসকলৰ সমানে পিণ্ডদান কৰাকে সপিণ্ডন বোলে (পৃ. ৯১)। নান্দিমুখ শ্ৰাদ্ধত সমস্ত উৰ্ধ ছয় পুৰুষক পিণ্ড দান কৰা হয়। লেখকে পিণ্ডদানৰ তাৎপৰ্য্যও ব্যাখ্যা কৰিছে; তাকে নকৰিলে পাপ হয়।

তাৰ লগতে আলোচিত হৈছে প্ৰায়শ্চিত্তৰ বিষয়। বেদবিহিত কৰ্ম নকৰা আৰু নিষিদ্ধ কৰ্ম কৰা বাবে মহাপাপ হয়। তাৰ খণ্ডনৰ বাবে শাস্ত্ৰই দিছে প্ৰায়শ্চিত্তৰ বিধি-ব্যৱস্থা। বাৰম্বাৰ পাপ আচৰণ কৰি বাৰে বাৰে প্ৰায়শ্চিত্ত কৰাতকৈ সাৱধানে চলি জ্ঞানাৰ্জন কৰিলে প্ৰায়শ্চিত্তৰ প্ৰয়োজন নহয় (পৃ. ৯৩-৯৪)। পাপৰ প্ৰতিশমনৰ বাবে প্ৰায়শ্চিত্তৰ ব্যৱস্থা সাত জনমলৈ সেই পাপত লিপ্ত হৈ পৰলোকত নানান বিকৃত জীৱৰ যোনিত জন্মগ্ৰহণ কৰে। পাপৰ প্ৰতিশমন কৰিলে তাৰপৰা নিষ্কৃতি লাভ কৰে। পাপৰ প্ৰায়শ্চিত্তৰ বিধান পাবলৈ লোকে 'বিদ্বৎসভা'ৰ আশ্ৰয় লয়। গুণানুসৰি সেই সভা ৩-২-১ সংখ্যক লোকেৰে গঠিত হয়।

ইয়াৰ পাছত লেখকে স্বৰ্গ আৰু নৰকৰ কথা আলোচনা কৰিছে। তেওঁ অদৃশ্য নৰক কি আৰু দৃশ্য নৰক কি সেই বিষয়ে কৈ তাৰ কাৰ্য্যকৰণ নিৰ্ণয় সম্বন্ধে কয়। কোনটো আগ, কোনটো পাছ তাক ক'বলৈ গৈ অন্যোন্যাশ্ৰয় দোষৰ কথা আঙুলিয়াই দিয়ে। ইয়াৰ পাছত লেখকে প্ৰমাণ সম্বন্ধে কয়ঃ চাৰ্বাকৰ মতে প্ৰমাণ এক কেৱল প্ৰত্যক্ষ, বৌদ্ধৰ মতে দুই (প্ৰত্যক্ষ আৰু অনুমান), আৰু নৈয়ায়িক আদিৰ ম'তে ৩-৪ ইত্যাদি।

দৃষ্ট, অদৃষ্ট ভাগ্য সম্বন্ধেও কোৱা হৈছে। যিকোনো কাৰ্য্য সিদ্ধিৰ বাবে লাগে দৈৱ, যত্ন আৰু কালৰ সহযোগ। এটি চকাৰে যেনেকৈ ৰথ নচলে, তেনেকৈ কেৱল দৈৱ বা কেৱল পুৰুষাকাৰৰ দ্বাৰা কোনো কাৰ্য্য সিদ্ধ নহয়। আকৌ শুভাশুভ ভেদে অদৃষ্টও দুবিধ। পূৰ্বজন্মৰ শুভ কাৰ্য্যই পৰজন্মৰ শুভ কাৰ্য্যত সহায় কৰে। অশুভ কাৰ্য্যই সহায় নকৰে। তাৰো তাৰতম্য আছে। পূৰ্বজন্মত কৰা শুভকৰ্মৰ ফলত পৰজন্মত জীৱে ভাল কুলত জন্ম লাভ কৰে। অন্যথাই জীৱে ইতৰ যোনিত জন্ম লাভ কৰে। কাৰ্য্যকাৰণৰ শুভ ফল পূৰ্বজন্মকৃত কৰ্মানুযায়ী হয়। বীজাঙ্কুৰৰ উদাহৰণ দাঙি ধৰি লেখকে ক'ত কেনেকৈ অন্যোন্যশ্ৰেয় দোষ হয় তাক বুজায় কয়।

এনেতে লেখকে পুনঃ তত্ত্বজ্ঞানৰ ওপৰত টিপ্পনি কৰি কয় যে তত্ত্বজ্ঞান মুক্তিৰ কাৰণ। কৰ্ম মুক্তিৰ কাৰণ নহয়। শুভাদৃষ্ট বলবান হলে ভগবদ্‌ভক্তি বৃদ্ধি হয় আৰু তাৰ বলত তত্ত্বজ্ঞান স্থায়ী হয়; তাৰ ফলত জীৱৰ মুক্তি লাভ হয়।

ইয়াৰ পাছত গোস্বামীদেৱে আশ্ৰম ব্যৱস্থাৰ আলোচনা কৰে চমুকৈ। চমুকৈ ব্ৰহ্মাচৰ্য্য, গাৰ্হস্থ্য, বানপ্ৰস্থ আৰু সন্যাস আশ্ৰমৰ কথা কৈ গাৰ্হস্থ্য-আশ্ৰম সকলো আশ্ৰমৰ মূল বা প্ৰধান বুলি সিদ্ধ কৰিছে। সন্যাসীয়ে হঠযোগ, জ্ঞান বা ভক্তি অৱলম্বন

কৰে। হঠ বা ৰাজযোগৰ অষ্টাঙ্গৰ যম, নিয়ম, আসন, প্ৰাণায়াম, প্ৰত্যাহাৰ, ধাৰণা, ধ্যান আৰু সমাধিৰ ব্যাখ্যা কৰে।

তাৰ পাছত আধুনিক বিজ্ঞানৰ ওপৰত মন্তব্য কৰে। ভাৰতীয় গ্ৰন্থবোৰৰ পাতত পোৱা তত্ত্ব / তথ্যবোৰৰ পৰীক্ষা-নিৰীক্ষা কৰিবলৈ আধুনিক বিজ্ঞানীসকলক আহ্বান জনায়। তাৰে চৰ্চা কৰিবলৈ গৈ আমাৰ পৰম্পৰাগত দৰ্শন নিহিত প্ৰত্যক্ষ আদি প্ৰমাণৰ পুনঃ চৰ্চা কৰে।

গুৰু, জ্ঞেয় আৰু জ্ঞানৰ কথা ক'বলৈ গৈ তেওঁ আহাৰ্য্য জ্ঞানৰ উল্লেখ কৰে। তাৰ সাধাৰণ উদাহৰণ ৰূপে ল'ৰা-ছোৱালীয়ে খেলা দৰা-কইনা খেলৰ কথা কৈছে। ভগৱানেও তেনেদৰে সংসাৰত লীলা খেলা কৰে।

বীজাণু বা জীৱাণুৰ কথা ক'বলৈ গৈ তেওঁ সেইবোৰৰ আকৃতি-প্ৰকৃতি আৰু সিবোৰৰ অধিষ্ঠাত্ৰী দেৱীসকলক ৰোগ নিৰাময়ৰ বাবে পূজা কৰা আৱশ্যক বুলি কয়।

ইয়াৰ পাছত লেখকে সঙ্গীত / গান্ধৰ্ব বিদ্যাৰো চৰ্চা কৰিছে। এই সম্বন্ধে নিজৰ জ্ঞানৰ সীমাবদ্ধতা প্ৰকাশ কৰি সঙ্গীতৰ বিষয়ে সামান্য চৰ্চা কৰে।

গোস্বামীদেৱে কেতবোৰ সমসাময়িক ঘটনাৰ পৰিপ্ৰেক্ষিতত কিছু সামাজিক কথাৰো উল্লেখ আৰু ব্যাখ্যা কৰিছে। কুৰি শতিকাৰ মাজভাগত অৰ্থাৎ দেশে স্বাধীনতা লাভ কৰাৰ পাছত ব্ৰাহ্মণৰ হলাকৰ্ষণ, ভাৰ বহন আৰু বিধৱা বিবাহৰ দৰে কেতবোৰ সমস্যাৰ উদ্ভৱ হয় (পুৰণি কামৰূপৰ নলবাৰী আৰু আশে পাশে)। বৰখলা গাঁৱৰ কৃষ্ণদত্ত বুজৰবৰুৱাকে ধৰি কোনো কোনো পণ্ডিতে হলাকৰ্ষণ আৰু ভাৰ বহন কৰিলে ব্ৰাহ্মণৰ কোনো দোষ নহয় বুলি তাক সমৰ্থন কৰিছিল। কিন্তু জীৱেশ্বৰ গোস্বামীৰ দৰে অনেক পণ্ডিতে তাৰ বিৰোধিতা কৰিছিল। তাৰ প্ৰতিধ্বনি জীৱেশ্বৰ দেউৰ গ্ৰন্থত শুনা গৈছে (পৃ. ১১৮ দ্ৰঃ)।

সেইদৰে বিধৱা বিবাহৰ আন্দোলনেও পণ্ডিতসকলৰ হৃৎকম্পন কৰে। ঠাই বিশেষত তেনে ঘটনা ঘটিছিল। বিশেষতঃ বৰভাগ অঞ্চলত তেনে ঘটনা ঘটিলত গোস্বামীদেৱৰ শিক্ষাগুৰু দতৰীয়া দেউ শিৱনাথ বুজৰবৰুৱাদেৱে তাৰ বিৰোধিতা কৰে। তাৰে অনুৰণন গোস্বামীদেৱৰ পুস্তকৰ ১১৯ পৃষ্ঠাত দেখা / শুনা যায়। দেউৰ মতে বিধৱা বিবাহ অলীক কল্পনা। চাৰিবৰ্ণৰ ভিতৰত নাৰীৰ পত্যন্তৰত জন্মা সন্তান বৰ্ণত হীন বুলি পৰিগণিত হয়। কোৱা আছে :

নষ্টে মৃতে প্ৰব্ৰজিতে ক্লীবে চ পতিতে পতৌ।
পঞ্চস্বাপৎসু নাৰীণাং পতিৰন্যো বিধীয়তে।।

ইয়াৰ যথাৰ্থ তাৎপৰ্য্য গ্ৰহণ নকৰি কোনোবা লোকে বিধৱা-বিবাহৰ বিধি দিব পাৰে। প্ৰকৃততে এই শ্লোকত বাকদত্তা কন্যাৰ কথাহে কোৱা হৈছে। ছোৱালী চাই বিবাহ কৰিব বুলি কথা দিয়া দৰা / বৰ যদি, হেৰায়, মৰে, প্ৰব্ৰাজক হয়, বা ক্লীব বা সমাজত পতিত হয় তেতিয়া তাক আপৎ বুলি ধৰি কন্যাক আনলৈ বিয়া দিয়া নিয়ম। ইয়াত বিবাহিতা নাৰীৰ আপদৰ কথা কোৱা নাই।

পণ্ডিত গোস্বামীদেৱে যজুৰ্বেদৰ বাজসনেয়ী সংহিতাৰ ঋষি যাজ্ঞবল্ক্যৰ বিষয়ে চৰ্চা কৰিছে। কি পৰিস্থিতিত যাজ্ঞবল্ক্যই শুক্ল যজুৰ্বেদ দৰ্শন কৰিছিল, আৰু পত্নী মৈত্ৰেয়ীৰ সৈতে আত্মা-পৰমাত্মা বিষয়ত জ্ঞানৰ চৰ্চা কৰিছিল তাকো আলোচনা কৰিছে। এই সংবাদ ব্যাখ্যা কৰি দেৱে সাধাৰণ মানুহে কেনেকৈ সংসাৰত জীৱন যাপন কৰিব লাগে তাকো সহজভাষাত ব্যাখ্যা কৰে। মানুহে দাস্যভক্তি অৱলম্বন কৰি অনাসক্তভাৱে জীৱন ধাৰণ কৰিব পাৰিলে মৃত্যুৰ পাছত মুক্তি লাভ কৰিব পাৰে।

গ্ৰন্থৰ শেষলৈ লেখকে শ্ৰীমদ্‌ভগৱদ্‌গীতাৰ চমু আৰু সৰল ব্যাখ্যা দাঙি ধৰে। তাৰ বাবে ভগৱদ্‌গীতাৰ শ্লোকবোৰ ৩ ভাগত ভাগ কৰে। ১ ম ভাগত উপনিষদৰ আধাৰত লোৱা শ্লোক; ২ য় ভাগত মধ্যম পুৰুষত অৰ্জুনক কোৱা শ্লোকবোৰ। ৩ য় ভাগত মধ্যম পুৰুষৰ ক্ৰিয়া আছে, অথচ সম্বোধ্য অৰ্জুনৰ বাহিৰে অন্যৰ যোগ্যতা নাই। সেইখিনি আলোচনাতে গীতাৰ সাৰমৰ্ম কৈ অতাইছে।

শেষত শ্ৰীমদ্‌ভাগৱত পুৰাণৰ বিষয়ে ক'বলৈ ইচ্ছা থকা মাথোন প্ৰকাশ পাইছে। কমেও সাতটা বিষয়ৰ আলোচনা কৰিব খুজিছিল। কিন্তু সেয়া হৈ নুঠিল।

পুথিখনৰ ভাষা কামৰূপীয়া উপভাষা। উজনিৰ লোকৰ বাবে হয়তো বুজাত কঠিন হ'ব। তথাপি আশা কৰিছোঁ, পুথিখনে অনেকৰ উপকাৰ সাধিব। এনে পুথি অসমীয়াত সৰহ নাই। গ্ৰন্থকাৰলৈ নমস্কাৰ জনাই আমাৰ নাতিদীৰ্ঘ্য পাতনি সামৰিব খুজিছোঁ।

নমঃ পূৰ্বেভ্যঃ পূৰ্বজেভ্যঃ পথিকৃভ্যোঃ। ওঁম শান্তিঃ শান্তিঃ শান্তিঃ।

গীতানগৰ
চিনাকি পথ
তাং ১৮।০৫।০৮ ইং

(ড°) শ্ৰীথানেশ্বৰ শৰ্মা
প্ৰাক্তন অধ্যক্ষ, সংস্কৃত বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়

জীৱেশ্বৰ তত্ত্ব

ওঁ নমো গণেশায়।

জীৱেশ্বৰ জ্ঞানম্।

(আত্মতত্ত্ব জ্ঞানম্।)

জীৱানামীশ্বৰং নত্বা শ্ৰীজীৱেশ্বৰ শৰ্ম্মণা।
নাম্না জীৱেশ্বৰ জ্ঞানং নিৰ্ম্মিতং বহুযত্নতঃ।। ১
সপ্ত বিংশতি বৰ্ষাণি শিষ্যাপত্তি নিবাৰণম।
জ্ঞানজাতং সুসংগৃহ্য লিখ্যতে সৰ্ব্ব হেতৱে।। ২

১। শিষ্য — দেৱ। "তত্ত্বজ্ঞান" হলে মুক্তি হয়; এই কথা বহু শাস্ত্ৰত পোৱা যায়; কিন্তু "তত্ত্বজ্ঞান" কি? এই খিনি স্পষ্ট হিচাবে জানিব নোৱাৰিলোঁ। গতিকে এই কথা বিস্তাৰ হিচাবে অনুগ্ৰহ কৰি বুজাই কওক।

গুৰু - তত্ত্ব (যথাৰ্থ বস্তু) তাৰ জ্ঞান, অৰ্থাৎ যথাৰ্থ বস্তু বিষয় জ্ঞান লাভ কৰাকে তত্ত্বজ্ঞান কয়। প্ৰথমতঃ তোমালোকে (১) জ্ঞান কি বস্তু? (২) জ্ঞান ক'ত থাকে? (৩) জ্ঞানৰ প্ৰয়োজন? (৪) জ্ঞানৰ বিভাগ? (৫) জ্ঞানৰ উৎকৃষ্ট-নিকৃষ্টতা? এই কথা পাঁচটা জানিব পাৰিলে জ্ঞান বুজা হ'ব আৰু এই জ্ঞানৰ বিষয় তত্ত্ব বস্তু ভালদৰে পিচত বুজাই কোৱা হ'ব।

২। শিষ্য - বাৰু; প্ৰথমে জ্ঞান কি বস্তু ভালদৰে বুজাই কওক।

গুৰু- (১) জ্ঞান, বুদ্ধি, বিদ্যা, ধী, প্ৰজ্ঞা, মতি, মনীষা ইত্যাদি সমানাৰ্থক শব্দ। কোনো কোনো শাস্ত্ৰত কিঞ্চিত ভেদ থাকিলেও সমানাৰ্থত ব্যৱহাৰ হয়। (১) জ্ঞান আত্মাৰ গুণ (আত্মা কি বস্তু তত্ত্ব কথাৰ সময়ত কোৱা হ'ব) এই জ্ঞানৰ বাহ্যিক হিচাবে কোনো আকাৰ নাই। কিন্তু নিজে নিজে জ্ঞান বুজিব পাৰি। জ্ঞান আত্মাত সমবায় সম্বন্ধে থাকে। "সমবায় সম্বন্ধ" অৰ্থাৎ জ্ঞানৰ আৰু আত্মাৰ এনে এটা সম্বন্ধ বুজিবা যে যি সম্বন্ধৰ বাবে আত্মাৰপৰা পৃথক কৰি জ্ঞানক দেখুৱাবৰ উপায় নাই। এই জ্ঞান আৰু আত্মাৰ সম্বন্ধক সমবায় বোলে। জ্ঞান (বিদ্যা) অন্যক দান কৰা বুজিব হে ব্যৱহাৰ হয়, প্ৰকৃত পক্ষে জ্ঞানৰ দান হ'ব

নোবাৰে; কেৱল মুখৰ ধ্বনি শুনি আৰু অঙ্গি-ভঙ্গি দেখি অন্য ব্যক্তিৰ সেই জাতীয় জ্ঞান আত্মাত তৈয়াৰ হয়, তাকে জ্ঞান দিয়া কয় বা জ্ঞান অন্যৰ পৰা অনা কয় ইত্যাদি। প্ৰকৃত পক্ষে জ্ঞান দিবও নোৱাৰি, আনিবও নোৱাৰি। এই জ্ঞান বস্তু।

(২) জ্ঞান ক'ত থাকে? আত্মাত জ্ঞানৰ জন্ম হ'লে অৰ্থাৎ জ্ঞান হোৱা বুলি জানিলে, অল্পক্ষণ পিচত জ্ঞান নষ্ট হয়, কিন্তু বহুদিন পিচতো সেই জ্ঞানৰ বিষয় স্মৰণ হয়, গতিকে সেই জ্ঞান কোনো এটা স্থানত আছে, বুজিবা। অৰ্থাৎ পূৰ্ব্বোক্ত জ্ঞানৰ বাবে আত্মাত এনে এটা "দাগ" আছে যি দাগৰ বাবে বহুকাল পিচত সেই জ্ঞান স্মৰণ কৰিব পাৰি। সেই দাগৰ নাম "সংস্কাৰ"। এই সংস্কাৰৰো কোনো আকাৰ নাই। কেৱল স্মৰণ হলে বুজা যায় যে সেই জ্ঞানৰ দাগ (সংস্কাৰ) আছে। স্মৰণ নহলে সেই জ্ঞানৰ সংস্কাৰ নাই বুজা যায়। এক বিষয় পুনঃ পুনঃ জ্ঞান কৰিলে সংস্কাৰ দৃঢ়, দৃঢ়তৰ, দৃঢ়তম, হয়, অৰ্থাৎ দাগ গভীৰ, গভীৰতৰ, গভীৰতম হয়। মানুহেও ব্যবহাৰ কৰে, এওঁৰ এই বিষয়ত গভীৰ জ্ঞান আছে, ইত্যাদি।

(৩) জ্ঞানৰ প্ৰয়োজন : **"যমুদ্দিশ্য প্ৰবৰ্ত্ততে তৎ প্ৰয়োজনম্"** যি বিষয় উদ্দেশ্য কৰি জীৱ প্ৰবৰ্ত্তমান হয়, তাক প্ৰয়োজন বোলে। জ্ঞান মাত্ৰৰে এটা প্ৰয়োজন আছে। সেই প্ৰয়োজন প্ৰাণী ভেদে ভিন্ন। যেনে প্ৰাণী-প্ৰাণ বায়ু যাৰ আছে, প্ৰাণ-বায়ু অৰ্থাৎ প্ৰাণ, অপান, সমান, উদান, ব্যান এই পাঁচ প্ৰকাৰৰ বায়ু শৰীৰত থাকে; যেনে—

"হৃদি প্ৰাণোগুদেঽপানঃ সমানো নাভিসংস্থিতঃ।
উদানঃ কণ্ঠদেশে স্যাৎ ব্যানঃ সৰ্ব্ব শৰীৰগঃ।।

এক প্ৰাণ বায়ু হলেও শৰীৰৰ স্থান ভেদে প্ৰাণাদি পাঁচ নাম ধাৰণ কৰিছে। হৃদয়ত প্ৰাণ বায়ু অৰ্থাৎ যি বায়ুয়ে শ্বাস-প্ৰশ্বাসৰ কাম কৰে, গুহ্যত অপান বায়ুঃ অৰ্থাৎ যি বায়ু শৰীৰৰ মল নিঃসৰণ কৰায়। নাভিত সমান বায়ু অৰ্থাৎ যি বায়ু ভুক্ত বস্তু পাক কৰায়। কণ্ঠত উদান বায়ু অৰ্থাৎ যি বায়ু উদ্গাৰ বমন প্ৰভৃতি কৰায়। সৰ্ব্ব শৰীৰত ব্যান বায়ু অৰ্থাৎ যি বায়ু সৰ্ব্ব শৰীৰৰ ৰস, ৰক্ত চলায়।

এই প্ৰাণী জৰায়ুজ, অণ্ডজ, স্বেদজ, উদ্ভিদজ, এই চাৰি ভাগে বিভক্ত। জৰায়ুত অৰ্থাৎ গৰ্ভাশয়তে সমস্ত অৱয়ৱ গ্ৰহণ কৰি জন্ম হয়, গতিকে জৰায়ুজ বোলে, যেনে মনুষ্য, পশু প্ৰভৃতি। অণ্ডজ অণ্ডত অৰ্থাৎ ডিমাৰ ভিতৰত সমস্ত অৱয়ৱ

গ্ৰহণ কৰি জন্ম হয়। গতিকে অণ্ডজ কয়, যেনে পক্ষী, সৰ্প প্ৰভৃতি। স্বেদজ, স্বেদত অৰ্থাৎ মলৰ ভিতৰত অৱয়ৱ গ্ৰহণ কৰি জন্ম গ্ৰহণ হয়। যেনে কীট, ওকণী, উৰহ, মহ প্ৰভৃতি। উদ্‌ভিদ্‌জ, উৎ (ঊৰ্দ্ধ) ভিদ্ (ভেদন) জ (জন্ম), ওপৰৰ পিনে ভেদন কৰি জন্ম গ্ৰহণ কৰে। উদ্‌ভিদ্‌জ, বৃক্ষলতা ইত্যাদি। এই চাৰিবিধ প্ৰাণীৰ উক্ত পাঁচ প্ৰকাৰৰ প্ৰাণ বায়ু আছে বুলি প্ৰাণী কয়।

বৃক্ষাদিৰ প্ৰাণ আছে বুলি শাস্ত্ৰত প্ৰসিদ্ধ আছে। বৃদ্ধি ক্ষয়ৰ দ্বাৰা বুজিব পাৰি। জ্ঞানো আছে।

"অন্তঃ সংজ্ঞা ভবন্ত্যেতে সুখ দুঃখস্য হেতবঃ।" ইত্যাদি বহু বাক্য মনুসংহিতা আৰু পুৰাণাদিত প্ৰসিদ্ধ আছে। "আদাৰ মালতী" লজ্জাৱতী লতা, এই লতাত বৃক্ষৰ চৈতন্যাদি প্ৰত্যক্ষ সিদ্ধ।

"পূৰ্ব্ব জন্মৰ কৰ্ম্ম সংস্কাৰক স্বভাৱ" বোলে। প্ৰাণীসকলৰ বহু জন্মৰ কৰ্ম্ম সংস্কাৰৰপৰা একৰকমৰ স্বাভাৱিক জ্ঞান থাকে। যেনে— আহাৰ (ভোজন), নিদ্ৰা (টোপনি), মৈথুন (যৌৱনত স্ত্ৰীৰ ইচ্ছা), ভয় (দুঃখ সম্ভাৱনা কৰি বিষয়ৰ পৰা নিবৃত্তি) এই চাৰি বিষয়ৰ জ্ঞানক "স্বাভাৱিক জ্ঞান" কয়। এই চাৰি প্ৰকাৰ জ্ঞানৰ প্ৰয়োজন দুঃখাভাৱ বা সুখ। শ্ৰীশ্ৰী চণ্ডীত কৈছে —

জ্ঞানিনো মনুজাঃ সত্যং কিন্তু তে নহি কেৱলম্।
যতোহি জ্ঞানিনঃ সৰ্ব্বে পশুপক্ষিমৃগাদয়।। ১।৪৯

মনুষ্য মাত্ৰেই বিষয় জ্ঞানী এই কথা সত্য, কিন্তু কেৱল মনুষ্যকে জ্ঞানী বুলি ক'ব নোৱাৰিবা, যিহেতু পশু, পক্ষী, মৃগাদি সকলো জ্ঞানী। উক্ত চাৰি প্ৰকাৰৰ জ্ঞান সকলো প্ৰাণীৰে আছে। এই জ্ঞান পূৰ্ব্ব পূৰ্ব্ব জন্মৰ সংস্কাৰ জন্য অৰ্থাৎ স্বাভাৱিক জ্ঞান বুলি এই জ্ঞানক প্ৰয়োজন হীন জ্ঞান বোলে। বৈদান্তিক সকলে এই জ্ঞানক অজ্ঞান কয়। গতিকে তত্ত্বজ্ঞানৰ উদ্দেশ্যে যি জ্ঞান কৰা হয়, সেয়েই সত্য জ্ঞান। তত্ত্ব তাৰ প্ৰয়োজন। প্ৰয়োজনহীন স্বত্ত্বেও দুঃখাভাব বা সুখ প্ৰয়োজন সকল জ্ঞানৰে আছে

(৪) জ্ঞানৰ বিভাগ — (ক) স্বাভাৱিক জ্ঞান (খ) লৌকিক ব্যৱহাৰিক জ্ঞান (গ) শাস্ত্ৰীয় জ্ঞান (ঘ) শাস্ত্ৰীয় উৎকৃষ্ট জ্ঞান (ঙ) সত্য বস্তু জ্ঞান বা তত্ত্ব জ্ঞান।

(ক) স্বাভাৱিক জ্ঞানৰ কথা কোৱা হৈছে।

(খ) লৌকিক ব্যৱহাৰিক জ্ঞান-অৰ্থাৎ পিতা-মাতা প্ৰভৃতিৰ লোকসকলৰ পৰা ব্যৱহাৰোপযোগী পশুপক্ষীৰ জ্ঞানাপেক্ষা কিঞ্চিৎ উৎকৃষ্ট জ্ঞান।

(গ) শাস্ত্ৰীয় জ্ঞান অৰ্থাৎ শাস্ত্ৰাদি জ্ঞান কৰি, ইহলোকৰ কৰ্ম্ম নৈপুণ্য লাভ

কৰি, বিশেষ অৰ্থাগমৰ দ্বাৰা সুখী সংসাৰ যাপন কৰা জ্ঞান।

(ঘ) শাস্ত্ৰীয় উৎকৃষ্ট জ্ঞান অৰ্থাৎ শাস্ত্ৰীয় জ্ঞানৰ দ্বাৰা সৎ অসৎ বিষয় নিৰ্দ্ধাৰণ কৰি, সৎ বিষয়ৰ দ্বাৰা ইহলোকত সুখে কাল যাপন কৰি, পৰলোকৰ বাবে সৎকৰ্ম্মানুষ্ঠান নিৰ্দ্ধাৰণ কৰা।

(ঙ) সত্য বস্তু জ্ঞান বা তত্ত্ব জ্ঞান। তত্ত্ব বা সত্য বস্তু কোৱা হ'ব। এই জ্ঞানৰ পৰা জীৱৰ মুক্তি হয়। "তত্ত্ব জ্ঞানাৎ নিঃশ্ৰেয়সাধিগমঃ।" তত্ত্বজ্ঞানৰ পৰা মুক্তি প্ৰাপ্তি হয়।

(চ) পূৰ্ব্বোক্ত "জ্ঞানৰ উৎকৃষ্ট নিকৃষ্টতা" এই কথাৰ উত্তৰ ৪নং (ঘ) (ঙ) জ্ঞান ভিন্ন নিকৃষ্ট জ্ঞান বুজিবা। এই দুই ৰকমৰ জ্ঞান উৎকৃষ্ট। তাৰে (ঙ) উৎকৃষ্টতৰ।

শিষ্য — গুৰুদেৱ জ্ঞান কি বস্তু সামান্যৰূপে বুজি পালোঁ। আপুনি কোৱা ৪নং ৰ (গ) (ঘ) (ঙ) এই তিনি প্ৰকাৰ জ্ঞান নহ'লে মনুষ্য জন্ম গ্ৰহণ কৰিলেও পশু প্ৰভৃতিৰ তুল্য বুলিব পাৰি। তাৰ ভিতৰত (ঙ) জ্ঞান অৰ্থাৎ তত্ত্বজ্ঞান, এই তত্ত্ব পদাৰ্থ জানিব নোৱাৰিলে মনুষ্য জন্মগ্ৰহণ কৰা ব্যৰ্থ। গতিকে তত্ত্ব বস্তু কি? বিস্তাৰভাৱে হয় কওক; আৰু জ্ঞান কি কাৰণে শ্ৰেষ্ঠ হ'ল? জ্ঞানৰ শ্ৰেষ্ঠতাই জ্ঞানীৰ শ্ৰেষ্ঠতা, এই কথাও বিস্তাৰভাৱে কওক।

গুৰু — বৎসগণ! তোমালোকৰ তত্ত্ব বিষয়ক প্ৰশ্ন পূৰ্ব্বতে আছে। জ্ঞানৰ শ্ৰেষ্ঠতা সম্বন্ধে প্ৰথমতঃ কোৱা হওক। এই বিষয় পিঙ্গল মুনিৰ এটা কথা ক'লে সহজ হিচাবে বোধ গম্য হ'ব। এই পিঙ্গল মুনি পাতালৰ অনন্ত দেৱৰ সেৱক নাগ আছিল। এওঁ পৃথিৱীত মনুষ্য ৰূপে জন্ম গ্ৰহণ কৰি "ছন্দঃ শাস্ত্ৰ" (শ্লোক গীতিকা; বৈদিক ছন্দঃ প্ৰভৃতি) প্ৰচাৰ কৰিবৰ বাবে শিষ্যসকলক শিক্ষা দিছিল। এওঁ ছন্দঃ শাস্ত্ৰ কোৱাৰ লগে লগে বুদ্ধিৰ উৎকৃষ্টতা সম্বন্ধে উপদেশ দিছে। এই শাস্ত্ৰৰ প্ৰথম সূত্ৰ "ধী, শ্ৰী, স্ত্ৰীম্"।

অৰ্থ "ম্" বুলিলে ছন্দঃ শাস্ত্ৰত ৩টা গুৰু বৰ্ণ বুজিব। তেতিয়া শিষ্যসকলে আপত্তি কৰিলে,— দেৱ! মৰ দ্বাৰা ৩ টা গুৰু বুজিলোঁ। আপুনি ধী, শ্ৰী, স্ত্ৰী, কিয় দিলে? কা, খা, গাম্ দিলেও এটা গুৰুবোধ হ'লহেঁতেন।

তেতিয়া মুনিয়ে ক'লে বৎসগণ, ইয়াৰ তাৎপৰ্য্য এই যে ধী (বুদ্ধি, জ্ঞান) এই জ্ঞান শ্ৰেষ্ঠ বুলি ১ম বুদ্ধিৰ নাম কীৰ্ত্তন কৰা হৈছে। অখিল সুখ, সম্পদ, ধৰ্মাদি বুদ্ধিৰ অধীন।

"অৰ্দ্ধাঙ্গুল পৰিনাহ জিহ্বাগ্ৰায়ামনতীৰৰঃ।
সৰ্ব্বাঙ্গীন পৰিক্লেশ মবুধাঃ কৰ্ম্ম কুৰ্ব্বতে।"

অৰ্থ-অৰ্দ্ধ আঙ্গুল ডাঠ জিহ্বাৰ অগ্ৰভাগৰ লালসা পূৰণত ভয় কৰি অজ্ঞানী সকলে (বুদ্ধিহীন সকলে) সৰ্ব্বশৰীৰৰ দ্বাৰা কৰ্ম্ম কৰে, বেয়া খায়, কষ্টত থাকে। অৰ্থাৎ জ্ঞানীসকলে হস্তাবয়বৰ তিন আঙুলীৰ দ্বাৰা কৰ্ম্ম কৰি ভাল খায় আৰু সুখত থাকে। ধী (বুধি) হ'লে শ্ৰী (সম্পদ, ঐশ্বৰ্য্য, বিভূতি) হয়, এই শ্ৰীহলেহে স্ত্ৰী (গাৰ্হস্থ্য ধৰ্ম্ম) অবলম্বন কৰা উচিত। শ্ৰী নহ'লে অৰ্থাৎ শ্ৰীসংগ্ৰহৰ উপায় নহ'লে স্ত্ৰী সংগ্ৰহ কৰা উচিত নহয়। দৰিদ্ৰ ও তপস্বী ৰুচি নামক মুনিয়ে কৈছিল।

"ভাৰ্য্যা তথা দৰিদ্ৰস্য দুষ্কৰো দাৰ সংগ্ৰহঃ।"

অৰ্থ- ভাৰ্য্যা গ্ৰহণ কৰিলে পূৰ্ব্বোক্ত সংযমাদিৰ দোষ আৰু দৰিদ্ৰৰ পক্ষে ভাৰ্য্যা সংগ্ৰহ কষ্টকৰ। গতিকে তোমালোকে প্ৰথমতঃ বুদ্ধি (জ্ঞানৰ) বাবে যত্নবান হোৱা। ইয়াৰ অধীন সমস্ত বিষয়। অন্যান্য পিঙ্গল ছন্দঃ সূত্ৰৰ তাৎপৰ্য্য চমৎকাৰ, সেই সকল ইয়াত কোৱা নহ'ব।

বৎসেগণ ! তোমালোকে বহু শাস্ত্ৰত পাইছা যে দশৰথ ৰজাৰ পুত্ৰ ভৰত ভৰদ্বাজ মুনিৰ আশ্ৰমত অতিথি হোৱাত ভৰদ্বাজৰ তপস্যা বলেৰে কল্পদ্ৰুম ফলিত হৈছিল, অৰ্থাৎ ৰাজোপযোগী ঐহিক ফল (বস্ত্ৰ, খাদ্য, গৃহ, শস্যাদি) তৈয়াৰ হৈছিল।

জমদগ্নি মুনিৰ আশ্ৰমত কাৰ্ত্তবীৰ্য্যাৰ্জ্জুন ৰাজা অতিথি হোৱাত তপস্যাৰ সিদ্ধিৰূপ সুৰভিৰ দ্বাৰা ৰাজসিক বৈভৱ তৈয়াৰ হৈছিল।

বশিষ্ঠৰ আশ্ৰমত বিশ্বামিত্ৰ ৰাজা অতিথি হোৱাত উক্তৰূপ বৈভৱ তৈয়াৰ হৈছিল।

শ্ৰীমদ্ভাগৱতত আছে পত্নী দেৱহূতিৰ অভিলাস পূৰণৰ বাবে কৰ্দ্দম মুনি তপঃসিদ্ধ "কামগ বিমান" অতুল ভোগৰ সহিত তৈয়াৰ কৰিছিল।

এই তপস্যাও অন্য একো নহয়, পৰমেশ্বৰৰ বিষয় বিশেষ জ্ঞান কৰি, শাস্ত্ৰ অনুসাৰে চিন্তাৰূপ বিশেষ জ্ঞান কৰাকে তপস্যা বোলে।

৪। শিষ্য— দেৱ ! বুজিলোঁ, যে জ্ঞানৰ (বুদ্ধিৰ) অধীন সমস্ত বিষয় আৰু জ্ঞান সৰ্ব্বশ্ৰেষ্ঠ। এই জ্ঞানৰ দ্বাৰা ৰাজ্যাদি সমস্ত জগত পৰিচালিত। ইয়াত আমাৰ এটা শঙ্কা হ'ল যে, ভৰদ্বাজাদি মুনিৰ সেইৰূপ তপস্যাৰ সিদ্ধি আছিল ? কি কাৰণে তেওঁলোকে সেই ভোগ নকৰি, পৰ্ণ কুটীৰ আশ্ৰয় কৰি ফল মূলাদি ভোজন কৰিছিল ? এই তাৎপৰ্য্যখিনি অজ্ঞ হিচাবে কওক।

গুৰু - বৎসগণ! ঠিক আশঙ্কা কৰিছা। এই বিষয় মোৰ সংগৃহীত "মনোহৰ পদ্যমালা" নামক গ্ৰন্থৰ ২য় পৰিচ্ছেদত পুৰন্দৰ ইন্দ্ৰৰ উপাখ্যানত বিস্তাৰভাৱে দিয়া আছে।

"লোমশ" নামে এক মুনি আছিল, অন্যান্য বহু কাৰণবশতঃ ব্ৰহ্মাৰ আদেশ ক্ৰমে "পুৰন্দৰ ইন্দ্ৰ" নতুন স্বৰ্গ তৈয়াৰৰ বাবে লোমশৰ ওচৰলৈ গৈছিল। লোমশ সদায় কোনো বৃক্ষাদি তলদেশ আশ্ৰয় কৰি থাকে পৰ্ণ কুটীৰো তৈয়াৰ নকৰে। ইন্দ্ৰৰ নতুন স্বৰ্গ তৈয়াৰ কৰি দিম বুলি প্ৰতিশ্ৰুত হোৱাত, ইন্দ্ৰ আশ্চৰ্য্যান্বিত হৈ সুধিলে। প্ৰভু! আপোনাৰ আয়ুস বা কিমান? ঘৰ তৈয়াৰ কৰি বা ঘৰত কিয় নাথাকে? লোমশে ক'লে ইন্দ্ৰ! মোৰ শৰীৰৰ নোম আয়ুসৰ পৰিমাণ। এটা ইন্দ্ৰ পাত হলে (এটা ইন্দ্ৰৰ আয়ুস সমাপ্তি হলে) এডাল নোম পাত হয়। হাতৰ একখণ্ড স্থান দেখুৱালে এইখিনি নোম গৈছে, আৰু বাকী নোমৰ আয়ুস আছে। এই অল্পায়ুসৰ বাবে আৰু ইন্দ্ৰ দেখিলোঁ, ঘৰ বস্তু গৃহকৰ্ত্তাৰ চক্ষুৰ তৃপ্তিজনক মাত্ৰ, ঘৰত থাকিব নোৱাৰে, মাজৰ ফাক্‌খিনিতহে থাকে, ঘৰত জেঠী, নিগনি, প্ৰভৃতিহে থাকে, ইত্যাদি দেখি ভগৱৎ আৰাধনাৰ সময় যায় দেখিও এইসকল বিষয়ৰপৰা বিৰত হৈছোঁ। ইন্দ্ৰ নিৰুত্তৰ হৈ গ'ল।

বৎসগণ : জ্ঞানৰ দ্বাৰা ভগৱৎ চিন্তাৰ যি সুখ, সেই সুখৰ অপেক্ষা বিষয় সুখ কোটি ভাগৰ এক ভাগো নহয়।

> সমাধি নিৰ্ধূত মলস্য চেতসো,
> নিবেশিতস্যাত্মনি যৎ সুখং ভবেৎ।
> ন শক্যতে বৰ্ণয়িতুং গিৰা তদা,
> স্বয়ং তদন্তঃকৰণেন গৃহ্যতে।।

অৰ্থ — সমাধিৰ দ্বাৰা নিৰ্মল চিত্ত হৈ সেই চিত্তৰ দ্বাৰা পৰমাত্মা সাক্ষাৎকাৰ ৰূপ যি আনন্দ হয়; বাক্যৰ দ্বাৰা সেই আনন্দ বৰ্ণনা কৰিব নোৱাৰি। সেই আনন্দ নিজে অন্তঃকৰণৰ দ্বাৰা গ্ৰহণ কৰিব পাৰি। এই আনন্দৰ তুলনা দিব পৰা দৃষ্টান্ত নাই।

সমাধি — ধ্যাতৃ ধ্যানে পৰিত্যজ্য ক্ৰমাদ্ ধ্যেয়ৈক গোচৰম্।
নিবাত দীপৱৎ চিত্তং সমাধিৰভিধীয়তে।।

অৰ্থ — "অহম্ ঈশ্বৰং চিন্তয়ামি" এই চিন্তাত অহং (মই) ধ্যাতা, "ঈশ্বৰং" ধ্যেয়, "চিন্তা" (ধ্যান), এই ধ্যাতা, ধ্যেয়, ধ্যান তিনি বিষয় ধ্যানত ভাসমান হয়। যি ব্যক্তিৰ ধ্যাতা আৰু ধ্যান বিষয় ৰহিত হৈ কেৱল ধ্যেয় মাত্ৰ ভাসমান থাকে,

অৰ্থাৎ তন্ময় হৈ নিজৰো জ্ঞান নাথাকে সেই অৱস্থাক সমাধি কয়। এই সমাধি অৱস্থা বহুকাল প্ৰাপ্ত হলে নানা সিদ্ধিলাভ হয়। বিশিষ্ট যোগীসকল সেই সিদ্ধিত মুগ্ধ নাযায় আৰু সমাধিৰ আনন্দ অনুভৱ কৰে, সেই আনন্দ ভৰদ্বাজ বা লোমশাদিৰ বুজিবা। বৎসগণ! বুজিব পাৰিছা এই আনন্দ পোৱা ব্যক্তিয়ে গৃহাদি সুখ তুচ্ছ বুলি বোধ কৰে আৰু সেই সিদ্ধিসকলত আসক্ত নহয়।

৫। **শিষ্য** — দেৱ! তত্ত্বজ্ঞান কৰি সমাধি অৱলম্বন কৰি সুখভোগ দূৰৈৰ কথা, প্ৰথমতে শাস্ত্ৰীয় জ্ঞান বিষয়তে আমাৰ বুদ্ধি স্থিৰ কৰা টান হৈছে। তাৰ পিচত তত্ত্বৰ কথা। এই বিষয় আমি ইমান টান আৰু বিশৃঙ্খল বোধ কৰিছোঁ, যে ইয়াৰ পাৰ পোৱা টান। যদি কিবা সৰল পদ্ধতি আছে, তেন্তে সেই পদ্ধতিত ক'বৰ আৰম্ভ কৰক।

গুৰু — বৎসগণ : তত্ত্বজ্ঞান বিষয়ৰ তত্ত্ব জানিবৰ ইচ্ছা কৰিলে, দাৰ্শনিকসকলৰ পদ্ধতি অৱলম্বন কৰিব লাগিব। গতিকে তত্ত্ব অতত্ত্ব সকলো পদাৰ্থ বুজিব লাগিব, নহ'লে কেৱল তত্ত্ব জানিলে তত্ত্ব জ্ঞান নহয়। যেনে ছয়টা ৰস আছে, কষায়, মধুৰ, লৱণ, কটু (জালা), তিক্ত, অম্ল। যদি জগতৰ সকলো বস্তু মধুৰ হ'লহেঁতেন, তেন্তে মধুৰ বুলি জ্ঞান নাথাকিলহেঁতেন। তত্ত্ব (যথাৰ্থ বস্তু) অতত্ত্ব (অযথাৰ্থ বস্তু) উভয়ৰ জ্ঞান নহ'লে তত্ত্বজ্ঞান দৃঢ় হ'ব নোৱাৰে। এই বাবে গৌতম মুনিয়ে ন্যায় দৰ্শনত এটা মূল্যবান কথা কৈছে। গৌতম মুনিৰ ওচৰত শিষ্যসকলে আপত্তি কৰিলে যে প্ৰভু! আপুনি ষোড়শ পদাৰ্থৰ তত্ত্বজ্ঞান হ'লে মুক্তি হয় বুলি ক'লে, কিন্তু ষোড়শ পদাৰ্থৰ অন্তৰ্গত "জল্প" আৰু "বিতণ্ডা" এই দুটা কুতৰ্ক, এই কুতৰ্ক তত্ত্ব জ্ঞানৰ কোনো উপযোগী নহয়, বৰং বিৰোধী, গতিকে ইয়াৰ জ্ঞান মুক্তিৰ উপযোগী কিভাবে হয়? তেতিয়া মুনিয়ে ক'লে।

তত্ত্বাধ্যৱসায় সংৰক্ষণাৰ্থং জল্প বিতণ্ডে।
বীজ প্ৰৰোহ সংৰক্ষণাৰ্থং কন্টক শাখাবৰণবৎ।।

যেনেকৈ গছৰ পুলি ৰোপণ কৰি দৃঢ় হোৱা পৰ্য্যন্ত কাঁটাৰ বেৰা দিয়ে, সেই ৰূপ তত্ত্বজ্ঞান দৃঢ় হোৱা পৰ্য্যন্ত জল্প বিতণ্ডাক (কুতৰ্ক), কাঁটাৰ বেৰাৰ নিচিনা ৰাখিব। অৰ্থাৎ গৰু প্ৰভৃতিয়ে নষ্ট কৰিব বুলি দৃঢ় হোৱা পৰ্য্যন্ত গছৰ পুলিত বেৰাদি ৰক্ষা কৰে অথচ সেই কাঁটাৰ বেৰা সাৰ নহয়। সেই ৰূপ তত্ত্ব জ্ঞান দৃঢ় হোৱা পৰ্য্যন্ত নাস্তিক বলধৰ পৰা তত্ত্বজ্ঞান জল্প বিতণ্ডাদি দ্বাৰা ৰক্ষা কৰিব। কুতৰ্ক শিক্ষা নকৰিলে, সুতৰ্ক দৃঢ় নহয়, গতিকে কুতৰ্কও তত্ত্বজ্ঞানৰ পৰম্পৰা কাৰণ হয়।

বৎসগণ : প্ৰথমতঃ জগতৰ সমস্ত বস্তু অৰ্থাৎ সমস্ত পদাৰ্থ দুই ভাগে ভাগ কৰি লোৱা। সচেতন পদাৰ্থ আৰু অচেতন পদাৰ্থ। যাৰ চৈতন্য আছে, সেই সচেতন পদাৰ্থ। যাৰ চৈতন্য নাই সেই অচেতন পদাৰ্থ। জ্ঞান, ইচ্ছা, যত্ন (কৃতি) এই তিনিটা গুণ যাৰ আছে, সেই বস্তু চেতন। তদ্ভিন্ন অচেতন।

চেতন - জীৱাত্মা আৰু পৰমাত্মা।

এই দুই পদাৰ্থ ভিন্ন যত দৃশ্য-অদৃশ্য পদাৰ্থ আছে, সমস্ত অচেতন।

পৰমাত্মাৰ জ্ঞান, ইচ্ছা, আৰু যত্ন এই তিনিটা বিশেষ গুণ আছে। জীৱাত্মাৰ এই তিনিটা থাকিও সুখ, দুঃখ, দ্বেষ, ধৰ্ম্ম, অধৰ্ম্ম, (শুভাদৃষ্ট আৰু দুৰদৃষ্ট) ভাবনা নামক সংস্কাৰ। এইকেইটা বিশেষ গুণ আছে।

অচেতন - ক্ষিতি (মাটি), অপ (জল), তেজঃ (গৰম পদাৰ্থ), মৰুত (বায়ু) আৰু ব্যোম (আকাশ) এই পাঁচটাক পঞ্চভূত বোলে। পূৰ্ব্বোক্ত চাৰিবিধ জীৱৰ শৰীৰ এই পঞ্চভূতৰ দ্বাৰা তৈয়াৰী। এই পঞ্চভূতত গন্ধ, ৰস, ৰূপ, স্পৰ্শ, শব্দ, এই পাঁচটা বিশেষ গুণ আছে।

ক্ষিতিত - গন্ধ, ৰস, ৰূপ, স্পৰ্শ।

জলত - ৰস, ৰূপ, স্পৰ্শ।

তেজত - ৰূপ, স্পৰ্শ।

বায়ুত - স্পৰ্শ।

ব্যোমত - শব্দ।

কিন্তু বেদান্ত মতে শব্দগুণ ক্ষিতি প্ৰভৃতি চাৰিটাতো আছে। অন্যমতে ক্ষিতি-অপ্-তেজ-মৰুতে শব্দ বহন নকৰে, শব্দ আকাশৰহে গুণ।

ইন্দ্ৰিয় — ঘ্ৰাণ, ৰসন, চক্ষুঃ, ত্বক্, শ্ৰোত্ৰ জ্ঞানেন্দ্ৰিয়।
বাক্, পাণি, পাদ, পায়ু, উপস্থ-কৰ্ম্মেন্দ্ৰিয়।।
মনঃ জ্ঞানেন্দ্ৰিয় আৰু কৰ্ম্মেন্দ্ৰিয়, উভয়াত্মক।

মতান্তৰে - মনঃ, বুদ্ধি, অহঙ্কাৰ, চিত্ত এই চাৰিপ্ৰকাৰ অন্তঃকৰণৰ ভেদ বুলি কয়।

কাল নামে আৰু এটা বস্তু আছে, যাৰ দ্বাৰা বৰ্ত্তমান, ভূত, ভৱিষ্যৎ ব্যৱহাৰ হয়, জ্যেষ্ঠ কনিষ্ঠ ব্যৱহাৰ হয়।

দিক্ নামে আৰু এটা বস্তু আছে, যাৰ দ্বাৰা, পূৰ্ব্ব, পশ্চিম, উত্তৰ, দক্ষিণ, অগ্নি, নৈঋত, বায়ব্য, ঈশান, উৰ্দ্ধ, অধঃ, এই দশদিক্ ব্যৱহাৰ হয়।

৬। **শিষ্য** — দেৱ! চেতন আৰু অচেতন হিচাবে দুই বিধ বস্তু বুজিলোঁ। আৰু তাৰ ভাগো মোটামুটি হিচাবে বুজিলোঁ, কিন্তু তত্ত্ব (যথাৰ্থ) বস্তু, অতত্ত্ব (অযথাৰ্থ) বস্তু ইয়াক একো বুজিব নোৱাৰিলোঁ। এতিয়া বিস্তাৰভাৱে বুজাই কওক। আৰু "পদাৰ্থ" এই শব্দটোৰ অৰ্থ বা কি? "বস্তু" এই শব্দৰ বা প্ৰকৃত অৰ্থ কি? ইত্যাদি বুজাই ক'বলগা হৈছে।

গুৰু — বৎসগণ! পদ (শব্দ) অৰ্থ (বাচ্য বস্তু) = অৰ্থাৎ পদাৰ্থ। শব্দ উচ্চাৰণ কৰিলে যি বস্তু বুজা যায় তাক অৰ্থ বোলে। ভেৰি বা ঢাক প্ৰভৃতি শব্দৰ অৰ্থ (বাচ্য বস্তু) নাই, সেই শব্দমাত্ৰ। এই পদাৰ্থ বা শব্দ বাচ্য বস্তু। যেনে - "ঘট" এই শব্দ এজনে উচ্চাৰণ কৰিলে — পেট-ডাঙৰ, গল সৰু, মাজ ফফলা, জলাদি আহৰণৰ উপযোগী, মৃত্তিকাৰে তৈয়াৰী বস্তু বুজা হয়। এই বস্তু ঘট শব্দৰ অৰ্থ। এই বস্তুক তত্ত্ব (যথাৰ্থ ৰূপে) জানিলে তত্ত্ব বিষয় জ্ঞান হয়। এইভাৱে ঘটৰ তত্ত্ব বুজিলেও আৰু বুজিব লগা অলপ আছে। যেনে এই ঘট-নিত্য (স্থায়ী) অথবা অনিত্য (অস্থায়ী)? যিহেতু ঘট জন্মিছে আৰু নষ্টও হ'ব, গতিকে অনিত্য; এইভাৱে ভাবিচোৱা কিমানত ঘটৰ বস্তু সকল চূৰ্ণ হৈ শেষ সীমা প্ৰাপ্ত হয়। এই বিষয় শাস্ত্ৰকাৰগণ এটা স্থিৰ কৰিছে যে "পৰমাণু"ত এই চূৰ্ণৰ শেষ সীমা। পৰমাণুৰ লক্ষণ।

জালান্তৰ গতে ভানৌ যৎ সূক্ষ্মং দৃশ্যতে ৰজঃ।
ভাগস্তস্য চ ষষ্ঠো যঃ পৰমাণুঃ স উচ্যতে।।

বেৰাৰ সৰু ফুটাৰে সূৰ্য্যৰ ৰশ্মি ঘৰৰ ভিতৰত পৰিলে সেই ৰশ্মিৰ ভিতৰত যি সৰু চূৰ্ণ (গুড়া) দেখা যায়, তাৰে ছয় ভাগৰ এক ভাগক পৰমাণু বোলে। এই পৰমাণু চক্ষুৰ অদৃশ্য নিত্য বস্তু। দুই পৰমাণু সংযুক্ত হ'লে "দ্ব্যণুক" হয়। ইও চক্ষুৰ অদৃশ্য। তিনি দ্ব্যণুক সংযুক্ত হলে "ত্ৰ্যসৰেণু" হয়। এই ত্ৰ্যসৰেণু চক্ষুৰ দৃশ্য। এই যে "জ্বলান্তৰৰ সূক্ষ্ম চূৰ্ণ"।

এইভাৱে পাৰ্থিৱ (পৃথিৱী পদাৰ্থৰ) পৰমাণুহে নিত্য, অন্য জন্য পৃথিৱী অনিত্য। অপ্ তেজ, মৰুতৰো পৰমাণু নিত্য, স্থূল সকল অনিত্য, এইভাৱে এই চাৰিটাৰ তত্ত্ব জ্ঞান কৰা। ইয়াৰ ভিতৰো পৃথিৱীৰ যে গন্ধ, ৰস, ৰূপ, স্পৰ্শ, গুণ আছে, ইও অনিত্য। যেনে এক বস্তু আজি সুগন্ধ আছে, কালি দুৰ্গন্ধ হয়। আজি অম্লৰস আছে কালি মধুৰ হয়। আজি ক'লা আছে, কালি ৰঙা হয়। আজি কঠিন স্পৰ্শ আছে কালি শিথিল স্পৰ্শ হয় ইত্যাদি।

জলৰ যি ৰস, ৰূপ, স্পৰ্শ গুণ আছে, ই স্থূল জলৰ অনিত্য পৰমাণুৰূপ জলৰ গুণ নিত্য। তেজৰ যি ৰূপ স্পৰ্শ গুণ আছে, ইও স্থূল তেজৰ অনিত্য, পৰমাণু ৰূপ তেজৰ নিত্য। বায়ুৰ যি স্পৰ্শ গুণ আছে, ইও স্থূল বায়ুৰ অনিত্য, পৰমাণু ৰূপ বায়ুৰ নিত্য।

আকাশ সদায় এক ৰূপে নিত্য। তাৰ শব্দগুণ অনিত্য। শব্দ আমি উৎপন্ন অনুভৱ কৰোঁ, আৰু নষ্ট হোৱাও অনুভৱ কৰোঁ। কিছুমানৰ মতে শব্দ নিত্য। আকাশত শব্দ সদায় আছে, ব্যঞ্জক (কণ্ঠ তালুৰ আঘাত) হ'লে শুনা যায়, আৰু ব্যঞ্জকৰ অভাৱত শুনা নাযায়। এই "শব্দ নিত্য" বিষয়ত যুক্তিৰ বহু দুৰ্ব্বলতা আছে। যি শব্দ মুখত উচ্চাৰিত হয়; সেই শব্দ আনে শুনিব নোৱাৰে, শুনিলে এজনেহে শুনিব। গতিকে চাৰিওফালে শব্দৰ পৰা শব্দ উৎপন্ন হয়, বায়ু প্ৰভৃতিয়ে নিমিত্ত কাৰণ হৈ বহন কৰে। এই বিষয় "বীচি তৰঙ্গ ন্যায়" অৰ্থাৎ পানীৰ ঢৌৰ ঢৌ যুক্তি। পানীত কোনো এটা বস্তু পেলাই দিলে ঢৌ উঠে, সেই ঢৌই ঠেলাদি চাৰিওফালে ঢৌ তুলি দিয়ে, পুনঃ সেই ঢৌয়ে ঢৌ তুলি দিয়ে এই ভাব শব্দও চাৰিওফালে যায়। শব্দ নিত্যৰ প্ৰতি এটা যুক্তি দেখুৱায় যে সেই শব্দটো কৰা, সেই গান গোৱা, সেই বাজনা মাৰা ইত্যাদি নিত্য শব্দ নহ'লে সেই শব্দৰ (তৎ শব্দৰ) ব্যৱহাৰ কেনেকৈ হয়। যেনে - সেই "দেৱদত্ত" আহিছে, সেই ঘটটো আনা ইত্যাদি। ব্যৱহাৰত পূৰ্ব্বত অনুভূত বস্তু ই সেই (তৎ) শব্দৰ দ্বাৰা পোৱা যায়, গতিকে "সেই গান গোৱা" ইয়াৰ দ্বাৰা শব্দ নিত্য স্বীকাৰ কৰা উচিত হয়। তাৰ উত্তৰ এই যে পূৰ্ব্ব দিশৰ ৰোগীয়ে চিকিৎসকৰ ওচৰত গৈ কয়, হে চিকিৎসক, কালিৰ ঔষধটো দিয়ক, অথবা সেই কালি দিয়া ঔষধটো দিয়ক, কিন্তু ভাবি চোৱা ৰোগী কালি দিয়া ঔষধ খাই আহিছে, আজি চিকিৎসকে সেই ঔষধ কেনেকৈ দিয়ে? গতিকে এই সেই অৰ্থাৎ তৎশব্দৰ দ্বাৰা "তজ্জাতীয় ঔষধ" বুজায় অৰ্থাৎ সেই জাতৰ ঔষধ দিয়ক। এই ৰূপ চিকিৎসকেও কয় যে অমুক চিকিৎসকে যি ঔষধ তৈয়াৰ কৰিছে মইও সেই ঔষধ তৈয়াৰ কৰিছোঁ। ইয়াৰো সেই জাতীয় ঔষধ বুজিব। আৰু গানৰ স্থলতো সেই জাতৰ গান বুজিব।

কাল আৰু দিকৰ বিশেষ গুণ নাই। এই কাল আৰু দিক্ নিত্য বস্তু।

ঘ্ৰাণেন্দ্ৰিয় পৃথিবীৰ বিশেষ অংশৰ দ্বাৰা তৈয়াৰী, নাসিকা মধ্যৱৰ্ত্তী গন্ধ গ্ৰহণৰ দ্বাৰা অনুমেয়, চক্ষুৰাদিৰ অদৃশ্য আৰু অনিত্য।

ৰসনেন্দ্ৰিয় জলৰ বিশেষ অংশৰ দ্বাৰা তৈয়াৰী জিহ্বাগ্ৰৱৰ্ত্তী

ৰসগ্ৰহণৰ দ্বাৰা অনুমেয়, চক্ষুৰাদিৰ অদৃশ্য আৰু অনিত্য।

চক্ষুৰিন্দ্ৰিয় তেজৰ বিশেষ অংশৰ দ্বাৰা তৈয়াৰী নেত্ৰমধ্যৱৰ্ত্তী ৰূপগ্ৰহণৰ দ্বাৰা অনুমেয়, চক্ষুৰাদিৰ অদৃশ্য আৰু অনিত্য।

ত্বগিন্দ্ৰিয় সৰ্ব্বদেহৱৰ্ত্তী, বায়ুৰ বিশেষ অংশৰ দ্বাৰা তৈয়াৰী। স্পৰ্শ গ্ৰহণৰ দ্বাৰা অনুমেয়, চক্ষুৰাদিৰ অদৃশ্য আৰু অনিত্য।

শ্ৰোত্ৰিন্দ্ৰিয় শ্ৰৱণ মধ্যৱৰ্ত্তী আকাশ ভাগ। শব্দগ্ৰহণৰ দ্বাৰা অনুমেয়। চক্ষুৰাদিৰ অদৃশ্য আৰু নিত্য।

"মনঃ" ই স্বতন্ত্ৰ নিত্য বস্তু। ইয়াৰ পৰিমাণ অণু। অৰ্থাৎ অতিসূক্ষ্ম। ইন্দ্ৰিয়ৰ দ্বাৰা জ্ঞান গ্ৰহণৰ মন সহকাৰী কাৰণ। মানসিক জ্ঞান, আত্ম মনঃ সংযোগৰ দ্বাৰা গৃহীত হয়।

৭। **শিষ্য** — দেৱ! অচেতন পদাৰ্থৰ তত্ত্ব (যথাৰ্থতা) প্ৰায় বুজা হ'ল। এতিয়া চেতনৰ অৰ্থাৎ জীৱাত্মা আৰু পৰমাত্মাৰ যথাৰ্থতা ভালদৰে বুজাই কওক।

গুৰু — জীৱাত্মা আৰু পৰমাত্মা চেতন আৰু নিত্য। জীৱাত্মা বহু, পৰমাত্মা এক। এতিয়া আত্মাৰ স্বৰূপ কোৱা হওক। আত্মাৰ স্বৰূপ শ্ৰীমদ্‌ভগৱদ্ গীতাত কৈছে —

অচ্ছেদ্যো ঽয়মদাহ্যো ঽয়ক্লেদ্যো ঽশোষ্য এৱ চ।
নিত্যঃ সৰ্ব্বগতঃ স্থানুৰচলোঽয়ং সনাতনঃ।।
অব্যক্তোঽয় মচিন্ত্যো ঽয়মবিকাৰ্য্যোঽয়মুচ্যতে।
তস্মাদেৱং বিদিত্বৈনং নানুশোচিতুমৰ্হসি।।

অৰ্থ — এই আত্মা-অচ্ছেদ্য (ছেদনৰ অযোগ্য, অৰ্থাৎ পাৰ্থিৱ পদাৰ্থৰ দ্বাৰা নষ্ট কৰিব নোৱাৰি) অদাহ্য (দাহৰ অযোগ্য অৰ্থাৎ তেজঃ পদাৰ্থৰ দ্বাৰা নষ্ট কৰিব নোৱাৰি) অক্লেদ্য (পচাবৰ অযোগ্য অৰ্থাৎ জলীয় পদাৰ্থৰ দ্বাৰা নষ্ট কৰিব নোৱাৰি) অশোষ্য (শুষ্ক কৰিবৰ অযোগ্য অৰ্থাৎ বায়ৱীয় পদাৰ্থৰ দ্বাৰা শোষণ কৰিব নোৱাৰি) নিত্য (উৎপত্তি বিনাশৰহিত) সৰ্ব্বগত (সৰ্ব্ব-পদাৰ্থৰ লগত সম্বন্ধ) স্থানু (স্থিৰ) অচল (গতিৰহিত) সনাতন (চিৰন্তন, নিত্য এই বিশেষণৰ লগত চিৰন্তন বিশেষণৰ ঐক্য অৰ্থ নহয়, "**প্ৰাগভাৱাপ্ৰতিযোগিত্বে সতি ধ্বংসাপ্ৰতিযোগিত্বং নিত্যত্বম্**" অভাব মুখে জ্ঞান। "**সৰ্ব্বকাল সম্বন্ধিত্বং সনাতনত্বম্**" নিত্য কাম সম্বন্ধি ৰূপে জ্ঞান।) অব্যক্ত (চক্ষুৰাদি বাহ্যেন্দ্ৰিয়ৰ অগোচৰ) অচিন্ত্য (চিন্তাৰ দ্বাৰা মনৰ অগোচৰ, অৰ্থাৎ চিন্ত্য শব্দৰ অৰ্থ সহজ

চিন্তাগম্য, আত্মা সহজ চিন্তাগম্য নহয়। বিশেষ চিন্তাৰ দ্বাৰা অৰ্থাৎ মানসিক বিশেষ গুণ যোগত বোধ্য। নহ'লে যি পদাৰ্থ জ্ঞানত ভাসমান নহয়, সেই পদাৰ্থ শাস্ত্ৰকাৰে ক'ত পালে? যেনে এই বস্তু অখাদ্য (সৰ্ব্বসাধাৰণ খাদ্যৰ ভিতৰত নহয়, কিন্তু ঔষধাদিভাৱে বা অন্য কোনো জীৱৰ খাদ্য হ'ব পাৰে, যি বস্তু চিন্তাৰ দ্বাৰা পোৱা নাই অৰ্থাৎ জগতত নাই, তাৰ অভাৱ ক'ব নোৱাৰে। অপৰিচিত বস্তুত "নঞ্" যোগ নহয়। এই কথা শাস্ত্ৰ সিদ্ধ।) অবিকাৰ্য্য (বিকাৰ প্ৰাপ্ত নহয় অৰ্থাৎ অৱস্থান্তৰ প্ৰাপ্ত আত্মা নহয়, সদায় এক অৱস্থাত থাকে।) এইটো চেতন পদাৰ্থ জীৱাত্মা আৰু পৰমাত্মা উভয়ৰ স্বৰূপ। এইভাৱে তত্ত্বজ্ঞান (যথাৰ্থজ্ঞান) কৰিব পাৰিলে, জীৱ সংসাৰত বদ্ধ হৈ নাথাকে, মুক্ত হয়।

৮। শিষ্য — দেৱ! অচেতন পদাৰ্থ সকলৰ মোটামুটি জ্ঞান হৈছে বুলি অনুভৱ হয়। কিন্তু চেতন এই জীৱাত্মা আৰু পৰমাত্মা এই দুই বিধৰ একো জ্ঞান নহ'ল। নানা সন্দেহ উপস্থিত হয়। বুজিবই নোৱাৰিলোঁ। জীৱাত্মা পৰমাত্মা আছেনে নাই? অচেতন বুলি যি সকল পদাৰ্থক কোৱা হৈছে সেই সকলৰ ভিতৰত জীৱাত্মা পৰমাত্মা কিয় নহয়? জীৱাত্মা পৰমাত্মা দুটাৰ প্ৰয়োজন কি? জীৱৰ বহুত্ব, পৰমাত্মাৰ একত্ব এই বিষয়ো নানা সন্দেহ? দেৱ! অলপ অনুভৱ কৰিব পাৰিছোঁ যে "অচেতন পদাৰ্থৰ জ্ঞান" কেৱল তত্ত্বজ্ঞানৰ পৰা বাদ দিয়াৰ বাবেহে। জীৱাত্মা পৰমাত্মাৰ জ্ঞান হে প্ৰকৃত "তত্ত্বজ্ঞান"। গতিকে এই কথা বিস্তাৰভাৱে কওক।

গুৰু — বৎসগণ : তোমালোকে ঠিক ধৰিব পাৰিছা। তোমালোকৰ উক্ত সন্দেহসকল ভঞ্জন হ'লেই, তত্ত্বজ্ঞান আহি পৰিব। দৰ্শন শাস্ত্ৰ সকলৰো মুখ্য উদ্দেশ্য জীৱেশ্বৰ জ্ঞান"। এই জীৱেশ্বৰ জ্ঞানৰ কথা সাৱধানে শুনা।

জীৱাত্মাৰ পৰিচয় — জ্ঞান সম্পাদনৰ বাবে এটা কৰ্ত্তাৰ প্ৰয়োজন। যেনে - মই চক্ষুৰে দেখিছোঁ, জিহ্বাৰে স্বাদ লৈছোঁ, নাকেৰে ঘ্ৰাণ লৈছোঁ। ত্বগিন্দ্ৰিয়ৰ দ্বাৰা (হাতেৰে) গৰম পাইছোঁ, কাণেৰে শুনিছোঁ। এইভাৱে ইন্দ্ৰিয়কৰণ কৰি কোনো এটা কৰ্ত্তাই জ্ঞানাদি অনুভৱ কৰি আছে। এই কৰ্ত্তা শৰীৰ হ'ব নোৱাৰে। মৃত শৰীৰতো শৰীৰত্ব থাকে, কিন্তু চৈতন্য অৰ্থাৎ জ্ঞানাদিৰ কৰ্ত্তৃত্ব নাথাকে, গতিকে শৰীৰ কৰ্ত্তা হ'ব নোৱাৰে। যদি ইন্দ্ৰিয়ক কৰণ নকৰি কৰ্ত্তা কৰা হয় অৰ্থাৎ চক্ষুই দেখিছে, কাণে শুনিছে ইত্যাদি অনুভৱ কোৱা হয়, তেন্তে তাৰ উত্তৰ এই যে যি চক্ষুই ৰূপৰ জ্ঞান কৰিলে, যি ত্বগ্ (হাত) শীত উষ্ম জ্ঞান কৰিলে সেই ইন্দ্ৰিয়তে, সেই জ্ঞানৰ সংস্কাৰ থাকিল। কালান্তৰত সেই ইন্দ্ৰিয় নষ্ট হ'লে, অৰ্থাৎ ছেদনাদি

কৰি পেলালে পুনঃ সেই ৰূপৰ বা সেই স্পৰ্শৰ কেনেকৈ স্মৰণ হয়? আৰু এটা অনুভৱ আছে যে — এই ফল মই চক্ষুৰে দেখিছিলোঁ, আজি জিহ্বাৰে ইয়াৰ স্বাদ অনুভৱ কৰিলোঁ। যাৰ কথা শুনিছিলোঁ তাক আজি দেখিলোঁ। যাক দেখিছিলোঁ, তাৰ আজি স্পৰ্শ অনুভৱ কৰিছোঁ ইত্যাদি। দুই বা ততোধিক ইন্দ্ৰিয়ৰ দ্বাৰা এক কৰ্ত্তাই পূৰ্ব্ব-সংস্কাৰ প্ৰযুক্ত স্মৰণসহ প্ৰত্যক্ষ কৰে (অৰ্থাৎ প্ৰত্যভিজ্ঞা হয়) আৰু চক্ষুৰে অম্ল দ্ৰব্য দূৰৈত দেখিলে জিহ্বাৰ জল বাহিৰ হয়, অথচ জিহ্বাত অম্লদ্ৰব্যৰ সংযোগ নাই, জিহ্বাৰ স্মৰণ হোৱা উচিত নাছিল। গতিকে চক্ষুৰ দ্বাৰা ৰূপ দৰ্শন আৰু বস্তু দৰ্শন হৈ আত্মাৰ অম্ল স্মৃতি হোৱাৰ বাবে জিহ্বাৰ জল বাহিৰ হৈছে। ইত্যাদি বিশেষ অনুভৱ কৰি চালে বুজিবা, যে সকলো ইন্দ্ৰিয়ৰ পৰিচালনকাৰী এটা কৰ্ত্তা (আত্মা) আছে।

পুনঃ বুজি চোৱা— মন এই ইন্দ্ৰিয়ৰ পৰিচালনাৰ সহকাৰী হ'লেও কৰ্ত্তা হ'ব নোৱাৰে, জাগৃত অৱস্থাত দশ ইন্দ্ৰিয়ৰ সহকাৰী হ'লেও সুষুপ্তি (গাঢ়নিদ্ৰা) অৱস্থাত মন পুৰীততি নাড়ীত অৱস্থান কৰে (মেধ্যানাড়ীত অৱস্থান কৰে) তেতিয়া কোনো এজন কৰ্ত্তাই শ্বাস, প্ৰশ্বাসৰ কাৰ্য্য; ৰস ৰক্তাদিৰ পৰিচালনা, হজম কাৰ্য্য চলাই থাকে। গতিকে মন ভিন্ন আত্মা কৰ্ত্তা আছে। মন অণু পৰিমাণ, গতিকে মন জ্ঞানাদিৰ আধাৰ হ'ব নোৱাৰে। প্ৰত্যক্ষৰ প্ৰতি অধিকৰণৰ মহত্ত্বকৰণ, গতিকে আত্মাহে জ্ঞানৰ আধাৰ।

আৰু এটা অনুভৱ কৰি চোৱা বাহ্যিক ৰূপ-ৰস-গন্ধ-স্পৰ্শ-শব্দাদি প্ৰত্যক্ষানুভৱৰ প্ৰতি যেনেকৈ ইন্দ্ৰিয়সকল কৰণ হয়। আভ্যন্তৰিক জ্ঞান, সুখ, দুঃখ, ইচ্ছা, দ্বেষ, যত্ন, ইত্যাদি প্ৰত্যক্ষানুভৱৰ প্ৰতি কোনো এটা কৰণ থাকিব লাগিব। যি কৰণৰ সহায়ত আত্মাই জ্ঞানাদি অনুভৱ কৰিব পাৰে। সেই কৰণ মন। মই মনেৰে সুখানুভৱ কৰিছোঁ, 'সুখী অহং'। মনেৰে দুঃখানুভৱ কৰিছোঁ, "দুঃখী অহং" ইত্যাদি অনুভৱৰ দ্বাৰা ভালদৰে ভাবি চোৱা সমস্ত জ্ঞানাদিৰ আধাৰ বিৰাট আত্মা আছে।

৯। শিষ্য — দেৱ! যদি অহং (মই) পদ বাচ্য আত্মা হয় তেন্তে অহং শুক্লঃ, অহং কৃষ্ণঃ (মই বগা, মই ক'লা) অহং স্থূলঃ অহং কৃশঃ (মই শকত, মই সৰু) ইত্যাদি শৰীৰত অহং বুদ্ধি কিয় হয়? ইয়াৰ কাৰণ কি? আৰু অহমন্ধঃ অহংখঞ্জঃ, অহং বধিৰঃ (মই অন্ধ, মই খোৰা, মই কলা) ইত্যাদি ইন্দ্ৰিয়ত অহং বুদ্ধি কিয় হয়? ইয়াৰ কাৰণ কি?

গুৰু — বৎসগণ : তোমালোকে যি শৰীৰৰ আৰু ইন্দ্রিয়ত আত্মবুদ্ধিৰ (অহংবুদ্ধিৰ) কথা কৈছা, সেই কথা সঁচা। ভাবিচোৱা যি মানুহে মই বগা, মই ক'লা, কৈছে, সেই মানুহেই মোৰ শৰীৰ বগা, মোৰ শৰীৰ ক'লা, মোৰ চক্ষু অন্ধ, মোৰ ভৰি খোৰা ইত্যাদি কথা কয়। অৰ্থ কি হ'ল স্ত্রী-পুত্রাদিৰ পীড়া হলেও কয় মই বৰ কষ্টত পৰিছোঁ, যদি কোনো স্থানত কিবা বিপ্লব হৈছে, দেশৰ কাৰ্য্যকাৰী সকলে কয়, মই বৰ বিপদত বা কষ্টত পৰিছোঁ। এইভাৱে মই (অহং) বুদ্ধি বহল হৈ যায়। গতিকে প্রত্যেক কথা শুদ্ধ নহয়, কোনো এটা কথা হে শুদ্ধ আছে, বাকীবিলাক ভুল। এই ভুল শোধনৰ বাবে অন্য প্রমাণ গ্রহণ কৰিব লাগিব। যেনে —

বাল্য কালত যি শাস্ত্রজ্ঞান কৰা হৈ যৌৱন আৰু বাৰ্দ্ধক্যত সেই জ্ঞানৰ স্মৰণ (স্মৃতি) হৈছে, শৰীৰ পৰিবৰ্তনশীল। বাল্যৰ শৰীৰ যৌৱনত, যৌৱনৰ শৰীৰ বাৰ্দ্ধক্যত নাথাকে ইত্যাদি। এই ৰূপ যি ইন্দ্রিয়ত অহংবোধ কৰিছে, সেই ইন্দ্রিয় ৰোগাদিবশতঃ বহিষ্কৃত হ'লে বা ছেদিত হ'লে, কেনেকৈ বাল্যত মই দেখিছিলোঁ, বা স্পর্শ কৰিছিলোঁ এই স্মৰণ কৰে? ৰোগাদিৰ দ্বাৰা শৰীৰ কৃশ হ'লে, জ্ঞান, ইচ্ছা, কৃশ নহয়, আৰু শৰীৰ মোটা হলে জ্ঞান, ইচ্ছা মোটা নহয় ইত্যাদি বিবেচনা কৰি চিন্তা কৰিলে, শৰীৰ-ইন্দ্রিয়ত আত্মবুদ্ধি ভুল বুলি বোধ হয়। আত্মাৰ হ্রাস বৃদ্ধি নাই।

এই ভুলৰ তাৎপৰ্য্য এই যে এজন মানুহে দা (অস্ত্র) এখন লৈ কোনো বস্তু কাটিলে "দাৰে মই কাটিছোঁ" বুলি কয়, অন্য বস্তু কটাৰ সময়ত সেই দাই হাত কাটিলে, "দাৰে মই হাত কাটিছোঁ" এই ভাষা নকয়, 'দাই কাটিছে' কয়। এতিয়া দা কেনেকৈ কৰ্ত্তা হ'ল? অৰ্থাৎ অন্য বস্তু কটাৰ উদ্দেশ্যে ব্যাপাৰৰ দ্বাৰা হাত কটাৰ বাবে নিজৰ কৰ্ত্তৃত্ব দা'ত আৰোপণ কৰিলে। ইয়াকে লক্ষণা কয়। আৰু দেখা যাওঁক এজন মানুহে এখন দা আনি এজন মানুহক কাটিলে, তেতিয়া মোকৰ্দমা হ'ল, দেখা সাক্ষীসকলে "দাই কাটিছে ক'ব" অথবা "মানুহজনে দাৰে কাটিছে ক'ব"? কৰ্ত্তা মানুহৰ ব্যাপাৰ অন্যৰ উদ্দ্যেশ্যে হ'লে, সেই ব্যাপাৰৰ দ্বাৰা অন্য বস্তু কটা গলে "দাই কাটিছে" এই লাক্ষণিক প্রয়োগ হয়। এই ভাবৰ বহু কথা হয়। তেনেকৈ যেতিয়া ৰোগাদিৰ পিচত নিজে নিজৰ শৰীৰৰ পিনে চাব, তেতিয়া ভাবিব বা ক'ব, মোৰ শৰীৰ বৰ ক্ষীণ হৈছে, আৰু যেতিয়া অন্যৰ শৰীৰৰ লগত তুলনা কৰা হ'ব, তেতিয়া কোৱা হয় যে মই তোমাৰ অপেক্ষা বগা বা কৃশ বা স্থূল ইত্যাদি। তেতিয়া নিজৰ সেই আত্মাৰ অহং বুদ্ধি শৰীৰত আৰোপিত হয়।

এইভাৱে অন্ধ, খঞ্জ ব্যক্তিসকলে নিজে নিজৰ কথা ভাবিলে, কয় মোৰ ভৰিখন খোৰা, চক্ষু দুটা অন্ধ, কাণ দুখন কলা, মই খোৰা, মই কলা ইত্যাদি কয়। এই ভাৱে দেশৰ কাৰ্য্যকাৰী সকলেও পৰৰ দুঃখ নিজৰ শৰীৰত আৰোপণ কৰি, নিজেই দুঃখী বুলি কয়।

বৎসগণ! এইভাৱে বিশেষ চিন্তা কৰিলে প্ৰকৃত আত্মাত আত্মবুদ্ধি (অহংবুদ্ধি) হ'ব, সন্দেহ নাই। শব্দৰ অৰ্থ চিন্তা কৰিব লাগিলে, বহু ভাবিব লগীয়া আছে।

১০। **শিষ্য** — দেৱ! শৰীৰ আৰু ইন্দ্ৰিয়ৰ ওপৰত যে আত্ম বুদ্ধি এইটো ভুল বুলি বুজিলোঁ, কিন্তু মনটোক কিছু স্থূল (ডাঙৰ) স্বীকাৰ কৰি, মনক আত্মা বুলিলে কি দোষ হয়?

গুৰু — বৎসগণ! এই কথা হ'ব নোৱাৰে, কাৰণ ইন্দ্ৰিয়ৰ লগত মনঃ সংযোগ হৈ জ্ঞান জন্মে। মন স্থূল হ'লে দুই বা ততোধিক ইন্দ্ৰিয়ৰ লগত এক সময়ত সম্বন্ধ হৈ, এক কালত দুই ইন্দ্ৰিয় জন্ম জ্ঞান হ'বৰ আপত্তি হ'ব। প্ৰকৃত পক্ষে এক সময়ত দুই ইন্দ্ৰিয় জন্ম জ্ঞান নহয়। মন অণু, তীব্ৰবেগে ইন্দ্ৰিয়সকলৰ লগত সম্বন্ধ কৰি, ভিন্ন ভিন্ন সময়ত ভিন্ন ভিন্ন ইন্দ্ৰিয়ৰ লগত জ্ঞান জন্মায়। যদিওবা স্থূল হিচাবে দেখা যায় যে "দীৰ্ঘ সংস্কুণী ভক্ষণম্" অৰ্থাৎ কোনো এক মানুহে দীঘল, সুগন্ধি, মৰমৰীয়া লুচি ভক্ষণ কৰে, তেতিয়া দীঘলৰ বাবে চাক্ষুষ জ্ঞান, সুগন্ধিৰ বাবে ঘ্ৰাণজ জ্ঞান, মৰমৰীয়াৰ বাবে শ্ৰাৱণ জ্ঞান, ভক্ষণৰ বাবে ৰাসন জ্ঞান, হস্তগ্ৰহণৰ বাবে স্পাৰ্শন জ্ঞান, এই পঞ্চ জ্ঞানেন্দ্ৰিয়ৰ জ্ঞান এক সময়ত হৈ আছেই। কিন্তু সেইটো প্ৰকৃত হ'ব নোৱাৰে। সূক্ষ্মৰূপে ভাবিছানে, এক ইন্দ্ৰিয়ৰ জ্ঞান কালত অন্য ইন্দ্ৰিয়ৰ জ্ঞান হ'ব নোৱাৰে। দেখা যেতিয়া খুব মনোযোগেৰে কোনো ইন্দ্ৰিয়েৰে জ্ঞান কৰিছে; তেতিয়া স্থানান্তৰত মশকাদিয়ে কামুৰিলেও, ক'ব নোৱাৰি। তেতিয়া কোৱা হয় মই সেইপিনে মনোযোগ কৰা নাই। কেতিয়াবা চক্ষুমেলি থাকা সত্ত্বেও সন্মুখেৰে মানুহ গলেও ক'ব নোৱাৰি, যিহেতু মন অন্য পিনে চিন্তাত আছিল। উক্ত দীৰ্ঘ সংস্কুণী ভক্ষণ স্থলত মন তীব্ৰবেগে ঘূৰি পঞ্চেন্দ্ৰিয়ৰ লগত সম্বন্ধ আছে বুলি ধৰিব পৰা নাই। তাৰ দৃষ্টান্ত "অলাতচক্ৰ ভ্ৰমণ ন্যায়" অৰ্থাৎ জুইৰ আঙঠা ঘূৰোৱা যুক্তি। জুইৰ আঙঠা চক্ৰাকাৰে ঘূৰালে চাৰিওফালে থকা দেখা যায়, কিন্তু প্ৰকৃত পক্ষে সেই আঙঠা এক ফালে থকা অৱস্থাত অন্য ফালে নাই, কিন্তু চাৰিওফালে থকা যেন দেখি। বাইস্কোপৰ ছবিও দৃষ্টান্ত। আৰু সময়ৰ ইমান সূক্ষ্মতা আছে যে ধৰিব নোৱাৰোঁ। ঘন্টা, মিনিট,

চেকেণ্ড, প্ৰাচীন মতে দণ্ড, পল, বিপল, অণুপল— ৬০ অণুপলে ১ বিপল, আৰু ২।। (আঢ়ৈ) বিপলে এক চেকেণ্ড হয়। গতিকে এক চেকেণ্ডত ১৫০ অণুপল আছে। এই অণুপল পাৰ্থক্যভাবে ধৰা টান। আৰু দেখা "উৎপলপত্ৰশত ব্যতিভেদ ন্যায়" এক শত উৎপলৰ পত্ৰ জাপি এটা বেজিয়ে এক চেকেণ্ডৰ ২০ ভাগৰ এক ভাগ সময়ত বেধন কৰিব পাৰি, কিন্তু সেই উৎপলপত্ৰ সকল বেধনৰ সময়ত, ওপৰৰ পত্ৰ বেধন নোহোৱাকৈ তলৰ পত্ৰ বেধন হোৱা নাই। এই ক্ৰমিকতা হিচাবে কালভেদ আছে, অৰ্থাৎ ইয়াৰ ভিতৰতো কালৰ এক শত ভাগ আছে। অনুমানেৰে বুজিব পাৰি। এনেই বুজিব নোৱাৰি। গতিকে মন অণু, জ্ঞানাদিৰ আধাৰ হ'ব নোৱাৰে। আৰু গাঢ় নিদ্ৰাৰ সময়ত জ্ঞান নহয়। বহিৰিন্দ্ৰিয়ৰ জ্ঞানৰহিত কাণত অৰ্থাৎ অন্ধকাৰাদি স্থানত বহি থাকিলে, মনেৰে যি জ্ঞান কৰা হয় সেই জ্ঞান কেৱল মনে কৰিব নোৱাৰে। তাৰ লগত কোনো এটা কৰণ সহায় লাগিব, অৰ্থাৎ মনক আত্মা কৰিলে, আৰু তাৰ এটা কৰণ প্ৰয়োজন হ'ব। নহ'লে গাঢ় নিদ্ৰাত জ্ঞান হ'ব লাগিব। গতিকে মনক কৰণ কৰি আত্মাই জ্ঞান কৰিলে কোনো দোষ নহয়। এই শাস্ত্ৰীয় সিদ্ধান্ত।

১১। **শিষ্য** — দেৱ! এতিয়া জীৱাত্মাৰ পৰিমাণ জানিবৰ ইচ্ছা। ভালদৰে দৃষ্টান্ত দি বুজাই দিব।

গুৰু — বৎসগণ! গীতাত কোৱা হিচাবে জীৱাত্মা জগদ্ব্যাপক, বিভু। কাল, আকাশ, আত্মা, দিক্ এই সকল পৰম মহৎ পৰিমাণ বিশিষ্ট বস্তু। নৈয়ায়িক সকলে স্থিৰ কৰিছে যে অণু পৰিমাণ বিশিষ্ট বস্তু, আৰু পৰম মহৎ পৰিমাণ বিশিষ্ট বস্তু নিত্য। "**যৎ যৎ মধ্যম পৰিমাণ তৎ তৎ অনিত্যম্**" এই ব্যাপ্তি গ্ৰহণ কৰি অনুমানৰ দ্বাৰা, মধ্যম পৰিমাণশালী বস্তু অনিত্য স্বীকাৰ কৰি দ্ব্যণুকাদিৰ অনিত্যতা সাধন কৰিছে। এই যুক্তি আৰু পূৰ্ব্বোক্ত যুক্তি আৰু শাস্ত্ৰীয় প্ৰমাণ অনুসাৰে জীৱাত্মাক পৰম মহৎ পৰিমাণ বিশিষ্ট বুলি জানিবা।

১২। **শিষ্য** — দেৱ! এতিয়া জীৱাত্মা এক বা বহু জানিবৰ ইচ্ছা।

গুৰু — বৎসগণ? জীৱাত্মা বস্তু, পূৰ্ব্বোক্ত চাৰি ৰকমৰ প্ৰাণীৰ যত সংখ্যা, জীৱাত্মাৰো তত সংখ্যা। যথা —

জন্ম-মৰণ-কাৰণানাং প্ৰতিনিয়মাদযুগপৎপ্ৰবৃত্তেশ্চ।
পুৰুষ বহুত্বং সিদ্ধং ত্ৰৈগুণ্য বিপৰ্য্যয়াচ্চৈৱ।।

অৰ্থ — একজনৰ জন্ম, অন্যজনৰ মৃত্যু এই নিয়ম প্ৰতিব্যক্তিভিন্ন, একজনৰ

কোনো কাৰ্য্যত প্ৰবৃত্তি অন্য জনৰ নিবৃত্তি, একজনৰ এক বিষয়ত জ্ঞান, অন্যজনৰ অজ্ঞান, একজনৰ এক বিষয়ত ইচ্ছা, অন্যজনৰ অনিচ্ছা, একজনৰ কোনো বিষয়ত দ্বেষ, অন্য জনৰ দ্বেষাভাব, একজন সাত্ত্বিক, অন্যজন, ৰাজসিক বা তামসিক ইত্যাদি কাৰণবশতঃ জীৱাত্মা (পুৰুষ) বহু বুজিবা। সহজবোধ্য কথা।

১৩। **শিষ্য** — দেৱ! আমি আপত্তি কৰিবৰ পথো নাপাওঁ, কাৰণ অদৃশ্য বস্তুৰ বিষয় কত যে আপত্তি হ'ব পাৰে, পাৰ নাপাওঁ। তথাপি আত্মাৰ নিত্যতা সম্বন্ধে কিছু যুক্তি শুনিবৰ ইচ্ছা। প্ৰাণীৰ মৃত্যুৰ লগে লগে আত্মাৰো মৃত্যু (নাশ) স্বীকাৰ কৰিলে কি দোষ হয়?

গুৰু — বৎসগণ! তোমালোকে আপত্তি কৰিব পাৰা, আপত্তি কৰিব নোৱাৰা নহয়, আৰু মোৰ লগত থকাৰ বাবে, নানা মানুহৰ লগত নানা আলাপ হোৱাৰ বাবেও তোমালোকৰ আপত্তিবোৰ প্ৰয়োজনীয় বুলি মোৰ বোধ হৈছে। যিহওঁক সাৱধানে শুনিবা, আৰু এই সম্বন্ধে নিবিড় স্থানত বহি চিন্তা কৰা উচিত। এই আত্ম জ্ঞানৰ বাবে যোগীসকল নিৰ্জ্জনত বহি বহু চিন্তাৰ দ্বাৰা আত্ম সাক্ষাৎকাৰ কৰিছিল। শঙ্কৰাচাৰ্য্যই লিখিছে —

আত্ম জ্ঞান বিমূঢ়া মূঢ়াঃ,
তে পচ্যন্তে নৰক নিগূঢ়াঃ। ইত্যাদি।

গতিকে নানা প্ৰকাৰে আত্ম জ্ঞান কৰিবৰ চেষ্টা কৰা উচিত। এই আত্মজ্ঞান দৃঢ় হ'লে, সেই জীৱৰ কোনো দিন সংসাৰত বন্ধন নাথাকে।

আত্মা (জীৱাত্মা) নিত্য। পূৰ্ব্বত কোৱা আছে যে জ্ঞানাদি কৰিলে তাৰ এটা (দাগ) অৰ্থাৎ সংস্কাৰ থাকে, তাৰ দ্বাৰা সেই জ্ঞান স্মৃত হয়। সেই ৰূপ পাপ কাৰ্য্য (বেয়া কৰ্ম্ম অৰ্থাৎ বেদ নিষিদ্ধ কৰ্ম্ম) কৰিলে অধৰ্ম্ম নামে একবিধ আত্মাত (দাগ) অৰ্থাৎ গুণ জন্মে। আৰু পুণ্য কৰ্ম্ম (ভাল কৰ্ম্ম অৰ্থাৎ বেদ বিহিত কৰ্ম্ম) কৰিলে, ধৰ্ম্ম নামে আত্মাত একবিধ (দাগ) (অৰ্থাৎ গুণ জন্মে। এই উভয় গুণকে দেখা নাযায় বুলি ইয়াৰ নাম "অদৃষ্ট" ৰাখিছে। ধৰ্ম্ম জন্ম শুভদৃষ্ট, অধৰ্ম্ম জন্ম দুৰদৃষ্ট। এই শুভাদৃষ্টৰ দ্বাৰা জীৱৰ সুখ হয়, আৰু দুৰদৃষ্টৰ দ্বাৰা দুঃখ হয়। এই সুখ দুঃখৰ দ্বাৰা সেই অদৃষ্ট অনুমেয়। পূৰ্ব্বত কোৱা জ্ঞান ফল — যেনে বাল্য কালত অধীত শাস্ত্ৰ জ্ঞানৰ ফল জীৱনৰ ভিতৰত ভোগ কৰা হয়। সেই ৰূপ পাপ কৰ্ম্ম পুণ্য কৰ্ম্মৰ ফলো এদিন ভোগ কৰিব লাগিব।

জ্ঞানৰ ফল সংস্কাৰৰ দ্বাৰা স্মৃত হৈ পুনঃ দৃঢ় দৃঢ়তৰ সংস্কাৰ জন্মায়, গতিকে

পুনঃ নতুন সংস্কাৰ জন্ম হৈ আৰু কালান্তৰত ইহ জন্ম বা পৰ জন্মতো স্মৰণ জন্মায়। কিন্তু পাপ পুণ্যৰ কৰ্ম্মফল সেই অনুপাতে একবাৰ পালে অৰ্থাৎ ভোগ কৰিলে সেইটো পাপ বা পুণ্য নষ্ট হয়। গতিকে কোনো কোনো পাপ পুণ্যৰ ফল ইহজন্মত ভোগ নহ'লে, পৰম্পৰ জন্মতো ভোগ হয়। এই কথা ভালদৰে ভাবি চালে, আৰু জীৱসকলৰ কাৰ্য্যকলাপ চিন্তা কৰিলে বুজা যায়।

যদি প্ৰাণীৰ মৃত্যুৰ লগে লগে আত্মাৰ নাশ স্বীকাৰ কৰা হয় আৰু জন্মৰ লগে লগে উৎপত্তিও স্বীকাৰ কৰিব লাগিব। সেই নতুন জাত আত্মা (পূৰ্ব্বজন্মৰ সংস্কাৰাদি ৰহিতআত্মা) এই জন্মৰ কাৰ্য্যকলাপত কিৰূপে প্ৰবৃত্ত হয়? আৰু চোৱা, জাতবালকৰ স্তন্য-পানত প্ৰবৃত্তি, গৰুৰ জাত বৎসৰ স্তন্য পানত প্ৰবৃত্তি আৰু তাৰ লগে লগে খুন্দা নামাৰিলে যে গাভীৰ দুগ্ধ নিঃসৰণ নহয় এই কথাও তাৰ জন্মান্তৰৰ কাৰ্য্যস্মৃতি বুজায়। আৰু ৩।৪ মাহৰ সন্তান বিলাকে যেতিয়া গা খজুৱাব পৰা হয়- তেতিয়া নখেৰে সমস্ত অঙ্গ খজুৱাই দিয়ে, কিন্তু চক্ষু হ'লে হাতৰ পিঠিৰে মোহাৰি দিয়ে। এই ৰূপ একজন ল'ৰাক কোনো শাস্ত্ৰীয় কথা একবাৰ বুজালে বুজে, আনজনে দুইবাৰ বা ততোধিক বুজালে বুজে, আৰু অন্যজনে দশবাৰ বুজালেও নুবুজে ইত্যাদি জ্ঞানৰ তাৰতম্য দেখি পূৰ্ব্বপূৰ্ব্ব জন্মান্তৰৰ সংস্কাৰ অনুভূত হয়। কোনো ব্যক্তি আজন্ম সুখী, কোনো মধ্যত সুখী, কোনো দুঃখী, কোনো ধনী, কোনো নিৰ্ধনী, কোনো আজন্ম ৰোগী, কোনো মধ্য ৰোগী, কোনো নিৰোগী ইত্যাদিৰ দ্বাৰা পূৰ্ব্ব জন্মৰ পুণ্য পাপ বুজা যায়। এই ৰূপ একজন শিক্ষা নকৰিও সুশিল্পী, একজন শিক্ষা কৰি সুশিল্পী, আৰু অন্যজন শিক্ষা কৰিও শিল্পী হ'ব নোৱাৰে। ইত্যাদি কাৰণবশতঃ আত্মা অনাদি নিত্য বুলি বুজিবা।

১৪। শিষ্য — দেৱ! আত্ম মনঃ সংযোগৰ দ্বাৰা জ্ঞানাদি জন্ম। আত্মা জগৎ ব্যাপক; গতিকে সকলো প্ৰাণীৰ মন সকলো আত্মাৰ লগত সম্বন্ধ বা সংযুক্ত আছেই। গতিকে একজনৰ জ্ঞানৰ সংস্কাৰ অন্য আত্মাত নহয়, ইয়াৰ কাৰণ কি?

গুৰু — একজনৰ জ্ঞান বা সংস্কাৰ অন্যৰ নহয়, এইটো নিয়ত নিয়ম। গতিকে এই আত্মাৰ এই মনৰ লগত সম্বন্ধ হৈ জ্ঞান হয়, এই বাবে "নিয়ত অবচ্ছেদকতা" নামক এটা সম্বন্ধ স্বীকাৰ কৰিছে। যোগীসকল যোগ বলেৰে অন্য আত্মাৰ জ্ঞানৰ কাৰ্য্য নিজ আত্মা মনৰ ভিতৰেৰেও চলাব পাৰে। সেইটো যোগজ শক্তি। জীৱাত্মাৰ আৰু কিছুকথা পৰমাত্মাৰ লগত হ'ব। যেনে নিকটস্থ শত্ৰু আৰু দূৰস্থ বন্ধুৰ লগত সম্বন্ধ।

১৫। শিষ্য — দেৱ! জীৱাত্মাৰ কথা কিছু কিছু বুজি পাইছোঁ। এতিয়া পৰমাত্মাৰ (পৰমেশ্বৰৰ) কথা এইদৰে কিছু বুজাই কওক। এতিয়া আমি সকলোৱে আৰু বুজিছো, যে সমস্ত জ্ঞানৰ সাৰভূত জ্ঞান জীৱাত্মা আৰু পৰমাত্মাৰ জ্ঞান।

গুৰু — বৎসগণ! নিজৰ শৰীৰত অনুভূত বস্তু জীৱাত্মা, কেৱল ভুলবশতঃ কেতিয়াবা শৰীৰক, কেতিয়াবা ইন্দ্ৰিয়ক আৰু কেতিয়াবা মনক জীৱাত্মা বোলা হয়। কিন্তু ঈশ্বৰৰ (পৰামাত্মাৰ) কথা এইদৰে কোৱা টান, ইয়াৰ পদ্ধতি অন্যৰূপ।

পৰমেশ্বৰৰ স্বৰূপ সম্বন্ধে শ্ৰীমদ্‌ভাগৱত টীকা কাৰক শ্ৰীধৰ স্বামী কৃত এটা শ্লোক আছে, এইটো পৰমেশ্বৰৰ লক্ষণ সম্বন্ধে দৰ্শন শাস্ত্ৰৰ সাৰ সংগ্ৰহ। শ্লোকটো এই —

বিশ্বসৰ্গ বিসৰ্গাদি নৱলক্ষণ লক্ষিতম্।
শ্ৰীকৃষ্ণাখ্যং পৰং ধাম জগদ্‌ধাম নমামি তৎ।।

সমস্ত জন্ম পদাৰ্থৰ সৃষ্টি প্ৰলয়াদি হিচাবে নৱলক্ষণৰ দ্বাৰা জানিবলগীয়া, সেই প্ৰসিদ্ধ জগতৰ আশ্ৰয়, পৰম জ্যোতিৰ্ম্ময় শ্ৰীকৃষ্ণ নামক ব্ৰহ্মক নমস্কাৰ কৰোঁ।

নৱলক্ষণ কিভাৱে তৈয়াৰ কৰিব লাগিব তাৰ পদ্ধতি এই পূৰ্ব্বত কোৱা পৰমেশ্বৰ জ্ঞান, ইচ্ছা, কৃতি (যত্ন) এই তিনটা গুণ, তাৰ লগত সৃষ্টি, স্থিতি, প্ৰলয় এই তিনটা কাৰ্য্য যোগ কৰিলে, এই নৱলক্ষণৰ লক্ষ্য পৰমেশ্বৰ ভিন্ন অন্য হ'ব নোৱাৰে। নৱলক্ষণ যথা —

১। বিশ্ব সৃষ্টি বিষয়ক জ্ঞানবান্ পৰমেশ্বৰঃ।
২। বিশ্ব স্থিতি বিষয়ক জ্ঞানবান্ পৰমেশ্বৰঃ।
৩। বিশ্ব প্ৰলয় বিষয়ক জ্ঞানবান্ পৰমেশ্বৰঃ।
৪। বিশ্ব সৃষ্টি বিষয়ক ইচ্ছাবান্ পৰমেশ্বৰঃ।
৫। বিশ্ব স্থিতি বিষয়ক ইচ্ছাবান্ পৰমেশ্বৰঃ।
৬। বিশ্ব প্ৰলয় বিষয়ক ইচ্ছাবান্ পৰমেশ্বৰঃ।
৭। বিশ্ব সৃষ্টি বিষয়ক যত্নবান্ পৰমেশ্বৰঃ।
৮। বিশ্ব স্থিতি বিষয়ক যত্নবান্ পৰমেশ্বৰঃ।
৯। বিশ্ব প্ৰলয় বিষয়ক যত্নবান্ পৰমেশ্বৰঃ।

এইভাৱে নৱলক্ষণ অৱশ্যে বুজিছা। জীৱসকলৰ কোনো বস্তুৰ সৃষ্টি (তৈয়াৰ), স্থিতি (ৰক্ষা), প্ৰলয় (নাশ) বিষয়ত জ্ঞান, ইচ্ছা, যত্ন থাকিলেও বিশ্ব (জগত,

ব্রহ্মাণ্ড) বিষয়ক জ্ঞান, ইচ্ছা, যত্ন হ'ব নোৱাৰে। গতিকে বিশ্ব বিষয়ৰ এই ৰূপ জ্ঞানাদি যাৰ আছে, সেই জনেই পৰমেশ্বৰ অৰ্থাৎ ব্রহ্ম। দর্শন শাস্ত্রসকলত নানা প্রকাৰে ঈশ্বৰৰ লক্ষণ আছে। সমস্ত লক্ষণ উক্ত নব লক্ষণৰ অন্তর্ভুক্ত। পৰমেশ্বৰৰ পৰিমাণাদিও উক্ত জীৱাত্মাৰ পৰিমাণাদিৰ স্বৰূপ বুজিবা। কেৱল, আমাৰ জ্ঞান, ইচ্ছা, যত্ন অনিত্য আৰু অল্প বিষয়ক, পৰমেশ্বৰৰ জ্ঞান ইচ্ছা যত্ন নিত্য আৰু সৰ্ব্ব বিষয়ক এই পাৰ্থক্য।

১৬। শিষ্য — দেৱ! পৰমেশ্বৰৰ বিষয় অতি অল্প কথাতে, সহজতে বুজা যেন পালোঁ। কিন্তু নিশ্চয় ইয়াৰ ভিতৰত বহু কথা আছে। যিহেতু যোগী ঋষিসকল বহুকাল বহু জন্ম তেওঁৰ চিন্তা কৰিও পাৰ পোৱা নাই। আপোনাৰ কথা মতে আমাৰ আশঙ্কা কৰিবৰ উপায় নাই যেন হৈছে। তথাপি —

(১) আধুনিক কিছুমানে কয় যে জগতখন পৰমাণুসকল পৰস্পৰ আকৃষ্ট হৈ বহু কালৰ মূৰত দৃষ্ট আকাৰে পৰিণত হৈছে। আৰু স্থিতি হৈ আছে। কালতে এই আকৰ্ষণ শিথিল হৈ, ভগ্ন হৈ পৰমাণুত পৰিণত হ'ব। এইটো প্ৰাকৃতিক জগতৰ স্বভাৱ। ইয়াৰ কিবা দাৰ্শনিক যুক্তি প্ৰমাণ থাকিলে জানিবৰ ইচ্ছা।

(২) শাস্ত্ৰত পোৱাভাৱে হিচাব কৰিলে, ঈশ্বৰ বহু হয়, অন্য কি সংখ্যা কৰা টান যেন হয়। এই কথাৰ উত্তৰ জানিবৰ ইচ্ছা।

(৩) ঈশ্বৰৰ লগত আমাৰ সম্বন্ধ, আৰু তেওঁক জানিবৰ বা তেওঁক চিন্তা কৰিবৰ প্ৰয়োজন কি? এই তিনিটা প্ৰশ্নৰ উত্তৰ পাবৰ ইচ্ছা।

গুৰু — বৎসগণ! যিভাৱে কথা ক'বৰ আৰম্ভ কৰিম, ঠিক সেইভাৱেই তোমালোকে আশঙ্কা কৰিছা। আধুনিক লোকসকলৰ (বৈজ্ঞানিক সকলৰ) যি ভাবৰ মত আমালোকৰ নিৰীয়ৰৰ সাংখ্য দৰ্শনতো সেই ৰূপ মত। সামান্য ভেদ আছে, সেই ভেদ সাংখ্য দৰ্শনৰ কথা কোৱা সময়ত বুজিবা। এতিয়া এই প্ৰশ্নৰ উত্তৰ দিয়া হওঁক।

বৎসগণ : আকৰ্ষণো আছে সচাঁ, কিন্তু সৃষ্টিৰ সময়ত অৰ্থাৎ প্ৰথমাৰম্ভৰ সময়ত প্ৰথমাকৰ্ষণ কোনে যোগ কৰিলে? আৰু প্ৰলয়ৰ সময়ত সেই আকৰ্ষণ ভাঙিবৰ আৰম্ভ কোনে কৰিলে? যেনে ঘড়ীৰ কাঁটা পৰস্পৰ ঘূৰি সময় ঠিক ৰাখিছে। কিন্তু সেই ঘূৰাৰ প্ৰতি শক্তিশালী লৌহৰ ৰজ্জু (স্প্ৰিঙ্) আছে। সেই স্প্ৰিঙ্ত কোনো এজন চেতন ব্যক্তি অৰ্থাৎ জ্ঞান ইচ্ছাকৃতি যুক্ত ব্যক্তি চাবি দিছে

(জোৰ দিছে)। সেই চাবিৰ জোৰৰ বেছি কম অনুসাৰে বেছি কম সময় ঘূৰে। সৃষ্টিৰ আৰম্ভত আৰু সৃষ্টিৰ ধ্বংসৰ সময়ত চেতনৰ প্ৰেৰণাৰ দৰকাৰ। গতিকে ভাবিচোৱা যদিও জগতৰ সৃষ্টি আৰু প্ৰলয় আমাৰ দৃষ্টি গোচৰ হোৱা নাই, বা নহ'ব; তথাপি অনুমান কৰিলে ঠিক হ'ব, যে তাৰ কাৰণ কোনো এজন চেতন আছে।

আৰু যে কৈছা প্ৰাকৃতিক স্বভাৱ। এই স্বভাৱৰ কথা পূৰ্ব্বতো অলপ কোৱা আছে। স্বস্যভাবো ধৰ্ম্ম - স্বভাৱঃ। নিজৰ পূৰ্ব্ব সংস্কাৰ। যেনে এই বালক স্বভাৱতে বুদ্ধিমান, এই বালক স্বভাৱতে বুদ্ধিহীন, এই স্বভাৱ শব্দৰ অৰ্থ জন্মান্তৰত তৈয়াৰ কৰা আত্মাৰ সংস্কাৰ নামক গুণ। জগত তৈয়াৰৰ বিষয়তো কোনো কোনো চেতন ব্যক্তিৰ ইচ্ছা জন্য কৃতি। অন্য হ'ব নোৱাৰে।

স্বভাৱ সম্বন্ধে এটা দৃষ্টান্ত দিও - যেনে শালিধান। শালিধান বছৰৰ ভিতৰত যেতিয়াই ৰোপণ কৰোক আঘোণ মাহতহে পকিব। কোনো কোনো ধান ৰোপণৰ পৰা ৩ মাহ বা ৩$\frac{১}{২}$ মাহত পকে। ষষ্ঠিক ধান ৰোপণৰ পৰা ষষ্ঠি দিনত (দুই মাহত) পকে। এই স্বভাৱ। এতিয়া ভাবি চোৱা যে (১) আঘোণ মাহ, (২) ৩ মাহ, (৩) ৬০ দিন, ইত্যাদি ৰবিৰ ক্ৰিয়া বা পৃথিৱীৰ গতি এই ক্ৰিয়া কোনো চেতন ব্যক্তিৰ চাবিৰ দ্বাৰা অৰ্থাৎ প্ৰেৰণাৰ দ্বাৰা চলিছে। চতুৰ্ভূতৰ পৰমাণু আৰু আকাশ এই পঞ্চভূতৰ মিলন ধান তৈয়াৰী বা প্ৰত্যেক ধানৰ ভিন্ন ভিন্ন তৈয়াৰৰ কাল হ'বৰ কাৰণ কি? সেই ভিন্ন ভাৱৰ বাবে কোনো ব্যক্তিৰ পৃথক্ পৃথক্ ইচ্ছা ভিন্ন অন্য কাৰণ হ'ব নোৱাৰে। গতিকে ভাবি চোৱা যি বিলাক বস্তুৰ স্বভাৱ বুলি ব্যৱহাৰ হয়, তাৰ ভিতৰত কোনো ব্যক্তিৰ ইচ্ছা নিহিত আছে। তাক অন্যথা কৰিব নোৱাৰি। সৃষ্টিৰ আৰম্ভতে পৰমেশ্বৰে যিভাৱে ইচ্ছা কৰি, যিভাৱে যি বস্তুত যিমানখিনি ইচ্ছাশক্তি (যত্ন) পৃথিৱী প্ৰভৃতিৰ ওপৰত নিহিত কৰিছে, সেই ভাৱে, সেই বস্তু, সিমানখিনি সময় ঘূৰিব। ইত্যাদি অনুমান কৰিলে কোনো চেতনৰ প্ৰেৰণা সমস্ত বস্তুত আছে, বুলি প্ৰতীতি হয়। এইভাৱে পৰমেশ্বৰৰ ইচ্ছাৰ কাৰ্য্য বুলি জ্ঞান কৰা অতি কঠিন বুলি, সহজ হিচাবে স্বভাৱ বুলি কৈ ৰখা হয়।

আৰু চোৱা, এই পৃথিৱী প্ৰভৃতিৰ যে পৰস্পৰাকৰ্ষণো কৈছা, সেই পৰস্পৰা কৰ্ষণো পৰমেশ্বৰৰ ইচ্ছা। নহলে চোৱা, পৰস্পৰাকৃষ্ট হৈ পৃথিৱী, গ্ৰহ, নক্ষত্ৰ, ধ্ৰুৱ পৰ্য্যন্ত থাকিল, সেই ধ্ৰুৱৰ শক্তিৰে আকৃষ্ট হৈ সমস্ত নক্ষত্ৰমণ্ডল থাকিল। কিন্তু ধ্ৰুৱক কোনে ৰাখিলে? আৰু সেই ধ্ৰুৱক যি বস্তুই আকৰ্ষণ কৰি ৰাখিলে, সেই বস্তুক কোনে ৰাখিলে? এইভাৱে অনৱস্থা নামক দোষ হ'ব। গতিকে কোনো

চেতনাৰ ইচ্ছা শক্তিৰ (যত্নৰ) দ্বাৰা, এই ভূৰাদি লোকসকল যথাযথভাৱে ঘূৰি বা কোনো বস্তু স্থিৰভাৱে আছে, সন্দেহ নাই।

১৭। শিষ্য — দেৱ! প্ৰথম প্ৰশ্নৰ উত্তৰ এতিয়া হ'ল, কিন্তু পুনঃ আশঙ্কা হ'ব পাৰে, তেতিয়া কোৱা হ'ব। সম্প্ৰতি দ্বিতীয় প্ৰশ্নৰ উত্তৰ শুনিবৰ ইচ্ছা।

গুৰু — বৎসগণ! প্ৰশ্ন হৈছে ঈশ্বৰ এক অথবা বহু? ইয়াৰ উত্তৰ-ঈশ্বৰ এক। পূৰ্ব্বত যি জগৎ বিষয়ক জ্ঞান, ইচ্ছা, যত্নৰ কথা কোৱা হৈছে এই বিষয় গ্ৰহ নক্ষত্ৰাদিৰ গতি বিজ্ঞান, অৰ্থাৎ (গণিত শাস্ত্ৰৰ দ্বাৰা যি গণনা ঠিক কৰিছে, সেই বিজ্ঞান) বহু ঈশ্বৰ হলে, নানা মত হৈ, সেই গণনা ভুল হ'লহেঁতেন। গতিকে ঈশ্বৰ এক। আৰু এটা বিশেষ কথা জগতবিষয়ক ইচ্ছা আৰু যত্নৰ দ্বাৰা যিখিনি কাৰ্য্য হৈছে, সেইখিনি এক ঈশ্বৰৰদ্বাৰা হ'ব পাৰে। নানা ঈশ্বৰ স্বীকাৰ কৰি লাভ নাই। বৰং পূৰ্ব্বোক্ত দোষহে হ'ব।

এই বিষয়ত জীৱাত্মাৰ বিষয়ে এটা কথা ক'লে জীৱ আৰু পৰমাত্মাৰ বিষয় পৰিষ্কাৰ হ'ব। পুত্ৰাদি জাত হ'লে যে পিতাই দেৱদত্ত, যজ্ঞদত্ত প্ৰভৃতি নাম ৰাখে, সেই নাম শৰীৰৰ অথবা আত্মাৰ? উত্তৰ — শৰীৰৰ নাম হ'ব, আত্মাৰ নাম হ'ব নোৱাৰে, কাৰণ আত্মাৰ জন্ম নাই। "জাতে পুত্ৰে পিতা নাম কুৰ্য্যাৎ" এই শাস্ত্ৰৰ দ্বাৰা বুজা যায়, যে শৰীৰৰ জন্ম আছে, গতিকে শৰীৰৰ হে নাম দেৱদত্তাদি ৰাখা হয়। পুনঃ শঙ্কা, এক জীৱনত শৰীৰ নানা, যেনে বাল্য, কিশোৰ, আদি অৱস্থা ভেদে আৰু শৰীৰৰ উপচয় আৰু অপচয় ভেদে শৰীৰ ভিন্ন হয়। কিন্তু নাম ভিন্ন নহয়, আৰু কোৱা হয় যে "অহং দেৱদত্তঃ" অৰ্থাৎ মই দেৱদত্ত। পূৰ্ব্বত কোৱা আছে অহং শব্দৰ বাচ্য আত্মা। পুনঃ শঙ্কা — দেৱদত্ত বগা, দেৱদত্ত ক'লা, দেৱদত্ত স্থূল, দেৱদত্ত কৃশ, দেৱদত্ত গৈছে, দেৱদত্ত আহিছে, দেৱদত্ত মৰিছে, যজ্ঞ দত্ত জন্মিছে ইত্যাদি সৰ্ব্বানুভৱ সিদ্ধ দেৱদত্তাদি শৰীৰৰ নাম। উত্তৰ - যজ্ঞদত্তৰ পুত্ৰ দেৱদত্ত দেৱদত্তৰ পুত্ৰ ৰামদত্ত। এতিয়া ভাবি চোৱা পিতামহে ৰাখা নামৰ বস্তুৰ মৃত্যুৰ পিচত নাতি ৰামদত্ত স্বয়ং দেৱদত্তক অগ্নিসাৎ কৰি, সেই দেৱদত্ত নামেৰে বৈদিক কৰ্ম্ম, (পাৰলৌকিক কৰ্ম্ম) কেনেকৈ কৰে? গতিকে সেই দেৱদত্তাদি নাম আত্মাৰ, শৰীৰৰ হ'ব নোৱাৰে।

আপত্তি— বৈদিক পাৰলৌকিক কৰ্ম্ম লোপ পায় পাব, তথাপি সৰ্ব্বজনৰ অনুভৱ লোপ কৰা উচিত নহয়। শৰীৰৰ নাম যে দেৱদত্তাদি এইটো ঠিক কৰা উচিত।

উত্তৰ - বৎসগণ! দেৱদত্তাদি নাম যে আত্মাৰ এই কথা "সৰ্ব্ব জনানুভৱসিদ্ধ" অলপ গভীৰভাৱে ভাবি চোৱা। দেৱদত্তৰ বাল্যকাল, দেৱদত্তৰ বেমাৰ হৈছে, যজ্ঞদত্ত পিতাৰ কোলাত থকা অৱস্থাতে মৃত্যু হ'ল, তেতিয়া পিতা যজ্ঞদত্তই "বৎস দেৱদত্ত ক'ত গলি" বুলি কিয় কান্দে, কাৰণ যি শৰীৰৰ নাম দেৱদত্ত, সেই জন্ম দিয়া পুত্ৰ দেৱদত্ত বস্তু কোলাতে আছে। মৃত্যুৰ পিচত সেই শৰীৰ বেছি ক্ষণ নাৰাখি, দূৰৈত নিক্ষেপ কৰে বা পুৰি পেলায়। গতিকে বুজা গ'ল যে পিত্ৰাদি ৰক্ষিত নাম আত্মাৰ, এই আত্মাৰ ওপৰত স্নেহ, শৰীৰৰ ওপৰত স্নেহ বা পুত্ৰাদি জ্ঞান হ'লে কেতিয়াও সেই শৰীৰ পুৰি বা পুতি নাৰাখিলেহেঁতেন। বেদত উক্ত আছে।

অঙ্গাদঙ্গাৎসম্ভৱসি হৃদয়াদভি জায়সে।
আত্মা বৈ পুত্ৰ নামাসি স জীৱ শৰদঃশতম্।।

অৰ্থ-শৰীৰ! তুমি মোৰ অঙ্গৰ পৰা সম্ভূত হৈছা, আৰু মোৰ হৃদয়ৰ অভিলাষৰ বিষয়, কিন্তু নিশ্চয় আত্মাই পুত্ৰ নাম ধাৰণ কৰিছা, সেই আত্মা একশত বছৰ জীৱিত থাকা। অৰ্থাৎ শৰীৰ আৰু প্ৰাণ বায়ুৰ লগত সম্বন্ধ হৈ থাকা।

বৎসগণ! ভালদৰে ভাবি চোৱা মনুষ্য, পশু, পক্ষী, প্ৰভৃতি সমস্ত প্ৰাণী মাত্ৰেই, সম্বন্ধী ব্যক্তি মাত্ৰৰ ওপৰত যি স্নেহ প্ৰভৃতি প্ৰকাশ কৰে, সেই স্নেহ প্ৰভৃতি সমস্ত সেই চৈতন্যশালী আত্মাৰ ওপৰত, আৰু সেই স্নেহাদিও সেই চৈতন্যশালী আত্মাৰ ধৰ্ম্ম, শৰীৰৰ নহয়। পুত্ৰাদিৰ ওপৰত যি স্নেহ নিহিত হয়, সেই স্নেহ যদি পুত্ৰাদিৰ শৰীৰত হ'লহেঁতেন, অৰ্থাৎ শৰীৰৰ ৰূপ লাৱণ্যৰ ওপৰত হ'লহেঁতেন, তেন্তে পুত্ৰপেক্ষা বহু প্ৰতিমা (পুতুলা) অধিক সৌন্দৰ্য্যশালী আছে। তাত অধিক স্নেহ অৰ্পিত হ'লহেঁতেন। ইত্যাদি।

এতিয়া ঠিক হ'ল যে সৰ্ব্বজনানুভৱসিদ্ধ দেৱদত্তাদি নাম আত্মাৰ, শৰীৰ আত্মাৰ বিশেষণ অৰ্থাৎ পৰিচায়ক ধৰ্ম্ম। যেনে — এইটো লাল কাপোৰ পিন্ধা মানুহ, সেইটো পাগুৰি মাৰা মানুহ ইত্যাদি অনুভৱৰ স্থলত, লাল কাপোৰ আৰু পাগুৰি যেনে বিশেষণ (পৰিচায়ক), সেই ৰূপ দেৱদত্তাদি নামক-আত্মাৰ পৰিচায়ক শৰীৰ। নামৰ পিচত থাকা শৰ্ম্মা, বৰ্ম্মাদি বিশেষণ, শৰীৰৰ ধৰ্ম্ম। যেনে - "দেৱদত্ত দেৱ শৰ্ম্মা" ইয়াৰ তাৎপৰ্য্য দেৱশৰ্ম্মা (ব্ৰাহ্মণত্ব জাতি বিশিষ্ট শৰীৰ সম্বন্ধী) দেৱদত্ত (দেৱদত্ত শব্দ বাচ্য আত্মা)।

১৮। শিষ্য — দেৱ! বাবু সৰ্ব্ব সম্মতানুসাৰে নাম থকা আত্মাৰ বাচক হ'ল। কিন্তু শৰীৰৰ উপাধি শৰ্ম্মা, বৰ্ম্মা প্ৰভৃতি মৃত্যুৰ পিচত কিয় প্ৰযুক্ত হয়?

গুৰু — বৎসগণ! সকল আত্মা সমান, সেই আত্মাসকলৰ মাজৰপৰা পিত্ৰাদিৰ আত্মা পৃথকভাৱে বুজাব লাগিলে (ইতৰভেদ কৰিব লাগিলে) গোত্ৰ, প্ৰৱৰ, শৰ্ম্মা, বৰ্ম্মাদি শৰীৰৰ পৰিচায়ক ধৰ্ম্মৰ সহিত আত্মাৰ নাম দেৱদত্তাদি উল্লেখ কৰা হয়। যদিও মৃত্যুৰ পিচত সেই গোত্ৰ, প্ৰৱৰ, শৰ্ম্মা, বৰ্ম্মাদি পৰিচায়ক ধৰ্ম্ম বিশিষ্ট শৰীৰ ধ্বংস হৈ গৈছে, তথাপি সেই শৰীৰৰ লগত সম্বন্ধ কৰা অৱস্থাত কৃত যি শুভাশুভ কৰ্ম্ম, সেই শুভকৰ্ম্মৰ ফল বৃদ্ধি আৰু অশুভ কৰ্ম্মৰ ফল নাশৰ বাবে যি কৰ্ম কৰা হ'ব, সেই কৰ্মত সেই গোত্ৰ শৰ্ম্মাদি উল্লেখ কৰিব লাগিব, যাতে অন্য আত্মাৰপৰা সেই আত্মা পৃথক বোধ হয়। যেনে- 'কোনো এটা ঘৰত শগুন পৰিল" 'শগুন উৰি গ'ল' সেই শগুন উৰি যোৱাৰ পিচতো শগুন পৰা ঘৰ বুলি সকলোৱে ব্যৱহাৰ কৰে, আৰু সেই শগুন পতন জন্য অশুভ নাশৰ বাবে, শগুন পতন ধ্বংস কাল দোষ নাশৰ শান্তি কৰা হয়। সেই ৰূপ আত্মাৰ শৰীৰৰ সম্বন্ধ ত্যাগৰ পিচত, আত্মাৰ মঙ্গলাৰ্থে পূৰ্ব্ব শৰীৰৰ সম্বন্ধ ধৰি (গোত্ৰ, প্ৰৱৰ, শৰ্ম্মা, বৰ্মন, পিতা বা ভ্ৰাতা ইত্যাদি উল্লেখ কৰি) কাৰ্য্য কৰা হয়।

বৎসগণ! অৱশ্যে বুজি পালাঁ যে মানুহৰ পিত্ৰাদি ৰক্ষিত নাম আত্মাৰ বাচক! কিন্তু এই নাম আৰু নামৰ বাচক জীৱাত্মাৰ কথা পৰমাত্মাৰ কথাৰ প্ৰস্তাৱত কোৱা হৈছে, মনত ৰাখিবা জীৱাত্মাৰ ভিন্ ভিন্ জন্মত ভিন্ ভিন্ নাম ৰাখিলেও আত্মা ভিন্ন নহয়, এক আত্মাৰে বহু নাম হয়। সেই সেই একেই নামৰ বাচ্য বস্তু এটাই থাকে। সেই ৰূপ ঈশ্বৰ শব্দৰ বাচ্য এক পৰমাত্মা, তেওঁ নানা শৰীৰ গ্ৰহণ কৰি, নানা কাৰ্য্য কৰিলেও অৰ্থাৎ শৰীৰ ভেদে নাম ভিন্ন হলেও, নামৰ বাচ্য সেই এক পৰমাত্মা। যেনে-

ব্ৰহ্মা শব্দৰ বাচ্য - চতুৰ্ম্মুখ বিশেষণ বিশিষ্ট পৰমাত্মা।

বিষ্ণু শব্দৰ বাচ্য - চতুৰ্ভুজ বিশেষণ বিশিষ্ট পৰমাত্মা।

মহেশ্বৰ শব্দৰ বাচ্য - পঞ্চানন বিশেষণ বিশিষ্ট পৰমাত্মা।

১৯। শিষ্য- দেৱ! এতিয়া আমাৰ আশঙ্কা উপস্থিত হ'ল, যে, যদি ঈশ্বৰ জ্ঞান, ইচ্ছা, যত্ন বিশিষ্ট নিৰাকাৰ পৰমাত্মা হয় আৰু সেই জ্ঞান, ইচ্ছা, যত্নবলেৰে জগতৰ সৃষ্টি, স্থিতি, প্ৰলয়ৰ কাৰ্য্য কৰে তেন্তে সাকাৰ শৰীৰ গ্ৰহণৰ কোনো প্ৰয়োজন নাই। নিৰাকাৰভাৱেই যদি সৃষ্টাদি কাৰ্য্য হয়, অন্য কাৰ্য্য বা নিৰাকাৰভাৱে কিয় কৰিব নোৱাৰে? কোনো কাৰণে শৰীৰ গ্ৰহণ কৰিলেও নানা শৰীৰ গ্ৰহণৰ কানো প্ৰয়োজন নাই। এই আশঙ্কা ভঞ্জনৰ বাবে দুই চাৰি দৃষ্টান্তৰ সৈতে কথা শুনিবৰ ইচ্ছা।

গুৰু — বৎসগণ! মই এটা যুক্তিপূৰ্ণ দৃষ্টান্ত দিওঁ, যি দৃষ্টান্তৰ দ্বাৰা (১) ঈশ্বৰৰ অস্তিত্ব, (২) ঈশ্বৰ সাকাৰ হ'বৰ (শৰীৰ গ্ৰহণৰ) প্ৰয়োজন, (৩) ঈশ্বৰৰ নানা শৰীৰ গ্ৰহণৰ প্ৰয়োজন সিদ্ধি হ'ব। যেনে —

প্ৰাণীসকলৰ জন্মগ্ৰহণৰ পিচত স্বাভাৱিক জ্ঞান-আহাৰ-নিদ্ৰা-ভয়-মৈথুন এই চাৰি বিষয়ৰ জ্ঞান অযত্নত হয়। কিন্তু মনুষ্যৰ যে ভাষা-শিক্ষা, ই পিতৃ-মাতৃ বা বন্ধুজনৰ ব্যৱহাৰ সাপেক্ষ। এই ভাষা জ্ঞান স্বতঃ হ'ব নোৱাৰে। যদি স্বতঃ হ'লহেঁতেন, তেন্তে এক দেশত জন্ম গ্ৰহণ কৰি অন্য দেশৰ ভাষা জ্ঞান স্বতঃ হ'লহেঁতেন? যদি এই ভাষা ব্যৱহাৰ জ্ঞান শিক্ষক সাপেক্ষ হ'লহেঁতেন তেন্তে পৰম্পৰাক্ৰমে ভাবি চোৱা, সৃষ্টিৰ আদিম অৱস্থাত আমাৰ পূৰ্ব পুৰুষগণক কোনে ভাষা শিক্ষা দিলে? যদি জন্মগ্ৰহণ মাত্ৰে কোনো ব্যক্তি স্বতঃ শিক্ষিত আছিল, তেওঁ শিক্ষা দিছে। অথবা তাৰ পূৰ্ব্ব সৃষ্টিৰ অভ্যস্ত বিদ্যা কোনো ব্যক্তিৰ স্বতঃ প্ৰকাশ পাইছিল। তেতিয়া পূৰ্ব্ব সৃষ্টিত বা তেওঁৰ শিক্ষক কোন আছিল? ইত্যাদি অনৱস্থা দোষ নিবৃত্তিৰ বাবে কোনো স্বতঃ সৰ্ব্বজ্ঞৰ শৰীৰ গ্ৰহণৰ দৰকাৰ। সেই স্বতঃ সৰ্ব্বজ্ঞ জীৱাত্মা হ'ব নোৱাৰে। তেতিয়া আমি নহলো কিয় ইত্যাদি নানা শঙ্কা হ'ব। গতিকে বুজা গ'ল যে পৰমাত্মা স্বয়ং শৰীৰ গ্ৰহণ কৰি আদিম অৱস্থাত শিক্ষক আছিল। সাকাৰ নহ'লে ব্যবহাৰ শিক্ষা দিব নোৱাৰে।

শঙ্কা — ব্যৱহাৰৰ দ্বাৰা শব্দৰ শক্তিবোধ শিক্ষা দিব লাগিলে, এক ব্যক্তি অজ্ঞ ব্যক্তিক শক্তিবোধ কৰাবৰ (ভাষা শিক্ষা) দিবৰ সাধ্য নাই। যেনে একজন জ্ঞানী মানুহো ৪/৫ জন মান ৬ মাহৰ বালক লৈ যদি নিৰ্জ্জনত বাস কৰে, আৰু সিহঁতক ভাষা শিক্ষা দিয়ে, যে — দেৱদত্ত! আহা, বালকগণেও ক'ব দেৱদত্ত! আহা, আৰু হাতৰ ভঙ্গিও সেইভাৱে দিব। পুনঃ যদি কয় যে তুমি দেৱদত্ত, বালকগণেও ক'ব তুমি দেৱদত্ত। আৰু অন্য একজন ভাষাবিদ ব্যক্তিৰ সেই আগমন কাৰ্য্য নেদেখিলে কেতিয়াও ভাষা শিক্ষা দিব নোৱাৰে। গতিকে দেখা গ'ল দুইজন ভাষা, জ্ঞানী, ভাষা ব্যৱহাৰ কৰিলে, বালকৰ সেই ব্যৱহাৰ দেখি শব্দৰ অৰ্থ বুজি নিজেও সেই ভাষামতে ব্যৱহাৰ জ্ঞান কৰিব। কিন্তু দুইজন ভাষা জ্ঞানীৰ দ্বাৰা তুমি, মই (যুস্মদ্ অস্মদ্) শিক্ষা হলেও, "তেওঁ বা সি", (তৎশব্দ বা ভৱন্ত) শব্দৰ শিক্ষা দুইজনৰ দ্বাৰা হ'ব নোৱাৰে। কাৰণ তৃতীয় ব্যক্তিৰ দ্বাৰা তেওঁ বা সি শব্দৰ ব্যৱহাৰ বালকগণে দেখা নাই। দুইজনে একবচন দ্বিবচনৰ শিক্ষা দিলেও, বহু বচনৰ শক্তি শিক্ষা দিব নোৱাৰিব। গতিকে ভাষা ব্যৱহাৰৰ বাবে তিনিজন ভাষা

জ্ঞানীৰ দৰকাৰ। তিনিজন হ'লে পৰস্পৰ বিনিময় কৰি তেওঁ বা সি, তুমি, মই, ইত্যাদি (অৰ্থাৎ যুস্মদ্ অস্মদ্ ভৱন্তু) শব্দৰ আৰু একবচন, দ্বিবচন, বহু বচনৰ শিক্ষা দিব পাৰিব। (প্ৰথম পুৰুষ, মধ্যম পুৰুষ আৰু উত্তম পুৰুষৰ শিক্ষা দিব পাৰিব।) যেনে- পিতা-মাতা দুইজনে বালকক ভাষা শিক্ষা দিব লাগিলেও আই (হে মাতঃ) ও পিতাই (হে পিতঃ) এই শিক্ষা দিব নোৱাৰিব। যদি দিব লগা হয় তেন্তে, স্ত্ৰীয়ে স্বামীক, পিতা আৰু পুৰুষে স্ত্ৰীক মাতা বুলিব লাগিব, নহ'লে বালকে সেই ভাষা শিক্ষা কৰিব নোৱাৰিব। এতিয়া ভাষা শিক্ষাৰ বাবে আদিম শিক্ষক অন্ততঃ তিনিজনৰ প্ৰয়োজন। তাৰ প্ৰমাণ একবচন, দ্বিবচন, বহুবচন আৰু প্ৰথমপুৰুষ, মধ্যম পুৰুষ, উত্তম পুৰুষ। এই ভাষাৰ ব্যৱহাৰৰ দ্বাৰা বুজা যায় যে সৰ্ব্বজ্ঞ পৰমেশ্বৰে তিনি মূৰ্ত্তি ধাৰণ কৰি, বেদাদি শাস্ত্ৰ আৰু আদিম মানস পুত্ৰগণক শিক্ষা দিছিল। শ্ৰীমদ্‌ভাগৱতত উক্ত আছে।

সত্ত্বং ৰজস্তম ইতি প্ৰকৃতেৰ্গুনাস্তৈঃ,
যুক্তঃ পৰঃ পুৰুষ এক ইহাস্য ধত্তে।
স্থিত্যাদয়ে হৰি বিৰিঞ্চি হৰেতি সংজ্ঞা,
শ্ৰেয়াংসি তত্ৰ বসু সত্ত্ব তনো নৃনাং স্যুঃ।।

অৰ্থ — সত্ত্ব, ৰজঃ, তমঃ, এই তিনিটা প্ৰকৃতিৰ গুণ। এই জগতত উক্ত গুণ ত্ৰয় যুক্ত এক পৰম পুৰুষ (পৰমাত্মা)। এই জগতৰ ধাৰণ পোষণকাৰী আছে। স্থিতিৰ বাবে হৰি, সৃষ্টিৰ বাবে ব্ৰহ্মা, প্ৰলয়ৰ বাবে হৰ, এই ত্ৰিতয় নামধাৰী শৰীৰী হৈছে। তাৰ ভিতৰত সত্ত্ব তনুৰ (সত্ত্বগুণাবলম্বনপূৰ্ব্বক শৰীৰধাৰী বিষ্ণুৰ) পৰা মনুষ্যৰ মুক্তি হয়।

এই উক্ত ৰূপ ভাষাৰ তিনি ৰকমৰ ভঙ্গি (একবচন, দ্বিবচন, বহুবচন আৰু যুস্মদ্, অস্মদ্, ভৱন্তু) দেখি, তিনিজন ভাষা শিক্ষক স্থিৰ কৰা হ'ল, পুনঃ সূক্ষ্মৰূপে চিন্তা কৰিলে, আৰু তিনিজনৰ প্ৰয়োজন হয়। যেনে — এইভাবে পুৰুষৰ ভাষা শিক্ষা হ'ল, কিন্তু স্ত্ৰীবিলাকৰ কিভাবে ভাষা ব্যৱহাৰ হ'ব? স্ত্ৰীসকলৰ ভাষাত, অকাৰান্ত, ঈকাৰান্ত শব্দ প্ৰয়োগ দেখা যায়। স্ত্ৰীলোকৰ ভাষা ব্যৱহাৰৰ বাবে তিনিজনী স্বতঃ সিদ্ধ আন বিশিষ্টা স্ত্ৰীৰ প্ৰয়োজন হ'ল। ইপিনে স্ত্ৰী-পুৰুষৰ (স্বামী-স্ত্ৰীৰ) ব্যৱহাৰত শিক্ষা দিয়াৰ আৱশ্যক দেখি ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ সস্ত্ৰীক হ'ল। গতিকে বুজা গ'ল যে সৃষ্টিৰ প্ৰথমাৱস্থাত পৰমাত্মা পৰমেশ্বৰ তিনিটা পুৰুষ শৰীৰ আৰু তিনিটা স্ত্ৰীশৰীৰ গ্ৰহণ কৰি, সমস্ত ব্যৱহাৰ শিক্ষা দিয়ে। ঈশ্বৰে নিৰাকাৰ

হিচাবে জগৎ সৃষ্টিৰ কাৰ্য্য কৰিলেও আমাক শিক্ষা দিয়াৰ বাবে সাকাৰ হ'বৰ বাধ্য হৈছে। আৰু "জগতত পৰমেশ্বৰ এক জন আছে" এই বাক্য প্ৰথম আমাৰ জ্ঞানৰ বিষয় হ'ব নোৱাৰে, যদি পৰমেশ্বৰ সাকাৰ হৈ সেই পৰমেশ্বৰৰ অস্তিত্ব বুজাই নিদিয়ে। তোমালোকে ভালকৈ ভাবি চোৱা, ভাষা শিক্ষক ৰূপে ঈশ্বৰৰ অস্তিত্ব, সাকাৰত্ব আৰু বহু শৰীৰত্ব সিদ্ধ হ'ল।

এইটো বুজিবৰ বিষয় যে, পৰমেশ্বৰ স্বকীয় জ্ঞান, ইচ্ছা, যত্নৰ বলেৰে, চতুৰ্দ্দশ ভুবন তৈয়াৰ কৰি, নিজৰ ইচ্ছাৰে আদিম ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ প্ৰভৃতি প্ৰাণী সমুদায়ক সৃজন কৰে, তাৰপিচত "উদ্‌ভিদ্‌, বৃশ্চিক বদ্‌ বৰ্ণাঃ" এই নিয়মেৰে ক্ৰমশঃ নানা জীৱৰ জন্ম হয়। এই খিনিৰ অৰ্থ এই যে, এতিয়াও কোনো কোনো স্থানত উদ্ভিদৰ দৃষ্ট বীজ নাথাকিলেও স্বয়ং উদ্ভিদ জন্মে, গোবৰত প্ৰথম কেচুঁ (ক্ৰিমি) এনেই জন্মে। পিচত সিহঁতৰ সন্তান হয়। উৰহ প্ৰভৃতি মলিন বস্ত্ৰাদিত জন্ম গ্ৰহণ কৰে পিচত সিহঁতৰ সন্তান হয়। এই দৰে বৰ্ণ (ব্ৰাহ্মণাদিও) প্ৰথম পৰমেশ্বৰৰ ইচ্ছাত হয়, পিছত ব্ৰাহ্মণৰ পৰা ব্ৰাহ্মণ ইত্যাদি ক্ৰম। এতিয়া বুজিবা যে পৰমেশ্বৰৰ ইচ্ছাৰ দ্বাৰা প্ৰয়োজন বশতঃ যেনেকৈ তেওঁ ছয় শৰীৰ গ্ৰহণ কৰিলে, তাতকৈ প্ৰয়োজনৰ আধিক্য হ'লে আৰু অধিক শৰীৰো গ্ৰহণ কৰিব পাৰে। যেনে পুৰাণ প্ৰসিদ্ধ বিষ্ণু দশাৱতাৰাদি। শিৱস্ত্ৰীৰ দশ মহাবিদ্যাদি।

২০। **শিষ্য**—দেৱ! এতিয়া আমাৰ আশঙ্কা বৰ্দ্ধিত হ'ল। প্ৰথম যদি পৰমেশ্বৰৰ সৃষ্টিৰ আদিত পিতা-মাতা ব্যতিত জীৱৰ স্ৰষ্টা হয় তেন্তে সমদৰ্শী, দয়ালু পৰমেশ্বৰৰ, জীৱৰ সমান সুখী, সমান দীৰ্ঘায়ু, সমান বুদ্ধিমান নকৰিলে কিয়? ব্ৰাহ্মণাদি সৃষ্টিৰ কাৰণ অলপ বয়সতে বিধৱাৰ এক পুত্ৰৰ মৃত্যুৰ কাৰণ জানিবৰ ইচ্ছা। এই আপত্তিয়ে পৰমেশ্বৰৰ ওপৰত বৈষম্য দোষ আৰু নিৰ্দ্দয় দোষ, দুই দোষ দিয়া হ'ল।

দ্বিতীয়তঃ - শাস্ত্ৰত শুনা যায়, **"প্ৰয়োজন মনুদ্দিষ্য ন মন্দোঽপি প্ৰবৰ্ত্ততে"** **অৰ্থ** - বিনা প্ৰয়োজনে মন্দ ব্যক্তিও প্ৰবৰ্ত্তমান নহয়। 'যমুদ্দিস্য প্ৰবৰ্ত্ততে তৎপ্ৰয়োজনম্" অৰ্থ- যি বিষয় উদ্দেশ্য কৰি কৰ্ম্মত প্ৰবৃত্ত হয়, তাকে প্ৰয়োজন বোলে। গতিকে ভগৱান কি প্ৰয়োজনবশতঃ এই জগত তৈয়াৰ কাৰ্য্যত প্ৰবৃত্ত হ'ল? আমাৰ দেখা হিচাবে, এই প্ৰাণীসকলে তেওঁক ফল-মূল, পুষ্পাদি দি তুষ্ট কৰিব এই প্ৰয়োজন হ'ব নোৱাৰে। কাৰণ যি ভগৱানে এই ব্ৰহ্মাণ্ড তৈয়াৰ কৰিব

পাৰিছে, এই জৰায়ুজ, অণ্ডজ, উদ্ভিদজ স্বেদজ চাৰিবিধ প্ৰণালী সৃষ্টি কৰিব পাৰিছে, সেই পৰমেশ্বৰ আমাৰ পৰা চাউল-কল খাবৰ ইচ্ছাত আমাক তৈয়াৰ কৰিছে, এইটো অসম্ভৱ। ইত্যাদি নানা শঙ্কা।

গুৰু- বৎসগণ! ঠিক আশঙ্কা কৰিছা, এই ৰকমৰ শত শত শঙ্কা দৰ্শন শাস্ত্ৰত আছে, আৰু তাৰ সমাধানো আছে। কিন্তু সমস্ত শঙ্কা সেই সেই শাস্ত্ৰ নপঢ়িলে, এই স্থানত উত্থাপিত কৰাও টান, সমাধান কৰাও টান। তথাপি তোমালোকৰ আপত্তি ভঞ্জন হিচাবে উত্তৰ দিয়া হওক। সৃষ্টিৰ আদি অন্ত নাই। আদি অন্ত স্বীকাৰ কৰিলে, উক্ত বিষমদৰ্শিত্ব, নিৰ্দয়ত্বতাৰ দোষ ভগবানৰ হয়। জীৱৰ পূৰ্ব কল্পৰ (পূৰ্ব্বসৃষ্টিৰ) অদৃষ্ট অনুসাৰে পৰসৃষ্টি এইভাৱে চক্ৰ দৃষ্টান্ত দ্বাৰা বুজিবা। যেনেকৈ গাড়ীৰ চকাৰ তল ওপৰ, আদি অন্ত নাই তদ্ৰূপ। তোমালোকে শুনিছা এই সংসাৰখন ভগবানৰ "লীলা খেলা" এই কথাখিনি তোমালোকে ভালদৰে বুজি পাইছানে?

২১। **শিষ্য-** দেৱ! এই "লীলা-খেলা" কথা শুনা আছে। বহুতে বহু কয়। কিন্তু চিন্তা কৰি দেখা গৈছে যে ইয়াৰ প্ৰকৃত অৰ্থ নিজেও বুজা নাই আৰু বুজাই দিয়া লোক ঠিকমতে পোৱা নাই। বিশেষভাৱে শুনিবৰ ইচ্ছা।

গুৰু- বৎসগণ। শুনা। এই কথাখিনিৰ অৰ্থ ভালদৰে বুজি পালে, তোমালোকৰ পূৰ্বোক্ত আপত্তিদ্বয় নাথাকিব আৰু অন্যান্য বহু বিষয় ভালদৰে সমাধান হ'ব। লীলা (তোমাৰ অৰ্থাৎ মানসিক স্ফুৰ্তিজনক আনন্দ) খেলা (কাৰ্য্য, ক্ৰিয়া) খেলা বুলিলেই, মিছা অৰ্থাৎ ফল ৰহিত কাৰ্য্য বুজা যায়। বালকে খেলা কৰে, সেই খেলাত পাবৰ বস্তু একো নাই। ঘৰত আহি পিতাৰ উপাৰ্জিত ধনৰ ভাত খায়। অথচ সেই খেলাত অতিশয় আগ্ৰহ। খেলাত বিপক্ষক জয় কৰিলে কিমান আনন্দ অনুভৱ কৰে সীমা নাই। আৰু বিপক্ষই কিমান দুঃখ অনুভৱ কৰে তাৰো সীমা নাই। (বৰ্তমানৰ ফুটবলৰ খেলাত বিশেষ অনুভৱ কৰিব পাৰিবা)। অন্যান্য জগতত যিসকল কাৰ্য্য আছে, সেই সকল কাৰ্য্যত ঋণ (ধাৰ) হ'লে, ধনীয়ে দয়া কৰি স্থুল বিশেষত সেই ধাৰ এৰি দিয়ে। কিন্তু খেলাত এক ঢাল (এক গল) দিব দিওঁ এই দয়া কৰিবৰ নাই। চোৱা, পৰিশ্ৰম কৰি উপাৰ্জ্জন কৰিও সত্য ধন দান কৰে। কিন্তু মিছা খেলাৰ এটা ধাৰণা দি উপকাৰ নকৰে। ইমান মিথ্যা খেলাৰ শক্তি বা খেলাত অভিনিবেশ বা আগ্ৰহাতিশয় দেখা যায়। এই খেলাত ঘৰত নিবৰো একো নাই, আনন্দৰ সীমা নাই। আমাৰ লোকৰ শাস্ত্ৰত

পাশা খেলাৰ দৃষ্টান্তই দিয়া আছে।

ভাবি চোৱা পাশাৰ খেলা- চাৰিজন মানুহ, ১৬ টা গুটি, তিনি ডাল পাশাৰ শলাকা আৰু ৯৬ ঘৰৰ খেলাৰ স্থান এটা। মুখ্য কথা যে নিজৰ ভাগৰ গুটি চাৰিটা ঘূৰাই আনি ভিতৰত সোমাব পাৰিলে জয়, অন্যথা পৰাজয়। বাৰু, শলাকা নেপেলাই গুটি চাৰিটা এনেই ঘূৰাই আনি ভিতৰত সোমালে খেলা হ'বনে? **উত্তৰ**- নহ'ব। সেই নিয়ম অনুসাৰে শলাকাৰ ঢাল (বিন্দুৰূপ সংখ্যা) পৰিব লাগিব। গতিকে বুজা গ'ল যে খেলোৱাৰৰ গুটি ঘূৰাই আনিবৰ শক্তি থাকিলেও বিনা ঢালে (শলাকাৰ নিয়মিত সংখ্যা নহ'লে) গুটি চলাব নোৱাৰিব। গতিকে বুজা গ'ল এই খেলাৰ কেইটামান নিয়ম আছে, সেই নিয়ম অনুসাৰে খেলা চলিব লাগিব, নিয়মৰ ভিতৰত গুটিৰ মৃত্যু, অগ্ৰগামী পশ্চাৎগামী নানা নিয়ম ঠিক ৰাখি, শেষ সীমা পালে হে, পকিব (জয় লাভ হ'ব।)

এই জগৎ সৃষ্টিৰ বিষয়তো ভাবি চোৱা, এই চতুৰ্দ্দশ ভুৱন আৰু তাৰ অবান্তৰ লোকসকল খেলাৰ স্থান। এই জীৱসকল গুটি। জীৱৰ কৰ্ম্মফল ঢাল, ইয়াৰ ঢালক খেলোৱায় (কৰ্ম্মফলত প্ৰেৰণ কৰ্ত্তা) ভগৱান। ভগৱৎ বাক্য বেদৰ নিয়ম (বিধি) সমুদায় অনুসাৰে এই জগৎ চালিত হৈছে। গতিকে ভগৱানৰ বৈকুণ্ঠাদি ধাৰক শিৱৰ শক্তি (মুক্তি দিবৰ শক্তি) থাকিলেও আমাৰ কৰ্ম্মফল ব্যতীত সেই স্থানত নিব নোৱাৰে। সেই বিধি বাক্যৰ নিয়ম অনুসাৰেহে আমাক চালিত কৰে।

ধৰ্ম্মেন গমন মূৰ্দ্ধং গমনমধস্তাদ ভৱত্যধৰ্ম্মেন।
জ্ঞানেন চাপবৰ্গো বিপৰ্য্যায়াদিষ্যতে বন্ধঃ।।

অৰ্থ- ধৰ্ম্মৰ দ্বাৰা ব্ৰহ্মাণ্ডৰ ওপৰৰ পিনে যায়, অধৰ্ম্মৰ দ্বাৰা তলৰ পিনে যায়, জ্ঞানৰ দ্বাৰা মুক্তি হয়। ইয়াৰ বিপৰীত হ'লে সেই স্থানতে আবদ্ধ হৈ থাকে।

পাশাৰ খেলা ১৬ টা গুটিৰ কাৰ্য্য গতিকে, এই কাৰ্য্য এদিনত অৰ্থাৎ তিনি চাৰি ঘন্টাত শেষ হয়। কিন্তু ভগৱানৰ এই কৌটি কৌটি জীৱৰ খেলা কিমান বছৰ পূৰ্ব্বত আৰম্ভ হৈছে, কিমান বছৰ পিচত শেষ হ'ব তাৰ আদি অন্ত নাই। সমস্ত শাস্ত্ৰকাৰৰ মতে সৃষ্টিৰ আদি "অনাদি", "অনন্ত" ভাব স্বীকাৰ। পাশা প্ৰভৃতি খেলোৱাৰ সকলৰ বা দ্ৰষ্টাসকলৰ যেনে খাবৰ বা পাবৰ একো নাই। ভগৱানৰ এই সৃষ্টি কাৰ্য্যতো খাবৰ পাবৰ একো নাই। কেৱল আনন্দ মাত্ৰ।

যেনেকৈ সকলো বস্তু মিঠা হলে, মিঠাৰ অনুভৱ নাথাকিলহেঁতেন। গতিকে তিতা, কেঁহা প্ৰভৃতি ৰসৰো প্ৰয়োজন। সেইৰূপ সদায় খেলাৰ স্ফুৰ্ত্তিত থাকিলেও

সেই স্ফুৰ্তিক স্ফুৰ্তি বোলা নগ'লহেঁতেন। মাজত আন কাৰ্য্য কৰি বা বিশ্ৰাম বা ভোজনাদি কৰি পুনঃ খেলাৰ কাৰ্য্যত স্ফুৰ্তি হ'ব পাৰে। এই বাবে এই সৃষ্টিৰ প্ৰলয় কাৰ্য্যও এটা আহে। যেনে আমাৰ নিদ্ৰা। যেনেকৈ নিদ্ৰাৰ সময়ত নিদ্ৰিত জীৱৰ সুখ, দুঃখ, ৰোগ চিন্তা, ভোগ চিন্তা, স্ত্ৰী, পুত্ৰ, ধন চিন্তা একোই নাথাকে, সেই ৰূপ প্ৰলয় কালতো জীৱৰ সমস্ত অদৃষ্ট ফল (সুখ দুঃখ ফল) স্থগিত থাকে। যেনে খেলোৱাৰসকলৰ খেলাৰ মাজত যদি বিশ্ৰামৰ, ভোজনৰ বা নিদ্ৰাৰ প্ৰয়োজন হয়, তেন্তে তেনেই খেলা ৰাখি নিদ্ৰাদি কাৰ্য্য সমাধা কৰি, পৰদিন পুনৰ সেই স্থানৰ পৰা আৰম্ভ কৰে। সেই ৰূপ সৃষ্টি কৰ্ত্তা ব্ৰহ্মাৰ নিদ্ৰা অৱস্থাত প্ৰলয় হয় আৰু প্ৰভাত হলে সৃষ্টিৰ কাৰ্য্য আৰম্ভ কৰে। আমাৰ যেনে নিদ্ৰা অৱস্থাত, ৰোগী, ভোগী, ধনী, নিৰ্ধনী সকলোৰে সমান ভাব, কিন্তু জাগৃত হ'লে নিজৰ নিজৰ বিষয় উপস্থিত হয়। সেই দৰে পূৰ্ব সৃষ্টিৰ যি জীৱৰ যি অৱস্থাত প্ৰলয় হয়, পুনৰ সৃষ্টিত সেই জীৱৰ সেই অৱস্থাত জন্ম গ্ৰহণ কৰিব লাগিব। বেদত লিখা আছে—

"সূৰ্য্যাচন্দ্ৰমসৌ ধাতা যথা পূৰ্বমকাল্পয়ৎ" ইত্যাদি বিধাতাই সূৰ্য্য চন্দ্ৰ প্ৰভৃতি পূৰ্ব সৃষ্টিৰ অনুসাৰে পুনঃ তৈয়াৰ কৰিলে ইত্যাদি।

যি অৱস্থাত নিদ্ৰা হয়, সেই অৱস্থাত জাগৃত হ'ব লাগে। অৰ্থাৎ নিদ্ৰাৰ পূৰ্ব ক্ষণত, ধনী, দৰিদ্ৰ, বিদ্বান ইত্যাদি যি অৱস্থাৰ ব্যক্তি শয়ন কৰে পুনঃ জাগৰণত সেই অৱস্থাত জাগৃত হয়। এই নিয়মে বিধাতায় পূৰ্ব্ব কালত ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ তাৰ ভিতৰত জ্ঞানী, অজ্ঞানী ইত্যাদি হিচাবে পৰকল্পতো (নতুন সৃষ্টিত) ব্ৰাহ্মণাদি হিচাবে জন্ম দিয়ে। গতিকে বেদত "যথা পূৰ্ব" শব্দ দিছে।

যেনেকৈ পাশাৰ গুটিবোৰ পৰস্পৰে পৰাস্পৰৰ বধৰ কাৰণ হয়। সেই ৰূপ এই চাৰি শ্ৰেণীৰ জীৱৰো পৃথক খাদ্য বস্তু ভগৱানে সৃষ্টি কৰা নাই। প্ৰাণীকে প্ৰাণীৰ খাদ্যৰূপে নিৰ্দেশ কৰিছে। আৰু এটা কথা প্ৰাণীৰ খাদ্য পৰস্পৰ প্ৰাণীয়ে নহ'লে, পৃথকে খাদ্য হ'লে, প্ৰাণীৰ শুভাশুভ ভাগ্য তৈয়াৰ নহ'লহেঁতেন। গতিকে এই চাৰি প্ৰকাৰ প্ৰাণীৰ খাদ্য পৰস্পৰ চাৰি প্ৰকাৰ প্ৰাণীয়েই। শ্ৰীমদ্ভাগৱতত দিছে, ভগৱানে জীৱৰ পৃথক খাদ্য বিধান কৰিব নোৱাৰি প্ৰাণীকে প্ৰাণীৰ খাদ্য বিধান কৰিছে।

অহস্তানি সহস্তানামপদানি চতুষ্পদাম্।
ফল্গুনী তত্ৰ মহতাং জীৱো জীৱস্য জীৱনম্।।

সহস্তৰ (সমস্ত মনুষ্যৰ) অহস্ত (পশুপ্ৰভৃতি) খাদ্য, চতুষ্পদৰ অহস্ত (ঘাঁস

প্ৰভৃতি) খাদ্য। সবল প্ৰাণীৰ দুৰ্বল প্ৰাণীসকল খাদ্য, গতিকে প্ৰাণীয়ে প্ৰাণীৰ খাদ্য।

যদি প্ৰাণী প্ৰাণীৰ খাদ্য হয় তেন্তে, বেদবাক্য অনুসাৰে অৰ্থাৎ পৰমেশ্বৰৰ নিৰ্দেশ নিয়ম অনুসাৰে, সেই খাদ্য খোৱা উচিত। নহ'লে অধোগতি অৱশ্যম্ভাৱী, সন্দেহ নাই। যেনেকৈ বাঘেও ছাগলী খাইছে, মানুহেও খাইছে। কিন্তু মানুহে বাঘৰ নিচিনাকৈ নাখাই শাস্ত্ৰানুসাৰে খোৱা উচিত, এই তাৎপৰ্য্যই বেদৰ। ভগৱানে আমাৰ পৰা চাউল, কল পাবৰ বাবে সৃষ্টি কৰা নাই। সেই চাউল কল ৰূপ জীৱ নষ্ট কৰাৰ দোষ নিবৃত্তিৰ বাবে সেই বেদ বাক্য অনুসাৰে নিবেদন কৰি আমি নিজেই খাওঁ। পশুৰ নিচিনা চাউল, কল খোৱা উচিত নহয়।

পুনঃ চোৱা- পাশাৰ খেলাৰ এজন পকিলে তেওঁৰ বন্ধুক নিজৰ ঢাল (শল্যাকাৰ বিন্দু সংখ্যা) দিয়ে। নিকটবৰ্ত্তী হ'লেও অবন্ধুক নিদিয়ে, বৰং অবন্ধুৰ গুটি এই ঢালেৰে মাৰেহে। সেই ৰূপ কোনো প্ৰাণী মুক্ত হ'লে তাৰ অনাৰব্ধ শুভ কৰ্ম্ম বন্ধু সকলে পায় আৰু অনাৰব্ধ অশুভ অবন্ধু (শত্ৰু) সকলে পায়।

"**সুহৃদঃ সাধুকৃত্যং দ্বিষন্তঃ পাপকৃতম্**" এই বেদ।

বৎসগণ! খেলাৰ যেনে নানা নিয়ম আছে, এই সংসাৰৰূপ খেলাতো নানা নিয়ম আছে। সেই নিয়ম এই লীলা খেলাৰ কৰ্তা পৰমেশ্বৰৰ বিধি নিষেধ বাক্য সকল, অৰ্থাৎ সমগ্ৰ বেদ।

২২। শিষ্য— দেৱ! শুনা যায়, বেদ নিত্য, নিৰ্দোষ, বেদৰ কৰ্তা নাই। ইয়াৰ কাৰণ কি?

গুৰু— বৎসগণ! কথাটো সঁচা, কিন্তু বেদ কৰ্তা পৰমেশ্বৰ। এই কথা পূৰ্বতেও কোৱা হৈছে। পৰমেশ্বৰৰ জ্ঞান, ইচ্ছা, যত্ন এক ৰূপ। বেদো পৰমেশ্বৰৰ ইচ্ছাবোধক বাক্যসমূহ। একৰূপ বুলি নিত্য বুজা হয়। অৰ্থাৎ পূৰ্ব্ব কল্পত যি বেদ আছিল, পৰকল্পত সেই ৰূপ বেদেই পৰমেশ্বৰৰ পৰা বাহিৰ হয়। এই কথা শব্দৰ অনিত্যতা কোৱাত, কোৱা হৈছে। সৰ্বজ্ঞ পৰমেশ্বৰে কৰা বুলি নিৰ্দোষ। কৰ্ত্তা নাই বুলি কয়। কিন্তু কৰ্ত্তা নহ'লে পূৰ্ব্ব কথিত নিয়মে সেই শব্দসমূহৰ প্ৰথম আমাৰ শব্দবোধ কোনে কৰাই দিয়ে? পৰমেশ্বৰেই নিজে সাকাৰ হৈ সেই তেওঁৰ আদেশ সমূহ (বেদসমূহ) নানা শৰীৰ গ্ৰহণ কৰি, সৃষ্টিৰ আদিম অৱস্থাত আমাৰ শব্দবোধ কৰাই দিছে।

আৰু এটা কথা ভাবি চোৱা-

বিধি বাক্য (হুকুম বাক্য) লিঙ্ লোট্ যুক্ত বাক্য। ভাষাত যেনে তুমি যোৱা,

অমুকে এইটো কৰিব, অমুকে এইটো খাব অন্যে নাখাব, অমুক খালে শাস্তি দিম ইত্যাদি বাক্যৰ ভিতৰত বক্তাৰ ইচ্ছা নিহিত আছে। স্বৰূপ কথন বাক্যত নাই। যেনে- দেৱদত্ত ঘৰক গৈছে; বৃক্ষ বিলাকৰ ফল ফুল ধৰিছে, ইত্যাদি বাক্যত বক্তাৰ ইচ্ছা নিহিত নাই। বেদ যিহেতু বিধিবাক্য পৰিপূৰ্ণ, গতিকে তাত কোনো বক্তাৰ ইচ্ছা নিহিত আছে। যেনে- "তুমি ঘৰক যোৱা" এই হুকুম দিলে, সেই তুমি পদৰ বাচ্য ব্যক্তি ঘৰক যাব লাগিব, এই ইচ্ছা নগলে, তাক শাস্তি দিব ইত্যাদিৰ নিচিনা।

"বিধিস্বৰ গৰ্ভ ইব শ্ৰুতিকুমাৰ্য্যাঃ পুংযোগে মানম্।"

এই সিদ্ধান্ত বাক্য দিছে। ইয়াৰ অৰ্থ- অবিবাহিতা কন্যাৰ পুৰুষ যোগ আছে নাই ক'ব নোৱাৰে, অৰ্থাৎ পুৰুষ যোগ হলেও মিছা মাতিব পাৰে। কিন্তু যদি গৰ্ভ হয় তেন্তে নিশ্চয় পুৰুষ যোগ আছে, অনুমান ঠিক হয়। সেই ৰূপ শ্ৰুতি (বেদ) ৰূপকুমাৰীৰো বিধি বাক্যৰ (হুকুম থাকা বাক্যৰ) বাবে পুংযোগ (বক্তৃযোগ) আছে এই অনুমান নিশ্চিত।

২৩। শিষ্য- দেৱ! "সংসাৰখন ভগৱানৰ লীলা খেলা" এই লীলা খেলাৰ কথা ইমান দিন শুনি আহিছিলোঁ। কিন্তু ইয়াৰ ভিতৰত যে ইমানখিনি কথা নিহিত আছে, আজিহে অলপ বুজিলোঁ। যি হওক, পুনঃ- ১) কৰ্মফল জীৱসকলে কেনেকৈ পায়? ২) পিত্ৰাদিৰ উদ্দেশ্যে ইয়াত দিয়া চাউল, কল প্ৰভৃতি, স্বৰ্গাদিত কিৰূপে পায়? কাৰণ স্বৰ্গবাসীয়ে চাউল নাখায়, অমৃত খায়। ইত্যাদি অন্য লোকস্থ পিত্ৰাদিৰো কথা। (৩) তত্ত্বজ্ঞানীক কৰ্মফলে কিয় লেপন নকৰে?

গুৰু- বৎসগণ! ১ নং প্ৰশ্নৰ কথা পূৰ্ব্বতে কোৱা আছে। অক্ষৰাদি শিক্ষাৰ যেনেকৈ আত্মাত সংস্কাৰ ৰূপ দাগ হয়, আৰু সেই দাগ অনুসাৰে কিছুদিন পিচত ইহ জন্মত স্মৰণ হয়, পৰজন্মতো সেইৰূপ স্মৰণ হয়। ধৰ্ম্মাধৰ্ম্ম (পুণ্য, পাপ) (ভাল-বেয়া) কৰিলেও সেই শুভাদৃষ্ট, আৰু দুৰদৃষ্ট (সৌভাগ্য, দুৰ্ভাগ্য) আত্মাৰ দাগ অনুসাৰে ইহ জন্মত বা জন্মান্তৰত ভাল বেয়া ফল ভোগ কৰে। অৰ্থাৎ আত্মা জগৎ ব্যাপক। কৰ্মানুসাৰে সেই সেই স্থানত ইহ জন্মত বা জন্মান্তৰত পৰমেশ্বৰ প্ৰেৰিত সেই কৃত কৰ্ম্মৰ ফল ভোগ কৰে। আৰু চোৱা, তোমাৰ জন্মৰ পূৰ্ব্বতে তোমাৰ ভাগ্য অনুসাৰে মাতৃস্তনত দুগ্ধ তৈয়াৰ হৈছে। যি ঘৰত তুমি জন্ম গ্ৰহণ কৰিছা সেই ঘৰতে তোমাৰ অদৃষ্টৰ সম্বন্ধ আছে। তোমাৰ যৌৱন বয়সত যি ঘৰত শাল প্ৰভৃতি বৃক্ষৰ স্তম্ভ (খুঁটা) দিবা, সেই শাল বৃক্ষ এক বৎসৰ পূৰ্ব্বত জন্ম গ্ৰহণ কৰিছে, গতিকে সেই বৃক্ষ জন্মৰ প্ৰতিও তোমাৰ অদৃষ্টৰ সম্বন্ধ আছে।

এই বাবেই দৈৱৰ (অদৃষ্টৰ) গতি বিচিত্ৰ বুলি কয়।

২নং প্ৰশ্নৰ উত্তৰ- বেদ বাক্যানুসাৰে পিত্ৰাদিৰ উদ্দেশ্য কৰ্ম্ম কৰিলে, সেই কৰ্ম্মৰ অন্তত বেদ নিৰ্দ্দেশ অনুসাৰে বৈদিক ভাষাৰ দ্বাৰা এটা কথা কোৱা হয় যে-

"কৰ্ম্মেদং ভগৱদ্ বাসুদেৱচৰণে সমৰ্পিতমস্তু"।

যি কোনো কৰ্ম্মৰ পূৰ্ব্বতো পৰমেশ্বৰৰ পূজা কৰা হয়-, আৰু অন্তত সেই কৰ্ম্ম তেওঁক অৰ্পণ কৰি দিয়া হয়, সৰ্বশক্তিমান ভগৱান সেই বেদ নিৰ্দ্দেশ অনুসাৰে দানীয় বস্তু স্ব-স্থানত থাকিলেও যথা স্থানত, যাৰ যেনে প্ৰয়োজন সেই অনুসাৰে সেই পৰিমিতি বস্তু পৌচাই দিয়ে। এটা লৌকিক দৃষ্টান্ত চোৱা- যি নোট ভাৰতত চল, সি বিলাত, আমেৰিকা বা জাৰ্মানীত অচল। কিন্তু নিজৰ ল'ৰা বিলাত বা জাৰ্মানীত পঢ়ি থাকে আৰু তাৰ বাবে যি নোট মণি-অৰ্ডাৰ কৰা হয়, বিলাতত সেই নোটৰ বাবে ল'ৰাই পাউণ্ড, চিলিং, পেন্স পায়। আৰু বিলাতৰ পৰা পাউণ্ড চিলিং পেন্স পঠালে ইয়াত তাক নোট পোৱা হয়। যি বস্তু যি স্থানৰ সেই বস্তু সেই স্থানতে থাকে।

এই কাৰ্য্য যদি ৰাজ্য চালক মনুষ্যৰ, ৰজাই ব্যৱস্থা কৰিব পাৰে আৰু সৰ্বশক্তিমান চতুৰ্দ্দশ ভুবনাত্মক ব্ৰহ্মাণ্ডৰ পৰিচালনাকাৰী পৰমেশ্বৰে চাউল কলখিনি অমৃত ৰূপে স্বৰ্গত পৌচায় দিব নোৱাৰিব, এই কথা ভাবিলে মনুষ্যৰ অপেক্ষা পৰমেশ্বৰৰ শক্তি আৰু বুদ্ধি কম স্বীকাৰ কৰা হ'ব। ৰাজ নিৰ্দ্দিষ্ট পোষ্ট অফিচৰ নিয়মানুসাৰে খৰচ দিলে যেনেকৈ নোট পাউণ্ড হয়, সেইদৰে ভগৱানৰ বেদোক্ত নিৰ্দ্দেশ অনুসাৰে পূজা কৰি তেওঁক অৰ্পণ কৰিলেও বেদ বাক্য অনুসাৰে সেই বস্তু যথা স্থানত যথাযথ ৰূপত উপস্থিত হয়। গ্ৰহীতাই গ্ৰহণ নকৰিলে, পুনঃ ফিৰি আহি সেই ধন প্ৰেৰয়িতাই পায়। ইত্যাদি। পিতাৰ মুক্তি হ'লে সেই ফল পুত্ৰে পায়।

পুনঃ সাৱধানে ভাবি চোৱা যে ৰাজনিৰ্দ্দিষ্ট সেই পোষ্টমাষ্টাৰ সেই ফৰমত সেই খবৰলৈ পঠালেহে যাব আৰু নিৰ্দ্দিষ্ট ব্যক্তিয়ে পাব। সেই ৰূপ ভগৱন্নিৰ্দ্দিষ্ট বেদ বাক্যানুসাৰে যোগ্য ব্ৰাহ্মণৰ দ্বাৰা দিলেহে নিৰ্দ্দিষ্ট ব্যক্তি পাব। অন্য ৰূপ বা ভ্ৰমাদি হ'লে কাৰ্য্য নহ'ব।

আৰু চোৱা- এক জাতীয় পাপৰ পৰা কুকুৰ যোনিত জন্মগ্ৰহণ কৰিলে, কিন্তু গৃহস্থৰ কোলাত কুকুৰ মটৰত ফুৰিছে, তাৰ বাবে মাসিক খৰচ সাধাৰণ

মনুষ্যৰ অপেক্ষা বহু বেছি। আৰু কোনো কুকুৰে খাব নাপায় ফাঁফৰে ধৰি, তাঙোনৰ কোবত ঠেং খোৰা হৈ কেং কেংকৈ পৰি আছে। ইয়াৰ দ্বাৰা বুজিবা দুই কুকুৰৰ এক জাতীয় পাপ কাৰণ হ'লেও একজনৰ অন্যান্য পুণ্য কৰাৰ বাবে হঠাৎ পাপ হয়। আনজন পাপাচাৰীৰ পাপ হ'ল। আৰু দেখা এক গৰ্ভত দুই কুকুৰ জন্মিলে, এটাক ভদ্রলোকে নিলে, অন্যটো সাধাৰণৰ ঘৰত থাকিল। আৰু এক কুকুৰ মটৰত ফুৰিব পৰা স্থানত জন্মি কিছুদিন পিচত সাধাৰণৰ ঘৰত আহিল। তেতিয়াও বুজিবা যে সেই কুকুৰৰ পূৰ্বজন্মৰ আত্মীয়ই কৰা পুণ্যৰ বাবে কুস্থানৰ পৰা সুস্থান পালে, আৰু অন্য কুকুৰৰ পূৰ্বজন্মৰ আত্মীয়ৰ দান-পুণ্য ত্যাগৰ ফলত অধঃপতন (বেয়াস্থান প্রাপ্তি) হ'ল। এই ৰূপ সাধাৰণৰ গৰু আৰু মাৰোৱাৰীৰ গৰু ভাবি চাবা ইত্যাদি। ইয়াৰ লগত এই কথাও ভাবিবৰ দৰকাৰ- যি প্ৰাণীৰ যাৰ লগত সম্বন্ধ আছে, যি প্ৰাণীয়ে যি প্ৰাণীৰ উপাৰ্জন খাইছে, (ধাৰ খাইছে) যি প্ৰাণী যি প্ৰাণীৰ ওচৰত উপাৰ্জিত জমা ৰাখিছে, সেই প্ৰাণী সেই জন্মত হোক বা জন্মান্তৰত হোক, পৰম্পৰায় হোক বা সাক্ষাত হোক। এই জাতীয় শৰীৰেৰে হোক বা পশু প্ৰভৃতিৰ শৰীৰেৰে হোক বা পশু প্ৰভৃতিৰ শৰীৰৰ দ্বাৰা হোক, সেই সম্বন্ধ, ধাৰ, বা জমা অনুসাৰে শুশ্রূষা কৰিব, দিব, বা পাব লাগিব। যিহেতু পূৰ্ব জন্মৰ শুভাৰম্ভ কাৰ্য্য ফল জমা আছে।

২৪। শিষ্য— দেৱ! এতিয়া ২য় প্ৰশ্নৰ উত্তৰ প্ৰায় হ'ল, আৰু প্ৰয়োজন হলে, পিচত প্ৰশ্ন কৰা হ'ব। এতিয়া তত্বজ্ঞানীক কৰ্ম্ম লেপন কৰি কিয় সুখ দুঃখ নিদিয়ে?

গুৰু— বৎসগণ! শুনা। তত্বজ্ঞান অৰ্থাৎ যথাৰ্থ জ্ঞান হ'লে, মিথ্যা জ্ঞান দূৰ হ'ব। মিথ্যা জ্ঞান হ'লে সংসাৰৰ বন্ধন হয় অৰ্থাৎ সুখ দুঃখৰ প্ৰতি কাৰণ হয়। গতিকে তত্ত্বজ্ঞানীৰ কৰ্ম্মফল ভোগ (সুখ দুঃখ) হ'ব নোৱাৰে। প্ৰথমতঃ এটা কথা বুজি ল'বা। ধন, ভাৰ্য্যা, পুত্ৰ এই তিনি বস্তু সংসাৰ বন্ধনৰ মুখ্য কাৰণ। তাৰ ভিতৰত ধন মুখ্য, ধনাপেক্ষা ভাৰ্য্যা গৌণ, ভাৰ্য্যাপেক্ষা পুত্ৰ গৌণ। ধন নহ'লে, ভাৰ্য্যাদি মিছা, খাব নালাগে, (ক্ষুধাত কাতৰ হ'লে) ভাৰ্য্যাদিক অপেক্ষা নকৰে। গতিকে ধনৰ বাবে ভাৰ্য্যাক ত্যাগ কৰিও বিদেশক যায়। ইত্যাদি। আৰু স্ব শৰীৰৰ আৰু এই তিনিটাৰ সম্বন্ধ লৈ সংসাৰৰ অন্যান্য পদাৰ্থৰ বা প্ৰাণীৰ লগত সম্বন্ধ কৰা হয়। ভালকৈ গভীৰভাৱে ভাবি চোৱা, এই ধন, ভাৰ্য্যা, পুত্ৰ, কি বস্তু। যদি স্বৰ্ণ, ৰৌপ্য হীৰকাদি ধন হয়, আৰু তাৰপৰা সুখ হয় কোৱা, সেইটো হ'ব নোৱাৰে। সেই ধন ডকাইতে নিবৰ দিনত, সেই ধনেই দুঃখৰ কাৰণ হয়। ধন বেঙ্কত থাকিলে

তাৰ নিদৰ্শন কাগজখনকে ধনাভিমান কৰা হয়। আৰু সেই অভিমানেৰে সুখী বা ধনী বুলি নিজৰ বোধ কৰা হয়। দেখা, নোট এখনকে টকা বুলি অভিমান কৰিছোঁ। যি দিন সেই বেঙ্ক ফেল হ'ল, যি দিন সেই নোট অচল বুলি জানিলোঁ, সেই দিনেই ধনী অভিমান দূৰ হ'ল। আৰু চোৱা, পূৰ্বোক্ত খেলা। এই খেলাত খেলোৱাৰ আৰু দৰ্শক প্ৰভৃতিয়ে কিমান আনন্দ অনুভৱ কৰে আৰু সেই খেলাত পৰাজিত হ'লে মনত কিমান দুঃখ অনুভৱ কৰে। এতিয়া প্ৰকৃত হিচাবে ভাবি চোৱা, ধন বা খেলা এই সকল এটা মিথ্যা জ্ঞানৰ ওপৰত নিৰ্ভৰ মাত্ৰ। ভাৰ্য্যাও তদ্ৰূপ। ভাবি চোৱা, স্ত্ৰীৰ আনন্দৰ বাবে স্ত্ৰীক ভাল পায় বুলি ভাবে; আৰু স্ত্ৰী বিলাকেও ভাবে স্বামীৰ আনন্দৰ বাবে স্বামীৰ শুশ্ৰূষাদি কৰে, সেইটো নহয়। যেতিয়া নিজৰ আনন্দানুভৱ আছে, তেতিয়া স্ত্ৰী প্ৰভৃতিক ভাল পায়। যেতিয়া বিদ্বেষ ভাব হ'ব, বা নিজে ক্ষুধাদিৰ দ্বাৰা বা ৰোগাদিৰ দ্বাৰা কাতৰ হ'ব, তেতিয়া সেই পুত্ৰ-ভাৰ্য্যাদিৰ ওপৰত সেই আনন্দ নাথাকে। পুত্ৰ সম্বন্ধেও তদ্ৰূপ। ভাবি চোৱা, পিতা বিদেশত থাকিলে, ঘৰত পুত্ৰ জন্মিলেও সংবাদ নোপোৱা পৰ্য্যন্ত আনন্দ অনুভৱ নকৰে। সংবাদ পালে আনন্দ অনুভৱ কৰে। আৰু পুত্ৰৰ জন্ম নোহোৱাতে, বা কন্যা জন্মতে, কোনো বন্ধুই "পুত্ৰ জন্মিছে" এই মিথ্যা কথা লিখে, তেতিয়াও সেই পিতাই সেই আনন্দ অনুভৱ কৰিব। আৰু বন্ধু প্ৰভৃতিক মিষ্টান্নাদি ভোজন কৰাব। সেই ৰূপ, পুত্ৰৰ মৃত্যু হ'লেও সংবাদ নাপালে দুঃখানুভৱ নকৰে, সংবাদ পালে, দুঃখানুভৱ কৰে। মিথ্যা সংবাদ পালেও তদ্ৰূপ।

এতিয়া বুজি চোৱা নিজৰ জ্ঞান আৰু নিজৰ আনন্দৰ ওপৰত সমস্ত সংসাৰ নিৰ্ভৰ কৰি চলিছে। যি ব্যক্তিৰ জীৱাত্মা পৰমাত্মাৰ প্ৰকৃত তত্ত্বজ্ঞান হৈ, সংসাৰৰ ভৌতিক বস্তু সকলৰ ওপৰত অনিত্য জ্ঞান দৃঢ় হ'ব, খেলা প্ৰভৃতিত অতিমিথ্যা বোধ হ'ব, পুত্ৰ ভাৰ্য্যা ধনাদি জ্ঞানীয় সম্বন্ধ বুলি এটা জ্ঞানৰ ওপৰত নিৰ্ভৰ হ'ব, আৰু এই জ্ঞান দৃঢ় হ'ব, তেতিয়া সেই ব্যক্তিৰ সংসাৰৰ কাৰ্য্যৰ দ্বাৰা আনন্দ বা নিৰানন্দৰ বিষয় নাথাকে। এই সেই কাৰ্য্যে সুখ দুঃখ বা স্বৰ্গ নৰক দিব নোৱাৰে। দেখা-

বাজীকৰৰ বাজী মিথ্যা, এই কথা সকলোৰে জানে, নহ'লে যি বাজীকৰে ধূলাক চেনি কৰিব পাৰে, যি কোনো তৃণ এক খণ্ডক টকা কৰিব পাৰে, বা যি কোনো স্থানত টকা বাহিৰ কৰিব পাৰে, সেই বাজীকৰ সামান্য টকাৰ কাৰণে কি কাৰণে সেই বাজী দেখুৱাব ? কিন্তু এই কথা জানিও আমি সেই বাজীকৰৰ বাজীত

চমকৃত বা আনন্দিত হৈ আছোঁ। কিন্তু বাজীকৰৰ বাজীৰ কৌশল ভালদৰে জানিলে, সেইটো একো নহয় বুলি জানিবা। আৰু তাত আনন্দ বা নিৰানন্দ একো নহ'ব। তাৰ বাবে টকা খৰচ কৰিবৰ ইচ্ছা নহ'ব। তদ্রূপ সংসাৰৰো এই ভগৱল্লীলা-খেলা সম্যক ৰূপে জানি, আত্মতত্ত্বজ্ঞান কৰিব পাৰিলে আৰু এই জ্ঞান দৃঢ় হ'লে মুক্তি অৱশ্যম্ভাৱী আৰু নিঃসন্দেহ।

শ্ৰীমদ্ ভগৱদ্গীতা আৰু দৰ্শনত উক্তি আছে।

"নহি জ্ঞানেন সদৃশং পবিত্ৰমিহ বিদ্যতে।"

"জ্ঞানাগ্নিঃ সৰ্ব্ব কাৰ্যানি ভস্মসাৎ কুৰুতে হৰ্জুন।"

"তত্ত্ব জ্ঞানাৎ নিঃশ্ৰেয়সাধিগমঃ।" ইত্যাদি

গতিকে তত্ত্বজ্ঞানীক কাৰ্ম্ম লেপন কৰিব নোৱাৰে।

২৫। **শিষ্য**- দেৱ! (১) এজনে দান কৰিলে আনে তাৰ ফল কেনেকৈ পায়? অৰ্থাৎ পুত্ৰই কৰা দানৰ ফল পিতাই কেনেকৈ পায়?

(২) **সমমব্ৰাহ্মণে দানং দ্বিগুণং ব্ৰাহ্মণ ব্ৰুবে।**
অধীতে শতসাহস্ৰমনন্তং বেদ পাৰগে।।"

অৰ্থ- ব্ৰাহ্মণেতৰক দান দিলে, যিমান দান কৰা হয়, এই জন্মত বা জন্মান্তৰত সিমান পায়। জাতিমাত্ৰ ব্ৰাহ্মণক দিলে দ্বিগুণ পায়। অধ্যয়ন কৰা ব্ৰাহ্মণক দিলে শত সহস্ৰ (লক্ষ গুণ) পায়। বেদজ্ঞ ব্ৰাহ্মণক দিলে অনন্ত অনন্ত গুণ পায়। (৩) ভোগৰ দ্বাৰা পাপ নাশ হ'ব পাৰে, প্ৰায়শ্চিত্তৰ দ্বাৰা পাপ নাশ কেনেকৈ হয়? এই কথা তিনিটা জানিবৰ ইচ্ছা।

গুৰু- বৎসগণ! ১নং প্ৰশ্নৰ উত্তৰ পূৰ্ব্বত দিয়া আছে। তথাপি বুজিবা, যে যেনে জীৱিত অৱস্থাত কোনো এটা বস্তু অন্য উদ্দেশ্যে দিলে যদি সেই ব্যক্তিয়ে পায়, তেন্তে সেই বেদবাক্য (পৰমেশ্বৰৰ উদ্দেশ্য) অনুসাৰে পিত্ৰাদিৰ উদ্দেশ্যে দিলে, (২৩ নং প্ৰশ্ন উত্তৰ) পৰমেশ্বৰৰ সেই বস্তুৰ ব্যৱস্থাপক হৈ যথাস্থানত তাৰ ফল দিব। সন্দেহ নাই। বিশেষতঃ পুত্ৰৰ ধনত পিতাৰ বিশেষ স্বত্বই আছে। যদি সেই দানীয় বস্তু পিতাৰ উপাৰ্জ্জিত নহয় তথাপি, বাল্য কালত পিতা-মাতাই পুত্ৰৰ বাবে যিমান যত্ন কৰে, পুত্ৰই সেই যত্নৰ প্ৰতিশোধ কেইবা জন্মতো কৰা টান। পিতাই পাব লগীয়া বস্তুই পুত্ৰই দান কৰে।

(২) দানৰ গ্ৰহীতা হিচাবে ফলৰ ন্যূনাধিক প্ৰশ্নৰ উত্তৰ। দানীয় বস্তু কি কাজত লাগিব? সেই গ্ৰহীতাই নি সেই বস্তু কিভাবে ব্যয় কৰিব? সেই হিচাবে ইহজন্মত

বা জন্মান্তৰত ফল দাতাই পাব। যদি লম্পট ব্যক্তিক ধন দান কৰে, আৰু সেই ধনৰ দ্বাৰা সি পাপ কাৰ্য্য কৰে তেন্তে সেই দাতাই সেই ধনৰ দ্বাৰা কৰা পাপৰ ফল তদনুসাৰে পাব। এই হ'ল ইয়াৰ তাৎপৰ্য্য। এতিয়া ভাবি চোৱা। বৈদিক ধৰ্ম্মৰ বাবে ব্ৰাহ্মণ নেতা, গতিকে ব্ৰাহ্মণক দিলে ফল অধিক। তাৰ ভিতৰত জ্ঞানীক দিলে লক্ষগুণ বেছি। জ্ঞানৰ পৰাকাষ্ঠা প্ৰাপ্ত বিশেষ জ্ঞানীক দিলে অনন্ত গুণ ফলৰ কাৰণো পূৰ্ব্বত কোৱা আত্মতত্ত্ব জ্ঞান ইয়াৰ মূল কাৰণ। জ্ঞানী সকলক দিয়া বস্তু সকল, সেই জ্ঞানীৰ দ্বাৰা ভগৱৎ চৰণত অৰ্পিত হৈ তাৰ ভোগ বা ব্যৱহাৰ হয়, গতিকে তাৰ ফল অনন্ত। যি কোনো বস্তু ভগৱৎ চৰণত অৰ্পিত হৈ ব্যৱহৃত হ'লে, তাৰ ফলৰ সীমা নাথাকে। যিহেতু ভগৱানৰ সীমা নাই।

(৩) প্ৰায়শ্চিত্তৰ দ্বাৰা পাপ নাশ কিয় হয়? উত্তৰ এই যে, প্ৰায়শ্চিত্ত শব্দৰ অৰ্থ "চিত্ত সংযম পূৰ্ব্বক ভগৱৎ আৰাধনা ৰূপ তপস্যা প্ৰায়শ্চিত্ত।" পাপানুসাৰে চান্দ্ৰায়ণাদি যিসকল ব্ৰত শাস্ত্ৰত উক্ত আছে, সেই সকল ব্ৰত কলিৰ কালৰ মনুষ্যে আচৰণ কৰা টান। গতিকে তাৰ প্ৰতিনিধি হিচাবে ধেনু দান (গোদান) বা তাৰ মূল্য দানৰ ব্যৱস্থা কৰিছে। এই দানৰো গ্ৰহীতাজন ধৰ্ম্ম শাস্ত্ৰজ্ঞ আৰু "অধ্যাত্ম বিৎতম" হ'ব লাগে। এই প্ৰায়শ্চিত্তৰ বাবে যি সকল ব্যৱস্থা কৰিছে তাৰ তাৎপৰ্য্যও সেই পাপ নাশৰ বাবে দিয়া দান তত্ত্ব জ্ঞানীৰ হাতত পৰিব, তেওঁৰ সেই জ্ঞানৰ দ্বাৰা পাপ নাশ হ'ব এই উদ্দেশ্য। তাৰ ভিতৰত শাস্ত্ৰ বিহিত নিয়ম পালন কৰিব লাগিব। যেনে- (১) ধৰ্ম্ম শাস্ত্ৰ জ্ঞানীক ধেনু মূল্য দান, (২) ধেনু মূল্য কাৰ্ষাপণ। তিল কুশ গ্ৰহণ পূৰ্ব্বক উৎসৰ্গকৰণ, (৩) ব্ৰাহ্মণক দক্ষিণা। পাপী ব্যক্তিয়ে পাপানুসাৰে এই ত্ৰিতয় ৰূপে দান কৰিলে, সেই পাপ ধ্বংস হয়। সন্দেহ নাই।

২৬। শিষ্য- দেৱ! জীৱাত্মা আৰু পৰমাত্মা সম্বন্ধে কিছু বোধ হ'ল। কিন্তু জীৱাত্মা সম্বন্ধে সম্প্ৰতি কিছু কিছু আশঙ্কা উপস্থিত হৈছে। পূৰ্ব্বত কোৱা থাকিলেও জগতত ব্যাপক সমস্ত আত্মা কেনেভাৱে আছে আৰু এক আত্মাৰ সম্বন্ধী যি মন, সেই মনে বা সকল আত্মাৰ লগত সম্বন্ধ হৈ অন্যৰ জ্ঞান অন্য আত্মাত, আৰু অন্যৰ সুখ-দুঃখ অন্যৰ আত্মাত নহয় কিয়?

গুৰু - বৎসগণ। শুনা। তেজঃ পদাৰ্থৰ আকৃতি ৰূপাদি আছে। এটা ঘৰত এটা ডাঙৰ প্ৰদীপ অতি আলোক বিশিষ্ট লাইট আছে। এই ঘৰতে আৰু এটা তদ্ৰূপ আনিলে তাৰ আলোকে তাতেই স্থান পাব। তদ্ৰূপ আৰু এটা আনিলেও তাৰ আলোকেও স্থান পাব। তাৰে এটা প্ৰদীপ নুমালে, তাৰ অংশৰ আলোক

ধ্বংস হৈছে নে নাই ভাবি চোৱা। নিশ্চয় তাৰ অংশৰ আলোক ধ্বংস হৈছে। গতিকে সমস্ত আলোক একেলগে থাকিলেও প্ৰত্যেক প্ৰদীপৰ আলোক, সেই প্ৰদীপৰ লগত সম্বন্ধ। এইটো আকৃতি বিশিষ্ট বস্তুৰ দৃষ্টান্ত। আত্মাৰ ৰূপাদি আকৃতি নাই। আকাশৰ নিচিনা নিৰাকাৰ বস্তু। সেই ৰূপ বস্তু লক্ষ কৌটিও জগদ্‌ব্যাপি থাকিব পাৰে, তাত কোনো বাধা নহ'ব। জ্ঞানাদি গুণো তদ্ৰূপ। গতিকে যি আত্মাৰ লগত যি মনৰ সম্বন্ধ, যি শৰীৰৰ সম্বন্ধ, সেই আত্মাৰ সেই মন আৰু সেই শৰীৰৰ দ্বাৰা কাৰ্য্য হ'ব। সেই শৰীৰ মনৰ দ্বাৰা তৈয়াৰী অদৃষ্ট ভোগ সেই আত্মাই কৰিব। অন্যাৰ শৰীৰেন্দ্ৰিয় মনৰ দ্বাৰা তৈয়াৰী অদৃষ্ট অন্য আত্মাৰ ভোগ হ'ব নোৱাৰে এইটো নিয়ত অবচ্ছেদকতা সম্বন্ধৰ কাৰ্য্য আৰু এটা দৃষ্টান্ত দি এই সম্বন্ধে বুজোৱা হোক। সমস্ত পৃথিৱী খনেই মাটি; কিন্তু ৰাজ নিৰ্দেশ বা আমাৰেই ব্যৱস্থা অনুসাৰে, এই খণ্ড মাটি অমুক সীমাৰ ইমান পৰিমাণ দেৱদত্তক, আৰু সি বা তাৰ পুত্ৰ পৌত্ৰাদিহে তাৰ ফল ভোগ কৰিব, আৰু অন্য এক খণ্ড যজ্ঞদত্তৰ, আৰু অন্য এক খণ্ড বিষ্ণুমিত্ৰৰ। এই দেৱদত্ত, যজ্ঞদত্ত, বা বিষ্ণুমিত্ৰৰ মাটিৰ কোনো মাৰ্কা নাই। সকল মাটি সমান। যদি কোৱা যে বিন্নাৰ (বিৰিণাৰ) চোপ বা শিলৰ খুঁটি, সেইটো অন্যেও কৰি ল'ব পাৰে। যদি ৰাজ নিৰ্দেশ অনুসাৰে এক মাটিৰ সীমাৰ দ্বাৰা (অৰ্থাৎ অবচ্ছেদকতা সম্বন্ধৰ দ্বাৰা) দেৱদত্তৰ নিৰ্দ্দিষ্ট সীমাবদ্ধ মাটি যজ্ঞদত্তৰ হ'ব নোৱাৰে বা বিষ্ণুমিত্ৰৰ হ'ব নোৱাৰে, তেন্তে জগদ্‌ব্যাপক আত্মাৰো শৰীৰেন্দ্ৰিয় মনৰ দ্বাৰা সীমাবদ্ধ (অৰ্থাৎ অবচ্ছেদকতা সম্বন্ধ প্ৰাপ্ত) আত্মাৰ সেই সেই অদৃষ্টাদিৰ লগত সম্বন্ধ হ'ব। অন্যাৰ লগত হ'ব নোৱাৰে। নিয়ত (ব্যাপ্তি) অৰ্থাৎ "দেৱদত্তৰ এই যজ্ঞদত্তৰ নহয়", এইযে নিয়ত নিয়ম। দীঘল-পুতল ইমান এই সীমা অবচ্ছেদকতা। এই "নিয়ত অবচ্ছেদকতা" সম্বন্ধ ৰাজ নিৰ্দ্দেশ অনুসাৰে যদি অন্যথা হ'ব নোৱাৰে তেন্তে, পৰমেশ্বৰৰ নিৰ্দেশ অনুসাৰে আত্মাৰ সেই অদৃষ্ট কেনেকৈ লৰচৰ হ'ব। এই সম্বন্ধে ন্যায় শাস্ত্ৰত বহু যুক্তি আৰু বিচাৰ আছে। সমস্ত বিলাক কোৱা অসম্ভৱ।

২৭। শিষ্য- দেৱ! বিশেষ নুবুজিলেও কিবা এটা মোটামুটি বুজিলোঁ। এতিয়া জীৱাত্মাৰ (আমাৰ) পৰমাত্মাৰ লগত (পৰমেশ্বৰৰ লগত) সম্বন্ধ কি ৰূপ?

গুৰু- বৎসগণ! পৰমাত্মাৰ লগত জীৱাত্মাৰ সম্বন্ধ পূজ্য পূজক ভাব, সেব্য সেৱক ভাব, স্তুত্য স্তাৱক ভাব, জ্ঞেয় জ্ঞাতৃ ভাব, অথবা ধ্যেয় ধ্যাতৃ ভাব সম্বন্ধ। এই পাঁচ ৰকম সম্বন্ধ ক'লেও তাৎপৰ্য্যত সম্বন্ধ এটা। ভালদৰে শুনিবা।

১। যি ব্যক্তি পুষ্পাদি দ্বাৰা পৰমেশ্বৰক পূজা কৰে, পৰমেশ্বৰৰ লগত সেই ব্যক্তিৰ পূজ্য পূজক ভাব সম্বন্ধ।

২। যি ব্যক্তি পৰমেশ্বৰৰ সেৱা (শুশ্রূষা, মন্দিৰাদি তৈয়াৰ, মন্দিৰ মৰ্জ্জন লেপন কাৰ্য্য) কৰে, পৰমেশ্বৰৰ লগত সেই ব্যক্তিৰ সেব্য সেৱক ভাব সম্বন্ধ।

৩। যি ব্যক্তি পৰমেশ্বৰৰ গুণ, প্ৰশংসা, কাৰ্য্য-কলাপ কীৰ্ত্তন কৰে, অৰ্থাৎ স্তৱ কৰে, পৰমেশ্বৰৰ লগত সেই ব্যক্তিৰ স্তুত্য স্তাৱক ভাব সম্বন্ধ।

৪। যি ব্যক্তিয়ে পৰমেশ্বৰৰ বিষয় তত্ত্বজ্ঞান কৰে, পৰমেশ্বৰৰ লগত সেই ব্যক্তিৰ জ্ঞেয় জ্ঞাতৃ সম্বন্ধ।

৫। যি ব্যক্তি পৰমেশ্বৰৰ যিকোনো ৰূপ কল্পনা কৰি ধ্যান কৰে, পৰমেশ্বৰৰ লগত সেই ব্যক্তিৰ ধ্যেয় ধাতৃ ভাব সম্বন্ধ। এই পাঁচ প্ৰকাৰ সম্বন্ধ হ'লেও পৰমেশ্বৰৰ জ্ঞান পূৰ্বক ধ্যান কৰা, বা স্তৱ কৰা বা শুশ্রূষা কৰা বা পূজা কৰা, সকলোৰে মূল কাৰণ পৰমেশ্বৰ শ্ৰেষ্ঠ, আমি সৰু, গতিকে তেওঁৰ লগত আমাৰ কিবা এটা সম্বন্ধ সদায় আছে। সেই সম্বন্ধ 'জ্ঞানীয়'।

২৮। **শিষ্য-** দেৱ! এতিয়া ভক্তি আৰু আনৰ ভেদ জানিবৰ ইচ্ছা।

গুৰু- বৎসগণ! **"অয়মেব সমাৰাধ্য ইতি বিশুদ্ধাভিজ্ঞানং ভক্তিঃ"**। এওঁ হে মোৰ পূজ্য এইভাৱে নিৰ্দোষ জ্ঞান কৰাকে ভক্তি বোলে। গতিকে জ্ঞান বিশেষৰ নাম ভক্তি। জ্ঞানবাদীয়ে ভক্তিৰ অপেক্ষা জ্ঞান শ্ৰেষ্ঠ বুলি কয়। এওঁলোকৰ তাৎপৰ্য্য এই যে ভগৱানৰ তুমি সেৱা, ভজন, নাম, কীৰ্তনাদি ভক্তি বহুৰকমে কৰিলা, কিন্তু ভগৱানৰ স্বৰূপ কেনে, বা তেওঁৰ শক্তি বা কাৰ্য্য কলাপ কি এই পৰমাত্মা ৰূপে যদি জ্ঞান নাথাকে তেন্তে সেই ভক্তিৰে একো নহয়। গতিকে জ্ঞানহে শ্ৰেষ্ঠ।[1]

ভক্তিবাদীয়ে জ্ঞানৰ অপেক্ষা ভক্তি শ্ৰেষ্ঠ বুলি কয় যে জ্ঞান হ'লে কি হ'ব যদি ভগৱানত ভক্তি নাথাকে। এওঁলোকৰ তাৎপৰ্য্য এই যে এটা বস্তুৰ স্বৰূপ জানিলে, সি কি কৰি দিব? যেনে ঘটৰ স্বৰূপ জানিলে যে "পেট ডাঙৰ, গল সৰু, মাজ ফফলা" এই জ্ঞানৰ দ্বাৰা আমাৰ পানী অনা কাৰ্য্য নহয়। তদ্ৰূপ ভগৱানৰ স্বৰূপ জানিলে কি হ'ব? যদি তেওঁক ভক্তি কৰা নহয়, তেন্তে স্বৰূপ জ্ঞানৰ একো ফল হ'ব নোৱাৰে। প্ৰকৃতভাৱে ক'ব লাগিলে, শ্ৰৱণ-কীৰ্ত্তন, স্মৰণ,

১। গোস্বামীদেৱে 'শ্ৰীমদ্দামোদৰীয় দৰ্শন'ত প্ৰচুৰ ভক্তি বিষয়ক ব্যাপক চৰ্চা কৰিছে।

পাদসেবন, অৰ্চ্চন, বন্দন, দাস্য, সখ্য, আত্ম নিবেদন এই নবধা ভক্তিৰ শ্ৰৱণ, কীৰ্ত্তন, পাদসেৱন, অৰ্চ্চন, বন্দন, দাস্য এই ছয় ৰকমৰ ভক্তি কাৰ্য্যৰূপ। কিন্তু স্মৰণ (মনে মনে ভগবানৰ স্বৰূপ চিন্তা), সখ্য (সখিত্ব অৰ্থাৎ ভগবানৰ লগত, পৰমাত্মাৰ লগত জীৱাত্মাৰ তুল্যতা), আত্মনিবেদন (জীৱাত্মাক পৰমাত্মাত অৰ্পণ কৰা) এই তিনি ৰকমৰ ভক্তি প্ৰাণৰ উৎকৰ্ষতা ভিন্ন অন্য নহয়। জ্ঞানবাদীয়ে কোৱা কথা এই যে কেৱল পৰমেশ্বৰৰ স্বৰূপ জানিলে নহ'ব। আৰাধ্যত্ব ৰূপে জ্ঞান হ'ব লাগিব, আৰু সেই জ্ঞান বিশুদ্ধ হ'ব লাগিব। জীৱাত্মা আৰু পৰমাত্মাৰ স্বৰূপ জানিলে নহ'ব। জীৱাত্মা আৰু পৰমাত্মাৰ স্বৰূপ জ্ঞান হ'লেই স্মৰণ আৰু সখ্য ভক্তি জন্মিল। তাতে পৰমাত্মাত আৰাধ্যত্ব জ্ঞান জন্মিলে আত্ম নিবেদন জন্মিল, গতিকে জ্ঞান আৰু ভক্তিৰ ভেদ নাই (একেই) বিশেষ জ্ঞানৰ নাম ভক্তি। শ্ৰৱণ, কীৰ্ত্তন, পাদসেৱন, অৰ্চ্চন, বন্দন, দাস্য এই ছয় ৰকমৰ ভক্তি জ্ঞানতকৈ পৃথক সঁচা, কেৱল এই সকলেও পৰমেশ্বৰ জ্ঞান জন্মায় বুলি পৰম্পৰা সম্বন্ধে ভক্তিৰ লক্ষণ নিয়া হয়। জ্ঞানবাদীয়ে ভক্তিক সৰু বোলাৰ তাৎপৰ্য্য, এই ছয় প্ৰকাৰ ভক্তি হিচাবে আৰু ভক্তিবাদীয়ে জ্ঞানক সৰু বোলাৰ তাৎপৰ্য্য আৰাধ্য আৰু বিশুদ্ধ এই বিশেষণ দ্বয় ৰহিত স্বৰূপ জ্ঞান হিচাবে।

২৯। শিষ্য- দেৱ। জ্ঞান আৰু ভক্তিৰ তাৎপৰ্য্য পালোঁ। এতিয়া বহু শাস্ত্ৰত পাওঁ, মহা মহা জ্ঞানী বা ভক্ত, যি বিলাকে ভগবানক সাক্ষাৎ পাইছে, তেওঁলোকৰো সংসাৰ বন্ধন পোৱা হৈছে। ইয়াৰ কাৰণ কি?

গুৰু- বৎসগণ। তত্ত্বজ্ঞান বা বিশেষ ভক্তি হ'লেওযে যুক্তি নোহোৱা শাস্ত্ৰত পোৱা যায় এইটো সঁচা। কাৰণ- "জ্ঞানাগ্নিঃ সৰ্বকৰ্মানি ভস্মসাৎ কুৰুতেহৰ্জুন।" এই ভগৱদ্ গীতাৰ শ্লোকাংশৰ দ্বাৰা বুজা যায় যে তত্ত্ব জ্ঞান হ'লে সমস্ত কৰ্ম্ম (কৰ্ম্মফল) ভস্মীভূত হয়। আৰু অন্য এক আছে যে-

মাগুভক্তং ক্ষীয়তে কৰ্ম্ম কল্প কোটি শতৈৰপি।
অৱশ্যমেৱ ভোক্তব্যং কৃতং কৰ্ম্ম শুভাশুভম্।।

অৰ্থ-বহু কল্প অতীত হ'লেও ভোগ নকৰিলেও কৰ্ম্ম (কৰ্ম্ম ফল) ক্ষয় নহয়। কৃত শুভাশুভ কৰ্ম্মৰ ফল অৱশ্যে ভোগ কৰিব লাগিব। এই দুই বচনৰ তাৎপৰ্য্য এই যে প্ৰাৰব্ধেতৰ কৰ্ম তত্ত্ব জ্ঞানৰ দ্বাৰা ক্ষয় হয়। কিন্তু প্ৰাৰব্ধ কৰ্ম্ম ভোগ নকৰিলে ক্ষয় নহয়। প্ৰহ্লাদ প্ৰভৃতিয়ে ভগৱানক পায়ো প্ৰাৰব্ধ ভোগৰ বাবে বৰ্তমান সুতলত আছে। তেওঁ আৰু ৫ বছৰ বয়সতে ভগৱান নৃসিংহক পাইও পুনঃ সংসাৰ আৰু ৰাজত্ব কৰিছিল।

প্ৰাৰব্ধ কৰ্ম্ম অৰ্থাৎ ভোগ কৰিবৰ বাবে আৰম্ভ কৰা কৰ্ম (কষ্টজন্ম অদৃষ্ট) এই অদৃষ্ট অনুসাৰে যিমান দিন ভোগ বাকী থাকে তত্ত্বজ্ঞান হ'লেও সিমান দিন ভোগ কৰিব লাগিব। আৰু এটা দৃষ্টান্ত দি বুজাই দিয়া হওক। এজন মানুহে কোনো এটা শুভ কৰ্ম্ম কৰিলে যি সেই কৰ্ম্ম ফলানুসাৰে সি জ্ঞানী হৈ সাত জন্ম মনুষ্য হ'ব লাগিব। আৰু এজনে এনে এটা শুভ কৰ্ম্ম কৰিলে যে সি জ্ঞানী হৈ এক জন্ম মনুষ্য হ'ব লাগিব। কিন্তু সেই এশ বছৰ আয়ুস লৈ মনুষ্য জন্ম গ্ৰহণ কৰা ব্যক্তি দুজনৰ ৫০ বছৰ বয়সত তত্ত্বজ্ঞান উদয় হ'ল। প্ৰথম জনে অৱশিষ্ট ৫০ বছৰ প্ৰাৰব্ধ ভোগ কৰিও আৰু বাকী ৬ জন্মত প্ৰাৰব্ধ ভোগ কৰিব লাগিব। দ্বিতীয় জনে বাকী ৫০ বছৰ ভোগ কৰি মুক্ত হ'ব। বিশেষ এই যে যদি যোগ বল থাকে প্ৰাৰব্ধ কৰ্ম্ম অনুসাৰে বহু জন্ম ভোগ বাকী থাকে সেই ব্যক্তি কায়ব্যূহ কৰি (বহু শৰীৰ তৈয়াৰ কৰি) অলপ দিনৰ ভিতৰতে প্ৰাৰব্ধ শেষ কৰিব পাৰে। কায়ব্যূহৰ কথা শ্ৰীমদ্‌ভাগৱতত নৱম স্কন্ধত সৌভৰি মুনিৰ উপাখ্যানত পাবা।

৩০। শিষ্য- দেৱ! তত্ব জ্ঞান হ'লে যে মুক্তি হয়, সেই মুক্তিৰ স্বৰূপ কি? মুক্তি বা কেই প্ৰকাৰ?

গুৰু - বৎসগণ! মুক্তিৰ স্বৰূপ শ্ৰীমদ্‌ভাগৱত উক্ত আছে।

মুক্তিৰ্হিত্বা ন্যথা ৰূপং স্বৰূপেণ ব্যৱস্থিতিঃ।

অন্যথা ৰূপ (শৰীৰাদি গ্ৰহণৰ দ্বাৰা ভিন্ন আকাৰ ধাৰণ কৰা) ত্যাগ কৰি স্বৰূপ (নিজৰূপে অৰ্থাৎ আত্মাৰ স্বৰূপ) অৱস্থান কৰাকে মুক্তি বোলে।

"দুঃখ প্ৰাগভাবা সমান কালীন যাবদ্ দুঃখ ধ্বংসো মুক্তি।"

অৰ্থ- ভৱিষ্যৎ দুঃখৰ সম্ভৱ নাথাকি সমস্ত দুঃখৰ ধ্বংস হ'লে মুক্তি হয়।

"চৰম দুঃখ ধ্বংসো মুক্তিঃ"

অৰ্থ- শেষ দুঃখৰ নাশ হ'লে মুক্তি হয়। অৰ্থাৎ যি দুঃখ নাশ হ'লে পুনঃ দুঃখ নহয়, সেই দুঃখেই চৰম দুঃখ। সেই দুঃখৰ নাশ হ'লে মুক্তি হয়। বুজাগ'ল যে মুক্ত অৱস্থাত সমস্ত দুঃখৰ ধ্বংস মাত্ৰ। কিন্তু কোনো বিষয় সুখো নাথাকে।

যদি কোনো কোনো শাস্ত্ৰত মুক্তিত সুখ আছে বুলি লিখা আছে, সেইটো প্ৰকৃত সুখ শব্দৰ বাচ্য সুখ নহয়। বহু কোটি জন্মৰ দুঃখ সকলো ধ্বংস হয়, পুনঃ দুঃখোৎপত্তি নহয়, গতিকে এই দুঃখৰ ধ্বংসকে আনন্দ বুলি ব্যৱহাৰ কৰে। যেনে **"ভাৰাদ্যপগমে সুখী সম্বৃত্তো হস্মি।"** বহু কষ্টকৰ ভাৰ লৈ গ'ল, নিৰ্দ্দিষ্ট স্থান পালে, সেই ভাৰ বহনকাৰী ব্যক্তিয়ে কয়, "সুখী হলোঁ"। কিন্তু ভাবি চোৱা যে

তাৰ সুখৰ বিষয় ক'ত আছে? মাত্ৰ দুঃখ নিবৃত্তি হ'ল। মুক্তিও তদ্ৰূপ। দৰ্শন শাস্ত্ৰ মতে মুক্তিৰ ভেদ নাই। "সাযুজ্য", "নিৰ্বান" বা "একত্ব" এই মুক্তিৰ নাম ভেদ মাত্ৰ, কিন্তু বিষয় ভেদ নাই। শৰীৰাদি ৰাহিত্য হৈ আত্মাৰ স্বৰূপে অৱস্থান কৰা মুক্তিয়ে প্ৰকৃত মুক্তি। কিন্তু পুৰাণাদি শাস্ত্ৰত মুক্তি পাঁচ প্ৰকাৰ উক্ত আছে।

সালোক্য- সাৰূপ্য - সামীপ্য - সাৰ্ষ্টি - সাযুজ্য এই পাঁচ প্ৰকাৰ।

(১) সালোক্য - সমানলোকতা প্ৰাপ্তি অৰ্থাৎ ভগৱানে সাকাৰ ৰূপ ধৰি যিলোকত (বৈকুণ্ঠাদি ধামত) থাকে সেই লোক প্ৰাপ্তি ৰূপ মুক্তি।

(২) সাৰূপ্য - সমান ৰূপতা প্ৰাপ্তি, অৰ্থাৎ ভগৱানৰ যি ৰূপ সাকাৰ মূৰ্তি, সেইৰূপ (চতুৰ্ভুজাদি) ধাৰণ কৰা মুক্তি।

(৩) সামীপ্য - ভগৱানৰ নিকট বৰ্জিতা, অৰ্থাৎ বৈকুণ্ঠাদি ধামত তেওঁৰ নিকটত থাকা মুক্তি।

(৪) সাৰ্ষ্টি- (সৃজ্ + ক্তি + অণ্ + ঈ) সৃজন কৰ্তৃত্ব প্ৰাপ্তিৰূপমুক্তি। অৰ্থাৎ এই ব্ৰহ্মাণ্ডৰ ভিতৰত ভগৱানৰ কৰ্ম্মচাৰী, যেনে- যম, কুবেৰ, ইন্দ্ৰ ইত্যাদি।

(৫) সাযুজ্য- (সহ + যুজ + ক্বিপ্ + যণ্) ভগৱানৰ লগত মিল হোৱা অৰ্থাৎ জীৱাত্মা পৰমাত্মা সমান আকাৰে থাকা। পুনঃ জন্মাদি নোহোৱা।

এই পঞ্চম মুক্তিহে প্ৰকৃত মুক্তি। পূৰ্বোক্ত চাৰি প্ৰকাৰ মুক্তি প্ৰকৃত মুক্তি নহয়, কেৱল কল্পান্তত অৱশ্য মুক্ত হ'ব বুলি ঠিক হৈ থাকা। যেনে বৈকুণ্ঠৰ জয় আৰু বিজয়ৰ পুনঃঅধঃপতন আৰু পুনৰায় তৃতীয় জন্মত ভগৱৎপদ প্ৰাপ্তি। এই চাৰিপ্ৰকাৰ মুক্তিত ৰাগাদি থাকে। কেৱল তত্ত্বজ্ঞান থাকে বুলি কৰ্ম্মসকলে লিপ্ত নকৰে। এইভাৱে প্ৰাৰব্ধ ভোগ কৰে।

৩১। শিষ্য- দেৱ! পৰমেশ্বৰৰ ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ এই তিনটা ৰূপৰ কথা জানিছোঁ। আৰু এওঁলোক সস্ত্ৰীক হোৱাৰ কথাও জানিছোঁ। কিন্তু শাস্ত্ৰাদিত ঈশ্বৰৰ বহু অৱতাৰ পোৱা যায় তাৰ কাৰণ জানিবৰ ইচ্ছা।

গুৰু- বৎসগণ! এই বিষয়ে শঙ্কা কৰিবলগীয়া একো নাই। কাৰণ পূৰ্ব্বতে (১৯নং প্ৰশ্ন) যে ঈশ্বৰৰ সাকাৰ হোৱাৰ কাৰণ আৰু আমাক ভাষা শিক্ষা দিয়াৰ কাৰণ ভাবি চালে এই আশঙ্কা উথিত নহয়। জগতৰ অসংখ্য প্ৰয়োজন আছে সেই সেই প্ৰয়োজন সিদ্ধিৰ বাবে। বিষ্ণুৰ দশাৱতাৰ, বা চতুৰ্বিংশতি অৱতাৰ, শিৱৰ একাদশ ৰুদ্ৰ, দুৰ্গাৰ দশ মহাবিদ্যা ইত্যাদি পুৰাণাদিত লিখিত প্ৰয়োজনবশতঃ

সেই সেই অৱতাৰ, অৰ্থাৎ শৰীৰ গ্ৰহণ। কিন্তু আত্মা এটা

ভগৱান বিষ্ণুই কৈছে-

সৌৰাঃ শৈবা গাণশাশ্চ বৈষ্ণৱাঃ শক্তিপূজকাঃ।
মামেব প্ৰাপ্নুবন্তীহ বৰ্ষাপঃ সাগৰং যথা।।
একোঽহং পঞ্চধা ভূত্বা বিচৰামি জগৎ ত্ৰয়ম্।
দেৱদত্তো যথা পিতা পুত্ৰাদি জপ নামভিঃ।।

সূৰ্য্যোপাসক, শিৱোপাসক, গণেশোপাসক, বিষ্ণু উপাসক, শক্ত্যুপাসক সকলে মোকে (পৰমাত্মাক) পায়। যেনে বৰ্ষাৰ পানী সকলো সাগৰ পায়। এক মই ত্ৰিভুৱনত পঞ্চমূৰ্ত্তিৰ দ্বাৰা ব্যাপি আছোঁ। যেনে এক দেৱ দেৱদত্তক, কোলাত ব্যক্তি পুত্ৰ বুলিছে, কোনো ব্যক্তিক পিতা বুলিছে। কোনো ব্যক্তিক ভ্ৰাতা, কোনো ব্যক্তি শ্যালক বুলিছে ইত্যাদি। পূৰ্ব্বতে কোৱা আছে নামসকল আত্মাৰ বাচক, শৰীৰ বিশেষণ। গণেশাদি সেই নামো পৰমাত্মাৰ বাচক, এই তাৎপৰ্য্য।

৩২। শিষ্য- দেৱ! জাতি বিলাক (মনুষ্যত্ব, ব্ৰাহ্মণত্ব, ক্ষত্ৰিয়ত্ব, বৈশ্যত্ব, শূদ্ৰত্ব) এই বিলাক, জন্মগত অথবা কৰ্মগত? ভগৱানে মনুষ্য তৈয়াৰ কৰি, পিচত ইহঁতক ভাল বেয়া দেখি ব্ৰাহ্মণাদি ভাগ কৰিলে অথবা জন্মতেই ব্ৰাহ্মণাদি হিচাবে ভাগ কৰিলে। ইত্যাদি জানিবৰ ইচ্ছা।

গুৰু- বৎসগণ! জাতি কৰ্ম্মগত হ'ব নোৱাৰে। ই জন্মগত। প্ৰথমতঃ দেখা জাতি আৰু জন্ম উভয় শব্দ জন্ ধাতুৰ পৰা তৈয়াৰী, জন্ ধাতুৰ অৰ্থ প্ৰাদুৰ্ভাৱ। গতিকে জন্মগত জাতি। দ্বিতীয়তঃ জাতি কাৰ্য্যগত হ'লে, সেই বিভাগ কোনে কৰিলে? যদি ভগৱানে কৰে, তেন্তে তেওঁ আদিম মনুষ্য সৃষ্টি কৰ্ত্তা হৈ, আৰু সিহঁতক বেদাদি উপদেশ দি বেয়া ভালৰ পিনে প্ৰেৰণ কৰিলে, আৰু কৰ্ম্মানুসাৰে জাতিৰ বিভাগ কৰিলে, ভগৱানৰ ওপৰত দুটা দোষ আৰোপিত হয়। "বৈষম্য" নৈৰ্ঘৃণ্য দোষাপত্তেঃ" অৰ্থাৎ উক্ত ৰূপ হ'লে ভগৱান বিষমদৰ্শী, আৰু নিৰ্দ্দয় এই দুই দোষ তেওঁৰ ওপৰত হ'ব।

জাতি জন্মগত স্থান উক্ত দোষ ভগৱানৰ হ'ব নোৱাৰে। কাৰণ পূৰ্ব্বকল্পৰ গুণ আৰু কৰ্ম্ম অনুসাৰে পৰ কল্পত সৃষ্টি। শ্ৰীমদ্ভগৱদ্গীতাত উক্ত আছে-

'চতুৰ্ব্বৰ্ণ্যং ময়াসৃষ্টং গুণ কৰ্ম্ম বিভাগশঃ।' ৪। ১৩

অৰ্থ- গুণ কৰ্ম্ম বিভাগ অনুসাৰে মই চাৰি বৰ্ণ সৃষ্টি কৰিছোঁ। চতুৰ্ব্বৰ্ণ শব্দত স্বাৰ্থে যন্ প্ৰত্যয়। এই শ্লোকৰ দ্বাৰা কিছুমানে কয় যে চাৰি বৰ্ণ সৃষ্টিৰ পিচত গুণ

কৰ্ম বিভাগ, এই কথা হ'ব নোৱাৰে, যদি সৃজন (তৈয়াৰ) চাৰিবৰ্ণৰ হয় অৰ্থাৎ ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰৰ হয়, তেন্তে পিচত কি গুণ কৰ্ম্ম বিভাগ কৰিব? তেনেহলে ক'ব লাগিছিল "মনুষ্যঃ সৃষ্টঃ" গুণ কৰ্ম্ম বিভাগঃ কৃতঃ। এই অৰ্থ এই শ্লোকৰ হ'ব নোৱাৰে যদি কোনো ব্যক্তি এই ৰূপ অৰ্থ কৰে তেন্তে সেই ব্যক্তি সংস্কৃত ভাষা নাজানে বুলি কোৱা উচিত। চাৰি বৰ্ণৰ সৃষ্টি অৰ্থাৎ চাৰি বৰ্ণৰ "জন্ম দান।" গতিকে জাতি জন্মগত। এই কথা লীলা খেলা ব্যাখ্যাৰ সময়ত কিছু কোৱা হৈছে। আৰু ভালদৰে ভাবি চোৱা প্ৰত্যেক জীৱৰে জাতিভেদ থাকিও, আৰু সেই ভেদৰে অবান্তৰ জাতি-ভেদ, পশু-পক্ষী, বৃক্ষাদি সকলো বিলাকতে দেখা যায়। হৰিণ এক জাতি হ'লেও তাৰ অবান্তৰ ভেদ বহু আছে। আম্ৰ, জম্বু প্ৰভৃতি বৃক্ষৰ জাতিভেদ হ'লেও তাৰ অবান্তৰ ভেদ বহু আছে। ধান্য এক জাতি হ'লেও তাৰ অবান্তৰ ভেদ বহু আছে। এই সকলৰ ভেদ বা অবান্তৰ ভেদ যেনে জন্মগত, আৰু পৰিবৰ্তন কৰিবৰ উপায় নাই মনুষ্যৰো অবান্তৰ ভেদাভেদ তদ্ৰূপ বুজিবা। সস্বভাৱৰ হৈ অন্য ৰকমৰ জাতি হোৱা পৃথক কথা। গতিকে প্ৰলয়ৰ পিচত সৃষ্টি কৰাৰ সময়ত সেই পূৰ্ব্ব কল্পৰ গুণ কৰ্ম্ম অনুসাৰে সকলো জীৱ জন্তুকে ভগৱানে সৃষ্টি কৰিছে। পূৰ্ব্বতে কোৱা হৈছে- "বৃত্তিৰোধঃ সুষুপ্তিবৎ" নিদ্ৰা অৱস্থাত সকলো ব্যক্তিয়ে সমানভাৱে নিদ্ৰিত হয়। অৰ্থাৎ সেই সময়ত সকলোৰে সুখঃ দুঃখ সমান; কিন্তু জাগৃত হ'লে স্বকীয় স্বকীয় সুখ দুঃখ ভোগ কৰে। এই কথা পূৰ্বত কোৱা আছে। গতিকে পূৰ্ব্বকল্পৰ গুণ কৰ্ম্ম অনুসাৰে পৰ কল্পৰ আদিতে জাতি বিশিষ্ট জীৱৰ সৃষ্টি। এতিয়াও পূৰ্ব্ব জন্মৰ গুণ কৰ্ম্ম অনুসাৰে সেই সেই জাতি বিশিষ্টৰ ঔৰসত জন্ম।

৩৩। শিষ্য- দেৱ! এতিয়া জানিবৰ ইচ্ছা যে প্ৰণৱ (ওঁকাৰ)। ইয়াৰ অৰ্থ কি? আৰু এই প্ৰণৱৰ ভিতৰত সমস্ত জগৎ থাকা বুলি শুনা যায়। ইয়াৰ বা তাৎপৰ্য্য কি?

গুৰু- বৎসগণ! প্ৰণৱ (ওঁ) অ + উ + ম = ওঁ।

অ (বিষ্ণু) উ (মহাদেৱ) ম (ব্ৰহ্মা)। ব্ৰহ্মা সৃষ্টিকৰ্তা, বিষ্ণু (স্থিতি কৰ্ত্তা) মহাদেৱ (প্ৰলয় কৰ্ত্তা), অৰ্থাৎ এই জগতত সৃষ্টি, স্থিতি, প্ৰলয় এই তিন ৰকমৰ কাৰ্য্য ভিন্ন কাৰ্য্য নাই। গতিকে এই প্ৰণৱৰ ভিতৰত সমস্ত জগৎ আছে। আৰু এটা কথা শ্ৰীমদ্‌ভাগৱতত শ্ৰীধৰ স্বামীৰ টীকাৰ শ্লোকত আছে, "তাৰঙ্কুৰঃ সজ্জনিঃ" অৰ্থ পৰমাত্মাৰ পৰা প্ৰণৱৰ জন্ম, প্ৰণৱ অঙ্কুৰ (গাজা) অৰ্থাৎ ব্ৰহ্মা

গুটি, প্ৰণৱ অঙ্কুৰ। জগত নিৰ্ম্মাণৰ বাবে প্ৰণৱ প্ৰথম অঙ্কুৰ ৰূপে ব্যক্ত হৈছে। ব্ৰহ্মাদি বীজৰ অঙ্কুৰৰ পিনে সাৱধানে লক্ষ্য কৰি চাবা যে গুটিৰ পৰা অঙ্কুৰ বাহিৰ হোৱাতে প্ৰথম তিনি পাত পোৱা যায়। যদিও দুই ফালে দুই পাত, কিন্তু মাজত এটা সূক্ষ্ম পাত থাকে। এই প্ৰণৱৰো যি আকাৰ তাক ভাবি চাবা যে (ওঁ) প্ৰণৱৰ দুই ফালে দুই পাত মাজত এটা সূক্ষ্ম বিন্দুৰ আকাৰ আছে। গতিকে এই প্ৰণৱ জগতৰ অঙ্কুৰ। বৈয়াকৰণ বিলাকে অব্ ৰক্ষণে ধাতুৰ পৰা মন প্ৰত্যয় কৰি (অব্ + মন = ওম) সাধিছে। এই মতে প্ৰণৱৰ অৰ্থ "ৰক্ষক"। নাদবিন্দু প্ৰভৃতি উপনিষদত লিখিছে আদিতে শব্দৰূপে জগতৰ আবিষ্কাৰ হৈছে। পিচতহে বস্তু আকাৰে আবিষ্কাৰ।

৩৪। শিষ্য- দেৱ। প্ৰণৱ শূদ্ৰ জাতি উচ্চাৰণ কৰা নিষেধ কথা শাস্ত্ৰত পোৱা যায়। এই বিষয় কিবা তাৎপৰ্য্য আছে যদি জানিবৰ ইচ্ছা।

গুৰু - বৎসগণ। এই সম্বন্ধে শাস্ত্ৰত বহু নিষেধ আছে। শাস্ত্ৰকাৰসকলৰ তাৎপৰ্য্য গভীৰ। আপাততঃ দেখিলে, প্ৰণৱ শূদ্ৰ জাতিয়ে উচ্চাৰণ কৰিলে কেনে দুষ্ট দোষ বুজিব নোৱাৰি। নিষেধ কৰাৰ কোনো বিশেষ তাৎপৰ্য্য আছে। নহ'লে ইয়াৰ দ্বাৰা শাস্ত্ৰকাৰৰ কোনো স্বাৰ্থ সিদ্ধি বুজা নাযায়। বেদ সকল ভগৱদ্ বাক্য। সেই বেদৰ অৰ্থকে স্মৰণ কৰি ঋষি সকলে নানা শাস্ত্ৰ নিৰ্ম্মাণ কৰিছে। তেওঁলোকে দিব্য জ্ঞানৰ দ্বাৰা দেখিছিল যে শূদ্ৰ জাতিয়ে প্ৰণৱ উচ্চাৰণ কৰিলে কিবা অপকাৰ হয়। গতিকে নিষেধ কৰিছে। এই সূক্ষ্ম কাৰণ আমাৰ জ্ঞান গোচৰ নহয়।

আৰু দেখা এক ৰকমৰ বহু বস্তু আছে। তাৰে এটা খাদ্য অপৰটো অখাদ্য বুলি লিখিছে। এক মাছ, তাৰে কোনো জাতিৰ মাছ খাদ্য, কোনো জাতিৰ মাছ অখাদ্য। গতিকে ইয়াৰ ভিতৰত কিবা সূক্ষ্ম কাৰণ শিষ্ট সকলে দেখিছিল। বিশেষতঃ এটা কথা যৱন জাতিয়ে কচ্ছপ, শূকৰ নাখায়। অথচ এই দুই বস্তু বহুতে খায়। আৰু সেই যৱন জাতিয়েও নানা বস্তু খায়, কিন্তু এই দুটা বস্তু নাখায়। গতিকে বুজিব তেওঁলোকৰ পূৰ্ব্ব শিষ্ট ব্যক্তি ইয়াৰ বিষয়ে সেই জাতিৰ অপকাৰিতা দেখি নিষেধ কৰিছে।

আৰু চোৱা প্ৰণৱৰ স্থলত নমো (নমঃ) উচ্চাৰণ কৰিব দিছে। এই নমঃ শব্দৰো অৰ্থ সমান। ন ম্ অ উ ইয়াৰে সংসাৰ নিবৃত্তিকাৰক নকাৰ বাদ দিলে সেই ম্ (ব্ৰহ্মা) অ (বিষ্ণু) উ (মহাদেৱ) পোৱা যায়। এই ৰূপ "বম্" শব্দ উ + অ + ম্ = উ (মহাদেৱ) অ (বিষ্ণু) ম (ব্ৰহ্মা)। এতিয়া ভাবি চোৱা ওঁ = অ + উ + ম্ যেনে,

নমঃ বা বম্ শব্দৰো অৰ্থ তেনে। কেৱল নমঃ শব্দত সংসাৰ নিবৃত্তি কাৰক ন শব্দৰ অৰ্থ অধিক থাকিল শূদ্ৰ জাতিৰ বম শব্দও উচ্চাৰণ কৰাত নিষেধ নাই। এইয়ে তাৎপৰ্য্য। অন্য তাৎপৰ্য্য নাই।

৩৫। **শিষ্য**- দেৱ! জীৱাত্মা, পৰমাত্মা, সৃষ্টি, স্থিতি, প্ৰলয়, ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ আৰু মুক্তি এই সকল বিষয়ৰ অলপ আভাস পালোঁ। শুনিব পাওঁ এই সম্বন্ধে দৰ্শন বিলাকত মতভেদ আছে। এই মতভেদ কিৰূপ? আৰু মতভেদৰ তাৎপৰ্য্য জানিবৰ ইচ্ছা।

গুৰু- বৎসগণ! এই সম্বন্ধে মতভেদ আছে শুনা।

(১) (২) ন্যায় আৰু বৈশেষিক দৰ্শন। ন্যায় দৰ্শনৰ কৰ্ত্তা গৌতম মুনি, বৈশেষিক দৰ্শনৰ কৰ্ত্তা কনাদ মুনি। এই উভয়ৰ মতেই পূৰ্ব্বোক্ত জীৱাত্মা, পৰমাত্মা, সৃষ্টি, স্থিতি, প্ৰলয়, ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ আৰু মুক্তি। এই সম্বন্ধে দুই দৰ্শনৰ মতভেদ নাই কেৱল ন্যায়মতে প্ৰত্যক্ষ, অনুমান, উপমান, শব্দ এই চাৰি প্ৰমাণৰ দ্বাৰা জ্ঞান হয়। বৈশেষিক মতে প্ৰত্যক্ষ আৰু অনুমানৰ দ্বাৰা সমুদায় জ্ঞান হয়। এই মতে উপমান আৰু শব্দ প্ৰমাণ অনুমানৰ অন্তৰ্গত। আৰু পাক সম্বন্ধে মতভেদ আছে। অগ্নিৰ উত্তাপৰ দ্বাৰা যে মাটিৰ ঘট প্ৰভৃতি পাক হয়, অৰ্থাৎ ৰক্ত হয়। এই ৰক্ততা হ'বৰ সময়ত অগ্নিৰ অনুসকল ঘটৰ মাজেদি গৈ পৰমাণু সকলক ৰক্ত কৰে; আৰু সেই ৰক্ত পৰমাণুৰে নতুন ৰক্ত ঘট তৈয়াৰ হয়। অগ্নিৰ অনুসকল মাজেদি যোৱাতে পূৰ্ব্ব ঘট ধ্বংস হয়, নতুন ঘট তৈয়াৰ হয়।

ন্যায় মতে পূৰ্ব্বঘট নষ্ট নোহোৱাকৈ সচ্ছিদ্ৰ মাটিৰ ঘটৰ মাজেদি অগ্নিৰ অণুসকল যাই পাক অৰ্থাৎ ৰক্ত কৰি দিয়ে। এই মাত্ৰ মতভেদ।

(৩) এতিয়া কপিলকৃত সাংখ্য দৰ্শনৰ মত শুনা।

এই মতে প্ৰকৃতি আৰু পুৰুষ দুই ৰকমৰ পদাৰ্থ। পুৰুষ অৰ্থাৎ জীৱাত্মা। এই জীৱাত্মা বহু, অৰ্থাৎ জৰায়ুজ, অণ্ডজ, উদ্ভিজ, স্বেদজ ভেদে যিমান প্ৰাণী আছে, সিমান জীৱাত্মা। প্ৰকৃতি জড় পদাৰ্থ সকলৰ আদিম কাৰণ। এই প্ৰকৃতিৰ এটা স্বভাৱ আছে, সেই স্বভাৱ বশতঃ কিছুদিন পিচত স্বতঃ পৰিণাম অৰ্থাৎ অৱস্থান্তৰ হয়। এই প্ৰকৃতি সত্ত্ব, ৰজঃ, তমঃ এই তিনি গুণৰ স্বৰূপ। এই প্ৰকৃতিৰ পৰিণাম অৰ্থাৎ অৱস্থান্তৰ হৈ ২৪ প্ৰকাৰ ভেদ হৈছে।

প্ৰকৃতি, মহত্তম, (বুদ্ধি বা বুদ্ধিসত্ত্ব) অহঙ্কাৰ তত্ত্ব, মন, শব্দ তন্মাত্ৰ, স্পৰ্শ তন্মাত্ৰ, ৰূপতন্মাত্ৰ, ৰসতন্মাত্ৰ, গন্ধতন্মাত্ৰ (পঞ্চতন্মাত্ৰ), ব্যোম, মৰুত, তেজ,

জল, পৃথিৱী (পঞ্চমহাভূত), শ্ৰোত্ৰ, ত্বক্, চক্ষু, ৰসনা, ঘ্ৰাণ, (পঞ্চ জ্ঞানেন্দ্ৰিয়) বাক্, পাণি, পাদ, পায়ু, উপস্থ (পঞ্চ কৰ্মেন্দ্ৰিয়) এই চতুৰ্বিংশতি তত্ত্ব। অহঙ্কাৰ তত্ত্ব তিনভাগে বিভক্ত, সাত্ত্বিক, ৰাজসিক, তামসিক। সাত্ত্বিক অহঙ্কাৰৰ পৰা মন আৰু জ্ঞানেন্দ্ৰিয় পঞ্চ হৈছে ৰাজসিক অহঙ্কাৰৰ পৰা কৰ্মেন্দ্ৰিয় পঞ্চ (আৰু প্ৰাণাদি বায়ু পঞ্চ) হৈছে। তামসিক অহঙ্কাৰৰ পৰা উক্ত পঞ্চ তন্মাত্ৰ, আৰু সেই পঞ্চ তন্মাত্ৰঃৰ পৰা পঞ্চ মহাভূত হৈছে।

এই মতে জন্ম বা উৎপন্ন হোৱা শব্দৰ অৰ্থ পৰিণাম অৰ্থাৎ অৱস্থান্তৰ প্ৰাপ্তি। এওঁলোকৰ সৎকাৰ্য্য বাদ।

অসদকৰণা দুপাদন গ্ৰহণাৎ সৰ্ব্ব সবাভাবাৎ।
শক্ত্যখ শক্য কৰণাৎ কাৰণ ভাবাৎ সৎ কাৰ্য্যম্।।

অৰ্থ- সমস্ত কাৰ্য্য বস্তু কাৰণৰ ভিতৰত আছে। যেনে অসৎ বস্তু (নোহোৱা বস্তু) কোনোৱে কৰিব নোৱাৰে, যেনে তিলৰ ভিতৰত তৈল থাকে, বুলিহে উলিয়াব পাৰে, বালুকাৰ পৰা তৈল উলিয়াব নোৱাৰে। উপাদান গ্ৰহণ কৰে অৰ্থাৎ যি বস্তুৰ ভিতৰত যি বস্তু থাকে, সেই বস্তুৰ বাবে সেই বস্তু গ্ৰহণ কৰে, যেনে ঘটাৰ্থী, স্নিগ্ধ মৃত্তিকা গ্ৰহণ কৰে, অন্য বস্তু গ্ৰহণ নকৰে। অসৎ বস্তুৰ উৎপত্তি হ'লে বা তৈয়াৰ কৰিব পাৰিলে এক বস্তুৰ পৰা নানা বস্তু তৈয়াৰ কৰিলেহেঁতেন। যেনে মাটিৰ পৰাই ঘট, বস্ত্ৰ, অস্ত্ৰ-শস্ত্ৰ, প্ৰভৃতি তৈয়াৰ কৰিলেহেঁতেন। যিমান পৰিমিত বস্তুই যিমান বস্তু তৈয়াৰ কৰিব পাৰে, অৰ্থাৎ কৰিবৰ শক্তি আছে, সিমান কৰে। গতিকে কাৰ্য্যসকল কাৰণ ৰূপে সৎ। ভগৱদ্গীতাতো কৈছে।

নাসতো বিদ্যতে ভাবো নাভাবো বিদ্যতে সতঃ।
উভয়ো-ৰপি দৃষ্টো হ্‌স্ত স্থনয়ো স্তত্ত্ব দৰ্শিভিঃ।। ২/৬

অসৎ বস্তুৰ শশ শৃঙ্গাদিৰ সত্ত্বা নাই, আৰু সৎ বস্তুৰ অভাব নাই। এই উভয় বিষয়ৰ শেষ সীমা তত্ত্ব তত্ত্বদৰ্শীসকলে দেখিছে। দুগ্ধ অৱস্থান্তৰ হৈ যেনে দধি হয়, সেই দৰে প্ৰকৃতিত অৱস্থান্তৰ হৈ সমস্ত জগৎ উৎপন্ন হৈছে। এওঁলোকৰ মতে পুৰুষ (জীৱাত্মা সকল) নিত্য-শুদ্ধ-বুদ্ধ-মুক্ত স্বভাববিশিষ্ট। কেৱল প্ৰকৃতিৰ প্ৰথম বিকাৰ যে মহতত্ত্ব অৰ্থাৎ বুদ্ধি, সত্ত্ব, ই স্বচ্ছ (নিৰ্ম্মল) প্ৰতিপুৰুষ এই বুদ্ধি ভিন্ন। দৰ্পণত যেনেকৈ মুখৰ প্ৰতিবিম্ব পৰে, সেই হিচাবে পুৰুষৰ প্ৰতিবিম্ব বুদ্ধিত পৰে। দৰ্পণৰ মালিন্যাদি গুণ বা বেকা গুণ প্ৰভৃতি মুখত প্ৰতিভাত হয়, সেই দৰে বুদ্ধিৰ গুণ (জ্ঞান, ইচ্ছা, যত্ন, লজ্জা, ভয়, প্ৰভৃতি) পুৰুষত প্ৰতিভাত হয়। অৰ্থাৎ

বুদ্ধিৰ কৰ্ত্তৃত্বাদি পুৰুষৰ কৰ্ত্তৃত্ব বুলি প্ৰতিভাত হয়। এই বিষয় ভগৱদ্‌গীতাৰ শ্লোক।

প্ৰকৃতেঃ ক্ৰিয়মাণানি গুণৈঃ কৰ্ম্মানি সৰ্বশঃ।
অহঙ্কাৰ বিমূঢ়াত্মা কৰ্ত্তাহমিতি মন্যতে।।

অৰ্থ- প্ৰকৃতিৰ গুণ (বুদ্ধি) ক্ৰিয়ামান কৰ্ম্ম সকলক, অহঙ্কাৰতে মূঢ় আত্মাই মই কৰ্ত্তা বুলি অভিমান কৰে। এই অভিমান ত্যাগ কৰি পুৰুষ নিজে শুদ্ধ বুদ্ধ, মুক্ত বুলি বোধ কৰিলে, অৰ্থাৎ প্ৰকৃতিৰপৰা পৰিণত হোৱা পদাৰ্থসকলক পাৰ্থক্য জ্ঞান কৰিলে জীৱ মুক্ত হয়।

—পূৰ্ব্বতে কোৱা দৰ্পণৰ প্ৰতিবিম্বৰ কথা এই ৰূপ, যেনে চক্ষুৰ ৰশ্মি, কাচাদিত পৰি, তাৰ মাজেদি গৈ সিফালৰ বস্তু প্ৰত্যক্ষ কৰে, সেই কাচাদিত লেপ থাকিলে, তাৰ পৰা সেই চক্ষুৰ ৰশ্মি ফিৰি আহি মুখ দেখা পায়। সেই দৰ্পণ তেৰা ভাবে ধৰিলে অন্যক দেখা পায়। প্ৰকৃত পক্ষে দৰ্পণৰ ভিতৰত প্ৰতিবিম্ব নপৰে, ভ্ৰম বশতঃ নিজৰ মুখকে বিপৰীতভাৱে দৰ্পণৰ ভিতৰত দেখা পায়। এই মতে ঈশ্বৰৰ (পৰমাত্মা) নাই। ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ প্ৰভৃতি পূৰ্ব্ব কল্পৰ প্ৰাৰব্ধভোগী জাত সৰ্ব্বজ্ঞ মুক্ত জীৱ। প্ৰকৃতিৰ স্বভাৱ বশতঃ সৃষ্টি আৰু সেই স্বভাৱ গুণতে বিপৰীত ক্ৰমে প্ৰলয় কাৰ্য্য হয়। পুৰুষৰ পাপ পুণ্য অনুসাৰে কষ্ট ফল ভোগ কৰে। এই মতে বেদাদি স্বতঃ প্ৰমাণ।

(৪) বৎসগণ! অনন্ত নাগৰ অৱতাৰ পাতঞ্জলি মুনি। এই পাতঞ্জলি কৃত পাতঞ্জল দৰ্শন (যোগদৰ্শন)। এই দৰ্শনৰ মত সাংখ্য মতৰ নিচিনা। এই মতে ঈশ্বৰৰ স্বীকাৰ কৰে। প্ৰকৃতি পুৰুষৰ সম্বন্ধকাৰী আৰু পুৰুষৰ অদৃষ্টৰ প্ৰেৰণাকাৰী ঈশ্বৰ নহ'লে নচলে। সৰ্ব্বজ্ঞ আৰু সৰ্ব্বকৰ্ত্তৃত্ববিশিষ্ট পৰমেশ্বৰে আছে। এই পৰমেশ্বৰক চিন্তা কৰিলে জীৱক শীঘ্ৰে মুক্ত কৰি দিয়ে। এই দৰ্শনত যম নিয়ম-আসন-প্ৰাণায়াম প্ৰত্যাহাৰ ধাৰণা ধ্যান-সমাধি এই অষ্টাঙ্গ যোগৰ কথা বিশদভাৱে বৰ্ণিত আছে। এই যোগ ন্যায় বেদান্ত দৰ্শন কাৰক প্ৰভৃতিও স্বীকাৰ কৰিছে। কেৱল পদাৰ্থৰ তত্ত্ব অংশ অন্যে স্বীকাৰ নকৰে।

(৫) বৎসগণ! এতিয়া জৈমিনি কৃত মীমাংসা দৰ্শনৰ মত শুনা। এই দৰ্শনৰ পদাৰ্থসকল নৈয়ায়িকৰ পদাৰ্থৰ নিচিনা, সামান্য দুই এটা কথা বিচাৰ অংশত বা জ্ঞানৰ অংশত পাৰ্থক্য আছে। এই দৰ্শনত কৰ্ম্ম কাণ্ডৰ বেদবাক্যসকলৰ বিশেষ মীমাংসা কৰা আছে। গতিকে ইয়াৰ নাম মীমাংসা দৰ্শন হৈছে। সাংখ্য দৰ্শনৰ নিচিনা এই দৰ্শন মতেও পৰমাত্মা (পৰমেশ্বৰ) নাই। ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ

প্ৰভৃতি পাৰব্ধভোগী জীৱন্মুক্ত জীৱ। এই মতে বেদ মন্ত্ৰ সহকৃত কৰ্ম্মই ফলদাতা (গতিকে কৰ্ম্মই পৰমেশ্বৰ)। বেদ বোধিত ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ, ইন্দ্ৰ প্ৰভৃতি দেৱতাও নাই। সেই সেই মন্ত্ৰৰূপ (শব্দৰূপ) দেৱতা। শৰীৰী মন্ত্ৰৰ বাচ্য ইন্দ্ৰাদি দেৱতা নাই। স্বৰ্গাদিত থাকা ইন্দ্ৰ স্বতন্ত্ৰ। বেদত থাকা ইন্দ্ৰাদি শব্দাত্মক স্বীকৃত। বেদ নিত্য, নিৰ্দ্দোষ, আৰু স্বতঃ প্ৰমাণ, এই মতে শব্দও নিত্য। যদি বেদ মন্ত্ৰৰ বাচ্য ইন্দ্ৰাদি দেৱতা থাকিলহেঁতেন; তেন্তে আবাহনৰ সময়ত আহি, বিসৰ্জ্জনৰ সময় পৰ্য্যন্ত, সেই পূজাৰ স্থান ঘটাদিত, সেই সেই ধ্যানৰ মূৰ্ত্তি অনুসাৰে থাকিব লাগিছিল। ইন্দ্ৰাদি দেৱতাৰ ধ্যানৰ যি মূৰ্ত্তি সেই মূৰ্ত্তিৰ আকাৰৰ বস্তু ঘটাদিত আৰোহণ কৰিলে, ঘটাদি ভগ্নও হ'লহেঁতেন। এক দেৱতাৰ এক সময়ত নানা স্থানত পূজা হয়, আৰু সেই পূজাৰ শেষ পৰ্য্যন্ত (অৰ্থাৎ দুৰ্গাপূজাত ষষ্ঠীৰ পৰা দশমী পৰ্য্যন্ত) থাকিব লাগিলহেঁতেন, তেতিয়া নানা স্থানৰ পূজাৰ ব্যৰ্থতাৰ আপত্তি হয়। গতিকে সেই বেদ বোধিত মন্ত্ৰময় দেৱতা। অন্য নাই। সেই সেই তিথি, আৰু সময় অনুসাৰে সেই সেই দ্ৰব্য (পুষ্পাদি) সংযুক্ত কৰি সেই সেই বেদোক্ত মন্ত্ৰৰ দ্বাৰা প্ৰদান কৰিলে, বস্তু কাল সহকৃত সেই শব্দৰূপ দেৱতাই ফল দিয়ে। যেনেকৈ ঢেঁকীয়া আৰু সেই সেই নিয়ম অনুসাৰে মন্ত্ৰোচ্চাৰণ কৰিলে সৰ্প বিষ নামি আহে বা ধ্বংস হয়, সেই ৰূপ বেদ মন্ত্ৰৰো ফল। এই মতে সৃষ্টি, স্থিতি, প্ৰলয় নৈয়ায়িকৰ নিচিনা। মুক্তি-কৰ্ম্মফল কামনা নকৰিলে, (বিষ্ণু প্ৰীতি কামনা কৰি সঙ্কল্প কৰিলে) এই কাৰ্য্যই মুক্তি দিয়ে। এই মতে "নিত্য সুখাভিব্যক্তিৰ্মুক্তি[৪]" অৰ্থাৎ মুক্তি হ'লে নিত্য সুখ প্ৰকাশ পায়। ভগৱদ্‌গীতাত উক্তি আছে।

"কৰ্ম্মনৈব হি সংসিদ্ধিমাস্থিতা জনকাদয়ঃ।"

অৰ্থ- জনক প্ৰভৃতিয়ে নিষ্কাম কৰ্মৰ দ্বাৰা সংসিদ্ধি (মুক্তি) প্ৰাপ্ত হৈছে।

এই দৰ্শনত কৰ্ম্ম সম্বন্ধে বিধি সকলৰ (হুকুম বা আদেশ সকলৰ) এনে বিচাৰ কৰা আছে যে, বেদৰ কথাৰ ভঙ্গি, আৰু তাৰ প্ৰকৰণ, তাৰ শব্দ প্ৰভৃতি অনুসাৰে বিধি (আদেশ) সকলৰ বহু বিভাগ কৰিছে। সেই বিলাকৰ পৃথক পৃথক নাম আছে। সামান্য নিদৰ্শন হিচাপে অলপ দেখাও।

বিধিৰত্যন্ত সপ্ৰাপ্তৌ, নিয়মঃ পাক্ষিকে সতি।
তত্ৰচান্যত্ৰচ প্ৰাপ্তৌ পৰিসংখ্যেতিগীয়তে।।

যি বেদবাক্যৰ বিষয় সেই বেদবাক্য ভিন্ন অন্য কোনো প্ৰমাণান্তৰৰ দ্বাৰা পোৱা নাযায় সেইসকল বেদৰ বিধি (আদেশ) অৰ্থাৎ নামান্তৰ অপূৰ্ব্ব বিধি। যেনে

স্বৰ্গাভিলাষী ব্যক্তি যজ্ঞ কৰিব। মুক্তিকামী ব্যক্তি তত্বজ্ঞান কৰিব ইত্যাদি।

অন্য ৰূপেও সেই কাৰ্য্য কৰিব পাৰি। কিন্তু এটা বিষয় ঠিক কৰি দিয়া বিধিৰ নাম নিয়ম বিধি। যেনে ধান্যৰ পৰা অবহনন অৰ্থাৎ উৰুখলৰ আঘাতেৰে চাউল বাহিৰ কৰিব। অন্য ৰূপে কৰা (নয়াদি দ্বাৰায় কৰা) অপেক্ষা অধিক পবিত্ৰতাজনক। দুই বা তাতকৈ বেছি বিষয় একেলগে পালে, এক বিষয় বাধা দি আৰু এক বিষয় ঠিক কৰি দিয়াৰ নাম পৰিসংখ্যা বিধি। যেনে পঞ্চনখ বিশিষ্ট জীৱ পাঁচ বিধ খাব। শশক, কটলাপহু, গোধা (মাটিয়া গুঁই) কূৰ্ম্য, গঁড় এই পাঁচ বিধ খাব। অৰ্থাৎ মনুষ্যাদি অন্য পঞ্চনখী নাখাব, খালে এই পাঁচবিধ খাব। এই বিধিত নিষেধ বলৱান। বিধিটো ঐচ্ছিক অৰ্থাৎ খালে খাব পাৰে। এইভাৱে বেদবাক্য সকলৰ ভাবভেদে বিধিভেদ কৰি বহু প্ৰকাৰ ভাগ কৰিছে।

(৬) বৎসগণ! এতিয়া বেদব্যাস প্ৰণীত বেদান্ত দৰ্শনৰ মত শুনা। এই বেদান্ত দৰ্শনৰ নানা মতে ব্যাখ্যা আছে। তাৰে বিশিষ্টাদ্বৈতবাদ আৰু অদ্বৈতবাদ, এই দুই মত প্ৰসিদ্ধ আৰু বহুজন সমাদৃত। গতিকে এই দুই মতৰ কথা শুনা।

(ক) বিশিষ্টাদ্বৈত মতৰ ব্যাখ্যাকাৰী ৰামানুজ। এই মতে এক ব্ৰহ্মাৰ "একোঽহং বহু স্যাম্" এই বেদবাক্যানুসাৰে ঈশ্বৰ, চিৎ, অচিৎ এই ত্ৰিতয় পদাৰ্থ উৎপন্ন হয়। ঈশ্বৰৰ অৰ্থাৎ জগতৰ কাৰ্য্যকৰী পৰমেশ্বৰ। চিৎ জীৱ।

বালাগ্ৰ শত ভাগস্য শতধা কল্পিতস্য চ।
ভাগোজীৱঃ সবিজ্ঞেয়ঃ চানন্ত্যায় কল্প্যতে।।

অৰ্থ- কেশৰ অগ্ৰৰ শতখণ্ড কৰি প্ৰতি খণ্ডক শত খণ্ড কৰিলে যিমান সূক্ষ্ম হ'ব পাৰে সিমান সূক্ষ্ম জীৱ। সেই জীৱ অনন্ত। এই জীৱ সেৱক, ঈশ্বৰ সেব্য। সাধন ৰূপ ভক্তিৰ দ্বাৰা, তত্বজ্ঞান ৰূপ বিশেষ ভক্তি উদয় হলে ঈশ্বৰৰ অংশভূত জীৱ, ঈশ্বৰত লীন হ'ব পাৰিলে মুক্ত হয়। জল কণিকাসকল, সমুদ্ৰৰ পৰা পৃথক হৈ আহি, পুনঃ বৃষ্টিৰ সহিত নদীৰ জলৰ লগত মিল হৈ, সমুদ্ৰত পৰিব পাৰিলে, যেনেকৈ এক হয় সেই ৰূপ জীৱও পৰমেশ্বৰৰ লগত বিশিষ্ট (মিলন) হ'ব পাৰিলে অদ্বৈত হয়। এইয়ে বিশিষ্টাদ্বৈতবাদ।

অচিৎ (জড়বৰ্গ) পঞ্চ মহাভূত, একাদশ ইন্দ্ৰিয়, চতুৰ্দ্দশ ভুৱনাত্মক ব্ৰহ্মাণ্ড, সমস্ত অচিৎ পদাৰ্থ।

(খ) অদ্বৈতবাদ ব্যাখ্যাকাৰী শঙ্কাৰাচাৰ্য্য। এই মতে এক ব্ৰহ্মই সত্য, অন্য সমস্ত মিথ্যা অৰ্থাৎ ভ্ৰমমাত্ৰ। ব্ৰহ্মাৰ স্বৰূপ "সচ্চিদানন্দ" অৰ্থাৎ নিত্য জ্ঞান আৰু

নিত্য আনন্দৰ স্বৰূপ। এই ব্ৰহ্মাৰ প্ৰতিবিম্ব প্ৰকৃতি। প্ৰকৃতিৰ দুই ভাগ সত্ত্ব, প্ৰধান প্ৰকৃতি, ইয়াৰ নাম মায়া, আৰু তমঃ প্ৰধান প্ৰকৃতি, ইয়াৰ নাম 'অবিদ্যা। সত্ত্ব প্ৰধান প্ৰকৃতিৰ দ্বাৰা অৰ্থাৎ মায়াৰ দ্বাৰা, ঈশ্বৰীয় শৰীৰ তৈয়াৰ হয়। অবিদ্যাৰ দ্বাৰা, একাদশ ইন্দ্ৰিয়, পঞ্চ মহাভূত প্ৰভৃতি ব্ৰহ্মাণ্ড পৰ্য্যন্ত জড় বৰ্গ তৈয়াৰ হয়। অনাদি অবিদ্যাৰ দ্বাৰা স্বপ্ন দৃষ্ট বস্তুৰ নিচিনা এই জগৎ তৈয়াৰ হয়। যেনে জাগৃত হ'লে স্বপ্ন দৃষ্ট বস্তু একেই নাথাকে, তেনেকৈ মুক্ত হ'লেও এই সকল একো নাথাকে। এই মতে জীৱ আৰু ব্ৰহ্মাৰ ভেদ নাই। মায়া প্ৰতিবিম্বিত চৈতন্য ঈশ্বৰ অবিদ্যা প্ৰতিবিম্বিত চৈতন্য জীৱ। এই অবিদ্যাৰ বহুত্ব বুলি জীৱৰ বহুত্ব ব্যৱহাৰ। প্ৰকৃতপক্ষে জীৱ ব্ৰহ্মাৰ ভেদ নাই। কেৱল, প্ৰতিবিম্ব ভেদেহে ভেদ। গতিকে জন্ম, মৰণ প্ৰভৃতি পৃথক পৃথকভাৱে দেখা যায়।

ন্যায় আৰু বৈশেষিক ভিন্ন মতে ইহলোক পৰলোক গমনকাৰী প্ৰত্যেক জীৱৰ এটা এটা লিঙ্গশৰীৰ আছে। এই লিঙ্গশৰীৰ অনাদি হলেও মুক্তিৰ পূৰ্ব্ব ক্ষণ পৰ্য্যন্ত স্থায়ী। মুক্ত পুৰুষৰ লিঙ্গ শৰীৰৰ ধ্বংস হয়।

বুদ্ধি কাৰ্য্যেন্দ্ৰিয় প্ৰাণ-পঞ্চকৈৰ্মনসা খিয়া।
শৰীৰং সপ্তদশভিঃ সূক্ষ্মং তল্লিঙ্গমুচ্যতে।।

বুদ্ধিন্দ্ৰিয় পঞ্চ, কাৰ্য্যেন্দ্ৰিয় পঞ্চ, প্ৰাণাদি বায়ু পঞ্চ, আৰু মন বুদ্ধি, এই সোতৰ তত্ত্বৰ দ্বাৰা সূক্ষ্ম শৰীৰ তৈয়াৰ হৈছে। এই সূক্ষ্ম শৰীৰৰ নাম লিঙ্গশৰীৰ। কোনো কোনো শাস্ত্ৰত এই লিঙ্গশৰীৰৰ পৰিমাণ "অঙ্গুষ্ঠ পৰিমাণ" বুলি দিয়া আছে। এইটো মাত্ৰ অজ্ঞানীক বোধ দিয়া। প্ৰকৃতপক্ষে এই শৰীৰ সূক্ষ্ম, নহ'লে কাৰ অঙ্গুষ্ঠৰ পৰিমাণ হ'ব? আৰু যিবিলাক জীৱৰ অঙ্গুষ্ঠ নাই, তাৰ লিঙ্গ শৰীৰ কিমান ডাঙৰ হ'ব? গতিকে ই শৰীৰো সূক্ষ্ম।

বৎসগণ! ইয়াত এটা জীৱাশ্মেতৰ কথা কোৱা হওক। এই সূক্ষ্ম শৰীৰবাদীৰ মতে কোনো অগ্নি প্ৰভৃতিৰ ক্ৰিয়াৰ দ্বাৰা এই সূক্ষ্ম শৰীৰ ধ্বংস নহয়। মাত্ৰ মুক্তিৰ প্ৰাক্ ক্ষণত এই সূক্ষ্ম শৰীৰ ধ্বংস হয়।

এই সূক্ষ্ম শৰীৰৰ ভিতৰত যি মন বুদ্ধি প্ৰভৃতি অন্তঃকৰণৰ সংজ্ঞক বস্তু আছে, সেই অন্তঃকৰণাবচ্ছিন্ন চৈতন্য হৈছে জীৱাত্মা বা জীৱ। এই সূক্ষ্ম জীৱ বৃষ্টিৰ জলৰ লগত অন্যান্য দ্ৰব্যৰ লগত পিতা মাতাৰ শৰীৰত প্ৰক্ষেপ কৰি সন্তান ৰূপে জন্ম গ্ৰহণ কৰে। এই জীৱাণু (সূক্ষ্মজীৱ) অগ্নি ক্ৰিয়াৰ দ্বাৰা নষ্ট নহয়। অগ্নিক্ৰিয়াৰ দ্বাৰা খাদ্য বস্তুৰ স্থূল শৰীৰ নষ্ট হ'লেও সূক্ষ্ম শৰীৰ অলপো নষ্ট

নহয়। এইভাৱে অসংখ্য সূক্ষ্ম শৰীৰ বা জীৱাণু অনবৰত গতি কৰি আছে। আয়ুৰ্ব্বেদ আদি শাস্ত্ৰতো জীৱাণু আৰু মতভেদে বীজাণু বুলি দুইভাৱে স্বীকৃত আছে।

বীজাণুবাদীৰ মতে ইয়াত চৈতন্য পদাৰ্থ নাই, কেৱল বীজ (চৈতন্য আশ্ৰয়ৰ কাৰণ বস্তু), অৰ্দ্ধ সহকাৰী কাৰণ যোগ হ'লে চৈতন্যই আশ্ৰয় কৰে (অৰ্থাৎ চৈতন্যই সম্বন্ধ কৰে।)

বৎসগণ! ন্যায় বৈশেষিক মতে এই যুক্তি প্ৰাকক্ষণ পৰ্য্যন্ত স্থায়ী সূক্ষ্ম শৰীৰ (লিঙ্গ শৰীৰ) স্বীকাৰ নাই। বীজ বা বীজাণু স্বীকাৰ কৰে কিন্তু ইও কাৰ্য্য কাৰণ বশতঃ উৎপত্তি বিনাশশীল। এটা দৃষ্টান্ত দি ভালদৰে বুজাই দিয়া হওক -

কিবা এটা কাৰ্য্য হ'ব লাগিলে বহু কাৰণ সমাবেশ হ'ব লাগে। যেনে- ধানৰ বীজ (অৰ্থাৎ ধান) এই ধানৰ বাকাল (তুঁহ) তাৰ তলত থাকে (চক্‌লা) আৰু এক পিনে এটা ক্ষুদ্ৰ কণ আছে, আৰু চাউল আছে। কিন্তু ইয়াৰ কোনো এক বিধৰ অভাৱ হ'লেও অঙ্কুৰ বাহিৰ নহয় আৰু সেইসকল থাকিও ভাণ্ডাগাৰত ৰাখা ধানৰ অঙ্কুৰ বাহিৰ নহয়। গতিকে সাৰ মাটি-পানী-বায়ু প্ৰভৃতিৰ অপেক্ষা কৰে। সাৰ, পানী, প্ৰভৃতিৰ দ্বাৰা ভিজি ঠিক হ'লেহে অঙ্কুৰ বাহিৰ হ'বৰ আৰম্ভ হয়। অৰ্থাৎ সেই অঙ্কুৰ বাহিৰ হ'বৰ আৰম্ভ হোৱা অৱস্থাত চৈতন্য জীৱ সম্বন্ধ হয়। এই চৈতন্য সম্বন্ধ নোহোৱা পৰ্য্যন্ত বীজ থাকিলেও চেতন বোলা নহয়। এই ৰূপ জৰায়ুজৰ মাতৃ গৰ্ভত্ জৰায়ু নামক স্থানত বৰ্দ্ধিত হৈ পঞ্চ মাস পালে (অৰ্থাৎ চৈতন্য সম্বন্ধ হ'বৰ যোগ্য হ'লে) জীৱাত্মাৰ সম্বন্ধ হয়। তেতিয়া গৰ্ভক চেতন কয়। এই জীৱাত্মাৰ সম্বন্ধ হোৱা পূৰ্ব্বাৱস্থাত কোনো স্থায়ী সূক্ষ্ম শৰীৰ বা লিঙ্গ শৰীৰ তাত নাই। সেইসকল নানা স্থানৰপৰা জৰায়ু নামক স্থানত মিলিত হোৱাত ভগৱানৰ নিৰ্দ্দেশ অনুসাৰে চৈতন্যই আশ্ৰয় কৰে। মিলিত হোৱাৰ পিচতহে জন ধাতুৰ অৰ্থ প্ৰাদুৰ্ভাৱ এই প্ৰাদুৰ্ভাৱ কাৰ্য্য অৰ্থাৎ চৈতন্যাশ্ৰয় কাৰ্য্য হৈ 'জৰায়ুজ' নাম হয়।

এই ৰূপ অণ্ডজ - অণ্ডৰ ভিতৰত গৰম দানাদি দ্বাৰা সমস্ত কাৰণ মিলিত হলে চৈতন্যাশ্ৰয় কৰা "অণ্ডজ" সংজ্ঞা প্ৰাপ্ত হয়। উদ্ভিজৰো পূৰ্ব্বত কোৱা মতে উৰ্দ্ধভেদন ৰূপ কাৰ্য্য কৰিবৰ যোগ্য হ'লেহে জন হে জন ধাতুৰ অৰ্থ (চৈতন্য সম্বন্ধ হয়) স্বেদজ- স্বেদ (মলাদিৰ) সেই ৰূপ কাৰণ সমুদায় মিলিত হ'লে চৈতন্য সম্বন্ধ হৈ স্বেদজ নাম হয়।

উদ্‌ভিজ্জ সম্বন্ধে আৰু অন্য কথা : উদ্‌ভিজ্জৰ বীজ থাকে, পূৰ্ব্বত কোৱা

মতে সেই বীজৰ লগত কাৰণ মিলিত হ'লে জীৱাত্মা সম্বন্ধ হয়। কিন্তু কিছুমান বৃক্ষৰ শাখাৰ পৰাও বৃক্ষ তৈয়াৰ হয়। সেই শাখাত বীজ (চৈতন্য সম্বন্ধ হ'বৰ যোগ্যতাও) আছে। পূৰ্ব্ববৃক্ষৰ চৈতন্যৰ সম্বন্ধ সেই ছেদিত শাখাত নাই। কিছুদিন পিচত চৈতন্য সম্বন্ধ হ'বৰ যোগ্য বাকী কাৰণ সম্বন্ধ হ'লে চৈতন্য (জীৱাত্মা) অবচ্ছেদকতাখ্য সম্বন্ধে সম্বন্ধ হয়। সূক্ষ্ম শৰীৰৰ প্ৰয়োজন নাই। এই ন্যায় আৰু বৈশেষিকৰ মত।

৩৬। **শিষ্য-** দেৱ! মোটামুটি হিচাবে ৬ খন দৰ্শনৰ কথা বুজিলোঁ। এই মতভেদৰ কাৰণ কি? অথবা এই মতৰ কোনো এটা মতহে সত্য, ৫ টা মত মিথ্যা। সত্য বস্তু এক ৰকমৰ হ'ব, দুই ৰকমৰ হ'ব নোৱাৰে। মুক্তিও এক প্ৰকাৰ হ'ব। নানা প্ৰকাৰ হ'ব নোৱাৰে। এই বিষয় সৰলভাৱে অলপ কওক।

গুৰু- বৎসগণ! সকল মত এক প্ৰকাৰ, নানা প্ৰকাৰ নহয়।

যেনে- শ্ৰীমদ্ভাগৱতত লিখিত আছে,

মুক্তিৰ্হিত্বান্যথা ৰূপং স্বৰূপেণ ব্যৱস্থিতিঃ।

অৰ্থ- অন্যথা ৰূপ ত্যাগ কৰি নিজ ৰূপে অৱস্থান কৰাকে মুক্তি বোলে। এই মুক্তিৰ লক্ষণ ন্যায়াদি সকল মতৰ লগত সাম্য আছে।

শ্ৰীমদ্ভগৱদ্ গীতাত যি আত্মাৰ স্বৰূপ আছে।

অচ্ছেদ্যোঽয়ং মদাহ্যোঽয়মক্লেদ্যোঽশোচ্য এব চ।
ত্ৰিত্যঃ সৰ্বগতঃ স্থানুৰচলোঽয়ং সনাতনঃ।।

এই স্বৰূপসকল দৰ্শনে স্বীকাৰ কৰিছে। কেৱল ন্যায়, বৈশেষিক, সাংখ্য, পাতঞ্জল মতে আত্মাৰ আনন্দ নাই বিষয়ৰ লগত মনঃ সম্বন্ধ হৈ আনন্দ অনুভৱ কৰে। এই সকল মতে "**চৰম দুঃখধ্বংসো মুক্তিঃ**" এই মুক্তি স্বীকৃত। বিষয়শূন্য আনন্দ নাই বুলি মুক্তিত আনন্দ স্বীকাৰ নকৰে। অসংখ্য জন্মৰ দুঃখ ধ্বংস হয় বুলি, আৰু পুনঃ দুঃখ নহ'ব বুলি, "**ভাৰাদ্যপগমে সুখী সম্বৃত্তোঽস্মি**" এই অনুভৱৰ নিচিনা দুঃখ ধ্বংস ৰূপ সুখ স্বীকাৰ কৰে। মীমাংসা মতে "**নিত্য সুখাভিব্যক্তি মুক্তিঃ**" আৰু বেদান্ত মতে "**আনন্দ ৰূপেনাৱস্থানম্ মুক্তিঃ**"। গতিকে বুজা গ'ল, আত্মাৰ স্বৰূপাৱস্থান মুক্তি এই কথা সৰ্ব্ববাদীসন্মত।

এতিয়া ভাবি চোৱা আত্মা এক বা বহু? এক শব্দৰ দুই অৰ্থ, এক সংখ্যা বা এক ৰকম অৰ্থাৎ এক জাতীয়। ন্যায়, বৈশেষিক, সংখ্য, পাতঞ্জল, মীমাংসা কাৰকসকলে এক শব্দৰ এক জাতীয়তা স্বীকাৰ কৰি আৰু জন্ম মৰণৰ পাৰ্থক্য

কৰাৰ বাবে আত্মাৰ বহুত্ব স্বীকাৰ কৰিছে। বেদান্ত মতে আত্মাত একত্ব স্বীকাৰ কৰি, জন্ম মৰণৰ পাৰ্থক্য উৎপত্তিৰ বাবে আবৰণ ভেদ, অবচ্ছেদ ভেদ, বা প্ৰতিবিম্বভেদ স্বীকাৰ কৰিছে। পূৰ্ব্বকল্পৰ প্ৰাণীৰ অদৃষ্টানুসাৰে পৰকল্পৰ সৃষ্টি “এইভাৱে সৃষ্টিৰ অনাদিত্ব সকল দৰ্শনকাৰে স্বীকাৰ কৰিছে। নহ'লে, অৰ্থাৎ নতুন সৃষ্টি হ'লে, সেই পূৰ্বোক্ত “বৈষম্য” আৰু “নৈৰ্ঘৃণ্য” দুই দোষ হয়। অৰ্থাৎ নানা বিষম প্ৰাণী সৃষ্টি কৰা আৰু এক প্ৰাণীৰ ভিতৰতো দৰিদ্ৰ, ধনী, ৰোগী সৃষ্টি কৰা, এই দুই দোষ হয়।

প্ৰকৃতিকাৰণ বাদীৰ মতেও প্ৰকৃতিৰ ভিতৰত কাৰ্য্য সকল 'সৎ' ৰূপে আছেই, যিহেতু অসতৰ কৰণ নাই। মায়াবাদীৰ পক্ষেও এই অবিদ্যা আৰু মায়া অনাদি, গতিকে ৰূপান্তৰত অদৃষ্টাদি আছেই। পৰমাণু কাৰণবাদীৰ মতে সমস্ত থাকেই। গতিকে এক শব্দৰ অৰ্থ একজাতীয় (এক ৰকমৰ) অৰ্থ কৰিলে সমস্ত দৰ্শনৰ সামঞ্জস্য থাকে। বৎসগণ। যিকোনো মতে তত্ত্বজ্ঞান স্থায়ীভাব প্ৰাপ্ত হ'লে আৰু সেই ভাবানুসাৰে দেহ ত্যাগ কৰিব পাৰিলে মুক্তি অৱশ্যম্ভাবী। জ্ঞান আৰু ভক্তিৰ পাৰ্থক্যৰ কথা পূৰ্ব্বত কোৱা হৈছে। দাৰ্শনিক আত্ম তত্ত্বজ্ঞান ভিন্ন ভক্তিৰো সেই চৰম ভক্তি সখ্য আৰু আত্ম নিবেদন হ'ব নোৱাৰে। গতিকে আত্ম তত্ত্বজ্ঞান সৰ্ব্বথা প্ৰয়োজনীয়।

৩৭। শিষ্য - দেব! কিছুমান উপদৰ্শন আছে। সেইসকলো দৰ্শন নামে খ্যাত বুলি শুনিব পাওঁ। সেইসকলৰ মত কিৰূপ? সংক্ষেপত শুনিবৰ ইচ্ছা।

গুৰু- বৎসগণ' উপদৰ্শন পূৰ্ণপ্ৰজ্ঞ, পাশুপাত, শৈব, প্ৰত্যভিজ্ঞা, ৰসেশ্বৰ আৰু পাণিনি এই ৬ খন উপদৰ্শন। এই দৰ্শনসকলৰ পদাৰ্থ আৰু সৃষ্টি, স্থিতি প্ৰলয়ৰ ৰসেশ্বৰৰ সাংখ্য দৰ্শনৰ নিচিনা।

১) পূৰ্ণপ্ৰজ্ঞ- (মধ্বাচাৰ্য্য, বায়ুৰ তৃতীয়াৱতাৰ বুলি এওঁক কয়, ১ম হনুমান, ২ য় ভীম, ৩ য় পূৰ্ণপ্ৰজ্ঞ)। এওঁ বিষ্ণু ভক্ত আৰু বিষ্ণুৱেই পুৰুষোত্তম। ৰামানুজ বৈষ্ণৱ হলেও, এওঁৰ মত হে প্ৰকৃত বৈষ্ণৱ মত। আৰু ভক্তি প্ৰধান মত।

যস্মাৎ ক্ষৰমতীতো হহমক্ষৰাদপি চোত্তমঃ।
অতোহস্মি লোকে বেদে চ প্ৰথিতঃ পুৰুষোত্তমঃ।।

এই ভগৱদ্গীতাৰ বাক্যত ভগৱান শ্ৰীকৃষ্ণই কৈছে, যে যিহেতু ক্ষৰ পুৰুষ আৰু অক্ষৰ পুৰুষত কৈ মই উত্তম, গতিকে লোকত আৰু বেদত মই পুৰুষোত্তম। এই বিষ্ণুক ভক্তি কৰিলে সমস্ত কাৰ্য্য সিদ্ধি হয়। জীৱ আৰু ব্ৰহ্মাৰ ঐক্যবাদীৰ প্ৰতি পূৰ্ণ প্ৰজ্ঞই কৈছে, যে যদি কোনো ৰজাক কয় যে মই ৰজা, তেতিয়া ৰজাই

তাক বধ কৰিব, ৰাজাৰ গুণ প্ৰশংসা কৰিলে সমস্ত ঐশ্বৰ্য্য দিব। এইভাৱে এওঁলোকৰ মতে ভক্তি প্ৰধান। অহং ব্ৰহ্মাস্মি হ'ব নোৱাৰে।

(২) **পাশুপাত দৰ্শন**— এই দৰ্শন মতে পশুপতি শিৱই পৰমেশ্বৰ পশু (অজ্ঞ, জীৱ) তাৰ পতি (অধিষ্ঠাতা)। গতিকে এওঁ এই অজ্ঞ জীৱৰ জ্ঞানদাতা। ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ ত্ৰিতয় পৰমেশ্বৰৰ হ'লেও শিৱ প্ৰধান। এওঁ অনাদি পৰমেশ্বৰ। এওঁ সমস্ত ঐশ্বৰ্য্যৰ অধিপতি হৈয়ো নিজে নিৰ্ব্বিকাৰ আৰু বিলাস শূন্য। বাহন, ভূষণ, খাদ্য, গৃহাদি সমস্ত বিষয় সুখত নিৰ্লিপ্তাদৰ্শ স্থানীয়।

মুখেন বাদ্যং সলিলেন পাদ্যম্,
মূৰ্ত্তি মৃদা বিল্বদানেন পূজা।
ফলং পুনস্তস্য ভবেদনন্তম্।
নিঃস্বস্য বিশ্বেশ্বৰ এব দেৱঃ।।

অৰ্থ- এই শিৱৰ পূজা কৰিব লাগিলে বাদ্য যন্ত্ৰৰ প্ৰয়োজন নাই, মুখেৰে বম্ বম্ কৰিলে হয়, জলৰ দ্বাৰা পাদ্য দিলে হয়, অল্পমতিৰে মূৰ্ত্তি কৰিলে হয়, কোনো ৰং খৰচৰ প্ৰয়োজন নাই, বনৰ বিল্ব বৃক্ষৰ পাতেৰে তেওঁৰ মহতী পূজা হয়, ইপিনে ফল অনন্ত, গতিকে ধনহীন ব্যক্তিৰ পক্ষে বিশ্বেশ্বৰ শিৱই পৰম দেৱতা। এইভাৱে পশুপতি শিৱই পৰম দেৱতা, আৰু ভুক্তি মুক্তি সমস্ত দাতা।

(৩) **শৈৱ দৰ্শন** এই মতেও উক্ত যুক্তি সকল বিৰাজমান। কেৱল নিস্ত্ৰৈগুণ্য শিৱ (মঙ্গলজনক নামক বাচ্য পৰম পূজ্য। এওঁ ভুক্তি মুক্তি সমস্ত দাতা।

(৪) **প্ৰত্যভিজ্ঞা দৰ্শন**। এই দৰ্শনো শিৱ প্ৰধান দৰ্শন। কেৱল এই শিৱ "আশুতোষ" (শীঘ্ৰে তুষ্ট হয়) অৰ্থাৎ শীঘ্ৰে দৃষ্টিগোচৰ হয়। গতিকে ব্ৰহ্মা আৰু বিষ্ণু অপেক্ষা প্ৰত্যক্ষৰ দ্বাৰা এওঁতে শীঘ্ৰে "প্ৰত্যভিজ্ঞা' অৰ্থাৎ 'সোহয়ং পৰমেশ্বৰঃ" এই জ্ঞান পাই, আৰু ভুক্তি মুক্তি হয় গতিকে এই প্ৰত্যভিজ্ঞাজনক শিৱই পৰমেশ্বৰ। এৱেঁই প্ৰধান। বৎস্যগণ। মনত ৰাখিবা, পূৰ্ব্বত কোৱা আছে। ব্ৰহ্মা, বিষ্ণু, শিৱত ভেদ নাই। কেৱল শৰীৰ ৰূপ বিশেষণ মাত্ৰ ভিন্ন। বিশেষ্য একেই পৰমেশ্বৰ।

(৫) ৰসেশ্বৰ দৰ্শন। ৰস (পাৰদ) ঈশ্বৰ অৰ্থাৎ পাৰদ ই পৰমেশ্বৰৰ। "ৰসো বৈ ৰসঃ যং লব্ধা নন্দী ভৱতি" এই বেদবাক্যৰ দ্বাৰা বুজিবা যে তাকেই নিশ্চয়ভাৱে ৰস বুলি জানিবা, যাক পালে জীৱ আনন্দ বিশিষ্ট হয়। জীৱই জৰা, মৰণ আৰু ৰোগ ৰহিত হৈ আনন্দ লাভ কৰে। বাৰ্দ্ধক্য, মৃত্যু, আৰু ৰোগ এই তিনটা নিৰানন্দৰ

কাৰণ, এই তিনটা ৰহিত কৰে একমাত্ৰ পাৰদে। গতিকে পাৰদেই আনন্দ দাতা পৰমেশ্বৰ। সমস্ত দৰ্শনতে দেখা গ'ল যে নানা কষ্ট কৰি, জ্ঞান, ভক্তি কৰি, এই দেহ ত্যাগ কৰিব পাৰিলে পাৰলৌকিক নিত্যানন্দ ৰূপ মুক্তি হয়। সেই অদৃশ্য মুক্তিক, মুক্তি বুলিব নোবাৰি। সন্দিগ্ধ কলঙ্কিত বস্তুৰ প্ৰতি শ্ৰদ্ধা হ'ব নোৱাৰে। গতিকে এই জীৱনত ৰস প্ৰয়োগৰ দ্বাৰা শৰীৰ স্থিৰ অৰ্থাৎ জৰা, মৰণ, ৰোগ ৰহিত কৰিব পাৰিলে (পিণ্ড স্থৈৰ্য্যৰ দ্বাৰা চিৰজীৱী হ'ব পাৰিলে) এই জীৱন-মুক্তিহে প্ৰকৃত দৃশ্য মুক্তি। অন্য সন্দিগ্ধ কলঙ্কিত অদৃশ্য মুক্তিক মুক্তি বুলিব নোবাৰি। এই পাৰদ অষ্টাদশ সংস্কাৰৰ দ্বাৰা সংস্কৃত কৰি নিয়ম হিচাবেঃ খাব পাৰিলে জৰা মৰণ আৰু ৰোগ বৰ্জ্জিত হয়। মহাদেৱে পাৰ্বতীৰ আগত কৈছে।

অভ্ৰকং তব বীজন্তু সমবীজন্তু পাৰদঃ।
উভয়োৰ্মিলনং যত্ৰ মৃত্যু দাৰিদ্ৰ্যনাশনম্।।
সংসাৰস্য পৰং পাৰং দত্তেহসৌ পাৰদঃ স্মৃতঃ।
অষ্টাদশ সংস্কৃতে হসৌ ৰসো বৈ ৰস উচ্যতে।।
বালখিল্য কৃপ ব্যাস কপিলাদি চিৰায়ুসঃ।
ৰস প্ৰয়োগাদেতে হি খেচৰত্বমবাপ্নুয়ুঃ।।
জৰা মৰণ ৰোগাদি হীনাঃ সিদ্ধাশ্চ সুখিনঃ।
অবাধিত গতিং লব্ধা ব্ৰহ্মাণ্ডে বিচৰন্তি হি।।

হে দেৱি! অভ্ৰক তোমাৰ বীজ, মোৰ বীজ পাৰদ। এই উভয়ৰ মিলন প্ৰয়োগৰ দ্বাৰা মৃত্যু আৰু দাৰিদ্ৰ্য নষ্ট হয়। সংসাৰৰ পৰপাৰ (মুক্তি) দিয়ে বুলি ইয়াৰ নাম "পাৰদ" হৈছে। অষ্টাদশ সংস্কাৰ সংস্কৃত হ'লে এই পাৰদক ৰস বোলে। বালখিল্য মুনিগণ, কৃপ, ব্যাস আৰু কপিলাদি চিৰায়ুসগণ এই ৰস প্ৰয়োগৰ দ্বাৰা, আকাশ গতি লাভ কৰিছে। আৰু জৰা, মৰণ, ৰোগাদি বিহীন হৈ সিদ্ধি লাভ কৰি, পৰমানন্দেৰে অবাধিত গতি লাভ কৰি ব্ৰহ্মাণ্ডত বিহাৰ কৰি ফুৰিছে। পাৰদ নিৰ্ম্মিত শিৱ পূজনৰ ফল বৰ্ণনাতীত। এই দৰ্শনক আয়ুৰ্ব্বেদীয় দৰ্শনো বুলিব পাৰি। কাৰণ আয়ুৰ্ব্বেদত পাৰদ প্ৰধান ঔষধ। বাৰ্তমানিক চিকিৎসকগণ ভস্ম পাৰদ (মকৰধ্বজাদি) ব্যৱহাৰ কৰে, কিন্তু অষ্টাদশ সংস্কাৰৰ দ্বাৰা সংস্কৃত শ্বেত অৱস্থাৰ শোধিত পাৰদ ব্যৱহাৰ নকৰে আৰু এই অষ্টাদশ সংস্কাৰো নকৰে। "ৰসৰত্ন সমুচ্চয়" প্ৰভৃতি আয়ুৰ্ব্বেদীয় গ্ৰন্থত অষ্টাদশ সংস্কাৰ বিশেষভাৱে আছে। কিন্তু দুঃখৰ বিষয় কোনো চিকিৎসকে এই কাৰ্য্য নকৰে।

(৬) পাণিনি দৰ্শন। এই দৰ্শনৰ মতে শব্দব্ৰহ্মাই শ্ৰেষ্ঠ।

দ্বেব্ৰহ্মণী বেদিতব্যে পৰাপৰমেৱ চ।
শব্দ ব্ৰহ্মণি নিষ্ণাতঃ পৰং ব্ৰহ্মাধিগচ্ছতি।।

ব্ৰহ্মাদ্বয় : বুজিবা, অপৰ ব্ৰহ্ম (শব্দ বহ্ম) আৰু পৰব্ৰহ্ম (পৰমেশ্বৰ), শব্দব্ৰহ্মাত বিশেষ জ্ঞান লাভ কৰিলেহে পৰমব্ৰহ্ম প্ৰাপ্ত হয়।

এই শব্দব্ৰহ্মাৰ জ্ঞান কৰিব লাগিলে প্ৰকৃতি (লিঙ্গ, ধাতু), প্ৰত্যয় (সুপ্, তিঙি বিভক্তি ; তদ্ধিত, আখ্যাত, কৃত) এইসকলৰ সম্যক জ্ঞানৰ আৱশ্যক। এই জ্ঞানৰ পিচতো শব্দৰ বাচ্য-বাচক সম্বন্ধ জ্ঞানৰ আৱশ্যক। এই বাচ্য-বাচক সম্বন্ধ জ্ঞান কৰিব লাগিলে সেই "স্ফোট" নামক ধ্বনি জ্ঞানৰ আৱশ্যক। যেনে, "পৰ্বত" শব্দৰ অৰ্থ বুজিব লাগিলে, "মৃত্তিকা পাথৰ প্ৰভৃতিৰ দ্বাৰা নিৰ্মিত উচ্চ স্থান" বুজা হয়। কিন্তু এই প্ + অ + ৰ + ব + ব + অ + ত + অ অষ্টাক্ষৰৰ কোনো এটা অক্ষৰৰ এনে কোনো শক্তি আছে, যি শক্তিৰে উক্ত বস্তু বুজাব পাৰে? কোনো অক্ষৰৰ উক্ত বস্তু বুজাব পৰা শক্তি নাই। অথবা কোনো অক্ষৰে সেই বস্তুৰ অংশ হিচাবে বুজাব পাৰে, এনে শক্তিও নাই, গতিকে "পৰ্ব্বত" এইখিনিত উচ্চাৰণে কেনেকৈ সেই বস্তু বুজায়? যাৰ অৱয়ৱত বোধক শক্তি নাই তাৰ অৱয়ৱীত কেনেকৈ বোধক শক্তি থাকে? যেনে ডাঙৰ জৰিৰে হস্তিবন্ধন কাৰ্য্য কৰিব পাৰি। কিন্তু সেই জৰিৰ অৱয়ৱ সূতাসকলৰ আৰু সূতাৰ অৱয়ৱ অংশু (তুলাৰ আঁহ) সকলৰ বন্ধন শক্তি আছে। গতিকে এজনে কৰিব নোৱাৰা কাম দহজনে কৰিব পাৰে এই নিয়ম (ব্যাপ্তি) হ'ব নোৱাৰে। "শতমপ্যন্ধানাং ন পশ্যতি ঘটঃ" এই ন্যায়ৰ দ্বাৰা বুজিবা যে এটা অন্ধই ঘট দেখা নাপায়, একশত অন্ধ লগ লাগিলেও ঘট দেখিব নোৱাৰিব। এটা বালাৰে বন্ধন কাৰ্য্য নহয়। গতিকে শত বালাৰেও বন্ধন কাৰ্য্য হ'ব নোৱাৰে। বুজি যোৱা, দহমোন ওজনৰ শিল এটা এজনে দাঙিব নোৱাৰে। কিন্তু দহজনে দাঙিব পাৰে। গতিকে বুজিব সেই শিলৰ অংশ একমোন দাঙিব পাৰা শক্তি এজনৰ গাত থাকিব লাগিব, গতিকে দহজন লগ লাগিলে সেই শিল ডাঙিব পাৰিব। সেই বাবেহে মানুহে কয় "এজনে কৰিব নোৱাৰা কাম দহজনে কৰিব পাৰে।" এতিয়া বুজি চোৱা "পৰ্ব্বত" শব্দৰ এই আঠ অক্ষৰৰ কোনো অক্ষৰৰ বা দুই তিন অক্ষৰৰ অথবা বিপৰীতভাৱে উচ্চাৰণ কৰা এই আঠ, আঠ অক্ষৰৰ পৰ্ব্বত বস্তু বুজাব পৰা শক্তি মুঠেই নাই। গতিকে কেনেকৈ সমস্ত "পৰ্ব্বত" শব্দই সেই বস্তু বুজায়? এতিয়া ভালভাৱে ভাবি চোৱা ঠিক কোনো

বৈপাৰিত্য নোহোৱা হিচাবে সেই "পৰ্বত" শব্দৰ পৰ্ব্বতত্ব জাত্যবচ্ছিন্ন বস্তুক বুজাবৰ শক্তি বিশিষ্ট স্ফোট নামক ধ্বনিয়ে সেই পৰ্বত বস্তুক বুজায়। এই নিয়মে- ব্ৰহ্ম, পৰমাত্মা, ভগৱান, কৃষ্ণ, বিষ্ণু, নাৰায়ণ প্ৰভৃতি শব্দৰো উক্ত প্ৰভৃতি, প্ৰত্যয়, স্ফোট প্ৰভৃতি জ্ঞানৰ দ্বাৰা বাচ্য-বাচক জ্ঞান নহ'লে, সেই পৰব্ৰহ্মক পাব নোৱাৰে। গতিকে পৰব্ৰহ্ম প্ৰাপ্তিচ্ছু ব্যক্তি প্ৰথমতঃ সম্যক ৰূপে শব্দব্ৰহ্ম জ্ঞান কৰা উচিত। এই শব্দ ব্ৰহ্মত সম্যক জ্ঞান নহ'লে পৰব্ৰহ্ম প্ৰাপ্তি (মুক্তি) হ'ব নোৱাৰে। এইমতে শব্দ প্ৰকৃত তত্ত্ব সম্যকৰূপে জ্ঞান হ'লেহে তত্ত্বজ্ঞানে মুক্তি দিয়ে। অন্যথা মুক্তি নহয়।

৩৮। **শিষ্য**- দেৱ! দৰ্শন সকলৰ বিচিত্ৰ বাক্য, তাৰ ভিতৰত যে এই ৰসেশ্বৰৰ দৰ্শন আৰু পাণিনি দৰ্শনৰ কথা শুনিলোঁ, ই আৰু বিচিত্ৰ। দৰ্শনসকলৰ যে কিমান কথা আছে তাক বোধকৰো এক জন্মত জ্ঞান কৰিব নোৱাৰি আৰু তাত ইমান গভীৰ জ্ঞানৰ কথা আছে যে, সকলোৱে বুজিবও নোৱাৰিব। আপোনালোক পূৰ্ব জন্মত বহু অভ্যস্ত জ্ঞানশালী বুলিহে, এই জন্মত ইমানখিনি অধিকাৰ কৰিছে। নহ'লে দেখা যায় ইমান ভাল কথাৰ দ্বাৰা পৰিপূৰ্ণ শাস্ত্ৰ, কিন্তু ইয়াত গভীৰ জ্ঞান কৰিবৰ প্ৰবৃত্তি নহয়। গতিকে বুজা গৈছে, যে পূৰ্ব্ব পূৰ্ব্ব জন্মত যত্ন কৰি কিছু কিছু জ্ঞান বৰ্দ্ধিত কৰিব পাৰিলেহে, পৰস্পৰ জন্মত অধিকতৰ বা অধিকতম জ্ঞানী হ'ব পাৰি।

দেৱ! নাস্তিক দৰ্শন কেইখনমান আছে বুলি শুনা যায়। সেইসকলৰ কথা সংক্ষেপভাৱে শুনিবৰ ইচ্ছা।

গুৰু- যি বিলাকে বেদ আৰু পৰলোক নামানে, সেইসকলক নাস্তিক বোলে। এই নাস্তিকবাদী হৈছে, চাৰ্ব্বাক, বৌদ্ধ চাৰি শ্ৰেণীৰ আৰু জৈন দুইবিধ।

(১) চাৰ্ব্বাক মতক লোকায়ত মতো বোলে, অৰ্থাৎ লোকসকলে স্বাভাৱিকতে এই মতখিনি বুজি পায়। গতিকে এই মতক লোকায়ত বোলে। এই চাৰ্ব্বাক মতে প্ৰত্যক্ষ ভিন্ন প্ৰমাণ নাই। তেওঁলোকৰ মোট কথা-

যাৱজ্জীৱেৎ সুখং জীৱেৎ ঋণং কৃত্বা ঘৃতংপিবেৎ।
ভস্মী ভূতস্য দেহস্য পুনৰাগমনং কুতঃ।।
কিন্বাদিভ্যঃ সুৰাঙ্গেভ্যো দ্ৰৱেভ্যো মদশক্তিৱৎ।
চতুৰ্ভ্যঃ খলুভূতেভ্যো চৈতন্য মুপজায়তে।।
অহং স্থূলঃ কৃশোঽস্মীতি সামানাধিকৰণ্যতঃ।
দেহে স্থৌল্যাদি যোগাচ্চ স এৱাত্মা ন চাপৰঃ।।

অঙ্গনা লিঙ্গনং স্বগের্চা দুঃখং নৰকমুচ্যতে।
বলবানীশ্বৰো জ্ঞেয়ো মোক্ষো দেহস্য সংক্ষয়ঃ।।

অৰ্থ- যিমান দিন জীৱিত থাকা যায় সিমান দিন সুখে থাকিবৰ চেষ্টা কৰিব। অন্য কি ধাৰ কৰি হ'লেও ঘৃত খাব। শৰীৰ ভস্মীভূত হ'লে পুনঃ আগমন নাই। অৰ্থাৎ জন্মান্তৰ নাই গতিকে পৰৰ টকা গ'ল আমাৰ কি হানি?

যেনেকৈ মদৰ অঙ্গবিলাকত মাদকতা নাই। কিন্তু মিলিত হ'লে তাত মাদকতা জন্মে, সেইদৰে এই চাৰিভূত (ক্ষিতি- অপ্ তেজ - মৰুত) লগ লাগিলে শৰীৰত চৈতন্য জন্মে।

মই স্থূল আৰু মই কৃশ এই শৰীৰত স্থূলতা বুদ্ধি হয় বুলি, সামানাধিকাৰ্য্য আছে বুলি সেই শৰীৰেই আত্মা, অপৰ আত্মা নাই।

এই মতে অঙ্গনালিঙ্গন প্ৰভৃতি সুখসকল স্বৰ্গ। কণ্টকাদি বেধন জন্ম দুঃখেই নৰক। যিজন বলবান অৰ্থাৎ ৰাজা ঈশ্বৰ। দেহ ধ্বংসই মুক্তি। ইত্যাদিভাৱে আপাততঃ লোকৰ আয়তত যিমান স্বভাৱতঃ, আৰু প্ৰত্যক্ষতঃ অনুভৱ হয় সেইসকল চাৰ্বাকৰ মত।

(২) বৌদ্ধ - বৌদ্ধ মতে প্ৰত্যক্ষ আৰু অনুমান দুই প্ৰমাণ স্বীকাৰ কৰে। বেদ, পৰলোক প্ৰভৃতি স্বীকাৰ নকৰে। বৌদ্ধসকলে চাৰ্ব্বাকক কয় যে তুমি বিদেশক গ'লে তোমাৰ স্ত্ৰী বৈধব্য গ্ৰহণ নকৰে কিয়? দ্বিতীয়তঃ তোমাৰ পিতা কোন? মাতা কোন? এইসকল প্ৰত্যক্ষেতৰ প্ৰমাণৰ দ্বাৰা স্বীকাৰ নকৰিলে, অন্য উপায় কি আছে? গতিকে প্ৰত্যক্ষ ভিন্ন প্ৰমাণ স্বীকাৰ কৰা উচিত। বিশেষ কথা বুদ্ধদেৱ পৰমেশ্বৰৰ অৱতাৰ। এওঁ বেদ আৰু পাৰলৌকিক কৰ্ম উচ্ছেদ কৰি এই মত প্ৰচাৰিলে কিয়? এই প্ৰশ্নৰ বাবে শাস্ত্ৰকাৰ সকলে কয় যে, বুদ্ধদেৱে জন্মগ্ৰহণ কৰি শাস্ত্ৰাদি অধ্যয়ন কৰি বিশেষজ্ঞান লাভ কৰিলে, শিষ্যাদিক শিক্ষা দিবলৈ আৰম্ভ কৰিলে। হঠাৎ তেওঁ বোধৰূপ (জ্ঞানময় ৰূপ) ধাৰণ কৰি সমস্ত নিত্য নৈমিত্তিক কৰ্ম্ম ত্যাগ কৰি, অশ্বত্থ বৃক্ষৰ তলত বহিলে। শিষ্যসকলে বহু কথা সুধিলেও নকয়। কেৱল চাৰিটা সূত্ৰ ক'লে।

(১) **সৰ্ব্বং শূন্যং শূন্যম্।**
(২) **সৰ্ব্বং ক্ষণিকং ক্ষণিকম্।**
(৩) **সৰ্ব্বং স্বলক্ষণং স্বলক্ষণম্**
(৪) **সৰ্ব্বং দুঃখং দুঃখম্।**

এই চাৰি সূত্ৰৰ চাৰিজন শিষ্যে ব্যাখ্যা কৰি, চাৰি ৰকমৰ মত প্ৰচাৰ কৰিলে। যেনে-

(১) মাধ্যমিক শিষ্যে - সৰ্ব্ব শূন্য বাদ।

(২) যোগাচাৰ শিষ্যে - বাহ্য শূন্যবাদ।

(৩) সৌত্ৰান্তিক শিষ্যে - বাহ্যাৰ্থানুমেয়বাদ।

(৪) বৈভাষিক শিষ্যে - বাহ্যাৰ্থ প্ৰত্যক্ষবাদ।

সূত্ৰৰ সৰ্ব্ব শব্দৰ অৰ্থ নানা কৌশলত ব্যাখ্যা কৰি উক্ত চাৰি মত প্ৰচাৰ কৰিলে। প্ৰকৃত হিচাবে বুদ্ধদেৱৰ মুখেৰে বেদাদিৰ অস্তিত্ব নাই এই কথা ওলোৱা নাই। উক্ত সৰ্বশূন্য পদৰপৰা শিষ্যসকলে বাহিৰ কৰিলে আৰু কালক্ৰমে এই মত বহু স্থানত প্ৰচাৰ কৰিলে। কিন্তু বুদ্ধৰ শিষ্যসকলকো বুদ্ধ বুলি ব্যৱহাৰ কৰে। প্ৰকৃত অৱতাৰীভূত বুদ্ধদেৱে মত প্ৰচাৰ কৰা নাই। অৱশ্যে এই কালত এই ভাৱৰ মত প্ৰচাৰ হ'ব লাগে বুলিয়ে সেই শিষ্যসকলে ঐশ্বৰিক শক্তি পাই এই মত বহু স্থানত প্ৰচাৰ কৰিলে।

ইয়াতে এটা অতিৰিক্ত কথা ক'বলগীয়া হৈছে যে আধুনিক লোকসকলে শুদ্ধোদনৰ আৰু মায়া দেৱীৰ পুত্ৰক বুদ্ধ বুলি কয়। এওঁ প্ৰকৃত বুদ্ধ নহয়। শ্ৰীমদ্ভাগৱতত লিখা আছে।

"বুদ্ধো নামাঞ্জনসূতঃ কীকটেষু ভবিষ্যতি।"

স্বামিব্যাখ্যা- কীকটেষু গয়া প্ৰদেশেষু। অঞ্জনপুত্ৰ।

অমৰকোষ কাৰক 'অমৰসিংহ" বৌদ্ধধৰ্ম্মী আছিল। এওঁৰ লিখা হিচাবেও শুদ্ধোদনৰ পুত্ৰক বুদ্ধৰ পৰ্য্যায়ত নিদি, পৃথক পৰ্য্যায়ত দিছে।

সকলোশ্ৰেণীৰ বুদ্ধৰ মতে কোনো স্থায়ী বস্তু নাই। সকল পদাৰ্থ এক ক্ষণস্থায়ী। ক্ষণে ক্ষণে উৎপন্ন আৰু ক্ষণে ক্ষণে ধ্বংস বিশিষ্ট। ক্ষণিক জ্ঞানৰ স্বৰূপ আত্মা। শূন্যৰ পৰা জগৎ উৎপন্ন, শূন্যত লীন হ'ব পাৰিলে মুক্তি। বিবাহাদি সংসাৰ ত্যাগ নকৰিলে মুক্তি নহয়। সৰ্বকেশ মুণ্ডন, ৰক্তবস্ত্ৰ ধাৰণ, আৰু মুক্তকচ্চ (লেঙুটিশূন্য) হোৱাও মুক্তিৰ অংগ।

বৎসগণ! ইয়াতে সৰ্ব্বশব্দৰ কথা অলপ কোৱা হওক। অৱসৰ মতে প্ৰয়োজন হ'লে পিচত বিশেষভাৱে কোৱা হ'ব। উদ্দেশ্য আৰু বিধেয় নোহোৱাকৈ কোনো স্থানত সৰ্ব্ব শব্দৰ অন্বয় হ'ব নোৱাৰে। সৰ্ব্ব শব্দৰ অৰ্থ সকল বা সমস্ত। এজন মানুহে এজনক ক'লে, তুমি সকল কাজ এৰা কেৱল খেতি কৰা। এই উপদেশ

দিয়া মানুহজনে, সেই মানুহজনক, ভাতখোৱা কাজ, নিদ্রাকাজ, কাপোৰ পিন্ধা কাজ, প্ৰভৃতি এৰিব কোৱা নাই। এইটো ব্যৱসায় প্ৰকল্পৰ কথা। গতিকে "সকল কাজ" শব্দৰ অৰ্থ খেতি ভিন্ন ব্যৱসায়ক কৈছে।

এক গৃহস্থৰ ঘৰত চাৰিজন অতিথি উপস্থিত। গৃহস্থে ক'লে যে আপোনালোকৰ কিবা নোখোৱা বস্তু আছেনে? অতিথিয়ে ক'লে, যে দেবদত্তে ৰঙালাউ নাখায়, যজ্ঞদত্তে মচুৰ দালি নাখায়, বিষ্ণুমিত্ৰে ৰহৰ দালি নাখায়, মই সকলোকে খাওঁ। ইয়াতে সকলো খাওঁ বোলাৰ অৰ্থ এনে নাভাবিবা যে জগতত যত বস্তু আছে সকলোকে খাওঁ এনে নহয়। অৰ্থাৎ খাদ্যৰ ভিতৰত আপোনাৰ ঘৰত যি পাক হয় সকলোকে খাম এই অৰ্থহে হ'ব। বৎসগণ। ন্যায় শাস্ত্ৰত এই সৰ্ব্ব শব্দৰ বিচাৰ পঢ়িব লাগিলে প্ৰায় ৬ মাহৰ পাঠ্য হয়।

"উদ্দেশ্যতাবচ্ছেদক ব্যাপক বিধেয় ব্যাপ্ত পৰ্য্যাপ্তিকত্বং সৰ্ব্বত্বম্" এই ন্যায় শাস্ত্ৰৰ সৰ্ব্ব শব্দৰ সিদ্ধান্ত লক্ষণ। ইয়াৰ অৰ্থ ইয়াত কোৱা অসম্ভব।

(৩) জৈন - জিন নামে এজন ব্যক্তিয়ে এই মত প্ৰচাৰ কৰে। বেদাদি অস্বীকাৰ সম্বন্ধে বুদ্ধৰ নিচিনা। কেৱল এওঁলোকে বুদ্ধ সকলক কয়, তুমি যিজনে সৰ্বশূন্য ক'লা, তুমি ক্ষণিক হ'লে আৰু তুমিও শূন্য হ'লে এই অনুভৱ কোনে কৰে? গতিকে অন্ততঃ কোনো এটা স্থায়ী বস্তু থাকিব লাগিব যি বস্তুই এই অনুভৱ কৰে আৰু ভাবি চোৱা যি ব্যক্তি ক্ষণস্থায়ী সেই ব্যক্তি কেনেকৈ অনুভৱ কৰে যি মই গত কালি অমুকৰ কথা শুনিছিলোঁ আজি তেওঁক দেখিলোঁ। যিজনে কাজ কৰিব, যদি সেইজনেই ক্ষণস্থায়ী, গতিকে সেই কাজৰ ফল অন্যে ভোগ কৰিব লাগিব। তেন্তে অন্যৰ ভোগৰ বাবে অন্যে যত্নৱান কিয় হ'ব? এইভাবে বুদ্ধসকলক দোষ দি নিজে মধ্যম পৰিমাণ বিশিষ্ট স্থায়ী আত্মা স্বীকাৰ কৰে।

জৈনমতে যি পৰ্য্যন্ত গ্ৰহ নক্ষত্ৰ দেখা যায় সেই পৰ্য্যন্ত স্থিত আকাশৰ নাম "লোকাকাশ" তদুপৰি স্থিত আকাশৰ নাম "অলোকাকাশ"। আত্মা বহু কালৰ মিথ্যা জ্ঞান আৰু হিংসাদি পাপ লিপ্ত হৈ, মৃত্তিকা লিপ্ত লাউৰ (অলাবুৰ) নিচিনা তলৰ পিনে আহিছে। যেনেকৈ মৃত্তিকালিপ্য লাউ পানীত পেলাই দিলে তললৈ যায় আৰু লাহে লাহে সেই মাটি অলপ অলপকৈ এৰি গ'লে পানীৰ ওপৰত ভাঁহি উঠে। তেনেকৈ বহু জন্মৰ মিথ্যা জ্ঞানজন্য বাসনা আৰু হিংসাদিৰ দ্বাৰা লিপ্ত হৈ আমাৰ আত্মা লোকাকাশৰ বহু তললৈ আহিছে। সন্যাস গ্ৰহণ কৰি আৰু স্ত্ৰীলোকৰ মুখ প্ৰদৰ্শন নকৰি হিংসা ৰাহিত্যাদি গুণ সঞ্চয় কৰি, সেই আত্মাৰ

লেপ ক্ষয় কৰিব পাৰিলে, আত্মা আলোকাকাশ প্ৰাপ্ত হৈ মুক্ত হয়। মৃত্তিকা লিপ্ত লাউ যেনেকৈ সদায় পানীৰ ওপৰলৈ যাব খোজে, আত্মাও তেনেকৈ সদায় আলোকাকাশক যাবৰ ইচ্ছুক। এই ভাবৰ জৈন মত। এই জৈন দুই বিধ। শ্বেতাম্বৰ আৰু দিগম্বৰ, সকলোৱে মুণ্ডী, স্ত্ৰীৰ মুখ দেখিব বুলি সদায় ময়ূৰৰ পুচ্ছৰ ব্যজন এখন, মুখত একফলীয়াকৈ ব্যৱধান ৰাখে। আৰু এটা চামৰ হাতত ৰাখে। কোনো প্ৰাণী নষ্ট হ'ব বুলি, সেই চামৰেৰে পৰিষ্কাৰ কৰি সেই স্থানত উপবেশন কৰে। শ্বেতাম্বৰ সকলেও নেঙুটি শূন্য ধবল বস্ত্ৰ পৰিধান কৰে। দিগম্বৰ সকল লাঙুটা। যদি প্ৰকৃত লাঙুটা হোৱাই শাস্ত্ৰৰ মত, তথাপি লৌকিক ব্যৱহাৰ হিচাবে মাত্ৰ কাপোৰ গ্ৰহণ কৰে। আৰু ইহঁত পাণিপাত্ৰ অৰ্থাৎ ভিক্ষা ল'লেও হাতত লয়, খাবৰ সময়ত এক হস্তত খাদ্য গ্ৰহণ কৰি অপৰ হস্তেৰে খায়।

অৱশ্যে বৌদ্ধ আৰু জৈন সন্যাসীসকলৰ আৰু তৎতৎ ধৰ্ম্মাবলম্বীসকলৰ নানা ব্যৱহাৰ বৰ্ত্তমান কালত অদল বদল হৈছে। সেইটো স্বতন্ত্ৰ। শাস্ত্ৰ অনুসাৰে অলপ কোৱা হ'ল।

৩৯। শিষ্য- দেৱ! নব্য ন্যায় বুলি এটা পৃথক ভাবৰ ন্যায়ৰ কথা শুনা যায়। এই নব্য ন্যায় কি ৰূপ? জানিবৰ ইচ্ছা।

গুৰু- বৎসগণ! ন্যায় দৰ্শনৰ চাৰি পদ বিশিষ্ট এটা সূত্ৰৰ ব্যাখ্যা গ্ৰন্থ 'নব্যন্যায়'। এই গ্ৰন্থ মৈথিল "গঙ্গেশোপাধ্যায়" নামক পণ্ডিত তৈয়াৰী। "প্ৰত্যক্ষাণুমানোপমান শব্দঃ প্ৰমাণানি" এই সূত্ৰৰ "প্ৰত্যক্ষ" শব্দ লক্ষণ নিৰূপণ কৰোতে দ্বিতীয় গ্ৰন্থ। "উপমান" শব্দৰ অৰ্থ লক্ষণ নিৰূপণ কৰোতে তৃতীয় গ্ৰন্থ। "শব্দ" শব্দৰ অৰ্থ লক্ষণ নিৰূপণ কৰোতে চতুৰ্থ গ্ৰন্থ। এই চাৰি গ্ৰন্থ নব্য ন্যায়ৰ মূল। এই চাৰি খণ্ডৰ টীকাকাৰক বঙ্গীয় মথুৰা নাথ। অনুমান খণ্ডৰ টীকাকাৰক বঙ্গীয় ৰঘুনাথ। এই অনুমান খণ্ড মূল আৰু ৰঘুনাথৰ টীকাৰ টীকাকাৰক মৈথিল জগদীশ। অলপ অলপ ভাবৰ ভিন্নতা গ্ৰহণ কৰি সেই অনুমান খণ্ড মূলৰ আৰু ৰঘুনাথৰ টীকাৰ টীকাকাৰক বঙ্গীয় গদাধৰ ভট্টাচাৰ্য্য। উক্ত গঙ্গেশোপোধ্যায়ে তৈয়াৰী নব্য ন্যায়ৰ টীকা মৈথিল প্ৰভৃতি বহু পণ্ডিতে তৈয়াৰ কৰিছে। কিন্তু উক্ত চাৰিজনৰ টীকাৰ তুল্য হ'ব নোৱাৰা বাবে সেই সকল টীকা পঠন পাঠন ৰহিত হৈ গৈছে। উক্ত চাৰি টীকা মূল গ্ৰন্থৰ নিচিনা সমগ্ৰ ভাৰতত পাঠ্য হিচাবে ব্যৱহৃত আৰু নব্য ন্যায় হিচাবে গদাধৰ ভট্টাচাৰ্য্যকৃত বাদাৰ্থ, জগদীশ কৃত শব্দ শক্তি প্ৰকাশিকা প্ৰভৃতি গ্ৰন্থ আছে। এই সকলক শব্দখণ্ড হিচাবে ব্যৱহাৰ কৰে।

নব্যন্যায়ৰ অনুমান খণ্ডৰ যি টীকা মথুৰানাথ, ৰঘুনাথ, জগদীশ, আৰু গদাধৰ ভট্টাচাৰ্য্যই নিৰ্মাণ কৰিছে। ই অতি চমৎকাৰ বস্তু। কিভাবে এই গ্ৰন্থ তৈয়াৰ কৰিছে "এই কথা এই গ্ৰন্থ অধ্যয়ন কৰা ব্যক্তি ভিন্ন অন্যে বুজিবও নোৱাৰিব আৰু বুজাবও নোৱাৰিব। এই গ্ৰন্থত ইমান সূক্ষ্মাতিসূক্ষ্ম বিচাৰ আছে যে ক্ৰমিক অধ্যয়ন কাৰী ভিন্ন লোকৰ বোধবস্তু তাত নাই। অথচ তাত এই ৰূপ পদাৰ্থৰ বিচাৰ হৈছে যে সেই গ্ৰন্থ অধ্যয়নকাৰী ব্যক্তিয়ে ইচ্ছা কৰিলে, (অৰ্থাৎ সামান্যভাবে চালে) সংস্কৃতৰ যাৱতীয় দৰ্শন, স্মৃতি, ব্যাকৰণ, প্ৰভৃতি শাস্ত্ৰ আছে। সেইসকল শাস্ত্ৰ বিনা অধ্যয়নে ভাল দৰে পঢ়াব পাৰিব। আৰু বিশেষ কথা প্ৰাচীন ন্যায়, শব্দ খণ্ড ন্যায় অন্যান্য দৰ্শন, স্মৃতি, পুৰাণ, ব্যাকৰণাদি সমগ্ৰ অধ্যয়নকাৰী ব্যক্তিয়ে উক্ত অনুমান খণ্ড নব্য ন্যায়ৰ কোনো এক পংক্তিৰ অৰ্থও কৰিব নোৱাৰিব। গ্ৰন্থৰ অৰ্থ দূৰৈৰ কথা। এইবাবে উক্ত অনুমান খণ্ডৰ টীকা কাৰক ৰঘুনাথে লিখিছে।

আকৰঃ সৰ্ব শাস্ত্ৰানামুপায়ঃ সৰ্ব্ব কৰ্ম্মনাম্।
আশ্ৰয়ঃ সৰ্ব্বধৰ্মানাং বিদ্যোদ্দেশে প্ৰকীৰ্ত্তিতঃ।।

অৰ্থ- এই বিদ্যাসকল শাস্ত্ৰৰ খনি, সকল কৰ্ম্মৰ উপায় আৰু সকল ধৰ্ম্মৰ আশ্ৰয় আছে বুলি কথিত হৈছে। বঙ্গাদি দেশত এই নব্য ন্যায়ৰ পণ্ডিতৰ বিশেষ সন্মান আজিও ভালদৰে আছে।

৪০। **শিষ্য**- দেৱ! উক্ত গঙ্গেশোপাধ্যায়ে ন্যায় দৰ্শনৰ চাৰি শব্দৰ চাৰিখন গ্ৰন্থ তৈয়াৰ কৰিলে। এই জ্ঞান তেওঁ কিভাবে পালে? শুনিবৰ ইচ্ছা।

গুৰু- বৎসগণ! মিথিলাৰ উক্ত গঙ্গেশোপাধ্যায়ৰ মাতুল প্ৰাচীন ন্যায়, মীমাংসাদি দৰ্শন শাস্ত্ৰৰ ডাঙৰ পণ্ডিত আছিল। এওঁৰ বিদ্যালয়ত বহু বিদ্যাৰ্থীয়ে পঢ়ে। সেই বিদ্যালয়ত উক্ত গঙ্গেঃশোপাধ্যায়ক পঢ়িব দিছিল। এই গঙ্গেশে একোই পঢ়িব নোৱাৰে কেৱল ছাত্ৰৰ কাজ-কৰ্ম্ম কৰে আৰু ব্যৱহাৰ প্ৰভৃতি শিক্ষা কৰিছিল। এক সময়ত শীতৰ দিনৰ ৰাতিত নিকটবৰ্ত্তী শ্মশানত অগ্নি জ্বলিছে। শ্মশানত লোক নাই। ছাত্ৰসকলৰ খোৱা হৈছে। এনে সময়ত ছাত্ৰৰ ভিতৰত এনে কথা হ'ল যে যিজনে এই শ্মশানৰ পৰা অগ্নি আনিব পাৰিব, তেওঁক পুৰস্কাৰ দিয়া হ'ব। তেতিয়া গঙ্গেশে সাহস কৰি অগ্নি আনিবলৈ গ'ল। ছাত্ৰসকল ভীত হৈ শুলে, যে কালি বা দেউই কি কয়? আৰু গঙ্গেশৰ বা কি গতি হয়। এই শ্মশানত নানা ভূত থাকে ইত্যাদি। গঙ্গেশ ঠাণ্ডাত গৈ কিছু ক্ষণ অগ্নিৰ তাপ ললে, তাৰ পিছত অগ্নি লৈ আহিব, এনেতে সদাশিৱ শ্মশান শোধনৰ বাবে

আহি দেখে, যে গঙ্গেশ অগ্নিৰ নিকটত বহি আছে। তেতিয়া সদাশিৱে ক'লে তুমি কোন? ইয়াত কিয় আছা? গঙ্গেশে ক'লে, মই গঙ্গেশ ছাত্ৰৰ আদেশ মতে অগ্নি নিবলৈ আহিছোঁ। আপুনি কোন? এই প্ৰশ্নত মহাদেৱে ক'বৰ বাধ্য হ'ল, আৰু সদাশিৱৰ দৰ্শনৰ বাবে গঙ্গেশৰো ভাগ্য আৰু জ্ঞান বাঢ়িবৰ আৰম্ভ হ'ল। মহাদেৱে ক'লে- মই মহাদেৱ। গঙ্গেশে ক'লে যদি আপুনি মহাদেৱ, তেন্তে মোক জ্ঞান দিয়ক। গঙ্গেশৰো পূৰ্ব্বজন্মত কোনো শুভদৃষ্ট আছিল। কিবা দোষবশতঃ মাজত বেয়া আছিল। এনেতে মহাদেৱে ক'লে যে তুমি যোৱা। ৰাতিৰ ভিতৰত যিমান পুস্তক উদঘাটন কৰিব (মেলিব) পাৰিবা, সিমান পুস্তক তোমাৰ কণ্ঠস্থ হ'ব, আৰু সেই সকলত বিশেষ জ্ঞান জন্মিব। এই আশীৰ্ব্বাদ লৈ গঙ্গেশ আহি দেখে ছাত্ৰ সমুদায় নিদ্ৰিত। পূৰ্বকালত হস্ত লিখিত পুস্তক। বিদ্যালয় ঘৰতে মাতুলৰ পুস্তক সমুদায় আছিল। সেই পুস্তক সমুদায় উদ্‌ঘাটন কৰা শেষ হ'ল। ৰাতিও প্ৰায় শেষ হ'ল। গঙ্গেশৰ বিপুল জ্ঞান উদয় হ'ল। গঙ্গেশে নানা ভাবনা কৰি কৰি পুস্তক সকল যথা স্থানত যথা সম্ভৱ থলে। অৰুণোদয়তে প্ৰাতঃ স্নান কৰি, সন্ধ্যাদি কাৰ্য্য সমাধা কৰি বিদ্যালয়ৰ এক প্ৰান্তত গভীৰভাৱে বহি নানা স্তৱ পাঠ কৰি, মনে মনে ভগৱান সদাশিৱৰ আৰাধনা কৰি আছে। ছাত্ৰসকল পুৱা উঠি দেখি বুজিছে, যে যদিও গঙ্গেশ শ্মশানক যোৱাৰ বাবে স্নান কৰিছে, কিন্তু নিশ্চয় ইয়াক ভূতে ধৰিছে, যিহেতু কথা বাৰ্ত্তা নকয়। ইত্যাদি ভাবি ছাত্ৰসকল যথা নিয়মে অধ্যয়ন কৰিব ধৰিলে। গঙ্গেশৰ মাতুল অধ্যাপক আছিল। অন্যদিনৰ নিচিনা প্ৰথম ন্যায়ৰ ছাত্ৰক পঢ়াবৰ আৰম্ভ কৰিলে। হঠাৎ তেওঁৰ কোনো এটা কথা ভুল হ'ল। গঙ্গেশে ক'লে এইটো এনে নহয়, এই ৰূপহে। তেতিয়া অধ্যাপকে নাভাবাকৈ গঙ্গেশক ক'লে যে- গৰুই কি কয়? তেতিয়া গঙ্গেশে ক'লে-

কিং গবি গোত্বং কিমগবি গোত্বং
যদি গবি গোত্বং ময়ি নহি তত্ত্বম্।
অগবি চ গোত্বং যদি ভৱ দিষ্টং
ভৱতি ভৱত্যপি সম্প্ৰতি তত্ত্বম্।।

অৰ্থ- এই যে আপুনি গৰু বুলিছে, এই গোত্ৰ ধৰ্ম্ম গৰুত আৰোপণ কৰিছে? অথবা অগৰুত গোত্ৰ আৰোপণ কৰিছে? যদি গৰুত গোত্ৰ হয়, তেন্তে মোত গোত্ৰ নাই, যদি অগৰুত (মনুষ্যত অৰ্থাৎ মোত) অজ্ঞত্ব ৰূপে গোত্ৰ আৰোপণ কৰিছে, তেন্তে সম্প্ৰতি সেই গোত্ৰ মোত নাই, আপোনাত আছে।

এই অপূৰ্ব্ব ন্যায় শাস্ত্ৰৰ বিচাৰ পূৰ্ণ শ্লোকময়ী বাণী শুনি মাতুল অবাক আৰু কাৰণ জিজ্ঞাস কৰাত সমুদায় বিৱৰণ ক'লে। মাতুল উঠি যাই গঙ্গেশক কোলাত তুলি ললে। আৰু আনন্দাশ্ৰুৰে শৰীৰ ভিজি গ'ল। এই ৰূপে জ্ঞান লাভ কৰি গঙ্গেশে নব্য ন্যায় ৰচনা কৰিলে।

৪১। শিষ্য- দেৱ! বহু কথা জানিব পাৰিলোঁ, এতিয়া অক্ষৰ সম্বন্ধে কিবা জানিব লগীয়া প্ৰয়োজনীয় বিষয় যদি আছে, তেন্তে জানিবৰ ইচ্ছা।

গুৰু- বৎসগণ! অক্ষৰ সম্বন্ধে জানিবলগীয়া বিষয় বহু আছে। শুনা, অক্ষৰ পঞ্চাশটা, অকাৰৰ পৰা ক্ষকাৰলৈ। অতিপূৰ্ব্ব কালত বেদাদি শাস্ত্ৰসকল শ্ৰৱণ কৰি মনত ৰাখিছিল। এই বাবে বেদৰ অপৰ নাম শ্ৰুতি হ'ল। পিচত যেতিয়া শাস্ত্ৰ সকল মনত ৰাখিবৰ অসমৰ্থ হ'ল, তেতিয়া বাল্মীকি আৰু ব্যাস প্ৰভৃতি মুনি সকলে যোগ লব্ধ মেৰুদণ্ডৰ মধ্যস্থ চক্ৰৰ পৰা অক্ষৰ সকল আবিষ্কাৰ কৰি, সেই অক্ষৰেৰে শাস্ত্ৰ সকল লিখিত কৰিলে।

শৰীৰৰ ভিতৰত যি মেৰুদণ্ড আছে (ৰাজহাড় আছে) তাৰ ভিতৰত সুসুম্না নামে এক নাড়ী আছে, সেই নাড়ীৰ ভিতৰত সপ্ত চক্ৰ (পদ্মাকাৰ চক্ৰ) আছে। সেই পদ্মৰ পত্ৰসকলত অক্ষৰৰ আকৃতি অঙ্কিত আছে। যোগাভ্যাসৰ দ্বাৰা এই সকল প্ৰত্যক্ষ হয়। এই কথা বিস্তাৰ জানিবৰ ইচ্ছা কৰিলে "ষট্চক্ৰ" নামক গ্ৰন্থ আৰু "পাতঞ্জল দৰ্শন" ভাল দৰে জনাৰ আৱশ্যক। এই সপ্ত চক্ৰত সপ্ত গ্ৰহৰ স্থান, হস্ত পাদাদিত ৰাহু, কেতুৰ স্থান ইত্যাদি কথা, মৎকৃত 'জ্যোতিশ্চিন্তামণি' গ্ৰন্থত সকাৰণ বুজোৱা আছে।

(১) গুহ্যৰ সমান স্থানত মেৰুদণ্ডৰ ভিতৰত "মূলাধাৰ" নামক চতুৰ্দ্দল বিশিষ্ট চক্ৰৰ চতুৰ্দ্দলত ৱ-শ-ষ-স এই চাৰি অক্ষৰ আছে।

(২) নিম্ন মূলৰ সমান স্থানত মেৰুদণ্ডৰ ভিতৰত "স্বাধিষ্ঠান" নামক ষড়দল বিশিষ্ট চক্ৰৰ ষট্ দলত ব-ভ-ম-য-ৰ-ল এই ছয় অক্ষৰ আছে।

(৩) নাভিমূলৰ সমান স্থানত মেৰুদণ্ডৰ ভিতৰত "মণিপুৰ" নামক দশ দল বিশিষ্ট চক্ৰৰ দশদলত ড-ঢ-ণ-ত-থ-দ-ধ-ন-প-ফ এই দশ অক্ষৰ আছে।

(৪) হৃদয়ৰ সমান স্থানত মেৰুদণ্ডৰ ভিতৰত "অনাহত" নামক দ্বাদশ দল বিশিষ্ট চক্ৰৰ দ্বাদশ দলত- ক-খ-গ-ঘ-ঙ-চ-ছ-জ-ঝ-ঞ-ট-ঠ এই দ্বাদশ অক্ষৰ আছে।

(৫) কণ্ঠৰ সমান স্থানত মেৰুদণ্ডৰ ভিতৰত "বিশুদ্ধ" নামক ষোড়শ দল

বিশিষ্ট চক্ৰৰ ষোড়শ দলত -অ-আ-ই-ঈ-উ-ঊ-ঋ-ৠ-ঌ-ৡ-এ-ঐ-ও-ঔ- অং-অঃ এই ষোড়শ অক্ষৰ আছে।

(৬) ভ্ৰূ মধ্যৰ সমান স্থানত মেৰুদণ্ডৰ ভিতৰত “আজ্ঞা” নামক দ্বিদল চক্ৰৰ দ্বিদলত হ-ক্ষ এই দুই অক্ষৰ আছে।

(৭) মস্তকৰ মেৰুদণ্ডৰ শেষ ভাগত 'সহস্ৰাৰ' নামক সহস্ৰ দল বিশিষ্ট চক্ৰৰ দলত পুনঃ উক্ত পঞ্চাশটা বৰ্ণমালা আছে। এই চক্ৰৰ পৰা উদ্ধৃত অক্ষৰৰ দ্বাৰা সমস্ত শাস্ত্ৰ লিখিত হৈছে। এই অক্ষৰৰ বিশেষত্ব এই যে এই অক্ষৰ যিভাৱে উচ্চাৰিত, যিভাৱে পৰিচিত সেইভাৱেই শাস্ত্ৰ পাঠ হয়। এই অক্ষৰৰ সংযুক্ত অক্ষৰ সকল অলপ অলপ লিখাৰ আকাৰ ভিন্ন, এই ভেদৰ সহিত অক্ষৰ সমুদায় এবাৰ পৰিচিত হ'লে অৰ্থবোধ হওক নহওক সমস্ত শাস্ত্ৰ পাঠ কৰিব পাৰি। পৃথিৱীত অন্যান্য য'ত ভাষাৰ অক্ষৰ আছে, সেই অক্ষৰৰ উচ্চাৰণ ভিন্ন, শব্দ পাঠৰ উচ্চাৰণ ভিন্ন, অৰ্থ ভিন্ন, অৰ্থভেদে অক্ষৰ ভিন্ন ইত্যাদি নানা দোষযুক্ত। কিছুমান ভাষাত বৰ্ণ মালা শিক্ষাত অক্ষৰ ক'ম হ'লেও পুনঃ অন্যান্য অক্ষৰ সংযুক্ত কৰি সেই সেই অক্ষৰ পূৰণ কৰিবৰ প্ৰয়োজন হয়। (যেনে- এস্, স, এস্, এইচ্ শ, টি, এইচ্ ঠ ইত্যাদি) অন্য ভাষাৰ বৰ্ণমালা পৰিচিত হ'লেও শব্দ পাঠ কৰিবৰ শক্তি নাথাকে, কাৰণ শব্দ পাঠৰ সময়ত পুনঃ ভিন্ন হয়।

হৃদয়াকাশত প্ৰাণ বায়ুৰ সম্বন্ধ হৈ সূক্ষ্ম ৰূপে অক্ষৰ সকল উৎপন্ন হয়, সেই অক্ষৰ আহি কণ্ঠাদি দেশত (স্থানত) বিভক্ত হৈ ভিন্ন ভিন্ন ৰূপে উচ্চাৰিত হৈ বৰ্ণ ভেদ হয়।

(১) কণ্ঠ্য বৰ্ণসকল কণ্ঠ দেশত ভেদ প্ৰাপ্ত হয় - অ-আ-ক-খ-গ-ঘ-ঙ-হ-বিসৰ্গ।

(২) তালব্য বৰ্ণসকল তালু পালে ভেদ প্ৰাপ্ত হয়- ই-ঈ-চ-ছ-জ-ঝ-ঞ-য়-শ।

(৩) মূৰ্দ্ধণ্য বৰ্ণসকল মূৰ্দ্ধ দেশ পালে (দন্তৰ উপৰিভাগ পালে) ভেদ প্ৰাপ্ত হয়- ঋ-ৠ-ট-ঠ-ড-ঢ-ণ-ৰ-ষ।

(৪) দন্ত্য বৰ্ণসকল দন্ত স্থান পালে ভেদ প্ৰাপ্ত হয়- ঌ-, ৡ-ত-থ-দ-ধ-ন-ল-স।

(৫) ওষ্ঠ্য বৰ্ণসকল ওষ্ঠ স্থান পালে ভেদ প্ৰাপ্ত হয়- উ-ঊ-প-ফ-ব-ভ-ম। এ-ঐ- কণ্ঠ্য তালব্য। ও, ঔ কণ্ঠ্য ও ওষ্ঠ্য।

ৱ দন্ত্য-ওষ্ঠ্য। অনুস্বাৰ যি বৰ্ণৰ লগত উচ্চাৰণ হ'ব, তৎ স্থানীয়, অনুনাসিক, আৰু পঞ্চম বৰ্ণ সকলো অনুনাসিক অভ্যন্তৰৰ পৰা আগমনৰ গতি অনুসাৰে প্ৰথম কণ্ঠ্য বৰ্ণ ইত্যাদি। এইভাৱে বৰ্গৰ বৰ্ণসকলৰ ক্ৰমিকতা বহুল বৰ্গ কৰা হয় :

১ম-২য়-৩য়-৪ৰ্থ-৫ম

ক-খ-গ-ঘ-ঙ- ক বৰ্গ (নাম)

চ-ছ-জ-ঝ-ঞ-চ বৰ্গ (নাম)

ট-ঠ-ড-ঢ-ণ-ট বৰ্গ (নাম)

ত-থ-দ-ধ-ন-ত বৰ্গ (নাম)

প-ফ-ব-ভ-ম-প বৰ্গ (নাম)

এই বৰ্গৰ বৰ্ণসকল প্ৰথম দ্বিতীয়াদি ক্ৰম কৰাৰ তাৎপৰ্য্য এই যে প্ৰথম দ্বিতীয় বৰ্ণ সংযুক্ত হ'লে, আৰু তৃতীয় চতুৰ্থ বৰ্ণ সংযুক্ত হ'লে, অৰ্থাৎ যি শব্দত এই ৰূপ সংযুক্ত বৰ্ণ থাকিব সেই শব্দ সকল কঠিন হয়। এই শব্দসফল "বীৰ ৰস" "বীভৎস ৰস" আৰু "ৰৌদ্ৰ ৰসত" আৰু অদ্ভুত ৰসত প্ৰযুক্ত হয় (অৰ্থাৎ সেই ৰসত দিব লাগে (যেনে- উদ্ধত, অদ্ভুত ইত্যাদি। আৰু যিকোনো বৰ্ণৰ ওপৰত), তলত অথবা ওপৰ তল দুয়ো ফালে -ৰ সংযুক্ত হ'লে, শব্দ কঠিন হয় অৰ্ক- ৰুদ্ৰ, আৰ্দ্ৰ ইত্যাদি। অন্যান্য সংযুক্ত বৰ্ণ যুক্ত শব্দও কঠিন হয় ইত্যাদি। কিন্তু পঞ্চম বৰ্ণ কোনো বৰ্ণৰ উৰ্দ্ধ সংযুক্ত হ'লে শব্দ মধুৰ হয়। যেনে- অঙ্গ, বঙ্গ, কলিঙ্গ, কুঞ্জ, মঞ্জু, বৰ্ত্তুল, নন্দ নন্দন ইত্যাদিভাৱে অক্ষৰসকলৰ ক্ৰমিকতাৰ প্ৰতি যুক্তি বহু আছে। শৃঙ্গাৰ, কৰুণ ৰসত মধুৰ শব্দ প্ৰয়োগ কৰিব লাগে। অ-আ এক স্থানত উচ্চাৰণ হ'লেও লঘু আদিত গুৰু পিছত ইত্যাদি। গতিকে বৰ্ণমালাৰ বৰ্গ বৰ্ণ সকলক যথাক্ৰমিক লিখিত আৰু স্বৰ বৰ্ণ সকল উচ্চাৰণত স্বাধীন বুলি ইহঁতক পৃথকভাৱে লিখিত হয়। আৰু জ্যোতিষ শাস্ত্ৰৰ গ্ৰহৰ আধিপত্য হিচাবেও বৰ্গসকল পৃথক লিখিত। যেনে-

(১) ৰবিৰ (অবৰ্গ- অকাৰাদি ষোড়শ স্বৰ)

(২) মঙ্গলৰ (কবৰ্গ)

(৩) শুক্ৰৰ (চবৰ্গ)

(৪) বুধৰ (টবৰ্গ)

(৫) বৃহস্পতিৰ (তবৰ্গ)

(৬) শনিৰ (পবৰ্গ)

(৭) চন্দ্ৰৰ (মকাৰাদি হকাৰান্ত) যবৰ্গ আৰু শবৰ্গ।

এই আধিপত্য কথাৰো প্ৰয়োজনৰ সহিত "জ্যোতিশ্চিন্তামণি" গ্ৰন্থত দিয়া আছে। এই বৰ্ণমালাৰ ক'ম বেছি হ'ব নোৱাৰে। আধুনিক কোনো কোনো ব্যক্তিৰ এই বৰ্ণমালাৰ ক'ম বেছি কৰাৰ ইচ্ছা আৰু নিজৰ ক্ষমতা প্ৰকাশ কৰা ইচ্ছা, পৰমেশ্বৰৰ কৃতকাৰ্য্যত হস্তাক্ষেপ কৰা ভিন্ন কিছু নহয়। ক্ষ বৰ্ণ ক্ + ষ মিলিত বৰ্ণ। এই সংযুক্ত বৰ্ণৰ তাৎপৰ্য্য শাস্ত্ৰকাৰগণে দিছে, যে কাদি বৰ্ণ সকল পৰস্পৰ সংযুক্ত হ'ব, স্বৰবৰ্ণৰ সংযোগ নাই এই সংকেতৰ বাবে বৰ্ণমালাত "ক্ষ" বৰ্ণ দিছে।

উক্ত মেৰু দণ্ডৰ মধ্য স্থিত চক্ৰ (পদ্ম) সকলৰ কথা তন্ত্ৰাদি শাস্ত্ৰত ইমান বৰ্ণনা আছে। আৰু এই অক্ষৰসকলৰ শক্তি, এই অক্ষৰসকলৰপৰা সেই সেই দেৱতাৰ বীজ মন্ত্ৰ তৈয়াৰৰ উপায়, বহু কথা আছে এইসকল কথা কৈ শেষ কৰা টান। মূলাধাৰ চক্ৰত ক্ষিতি তত্ত্ব, স্বাধিস্থান চক্ৰত জলতত্ত্ব, মনিপুৰ চক্ৰত তেজস্তত্ত্ব, অনাহত চক্ৰত বায়ুতত্ত্ব, বিশুদ্ধ চক্ৰত আকাশ তত্ত্ব, আজ্ঞাচক্ৰত সাকাৰ ব্ৰহ্ম, সহস্ৰাৰত নিৰাকাৰ ব্ৰহ্ম ইত্যাদি ৰূপে জ্ঞান হয়। মূলাধাৰস্থ কুণ্ডলিনী শক্তিক যথানিয়মে এক এক চক্ৰ অতিক্ৰম কৰি আনি সহস্ৰাৰ প্ৰাপ্তি কৰাব পাৰিলে জীৱ মুক্ত হয়। আৰু এক এক চক্ৰ অতি ক্ৰম কৰিব পাৰিলে এক এক তত্ত্ব জ্ঞান হয় ইত্যাদি বহু কথা।

অক্ষৰ সম্বন্ধে অপৰ এটা জানিবলগীয়া কথা শুনা — বাগ্দেৱী (সৰস্বতী) যিদেৱীক বিদ্যাৰ বাবে আমি উপাসনা কৰোঁ, সেই দেৱীও অৰ পৰা ক্ষলৈ ৫০টা বৰ্ণেৰে গ্ৰথিতা শব্দ ব্ৰহ্ম ৰূপা। পূজাদিত সেই দেৱী ৰূপে শৰীৰত ন্যাস কৰিহে সেই সেই অক্ষৰাত্মক মন্ত্ৰেৰে পূজাদি কৰিলে প্ৰকৃত কৰা হয়। ব্ৰাহ্মণসকল এই কাৰ্য্য পূজা সকলত কৰে। সেই দেৱীৰ ধ্যান —

পঞ্চশল্লিপিভি ৰ্বিভক্ত সুখদোঃ জন্মধ্যবক্ষস্থলাং,
ভাস্বন্মৌলি নিবদ্ধ চন্দ্ৰ সকলামাপীন তুঙ্গস্তনীম্।
মুদ্ৰা মক্ষগুণং সুধাঢ্যকনমং বিদ্যাঞ্চ হস্তাম্বুজৈঃ,
বিভ্ৰাণাং বিশদ প্ৰভাং ত্ৰিনয়ণাং বাগ্দেৱতা মাশ্ৰয়ে।।

অৰ্থ — ৫০ টা অক্ষৰেৰে যাৰ — মুখ, বাহু, বৰণ, মধ্যস্থল হৃদয় প্ৰভৃতি অঙ্গ বিভক্ত হৈছে সেই দীপ্তিশীল চন্দ্ৰকলা ধৰণকাৰিণী তুঙ্গ স্তন বুজা আৰু মূদ্ৰাৰ অক্ষমালা-অমৃতকলা আৰু শাস্ত্ৰ চাৰি হস্তেৰে ধাৰণ কাৰিণী শ্বেতবৰ্ণা, ত্ৰিনয়না বাগ্দেৱতাক (শব্দব্ৰহ্মৰূপা দেৱীক) আশ্ৰয় কৰোঁ।

৪২। শিষ্য — দেৱ! এই অক্ষৰৰ কথা শুনি আমি আশ্চৰ্য্যানিত হলোঁ। অক্ষৰ সকলৰ ভিতৰত যে এইৰূপ সূক্ষ্ম কথা আছে, ই সাধাৰণ লোকৰ অগোচৰীভূত বস্তু। যি হোক এই সম্বন্ধে যে অলপ-অলপ আভাস পালোঁ; ইয়াৰ দ্বাৰা নিজক কৃতাৰ্থ বুলি ভাবিছোঁ। যি হোক এতিয়া অঙ্কৰ যে নব সংখ্যা হ'ল, আৰু এটা শূন্য হ'ল ইয়াৰো কিবা তাৎপৰ্য্য থাকিলে জানিবৰ ইচ্ছা।

গুৰু — বৎসগণ! নব অক্ষৰ নবগ্ৰহ অধিপতি। আৰু এই ৯ অঙ্কক তোমালোকে পূৰণ কৰি চোৱা, সেই পূৰণ অঙ্কৰ সংখ্যাদ্বয়ক যোগ কৰি চোৱা ৯ মাত্ৰ অবশেষ থাকে বৰ্দ্ধিত নহয়। এই কাৰণে ৯ অধিক অঙ্ক শাস্ত্ৰকাৰগণে নিষ্প্ৰয়োজন দেখি ত্যাগ কৰিছে। ৯ x ২ = ১৮, ১ + ৮ = ৯। ৯ x ৩ = ২৭, ২ + ৭ = ৯। ইত্যাদি। শূন্যও নবসংখ্যা বৃদ্ধি কাৰক। অৰ্থাৎ যাৰ পিচত শূন্য থাকিব তাৰ নবগুণ বুজাব। আৰু তাৰ সহিত দশগুণ বুলি ব্যৱহাৰ কৰে, আৰু সেই মূল অঙ্কক বাদ দিলে দশগুণ বুলি ধৰিব পাৰি, কিন্তু প্ৰকৃত হিচাপে নবগুণৰ শক্তিহে শূন্যৰ। ৯ ৰ অধিক বৰ্দ্ধিত কৰিব পাৰা শক্তি অঙ্কৰ নাই।

এই নব সংখ্যক অঙ্কক সাম্য (সমতা) কৰি ধাৰণ, দৰ্শন স্পৰ্শন কৰিব পাৰিলে সেই সেই গ্ৰহদোষ জাত ৰোগ সকল বিনাশ হয়। ৩২ ঘৰ পূৰণ কৰি দিলে সুখ প্ৰসব আৰু বালৰোদন নিবৃত্তি হয়, তদ্ৰূপ অন্যান্য ৰোগৰো আৰোগ্য পন্থা শাস্ত্ৰত আছে। ইয়াৰ ভেদ আৰু কাৰণৰ সহিত উক্ত "জ্যোতিশ্চিন্তামণি" গ্ৰন্থত দিয়া আছে।

৪৩। শিষ্য — দেৱ! এতিয়া স্ত্ৰীশব্দৰ আৰু শ্ৰীযুক্ত শ্ৰীমান শব্দৰ কিবা তাৎপৰ্য্য থাকিলে জানিবৰ ইচ্ছা।

গুৰু — বৎসগণ : স্মৃতি শাস্ত্ৰত এটা বচন আছে।

দেবং গুৰুং গুৰুস্থানং ক্ষেত্ৰং ক্ষেত্ৰাধিদেৱতাম্।
সিদ্ধং সিদ্ধাধিকাৰঞ্চ শ্ৰীপূৰ্ব্বং সমুদীৰয়েৎ।।

অৰ্থ — দেৱতাৰ নামৰ আদিত, গুৰুৰ নামৰ আদিত, গুৰু স্থানৰ নামৰ আদিত, ধান্যাদি উৎপত্তি স্থানৰ আদিত, ক্ষেত্ৰাধি দেৱতাৰ নামৰ আদিত, প্ৰসিদ্ধ বস্তুৰ নামৰ আদিত, সিদ্ধাধিকাৰ (সিদ্ধঃ অধিকাৰো যস্য এই বাক্যৰ দ্বাৰা আৰু শুচিঃ তৎকালজীৱী কৰ্ম্ম কুৰ্য্যাৎ এই বিধি বাক্য দ্বাৰা) যি ব্যক্তিৰ কৰ্ম্মাধিকাৰ সিদ্ধ আছে, অৰ্থাৎ জীৱিত ব্যক্তিৰ নামৰ আদিত শ্ৰী শব্দ প্ৰয়োগ কৰিব। মৃত ব্যক্তিৰ নামৰ আদিত শ্ৰী শব্দ নাই, নিদিব। শ্ৰীশব্দৰ লগত নামবাচক শব্দৰ সমাস

হ'লে যুক্ত বা মান্ এই পদ প্ৰায় লোপ হয়। অন্যৰ উদ্দেশ্যে লিখিত নামত উক্ত পদ দ্বয় দিয়া হয়। যুক্ত আৰু মান্ শব্দৰ অৰ্থ এক হ'লেও কালভেদ আছে। প্ৰথমটো অতীত কাল বাচক, দ্বিতীয়টো বৰ্ত্তমান কালবাচক। গতিকে শ্ৰেষ্ঠ ব্যক্তিৰ নামৰ পূৰ্ব্বত শ্ৰীযুক্ত, অৰ্থাৎ সিদ্ধ ঐশ্বৰ্য্যাদি শোভা সম্পন্ন। কনিষ্ঠ ব্যক্তিৰ নামৰ পূৰ্ব্বত শ্ৰীমান্, অৰ্থাৎ বৰ্ত্তমান্ তুমি ঐশ্বৰ্য্যাদি শোভা সম্পন্ন হ'ব ধৰিছা, আৰু বহুকাল আছে, এই তাৎপৰ্য্য।

৪৪। শিষ্য — দেৱ। পুৰাণাদি শাস্ত্ৰত ব্ৰহ্মাণ্ডৰ কথা, চতুৰ্দ্দশভুৱনৰ কথা, মন্বন্তৰৰ কথা, আৰু ইন্দ্ৰাদিৰ কথাও বহু পোৱা যায়। কিন্তু এই সকলৰ তাৎপৰ্য্য একোকে নাপাওঁ। এই সম্বন্ধেও বিশেষ জানিবলগীয়া থাকিলে, শুনিবৰ ইচ্ছা কৰোঁ।

গুৰু — বৎসগণ। এই গ্ৰহ নক্ষত্ৰ, আৰু তৰা সমূহৰ সৈতে যি গোলাকাৰ ভাবৰ এটা পদাৰ্থ দেখা যায় ইয়াৰ নাম "ব্ৰহ্মাণ্ড"। দৈনিক পৃথিবীৰ গতিৰ বাবে এই ব্ৰহ্মাণ্ডখন একাবৰ্ত্তন (অৰ্থাৎ একবাৰ ঘূৰা) দেখা যায়। উত্তৰপিনে কিছু উপৰিভাগত "ধ্ৰুৱ" নামে এটা তৰা আছে। এই তৰা, এই ব্ৰহ্মাণ্ডবৰ্ত্তনৰ কেন্দ্ৰ। এই ধ্ৰুৱই ঠিক উত্তৰ দিক্। এই ব্ৰহ্মাণ্ডাবৰ্ত্তন দেখিলেও ধ্ৰুৱৰ আৱৰ্তন নাই। অৰ্থাৎ ধ্ৰুৱ এক স্থানত থকা দেখা যায়।

এই বিষয় আধুনিক আকাশৰ মেপ দেখিলে স্পষ্টভাৱে বুজি পাবা। এই ভূগোলৰ (নক্ষত্ৰ গোলৰ) ধ্ৰুৱৰ পৰা দক্ষিণ কেন্দ্ৰলৈ চৌধ্যভাগ কৰিলে চতুৰ্দ্দশ ভুৱন হয়। যেনেকৈ অলপ দক্ষিণ হালা হিচাবে যি গ্ৰহ সকলৰ পূৰ্ব্বপিনে গতি কৰা ৰাস্তা আছে, এই ৰাস্তাৰ নাম ৰাশিচক্ৰ। এই ৰাশিচক্ৰক বাৰভাগ কৰি, বাৰ ৰাশি। আৰু তাৰে ২৭ ভাগ কৰি ২৭টা নক্ষত্ৰ ঠিক কৰিছে। সেই ৰূপ এই ব্ৰহ্মাণ্ডক ধ্ৰুৱক ওপৰ কৰি চতুৰ্দ্দশ ভাগ কৰিলে, চতুৰ্দ্দশ ভুৱন হয়। পৃথিবীৰ সমানৰ পৰা ধ্ৰুৱৰ পিনে ওপৰলৈ পৃথিবীৰ পৰা ভূঃ, ভুৱঃ, স্বঃ, মহঃ জনঃ, তপঃ, সত্য এই সপ্তভুৱন। তলৰ পিনে (ধ্ৰুৱৰ বিপৰীত দিকে) পৃথিবীৰ তলৰ পৰা অতল, বিতল, সুতল, তলাতল, মহাতল, ৰসাতল, পাতাল। এই সপ্তভুৱন। ধ্ৰুৱৰ নিকটত ধ্ৰুৱক পুচ্ছমূল কৰি, নক্ষত্ৰসমূহৰ শিশুমাৰ (শুহ) ৰূপ, মতান্তৰে গোধিকা ৰূপ এটা মণ্ডল আছে। এই শিশুমাৰৰ (গোধিকাৰ) নেত্ৰ হৈছে বিষ্ণুলোক (বৈকুণ্ঠ ধাম) এই ধ্ৰুৱৰ পৰা শিশুমাৰ পৰ্য্যন্ত সত্যভুৱনৰ অৰ্ন্তভুক্ত, তাৰ তলৰ পিনে, ব্ৰহ্মালোক, সপ্তৰ্ষিমণ্ডল প্ৰভৃতি তপো ভুৱনৰ অন্তৰ্ভুক্ত। ইত্যাদি।

এই ধ্ৰুৱ লোকত এই শ্বেতবৰাহ কল্পত উত্তানপাদৰ পুত্ৰ ধ্ৰুৱে আধিপত্য কৰিছে।

এই বিষ্ণুলোকত (বৈকুণ্ঠ ধামত) শঙ্খ, চক্র, গদা পদ্মধাৰী বিষ্ণুই অধিকাৰ কৰিছে। এওঁৰ দ্বাৰপাল জয় আৰু বিজয়; নিকটত সুনন্দ নন্দ, প্ৰবল আৰু অৰ্হন এই চাৰিজন পাৰিষদ, শ্ৰী (লক্ষ্মী) আৰু সৰস্বতী এওঁৰ শুশ্ৰূষাকাৰিণী। সাৰূপ্য আৰু সামীপ্য মুক্তিপ্ৰাপ্ত ভক্ত আৰু ভক্তাবৃন্দ এওঁৰ সভাৰ সভ্য। অন্যান্য ব্ৰহ্মাণ্ডৰ বিষ্ণুৰ অষ্টভুজাদিও আছে।

এই ৰূপ অসংখ্য কোটি ব্ৰহ্মাণ্ড আছে। সমস্ত ব্ৰহ্মাণ্ডৰ ওপৰত "গোলকধাম" নামে শ্ৰীকৃষ্ণ সংজ্ঞক ভগৱানৰ স্থান আছে। যি স্থানৰ পৰা দেখিলে, এই ব্ৰহ্মাণ্ডক সকল পক্ষীৰ ডিম্বৰ আকৃতি দেখা যায়। এই কথা ভাগৱতাদি পুৰাণত থাকিলেও গৰ্গ সংহিতাত ভালদৰে আছে। আমাৰ এই ব্ৰহ্মাণ্ডৰ কথা ভাগৱতাদিতো ভালদৰে আছে। পৃথিৱীৰ (ৰবিৰ) ৩৬০ অংশ আৱৰ্তনত যি আমাৰ বৎসৰ হয়। এই বৎসৰৰ ৪৩২০০০ পৰিমাণ হ'লে কলিযুগৰ মান হয়, ইয়াৰ দ্বিগুণ মান দ্বাপৰ যুগৰ, ইয়াৰ তিন গুণ মান ত্ৰেতাযুগৰ, ইয়াৰ চাৰিগুণ মান সত্য যুগৰ (অৰ্থাৎ কলিযুগৰ মানৰ পিচত এটা শূন্য অধিক দিলে অৰ্থাৎ ৪,৩২০,০০০ বৎসৰে চাৰি যুগৰ মান হয়। এই চাৰিযুগৰ সহস্ৰ হ'লে ব্ৰহ্মাৰ এক দিব্য হয় আৰু সিমান পৰিমাণ যুগে ৰাত্ৰি। শ্ৰীমদ্ ভগৱদ্‌গীতাতো আছে।

সহস্ৰ যুগ পৰ্য্যন্তমহৰ্যদ্ ব্ৰহ্মণো বিদুঃ।
ৰাত্ৰি যুগ সহস্ৰান্তাং তেহোৰাত্ৰ বিদো বিদুঃ।

এই ৰূপে ব্ৰহ্মাৰ দিবা সময়ত ভূঃ ভুবঃ স্বঃ এই ত্ৰিভুবনৰ সৃষ্টি হয়। আৰু ৰাত্ৰিত ত্ৰিভুবনৰ প্ৰলয় হয়।

একং দশ শতঞ্চৈব সহস্ৰমযুতন্তথা।
লক্ষঞ্চ নিযুতঞ্চৈব কৌটিৰৰ্ব্বুদমেবচ।।
বৃন্দং খৰ্ব্বো নিখৰ্বশ্চ শঙ্খ পদ্মৌ চ সাগৰঃ।
অন্ত্যং মধ্যং পৰাৰ্দ্ধঞ্চ দশ বৃদ্ধ্যা যথোত্তৰম্।।
স্থানাৎস্থানং দশগুণমেকস্মাদ্ গুণ্যতে দ্বিজ।
ততো হষ্টাদশমে ভাগে পৰাৰ্দ্ধ মভিধীয়তে।।
পৰাৰ্দ্ধদ্বিতয়ং যত্তু প্ৰাকৃত প্ৰণয়ো হি সঃ।
আয়ুৰ্মানং ব্ৰহ্মণোঽপি দ্বিপৰাৰ্দ্ধং প্ৰকীৰ্ত্তিতম্।।

অৰ্থ — একৰ পৰা দহগুণ বৃদ্ধি হিচাবে অঠৰ পৰ্য্যন্ত উক্ত নামসকল দি গণনা কৰিলে যি সংখ্যা পোৱা হ'ব সেই সংখ্যাৰ নাম পৰাৰ্দ্ধ। এই পৰাৰ্দ্ধসংখ্যক

বৎসৰৰ দ্বিগুণ হ'লে ব্ৰাহ্ম আয়ুস নিৰূপিত হয়। এই ব্ৰাহ্ম আয়ুস শেষ হ'লে প্ৰাকৃত প্ৰ লয় হয়। বাৰ্ত্তমানিক ব্ৰহ্মাৰ পূৰ্ব্ব-পৰাৰ্দ্ধ আয়ুস অতীত, দ্বিতীয় পৰাৰ্দ্ধৰ প্ৰথম দিন আৰম্ভ হৈছে। এই কথা শ্ৰীমদ্‌ভাগৱতত আছে।

(১) নিত্য প্ৰলয়, (২) নৈমিত্তিক প্ৰলয়, (৩) প্ৰাকৃত প্ৰলয়, (৪) আত্যন্তিক প্ৰলয়।

(১) নিত্য প্ৰলয় জীৱৰ সুসুপ্তি অৰ্থাৎ গাঢ় নিদ্ৰা।

(২) নৈমিত্তিক প্ৰলয়, পূৰ্ব্বোক্ত ব্ৰহ্মাৰ দিৱাবসানত (ৰাত্ৰিত) যি ত্ৰিভুৱন ধ্বংসৰূপ প্ৰলয় হয়, সেই।

(৩) প্ৰাকৃত প্ৰলয় পূৰ্ব্বোক্ত ব্ৰহ্মাৰ আয়ুষ সমাপ্তিত যি প্ৰকৃতিত লীন হৈ প্ৰলয় হয় সেই।

(৪) আত্যন্তিক প্ৰলয়, সাযুজ্য মুক্তি লাভ।

এই এক হাজাৰ যুগৰ পৰিমাণ কালৰ ভিতৰত অৰ্থাৎ ব্ৰহ্মাৰ এটা দিনৰ ভিতৰত চতুৰ্দশ মনু আৰু চতুৰ্দ্দশ ইন্দ্ৰই অধিকাৰ কৰে। প্ৰত্যেক মনু আৰু ইন্দ্ৰৰ ভাগত ৭১ যুগ পৰে। ইয়াৰ দ্বাৰা ৯৯৪ যুগ যায়। পৃথিবীৰ আৰম্ভ হৈ বা স্বৰ্গ আৰম্ভ হৈ মনুৰ অধিকাৰ আৰম্ভ হোৱাৰ বাবে আৰু ব্ৰহ্মাৰো নিদ্ৰাৰ পৰা উত্থিত হৈ প্ৰাতঃ স্নান সন্ধ্যাদি কৰি কৰ্ম্মাৰম্ভ কৰোতে ৩ যুগৰ পৰিমাণ কাল যায়। তদ্ৰূপ সায়ং কালতো এই সমস্ত পূৰ্ণ হোৱাত তিন যুগৰ কাল যায়। মিলিত এক হাজাৰ যুগ হয়। এই কল্পত (শ্বেতবাহ কল্পত) ব্ৰহ্মাৰ একান্নবৎসৰ আৰম্ভৰ প্ৰথম দিন বুজিবা। এই কল্পৰ বৰ্ত্তমানলৈ ছয় মনু অতীত হৈছে, সপ্তম মনুৰ এতিয়া ২৮ যুগ চলিছে।

	মনু	ইন্দ্ৰ
১।	স্বায়ম্ভুৱ	শক্ৰ
২।	স্বাৰবিষ	ৰোচন
৩।	উত্তমজ	সত্যজিৎ
৪।	তামস	ত্ৰিশিখ
৫।	ৰৈবত	বিভু
৬।	চাক্ষুষ	মন্ত্ৰদ্ৰুম
৭।	বৈবশ্বত	পুৰন্দৰ
৮।	সাবৰ্ণি	বলি

৯।	দক্ষসাবৰ্ণি	অদ্‌ভূত
১০।	ব্ৰহ্মসাবৰ্ণি	শম্ভু
১১।	ধৰ্ম্ম সাবৰ্ণি	বৈধৃত
১২।	ৰুদ্ৰ সাবৰ্ণি	ঋতধাম
১৩।	ৰৌচ্য (দেৱসাবৰ্ণি)	দিবস্পতি
১৪।	ভৌত্য (ইন্দ্ৰসাবৰ্ণি)	শুচিঃ

৪৫। **শিষ্য** — দেৱ! এতিয়া পুৰাণ আৰু মহাভাৰতাদি সম্বন্ধে কিছুমান সংক্ষিপ্ত কথা জানিবৰ ইচ্ছা।

গুৰু — বৎসগণ!

সগশ্চ প্ৰতিসৰ্গশ্চ বংশো মন্বন্তৰানি চ।
বংশানুচৰিতঞ্চৈৱ পুৰাণং পঞ্চলক্ষণম্।।

যি গ্ৰন্থত সৃষ্টিপ্ৰক্ৰিয়া, প্ৰলয়ান্তৰ সৃষ্টি প্ৰক্ৰিয়া, (মনু, মুনি, সূৰ্য্য; চন্দ্ৰাদিৰ) বংশৰ কথা, মন্বন্তৰৰ কথা, আৰু সেই বংশৰ চৰিত্ৰৰ কথা থাকে তাৰ নাম পুৰাণ। এই পুৰাণ মহাপুৰাণ নামে অষ্টাদশ। সেই বিলাকৰ সংক্ষিপ্ত ভাবৰ মনত ৰাখিব লগীয়া নাম।

মদ্বয়ং ভদ্বয়ঞ্চৈৱ ব্ৰত্ৰয়ং বচতুষ্টয়ম্।
অনাপকূস্কলিঙ্গানি পুৰাণানি বিদুৰ্বুধাঃ।।

অৰ্থ — পুৰাণ সকলৰ আদিম অক্ষৰ সংগ্ৰহ।

	পুৰাণ নাম	শ্লোক সংখ্যা	অঙ্ক
১।	ব্ৰাহ্ম পুৰাণ	দশসহস্ৰ শ্লোক	১০০০০
২।	পাদ্ম পুৰাণ	পঞ্চোনষষ্ঠি সহস্ৰ শ্লোক	৪৫০০০
৩।	বৈষ্ণৱ পুৰাণ	ত্ৰয়োবিংশ সহস্ৰ শ্লোক	২৩০০০
৪।	শৈৱ পুৰাণ	চতুৰ্ব্বিংশসহস্ৰ শ্লোক	২৪০০০
৫।	ভাগৱত পুৰাণ	অষ্টাদশ সহস্ৰ শ্লোক	১৮০০০
৬।	নাৰদ পুৰাণ	পঞ্চবিংশতি সহস্ৰ শ্লোক	২৫০০০
৭।	মাৰ্কণ্ডেয় পুৰাণ	নৱসহস্ৰ শ্লোক	৯০০০
৮।	বহ্নি পুৰাণ	দশপঞ্চসহস্ৰ চতুঃশত শ্লোক	১৫৪০০

৯।	ভবিষ্য পুৰাণ	চতুৰ্দ্দশ সহস্ৰ পঞ্চশত শ্লোক	১৪৫০০
১০।	ব্ৰহ্মাবৈবৰ্ত্ত পুৰাণ	অষ্টাদশ সহস্ৰ শ্লোক	১৮০০০
১১।	লৈঙ্গ পুৰাণ	একাদশ সহস্ৰ শ্লোক	১১০০০
১২।	বাৰাহ পুৰাণ	চতুৰ্ব্বিংশতি সহস্ৰ শ্লোক	২৪০০০
১৩।	স্কন্ধ পুৰাণ	একাশীতি সহস্ৰৈকশত শ্লোক	৮১১০০
১৪।	বামণ পুৰাণ	দশ সহস্ৰ শ্লোক	১০০০০
১৫।	কৌৰ্ম্ম পুৰাণ	সপ্তদশ সহস্ৰ শ্লোক	১৭০০০
১৬।	মাৎস পুৰাণ	চতুৰ্দ্দশ সহস্ৰ শ্লোক	১৪০০০
১৭।	গাৰুড় পুৰাণ	একোন বিংশ সহস্ৰ শ্লোক	১৯০০০
১৮।	ব্ৰহ্মাণ্ড পুৰাণ	দ্বাদশ সহস্ৰ শ্লোক	১২০০০

সমষ্টিতঃ চতুঃলক্ষ শ্লোক ৪০০০০০

মহাভাৰত (ইতিহাস) একলক্ষ শ্লোক ১০০০০০

শ্ৰীমদ্‌ভগবদ্‌গীতা এই মহাভাৰতৰ অন্তৰ্গত ভীষ্ম পৰ্ব্বৰ ওঠৰটা অধ্যায়। ই এখন স্বতন্ত্ৰ গ্ৰন্থ নহয়। মাত্ৰ অংশ বিশেষ। এই ৰূপ শ্ৰীশ্ৰীচণ্ডীও মাৰ্কণ্ডেয় পুৰাণান্তৰ্গত তেৰ (ত্ৰয়োদশ) অধ্যায়।

বৎসগণ! আৰু উপপুৰাণ বহু আছে। সেই বিলাকৰ বিশেষভাৱে নাম নকওঁ। বাল্মীকি ৰামায়ণ কাব্যশাস্ত্ৰ বুলি খ্যাত। তাত ৰামৰ চৰিত্ৰ আছে। উক্ত পুৰাণৰ লক্ষণ নোহোৱা বহু ইতিহাস, কাব্য আছে।

৪৬। শিষ্য — দেৱ! এতিয়া চতুৰ্দ্দশ বিদ্যা আৰু অষ্টাদশবিদ্যা এই সম্বন্ধে প্ৰয়োজনীয় বিষয় জানিবৰ ইচ্ছা।

গুৰু — বৎসগণ

অঙ্গানি বেদ চত্বাৰো মীমাংসা ন্যায় বিস্তৰঃ।
ধৰ্ম্মশাস্ত্ৰং পুৰাণঞ্চ বিদ্যাহ্যেতাশ্চতুৰ্দ্দশ।।
আয়ুৰ্ব্বেদো ধনুৰ্ব্বেদো গন্ধৰ্ব্বাশ্চতিত্তে ত্ৰয়ঃ।
অৰ্থশাস্ত্ৰং চতুৰ্থঞ্চ বিদ্যা হ্যষ্টাদশৈবতাঃ।।
শিক্ষা কল্পো ব্যাকৰণং নিৰুক্তশ্ছন্দসাং চয়ঃ।
জ্যোতিষাময়নাঞ্চৈতি বেদাঙ্গানি ষড়েব তু।।

(১) শিক্ষা (বেদৰ স্বৰ শিক্ষা আৰু অধ্যয়নৰ নিয়ম শিক্ষা)।

(২) কল্প (কল্প সূত্ৰ, অৰ্থাৎ বেদৰ কিছুমান নিয়ম সূত্ৰ)।
(৩) ব্যাকৰণ (প্ৰকৃতি প্ৰত্যয়ৰ দ্বাৰা শব্দ নিৰ্ম্মাণ গ্ৰন্থ)।
(৪) নিৰুক্ত (বৈদিক অভিধানাত্মক গ্ৰন্থ)।
(৫) ছন্দঃ (বৈদিক আৰু লৌকিক অক্ষৰ সংখ্যা আৰু লঘু-গুৰু নিয়ামক গ্ৰন্থ)।
(৬) জ্যোতিষ (কাল আৰু গ্ৰহৰ গতি নিৰুপক আৰু প্ৰাণীৰ অদৃষ্ট নিৰূপক গ্ৰন্থ)।
(৭) ঋগ্‌বেদ। (মন্ত্ৰবহুল বেদ)
(৮) যজুৰ্ব্বেদ (মন্ত্ৰ বহুল বেদ)
(৯) সামবেদ (স্বৰ আৰু গান বহুল বেদ)
(১০) অথৰ্ব্ববেদ (মাৰণ বশীকৰণাদি বিশিষ্ট বেদ)
(১১) মীমাংসা (ধৰ্ম্ম-শাস্ত্ৰাদিৰ বিষয় যুক্তিপূৰ্ণ দৰ্শন)
(১২) ন্যায় (বিচাৰ আৰু যুক্তি বিশিষ্ট শাস্ত্ৰ)
(১৩) ধৰ্ম্মশাস্ত্ৰ (মুনিপ্ৰণীত ধৰ্ম্ম-সংহিতা)
(১৪) পুৰাণ (পূৰ্ব্বোক্ত অষ্টাদশ মহা পুৰাণ)
এই চতুৰ্দ্দশ বিদ্যা।
(১৫) আয়ুৰ্ব্বেদ (চিকিৎসা শাস্ত্ৰ)
(১৬) ধনুৰ্ব্বেদ (যুদ্ধাদিৰ বিষয় শিক্ষাগ্ৰন্থ)
(১৭) গন্ধৰ্ব্ববেদ (গান-বাদ্য শিক্ষাৰ গ্ৰন্থ)
(১৮) অৰ্থশাস্ত্ৰ (ৰাজ্য শাসনৰ নিয়ম গ্ৰন্থ)

পূৰ্ব্বৰ লগত এই চাৰি বিদ্যাখিনি অষ্টাদশ বিদ্যা। এই শাস্ত্ৰ বিলাকত বহু বিষয় সন্নিবেশিত আছে। তাৰ সীমা কৰা টান। ইমান শাস্ত্ৰ আছে যে এক জীৱনত একবাৰ আবৃত্তি কৰাও টান।

৪৭। শিষ্য — দেৱ! দেৱ পূজা, পিত্ৰাদি শ্ৰাদ্ধ, হৰিনাম কীৰ্ত্তন আৰু হৰি নাম কীৰ্ত্তনৰ দ্বাৰা শ্ৰাদ্ধাদি কাৰ্য্য সিদ্ধি, এই সকল বিষয়ত আমাৰ জানিবলগীয়া বহু আছে আৰু বৰ্ত্তমান এইসকল বিষয়ত বহুত বাদ-প্ৰতিবাদ হৈ থাকে। এই সম্বন্ধে কিছু কথা শুনিবৰ ইচ্ছা।

গুৰু — বৎসগণ! এই বিলাক বিষয়ত বিৰুদ্ধ বাদ কৰা দোষৰ ভিতৰত, কিন্তু এই বিলাক বিষয়ত বিৰুদ্ধবাদ বহু স্থানত পোৱা হয়। তোমালোকে জিজ্ঞাসা কৰাৰ বাবে অলপ কোৱা হোক।

(১) দেৱপূজা, এইসকল কাৰ্য্য বৈদিক, অৰ্থাৎ বেদবিহিত। এই দেৱপূজা নিত্য, নৈমিত্তিক, কাৰ্য্য তিন শ্ৰেণীৰ আছে। নিত্য নৈমিত্তিক পূজা সকলোৰে কৰ্ত্তব্য, কিন্তু কাম্য কৰিবও পাৰে, নকৰিলেও দোষ গুণ একোকেই নহয়। যি কৰ্ম্ম নকৰিলে পাপ হয় তাক নিত্য কৰ্ম্ম বোলে। ইষ্ট দেৱতাৰ পূজা, জাতিৰ নিয়ম কৰ্ত্তব্য পূজা, নিত্য পূজা। নৈমিত্তিক পূজা — সংক্ৰান্তি, পুত্ৰজন্মাদি, নিমিত্ত বশতঃ অৱশ্য কৰ্ত্তব্য পূজা।

এই পূজাৰ তাৎপৰ্য্য এই যে পূজাৰ মুখ্য বস্তু ঈশ্বৰ তৃপ্তি। কিন্তু ঈশ্বৰ তৃপ্ত হ'ব লাগিলে, তেওঁৰ ভক্ত তৃপ্ত নহ'লে, তেওঁৰ তৃপ্তিক তৃপ্তি বোলা নহয়। পূৰ্ব্বত কোৱা আছে, সাৰ্ষ্টি মুক্তি প্ৰাপ্ত ভগবদ্ ভক্ত বহু আছে। যাৰ দ্বাৰা এই ব্ৰহ্মাণ্ডৰ কাৰ্য্য চালিত হৈছে। সেই ভক্তবৃন্দক পূজা কৰাও ভগবানৰ পূজা ভিন্ন অন্য নহয়। গতিকে বিধি বিহিত যি যি দেৱতাৰ পূজা আছে সেইসকল পৰমেশ্বৰৰে পূজা। ভগৱদ্ গীতাত বিভূতি অধ্যায়ত ইন্দ্ৰাদি ভক্তবৃন্দকো ভগৱানে মই বুলি কৈছে। তাৰ তাৎপৰ্য্য এই যে— সেই বস্তু, সেই কাল, সেই মন্ত্ৰমিলিত কৰি পূজা যি পৰমাত্মা বা যি দেৱতাৰ আত্মাৰ উদ্দেশ্যে অৰ্পণ কৰা হয়, তাৰ বেদ বিহিত ফল অৱশ্য লাভ হ'ব। পূৰ্ব্বত আত্ম তত্ত্ব নিৰূপণত এই কথা নানা ৰূপে কোৱা হৈছে।

(২) পিত্ৰাদি শ্ৰাদ্ধও তদ্ৰূপ। জনক জননীৰ শ্ৰাদ্ধ নিত্য। অন্য বন্ধু-বান্ধৱৰ শ্ৰাদ্ধ কাম্য। পুত্ৰ জন্ম বা বিবাহাদিত কৰ্ত্তব্য শ্ৰাদ্ধ নৈমিত্তিক। এই কাৰ্য্যৰ ফলো পূৰ্ব্বত কোৱা আছে।

(৩) হৰিনাম সম্বন্ধেও বহু জ্ঞাতব্য বিষয় আছে। এইসকল কথা জানিব লাগিলে ভট্টদেৱ কৃত-ভক্তি বিবেক' শাস্ত্ৰখন ভালদৰে জানিবৰ আৱশ্যক। ভক্তিৰ তত্ত্ব নাজানিলে এনেই কিছুমান যে তৰ্ক কৰা হয় সেইসকল ব্যৰ্থ বাক্য মাত্ৰ। গতিকে হৰিৰ নামৰ তত্ত্ব বা ভক্তিৰ তত্ত্ব ভালদৰে জনাৰ আৱশ্যক। ইয়াত অলপ নামাপৰাধ সম্বন্ধে কথা কোৱা হোক। 'সাত্বত তন্ত্ৰ'ৰ কথা 'ভক্তি বিবেক'ত লিখিত আছে। যে হৰিনামৰ দশাপৰাধ আছে।

মতাং নিন্দা শিৱে বিষ্ণৌ ভিদাচাৰ্য্যাৱমানিতা।
বেদ নিন্দা নাস্তিবাদঃ পাপেচ্ছা নাম সাহসাৎ।।
নাম্নাং ধৰ্ম্মৈঃ সাম্য বুদ্ধি দানং শ্ৰদ্ধা বিবৰ্জ্জিতে।
শ্ৰুত্বাপি শ্ৰদ্ধা ৰাহিত্যং কীৰ্ত্তনে চাপ্যহংমতিঃ।।

এতে নাম্নাং দ্বিজ শ্ৰেষ্ঠঃ হ্যপৰাধা ময়েৰিতাঃ।
বৰ্জনীয়া নৃভিৰ্যত্নাৎ যতো নৰক হেতবঃ।।

(১) **"সতাং নিন্দা"** সাধুসকলৰ নিন্দা, সাধুশব্দৰ অৰ্থ - যাৰ বাবে ভগৱান্নাম মাহাত্ম্য আৰু ভগবন্মাহাত্ম্য প্ৰখ্যাত হৈছে তেওঁ সাধু। অৰ্থাৎ ব্যাস বাল্মীকি প্ৰভৃতি ভগৱদাৰাধনাৰ উপদেশ দাতা সকল। এইসকলক কোনো বিষয়ত নিন্দা কৰিলে ভগৱানে্ সহ্য নকৰে গতিকে সেই নিন্দাক সকল নামাপৰাধী।

(২) **"শিৱে বিষ্ণৌ ভিদা"** শিৱত আৰু বিষ্ণুত ভেদ জ্ঞান কৰা। শিৱ পঞ্চানন, পাৰ্বতীপতি, জটা মণ্ডিত। বিষ্ণু চতুৰ্ভুজ, লক্ষ্মীপতি, পীত বস্ত্ৰধাৰী, এই ভেদ জ্ঞান সকলো ব্যক্তিৰ আছে। গতিকে সকলো ব্যক্তি, নামাপৰাধী হয়। কিন্তু ইয়াতে সেই শিৱ আৰু বিষ্ণু শব্দ সপ্তম্যন্ত দিছে, গতিকে বুজিব যে সেই পূৰ্ব্বোক্ত "একাত্মজ্ঞান" কৰিলে নামাপৰাধ ৰহিত হয়।

(৩) **"আচাৰ্য্যাবমানিতা"** গুৰুৰ অপমান বা অবজ্ঞা কৰা নামাপৰাধ। গুৰু হৈছে — পিতা, মাতা, শিক্ষা, দীক্ষা, দাতা, ব্ৰাহ্মণ। "বৰ্ণানাং ব্ৰাহ্মণোগুৰু" স্ত্ৰীৰ পক্ষে স্বামীও গুৰু।

(৪) **"বেদনিন্দা"** বেদ নিন্দা নামাপৰাধ। অৰ্থাৎ বেদ এখন শাস্ত্ৰ হ'লেও তাত যি সকল বিষয় নিহিত আছে বৈদিক কৰ্ম্মাদি, সেইসকলক অবজ্ঞা কৰা বা নিন্দা কৰা নামাপৰাধ।

(৫) **"নাম্নিবাদঃ"** অৰ্থবাদাদি ভগৱন্নামত কল্পনা কৰা, অৰ্থাৎ ভগৱনামৰ যি বিলাক মাহাত্ম্য লিখা আছে, সেইসকল মিছা ইত্যাদি কথা ক'লে বা ভাবিলে নামাপৰাধী হয়। যি ভগৱদাৰাধনা আৰু নামৰ শক্তিত প্ৰহ্লাদাদি ভক্তগণ অসীম ক্ষমতা প্ৰদৰ্শন কৰাইছে। সেই নামৰ শক্তি নাই, এনে নহয়, কিন্তু নামাপৰাধী ব্যক্তি শক্তি দেখুৱাব নোৱাৰে।

(৬) **"পাপেচ্ছা নাম সাহসাৎ"** নামৰ মাহাত্ম্যৰ সাহসতে পাপৰ ইচ্ছা কৰা, অৰ্থাৎ হৰিনামে পাপনাশ কৰিব, এই সাহসৰ বাবে পাপ কৰাৰ ইচ্ছা কৰা, নামাপৰাধ। পাপ কৰিলে অপৰাধৰ কথাই নাই।

(৭) **"নাম্নাং ধৰ্ম্মৈঃ সাম্য বুদ্ধিঃ"** ধৰ্ম্ম কাৰ্য্যসকলৰ সহিত হৰিনামৰ সাম্য (সমতা, তুল্যতা) জ্ঞান কৰা, নামাপৰাধ। অৰ্থাৎ — বৈদিক কৰ্ম্মসকল ধৰ্ম্ম কাৰ্য্য, সিও পৰমেশ্বৰৰে আজ্ঞা, হ'লেও তাৰ লগত হৰিৰ নামৰ তুলনা নকৰিব। অৰ্থাৎ কৰ্ম্মৰ প্ৰতিনিধি হৰিনাম হ'ব নোৱাৰে। বৈদিক কৰ্ম্ম স্বতন্ত্ৰ, হৰিনাম স্বতন্ত্ৰ।

কেৱল বৈদিক কৰ্ম্মৰ অঙ্গবৈগুণ্য দোষ নাশৰ বাবে, হৰিনাম কীৰ্ত্তনৰ বিধি আছে বুলি, বৈদিক কৰ্ম্মৰ আদি অন্তত হৰিনাম কীৰ্ত্তন কৰে।

(৮) **"দানং শ্ৰদ্ধা বিবৰ্জ্জিতে"** যি ব্যক্তিৰ শ্ৰদ্ধা নাই অৰ্থাৎ হৰি ভজনৰ ইচ্ছা নাই, সেই ব্যক্তিক হৰিনাম দান কৰা অৰ্থাৎ দীক্ষা বা শৰণ হিচাবে হৰিনাম জপৰ বাবে "নামদান" কৰা নামাপৰাধ। পূৰ্ব্বে ইচ্ছা প্ৰবৰ্ত্তন কৰাই পিচতহে নামদান কৰিব। নহ'লে দাতা অপৰাধী হয়।

(৯) **"শ্ৰুত্বাপি শ্ৰদ্ধা ৰাহিত্যম্"** হৰিনাম শুনিও তাত শ্ৰদ্ধা নাথাকিলে নামাপৰাধী হয়। অৰ্থাৎ হৰিনাম বা হৰিনামৰ কথাযুক্ত শাস্ত্ৰ শুনে। কিন্তু শ্ৰদ্ধা নাই। তাৎপৰ্য্য এই যে মানুহে নিন্দা কৰিব বুলিহে হৰিনাম বা হৰিনাম প্ৰতিপাদক শাস্ত্ৰ শুনে, কিন্তু শ্ৰদ্ধা নাই, সেই ব্যক্তি নামাপৰাধী।

(১০) **"কীৰ্ত্তনে চাপ্যহং মতিঃ"** হৰিনাম কীৰ্ত্তনত অহঙ্কাৰ বুদ্ধি কৰা নামাপৰাধ। এই অহঙ্কাৰ শব্দৰ অৰ্থ "গৰ্ব্ব" যদি হৰিনাম কীৰ্ত্তন বিষয়ত গৰ্ব্ব কৰে সেই ব্যক্তি নামাপৰাধী।

বৎসগণ! ভগৱান্ এই নামৰ দশ অপৰাধ কৈছে। যিহেতু এই দশাপৰাধ নৰকৰ প্ৰতি কাৰণ হয় গতিকে এই অপৰাধ ত্যাগ কৰিব। নামাপৰাধী ব্যক্তিৰ হৰিৰ নামৰ ফল নহয়। গতিকে হৰি নামৰ ফলেচ্ছু ব্যক্তি প্ৰথমতঃ নামাপৰাধ ৰহিত হ'বৰ চেষ্টা কৰিব।

হৰিৰ নামৰ দ্বাৰা শ্ৰাদ্ধ সিদ্ধ হ'ব নোৱাৰে। কাৰণ সেই ব্যক্তি নামাপৰাধী হ'ব। নামাপৰাধী ব্যক্তিৰ নৰক ভিন্ন গতি নাই। গতিকে সকলোৱে নিত্য নৈমিত্তিক বেদ বিহিত কৰ্ম্মসকল যথা সম্ভৱ কৰি, সাধু গুৰু প্ৰভৃতি দ্ৰোহা চৰণ নকৰি, যথাসম্ভৱ হৰিনাম জপ কৰিব পাৰিলে যথেষ্ট।

৪৮। **শিষ্য** — দশাৱতাৰ, দশমহাবিদ্যা, নৱগ্ৰহ, নৱ পত্ৰিকা, পঞ্চদেৱতা ইত্যাদি কিছুমান কথা পোৱা যায়, কিন্তু শাস্ত্ৰত এই উক্ত বিষয়সকলত বহু সংখ্যা পোৱা যায়, এই সংখ্যা কোৱাৰ তাৎপৰ্য্য জানিবৰ ইচ্ছা।

গুৰু — বৎসগণ! এই সকলৰ তাৎপৰ্য্য পৃথক্। শ্ৰীমদ্ ভাগৱতত বিশেষভাৱে উক্ত আছে যে চতুৰ্বিংশতি অৱতাৰ, তদুপৰি অসংখ্য অৱতাৰ বুলি বহুবাৰ কৈছে। দশমহা বিদ্যাও তদ্ৰূপ, পুৰাণতন্ত্ৰ প্ৰভৃতি শাস্ত্ৰত নানা কৈছে। নৱগ্ৰহও দৃষ্ট এই নৱগ্ৰহ। অদৃষ্টভাৱে বহু আছে। অৱশ্য ৰাহু গ্ৰহ এনেই দেখা নাপালেও গ্ৰহণৰ সময়ত দেখা যায়।

বিষ্ণুধৰ্ম্মোত্তৰত ৰাহুৰ প্ৰতি ভগৱদ্ বাক্য —

পৰ্ব্বকালে তু সংপ্ৰাপ্তে চন্দ্ৰাৰ্কৌ ছাদয়িষ্যামি।
ভূমি ছায়া গত শ্চন্দ্ৰং চন্দ্ৰসোদৃৰ্কং কদাচন।।

হে ৰাহুঃ! তুমি পূৰ্ণিমা পালে মাজে মাজে পৃথিৱীৰ ছায়াক অৱলম্বন কৰি চন্দ্ৰক আৰু অমাৱস্যা পালে চন্দ্ৰক অৱলম্বন কৰি সূৰ্য্যক আচ্ছাদন কৰিবা।

নৱপত্ৰিকা যে নৱ বিধ বনৌষধি; এই বনৌষধিও বহু আছে। পঞ্চদেৱতাও বহুদেৱতা।

বৎসগণ! নৱগ্ৰহে প্ৰাণীসকলৰ শুভাশুভ কৰ্ম্মফল সূচনা কৰে। সহিতে দশগ্ৰহ ফল সূচক। লগ্নক পৃথিৱীৰ স্থানীয় ধৰিবা। যি হোক এই নৱগ্ৰহ সূচিত শুভফল বৃদ্ধি আৰু অশুভ ফলৰ হ্ৰাসৰ বাবে উক্ত নৱসংখ্যক বা দশসংখ্যক দেৱতাৰ পূজাৰ ব্যৱস্থা কৰিছে। আৰু নৱগ্ৰহৰ সেই নৱবিধ ঔষধিক দেৱতা ৰূপে পূজা কৰিলে প্ৰাণীসকলে ঔষধৰ গুণ শীঘ্ৰে পায় ইত্যাদি বহু তাৎপৰ্য্য অন্তৰ্নিহিত আছে। এইসকলৰ তাৎপৰ্য্য মই 'জ্যোতিশ্চিন্তামণি' গ্ৰন্থত বহু দিছোঁ। তাত চাই ল'বা ইয়াত বিশেষ কোৱা নহ'ব।

৪৯। শিষ্য — দেৱ! আধুনিক কিছুমানে কয় যে দশাৱতাৰ কথা চিন্তা কৰিলে মৎসাদি ক্ৰমে জীৱৰ ক্ৰম বিকাশ হৈ, এই মনুষ্য পদ বাচ্য হৈছে। এই কথাৰ উত্তৰ অলপ জানিবৰ ইচ্ছা।

গুৰু — বৎসগণ! এইসকল পাগলৰ উক্তি, কোনো ঠাইত কোনো ব্যক্তি কি দেখিছে যে মাছৰ পৰিণাম হৈ কচ্ছপ, কচ্ছপৰ পৰিণাম বৰাহ ইত্যাদি। যদি বহু পূৰ্ব্বত আমি দেখা নোপোৱা সময়ত আছিল, তেন্তে মৎস কচ্ছপাদিৰ বিধান মৰি সকলোৱে মানুহ হ'ব লাগিছিল। আৰু পৰিণামৰ শেষ সীমা যে এই আকাৰৰ মানুহতে ৰ'ব তাৰ প্ৰমাণ কি? এই মানুহো পৰিণত হৈ কিম্ভুত কিমাকাৰ প্ৰাপ্ত হ'ব লাগিব ইত্যাদি ভাবিব পাৰা ব্যক্তি এই কথা নকয় ইত্যাদি।

৫০। শিষ্য — দেৱ! ফলিত জ্যোতিষৰ গণনা সত্য অথবা মিথ্যা এই বিষয় আমি একোৱেই স্থিৰ কৰিব নোৱাৰোঁ। গণিত জ্যোতিষৰ তিথি বাৰ নক্ষত্ৰাদিৰ গ্ৰহণ প্ৰভৃতিৰ কথা সঠিক। আৰু কোনো সন্দেহ নাই। ফলিত সম্বন্ধে সমস্ত কথা সন্দেহ পূৰ্ণ। এই সম্বন্ধে বিশেষভাবে অলপ জানিবৰ ইচ্ছা।

গুৰু — বৎসগণ! ত্ৰিকালজ্ঞ ঋষিসকল গ্ৰহসূচিত ফল জানিবৰ বাবে ফলিত জ্যোতিষ শাস্ত্ৰত যি সকল উপায় প্ৰদৰ্শন কৰিছে সেইসকলৰ তাৎপৰ্য্য

অতিআশ্চৰ্য্যজনক। জীৱসকল পূৰ্ব্ব-পূৰ্ব্ব জন্মৰ কৰ্ম্মফল অনুসাৰে আৰু ভগৱন্নিৰ্দ্দিষ্ট গ্ৰহ চক্ৰৰ গতি অনুসাৰে জন্ম গ্ৰহণ কৰে। আৰু সেই পূৰ্ব্ব জন্মাৰ্জ্জিত কৰ্ম্মফল আৰু ঐহিক কৰ্ম্মানুসাৰে ইহ জন্মত ফল ভোগ কৰে। এই ফল গ্ৰহ গতি, গ্ৰহৰ ভাব, জন্ম সময়, আৰু দশা অনুসাৰে জীৱ সকলে প্ৰাপ্ত হয়। ফলিত জ্যোতিষত কিছুমান এনে বচন আছে যে, তাৰ তাৎপৰ্য্য নুবুজি অৰ্থ কৰিলে সেই সেই ব্যক্তিৰ পক্ষে ভয়জনক অথবা অত্যানন্দজনক হয়। কিন্তু তাৎপৰ্য্য অন্যৰূপ। তাৎপৰ্য্য নুবুজা জ্যোতিষক বহুল হোৱাৰ বাবে এই শাস্ত্ৰৰ ওপৰত নানা ৰকমৰ অনাস্থা আহি পৰিছে। পূৰ্ব্বোক্ত মৎকৃত "জ্যোতিশ্চিন্তামণি" গ্ৰন্থত এই সম্বন্ধে মই বহু তাৎপৰ্য্য দিছোঁ। পাৰিলে তোমালোক সেই গ্ৰন্থত চাবা। ফলিত জ্যোতিষৰ ফল নিঃসন্দিগ্ধ।

৫১। **শিষ্য** — দেৱ। শাস্ত্ৰত পোৱা হয়, যে সমস্ত কাৰ্য্য ধৰ্ম্মমূলক আচাৰ, ব্যৱহাৰ, সংস্কাৰ, ধৰ্ম্মমূলক, অন্য কি হিংসাও ধৰ্ম্মমূলক অথচ কিছুমান কাৰ্য্য কৰিলে কোনো ক্ষতি নাই, কিন্তু সেইসকল নিষেধ কৰি অধৰ্ম্মমূলক বুলি কৈছে। এই সম্বন্ধে অলপ তাৎপৰ্য্য জানিবৰ ইচ্ছা।

গুৰু — বৎসগণ। পূৰ্ব্বত এই সম্বন্ধে বহু কথা কোৱা আছে। "ভগৱানৰ লীলা খেলা" (২১ নং প্ৰশ্ন) এই কথাত কোৱা হৈছে, যে জীৱসকল যি কোনো এটা কাৰ্য্য কৰোক, তাৰ সুফল হোক বা কুফল হোক কিবা এটা ভোগ কৰিব লাগিব। কায়িক, বাচিক বা মানসিক ভাল বেয়া যি কোনো কৰ্ম্মৰে ফল আছে। সেই ফল নিজে বা তাৰ কোনো সম্বন্ধী ব্যক্তি ভোগ কৰিব লাগিবই। এই কথা পূৰ্ব্বত কোৱা আছে। আৰু এটা কথাও কোৱা আছে, ভগৱানে জীৱসকল সৃষ্টি কৰি সেইসকলৰ বাবে পৃথক ভাবৰ খাদ্য তৈয়াৰ কৰিব নোৱাৰিলে। কাৰণ পৃথক খাদ্য তৈয়াৰ হ'লে জীৱৰ অদৃষ্ট তৈয়াৰ নহয়, অদৃষ্ট তৈয়াৰ নহ'লে খেলা নচলে। গতিকে চাৰি প্ৰকাৰ প্ৰাণীৰ ভিতৰত পৰস্পৰ প্ৰাণীৰ পক্ষে পৰস্পৰক খাদ্য ৰূপে বিহিত কৰিছে। সেই বিধিৰ বিধান অনুসাৰে প্ৰাণীসকলে প্ৰাণীকে খাদ্য ৰূপে ব্যৱহাৰ কৰিব লাগিব। ভগৱানে বেদ বাক্যত এইভাবে সমস্ত কৰ্ম্মৰ নিয়ম কৰি দিছে যে নিৰৰ্থক কৰ্ম্ম কৰিলেও দোষ হ'ব। যেনে - পানীত (জলত) আঘাত কৰিলে, নিজৰো কোনো লাভ বা লোকচান নাই। আৰু জলৰো কোন ক্ষতি নাই, যিহেতু সি জীৱ নহয়। তথাপি সেই অনৰ্থক জলতাড়নো নিষিদ্ধ কৰ্ম্ম যিহেতু নিজৰ অনৰ্থক সময় কৰ্ত্তন, গতিকে পাপজনক কৰ্ম্ম। প্ৰয়োজনবশতঃ

জলতাড়ন কৰিলে, অর্থাৎ মৎসাদিমাৰণত জলতাৰণ কৰিলে দোষ নহয়। গতিকে বিধিমূলক অর্থাৎ ভগৱানৰ আদেশমূলক যিসকল হিংসা সেইসকল হিংসাত পাপ হ'ব নোৱাৰে। এই সম্বন্ধে অলপ শাস্ত্ৰৰ বিচাৰ কোৱা হোক।

বেদত লিখিত আছে যে —

"মা হিংস্যাৎ সৰ্ব্বানি ভূতানি।" ইত্যাদি।

অৰ্থ — সকল প্ৰাণীকে হিংসা নকৰিব।

আৰু — **"ৱায়ব্যং শ্বেত ছাগল মালভেত।"** ইত্যাদি অৰ্থ বায়ুদেৱতা হোৱা শ্বেত ছাগল যজ্ঞত বধ কৰিব। এই সম্বন্ধে দাৰ্শনিকসকলৰ মতভেদ আছে। কিন্তু সেই মতভেদ ঐক্য বুলি ধৰিলে কোনো ক্ষতি নহয়।

(১) সাংখ্যে পাতঞ্জল আচাৰ্য্যৰ আৰু বৈদান্তিকৰ মত —

যে বেদত লিখিত অনুসাৰে যি কোনো প্ৰাণী (ভূত) (হিংসা প্ৰাণীৰ পীৰা, ক্ষতিকৰা) কৰিলে পাপ হ'ব। যিহেতু বেদত নিষেধ কৰিছে। কিন্তু যজ্ঞাদি ধৰ্ম্ম কাৰ্য্যৰ বাবে নষ্ট কৰিলেও পাপ হ'ব। বেদবাক্য লঙ্ঘন হ'ব নোৱাৰে। অৱশ্যে ধৰ্ম্মৰ বাবে (কৰ্ত্তব্য কৰ্ম্মৰ বাবে) বেদবিধি পালন কৰি যজ্ঞাদি কৰ্ম্ম কৰিলে পুণ্যও হ'ব। পুণ্য বহুল আৰু পাপৰ অল্পতা দেখি জীৱসকল বৈদিক কৰ্ম্মত প্ৰবৃত্ত হয়। **"ইষ্টোৎপত্তিনান্তৰীয়ক দুঃখাধিক দুঃখাজনকত্বং প্ৰবৃত্তৌকাৰণম্।"** যেনে - মৎসাদিমাৰণ, ধান্য প্ৰভৃতিৰ অবঘাতৰ দ্বাৰা চাউল আৰু ভাত তৈয়াৰ কৰা কষ্টকৰ কাৰ্য্য হ'লেও প্ৰাণ ধাৰণ বহু সুখজনক বুলি জীৱ প্ৰবৃত্ত হয়। সেই ৰূপে বেদ বিহিত হিংসা কৰিলে অলপ নৰক হ'ব। কিন্তু স্বৰ্গ বহুল হ'ব। গতিকে জীৱ প্ৰবৃত্ত হ'ব। যিহেতু বলবৎ অদৃষ্ট পূৰ্ব্বে ভোগ কৰিব লাগে, আৰু দুৰ্ব্বল অদৃষ্ট পিচত ভোগ কৰিব লাগে। গতিকে পুণ্যৰ মাত্ৰা বৃদ্ধিৰ বাবে বৈদিক কৰ্ম্ম কৰিব। এই পাপ পুণ্য উভয় তৈয়াৰ হয় বুলি কৰ্ম্ম জাতীয় বৈদিক কৰ্ম্মৰ দ্বাৰা মুক্তি হ'ব নোৱাৰে। মুক্তিৰ বাবে তত্ত্বজ্ঞানৰ আৱশ্যক, তত্ত্বজ্ঞান হ'লে, সেই সমস্ত পাপ পুণ্য কৰ্ম্ম ফল নষ্ট হৈ মুক্তি হয়।

"জ্ঞানাগ্নিঃ সৰ্ব্ব কৰ্ম্মানি ভস্মসাৎ কুৰুতেৰ্জ্জুন।"

এই ভগৱদ্ গীতা বাক্য উক্ত তাৎপৰ্য্যৰ বাবে।

(২) মীমাংসকৰ মত — এই বেদত দুই ৰকমৰ কথা থকাৰ বাবে বুজিব লাগিব। **"মা হিংস্যাৎ সৰ্ব্বানি ভূতানি" "ৱায়ব্যংশ্বেত ছাগলমানভেত"** এই বেদৰ তাৎপৰ্য্য যে বিধিবিহিত হিংসা ভিন্ন হিংসা নকৰিব। অৰ্থাৎ এক বেদ বাক্যই

সৰ্ব্বপ্ৰাণীৰ হিংসা নিষেধ কৰি যে প্ৰাণী বিশেষৰ কাৰ্য্য বিশেষত হিংসা বিধান কৰিলে, তাৰ তাৎপৰ্য্য সেই সেই বিশেষ কাৰ্য্যৰ বাবে সেই সেই বিশেষ প্ৰাণীৰ হিংসা কৰিলে পাপ (নৰকাদি দোষ) হ'বই নোৱাৰে। এই বাবে হিংসাযুক্ত হ'লেও; সংকল্প কৰি অৰ্থাৎ তৎ তৎ ফল কামনা কৰি বৈদিক কৰ্ম্ম কৰিলে স্বৰ্গাদি ফল হ'ব। সেই ফল কামনা "বিষ্ণুপ্ৰীত্যৰ্থে" এই ধৰি বৈদিক কৰ্ম্ম কৰিলে মুক্তি হ'ব। যি হেতু হিংসা ব্যতীত কোনো প্ৰাণী জীৱিত থাকিব নোৱাৰে গতিকে বেদ বিধি অনুসাৰে প্ৰয়োজনীয় হিংসা কৰিব তাত দোষ হ'ব নোৱাৰে। ভগৱদ্গীতাতো উক্ত আছে।

কৰ্ম্মনৈব হি সংসিদ্ধিমাস্থিতা জনকাদয়ঃ।

জনকৰাজা প্ৰভৃতি ফল কামানা ৰহিত, কেৱল বৈদিক কৰ্ম্ম কৰিয়েই সংসিদ্ধি (মুক্তি) প্ৰাপ্ত হৈছে। ভগৱদ্গীতাত বহু স্থলত অৰ্জ্জুনক কৈছে, তুমি কৰ্ম্ম কৰা, ফল কামনা নকৰিবা ইত্যাদি।

(৩) ন্যায় বৈশেষিকৰ মত - হিংসা শব্দৰ অৰ্থ প্ৰাণীৰ উৎপীড়ন। সেই উৎপীড়ন বধ হোক বা অন্য ৰূপে কষ্ট দিয়া হোক, সকলোকে হিংসা বোলে। যিহেতু প্ৰাণীৰ খাদ্য ৰূপে প্ৰাণীকেই বিধান কৰিছে, গতিকে সেই খাদ্য বেদৰ, নিয়ম বিধি অৱলম্বন কৰি সংগ্ৰহ কৰিবই লাগিব, আৰু ৰাজাই ৰাজ্য ৰক্ষাৰ বাবে দুষ্টক হিংসা কৰি অৰ্থাৎ বধ কৰি বা কষ্ট দি, শিষ্টক পালন কৰিব লাগিবই। গতিকে বেদবিধি অৱলম্বন কৰি খাদ্য সংগ্ৰহ, অথবা ৰাজাৰ ৰাজ্য পালন প্ৰভৃতি কৰ্ম্ম কৰিলে হিংসা জনিত পাপ হ'ব নোৱাৰে। কিন্তু বেদ বিহিত স্বৰ্গাদি ফল হে হ'ব। গতিকে প্ৰাণী হিংসা ত্যাগ কৰিব। যিহেতু বেদবিহিত কৰ্ম্মসকল অল্প বা অধিক দোষ মুক্ত অৰ্থাৎ হিংসাদিমুক্ত ইয়াৰ দ্বাৰা মুক্তি হ'ব নোৱাৰে দুঃখ মিশ্ৰিত সুখ স্বৰ্গাদি হয়। এই কৰ্ম্ম সাত্ত্বিক ভাব অৱলম্বন কৰি কৰিব পাৰিলে সত্ত্বোৎকৰ্ষ হৈ তত্ত্বজ্ঞানত প্ৰবৃত্ত হয় আৰু তত্ত্বজ্ঞান হ'লে হে মুক্তি হয়। অন্যথা মুক্তি হ'ব নোৱাৰে।

বৎসগণ। এই হিংসা সম্বন্ধে ৬ দৰ্শনৰ ৩ ৰকমৰ মত ক'লো, ভালকৈ ভাবি চাবা, সকলোকেইজনৰ একেই তাৎপৰ্য্য। স্বধৰ্ম্ম অৱলম্বন কৰি নিজৰ জাত্যুচিত আচাৰ, ব্যৱহাৰ, সংস্কাৰাদি কৰ্ম্ম যথা নিয়মে কৰি থাকিব পাৰিলেও জীৱৰ ক্ৰমোন্নতি আছে। অৰ্থাৎ কোনো ডাঙৰ ধৰ্ম্ম কাৰ্য্য কৰিব নোৱাৰিলেও বেদ নিষিদ্ধ কৰ্ম্ম নকৰি, স্বধৰ্ম্মত থাকিব পাৰিলে আগামী জন্মত অপেক্ষাকৃত জ্ঞান, মান, ধন, সুস্বাস্থ্য, সুস্থান, জাত্যুৎকৰ্ষতা অৱশ্য অধিক হ'ব। সন্দেহ নাই। এই

কথা বেদ, স্মৃতি, পুৰাণ, শ্ৰীমদ্‌ভাগৱত, শ্ৰীমদ্‌ভগৱদগীতা প্ৰভৃতি শাস্ত্ৰত পুনঃ পুনঃ কৈছে। গতিকে বেদ বিহিত কৰ্ম্ম মাত্ৰই ধৰ্ম্মমূলক / বেদ নিষিদ্ধ কৰ্ম্মই অধৰ্ম্মমূলক অৰ্থাৎ অধোগমনৰ, জন্মান্তৰত হীনতা প্ৰাপ্তিত আৰু নৰকৰ কাৰণ।

শ্ৰুতি স্মৃতী মমৈবাজ্ঞে যস্তদুল্লঙ্ঘ্য বৰ্ত্ততে।
আজ্ঞাচ্ছেদী মমদ্বেষী মদ্‌ভক্তোঽপি ন বৈষ্ণৱঃ।।

অৰ্থ — ভগবান্ শ্ৰীকৃষ্ণ কৈছে — শ্ৰুতি (বেদ) স্মৃতি (ঋষিপ্ৰণীত ধৰ্ম্মশাস্ত্ৰ) এই দুই শাস্ত্ৰৰ কথা মোৰ আজ্ঞা, এই শ্ৰুতি স্মৃতি ৰূপ মোৰ আজ্ঞালঙ্ঘন কৰি যি লোক প্ৰবৰ্ত্তিত হয়; যি মোৰ আজ্ঞাচ্ছেদকাৰী, গতিকে মোৰ দ্বেষী, সেই ব্যক্তি শ্ৰৱণাদি ভক্তি মোৰ উদ্দেশ্যে কৰিলেও বৈষ্ণৱ বিষ্ণুৰ গ্ৰহণযোগ্য নহয়। অৰ্থাৎ ভগবানে কৈছে — মোৰ ব্যক্তি বুলি মই তাক স্বীকাৰ নকৰোঁ। গতিকে পূৰ্ব্বোক্ত নামাপৰাধী হৈ নৰকগামী হ'ব।

৫২। শিষ্য — দেৱ। কিছুমানে কয় বৈষ্ণৱ শ্ৰেষ্ঠ, আৰু কিছুমানে কয় ব্ৰাহ্মণ শ্ৰেষ্ঠ, এই সন্দেহ কিৰূপে ভঞ্জন হয় সেই বিষয় জানিবৰ ইচ্ছা।

গুৰু — বৎসগণ। বিষয় বিশেষে কোনো ব্যক্তি শ্ৰেষ্ঠ, আৰু সেই ব্যক্তিয়ে বিষয় বিশেষে সৰু হয়। শ্ৰীৰাম আৰু শ্ৰীকৃষ্ণ ক্ষত্ৰিয় বংশত জাত, কিন্তু যেতিয়া তেওঁলোকে জাত্যুচিত বৈদিক কৰ্ম্ম কৰে তেতিয়া জাতি হিচাবে ব্ৰাহ্মণ শ্ৰেষ্ঠ আৰু ব্ৰাহ্মণ তেওঁলোকৰ পূজ্য। কিন্তু ব্ৰাহ্মণে যেতিয়া উপাসনা কৰে তেতিয়া শ্ৰীকৃষ্ণ বা শ্ৰীৰামক বিশেষ পূজা ধ্যান কৰে। এই ধ্যান পূজাত জাতিগত উপাধি বৰ্ম্মা প্ৰভৃতি শ্ৰীকৃষ্ণৰ বা শ্ৰীৰামৰ পিচত নিদিয়ে পৰমাত্মা হিচাবে উপাসনা কৰে। কিন্তু শ্ৰীৰাম বা শ্ৰীকৃষ্ণই ব্ৰাহ্মণক বৈদিক কৰ্ম্ম হিচাবে পূজা কৰাত "শ্ৰীঅমুক বৰ্ম্মা শ্ৰীঅমুক দেৱশৰ্ম্মাণং ব্ৰাহ্মণং বৃণে বা পূজয়ামি" এই বাক্য বোলে।

"বিষ্ণোৰয়ম্" এই বাক্যত বৈষ্ণৱ পদ সিদ্ধ হৈছে। যিজনক বিষ্ণুই সম্বন্ধী বুলি স্বীকাৰ কৰিছে, সেই বৈষ্ণৱ। দৃষ্টান্ত চোৱা প্ৰহ্লাদ ক্ষত্ৰিয়সংজ্ঞক অসুৰ বংশত জাত; সেই প্ৰহ্লাদ হৰিক এনেভাৱে আয়ত্ত কৰিছিল, বা তেওঁৰ নামৰ মাহাত্ম্য এনেভাৱে দেখুৱাইছিল, যাৰ অনুগ্ৰহত বা যাৰ নামৰ মাহাত্ম্যৰ বলত অস্ত্ৰ, শস্ত্ৰ, অগ্নিজল, প্ৰভৃতিত প্ৰহ্লাদৰ কোনো ক্ষতি নহ'ল। সেই প্ৰহ্লাদৰ নাম বা গুণ ব্ৰাহ্মণাদি সকলোৱে পাঠ কৰি আছে।

বৎসগণ। কৰ্কাদি বৈষ্ণৱ নামধাৰীসকলে এটা আঙ্গুলী অগ্নিত দি ভগৱানৰ অনুগ্ৰহ বা নাম মাহাত্ম্য প্ৰকাশ কৰিব পাৰেনে? গতিকে সামান্য ভগৱদ্ ভক্তি

কৰিলেও সেই অনুগ্ৰহ বা মাহাত্ম্য পোৱা বৈষ্ণৱ নাই। এই অহঙ্কাৰী গণ ভণ্ড মাত্ৰ। গতিকে আগত কোৱা হৈছে, মদ্‌ভক্তোঽপি ন বৈষ্ণৱঃ” ভগৱানে কৈছে।

৫৩। শিষ্য — দেৱ! বেদ, স্মৃতি, পুৰাণ, শ্ৰীমদ্‌ভাগৱত, শ্ৰীমদ্‌ভগৱদ্‌গীতা, অন্যান্য স্তৱাদি এই সকলৰ অৰ্থবোধ হওক বা নহওক পাঠ কৰিলেই ফল লিখিত আছে। এই পাঠফল সেই সেই সংস্কৃত শাস্ত্ৰ পাঠ কৰিলে ফল হ'ব? অথবা তাৰ কোনো ভাষান্তৰ দ্বাৰা অনুবাদ কৰিলে, সেই অনুবাদ পাঠ কৰিলে সেইফল হ'ব? এই সম্বন্ধে জানিবৰ ইচ্ছা।

গুৰু — বৎসগণ। এখন শাস্ত্ৰৰ কথা ক'লে সকলশাস্ত্ৰৰ কথা বুজি পাবা। শ্ৰীমদ্‌ভগৱদ্ গীতা, ইয়াৰ অৰ্থ— শ্ৰীমদ্ (সুন্দৰ) ভগবদ্‌গীতা (ভগৱানে কোৱা কথা) অৰ্জ্জুনৰ আগত ভগৱান শ্ৰীকৃষ্ণই কিছুমান জ্ঞানৰ কথা যুদ্ধক্ষেত্ৰত কৈছিল। ব্যাসদেৱো ভগৱানৰ অৱতাৰ বিশেষ। তেওঁ সেই কুৰুক্ষেত্ৰৰ যুদ্ধৰ বৰ্ণনাত সেই কথাকেইটা মহাভাৰতৰ ভীষ্ম পৰ্ব্বৰ অঠৰটা অধ্যায় ৰূপে লিখি ৰাখিছে। সেই ভগৱদ্‌গীতা (ভগৱানে কোৱা কথা) পাঠ কৰিলে যি ফল লিখিত আছে অনুবাদ হ'লে সেই কথা ভগৱানে কোৱা হ'ব নোৱাৰে। আৰু কোনো গদ্যানুবাদ বা পদ্যানুবাদ কাৰক ব্যক্তি এই ভাষা লিখা নাই যে, মোৰ এই অনুবাদ পাঠ কৰিলে এই ফল হ'ব। তেওঁ লিখিছে ভগৱদ্‌গীতা পাঠ কৰিলে এই ফল হ'ব। আৰু সকলোৱে কয় ভগৱদ্‌গীতাৰ পদ, ভগৱদ্‌গীতাৰ অনুবাদ। 'ৰ' দিলে (ষষ্ঠী বিভক্তি দিলে) ভিন বস্তু বুজায়। গতিকে অনুবাদ পাঠ কৰিলে “ভগৱদ্ গীতা পাঠৰ ফল” হ'ব নোৱাৰে। কিন্তু অনুবাদৰ দ্বাৰা হোক বা মানুহৰ মুখৰ পৰা শুনি হোক সেই ভগৱদ্‌গীতাৰ যে “আত্মতত্ত্বজ্ঞান” এই জ্ঞান কৰিব পাৰিলে পাৰলৌকিক ফল অৱশ্যে হ'ব। গতিকে বৎসগণ! তোমালোকে যদি পাঠৰ ফল (শব্দাচ্চাৰণ ফল) পাবৰ ইচ্ছা কৰা তেন্তে সেই শ্ৰীমদ্‌ভাগৱতৰ বা ভগৱদ্‌গীতাৰ শ্লোক শক্তি অনুসাৰে আবৃত্তি কৰিবৰ চেষ্টা কৰা। তাৰ ফল পাবা সন্দেহ নাই।

৫৪। শিষ্য — দেৱ! দীক্ষাৰ প্ৰয়োজন জানিবৰ ইচ্ছা। তাৰ ভিতৰত — বৈদিক দীক্ষা, তান্ত্ৰিক দীক্ষা, পৌৰাণিক দীক্ষা, আৰু “শৰণ” বুলিও এটা দীক্ষা কয়। এই সকলৰ তাৎপৰ্য্য কিৰূপ? গুৰুত্যাগ, মন্ত্ৰত্যাগ, সম্প্ৰদায় ত্যাগ, গুৰু পুত্ৰ গুৰুৰ নিচিনা এইসকল কথাৰ তাৎপৰ্য্য জানিবৰ ইচ্ছা।

গুৰু — বৎসগণ! এই সম্বন্ধে বহু শাস্ত্ৰৰ কথা জানিবৰ প্ৰয়োজন হয়। কিন্তু সিমান শাস্ত্ৰ জ্ঞান কৰা অসম্ভৱ। গতিকে দীক্ষাৰ প্ৰয়োজন, এই দীক্ষাৰ দ্বাৰা

ধৰ্ম্ম, অৰ্থ, কাম, মোক্ষ এই চতুৰ্ব্বৰ্গ ৰূপ পুৰুষাৰ্থ অৰ্থাৎ পুৰুষৰ প্ৰয়োজনীভূত বস্তু সিদ্ধি হয়।

(১) **বৈদিক দীক্ষা** এক ৰূপ, এই দীক্ষা মাত্ৰ ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্য জাতিৰ আছে। ইয়াৰ অন্য নাম উপনয়ন। পূৰ্ব্বকালত এই বৈদিক দীক্ষাৰ দ্বাৰা ব্ৰহ্মাচৰ্য্য ব্ৰত অবলম্বন কৰি; স্ব স্ব জাতিৰ গায়ত্ৰীৰ দ্বাৰা সৰ্ব্ব সিদ্ধি লাভ কৰিছিল। এই বৈদিক দীক্ষা জাতিৰ ৰক্ষিকা, আৰু সৰ্ব্ব সিদ্ধি কাৰিকা আছিল, এই দীক্ষাৰ দ্বাৰা সিদ্ধিলাভ, অল্প ব্যক্তিৰ হয়। গতিকে ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য জাতিৰ বাবে, স্ত্ৰীলোকৰ বাবে আৰু শূদ্ৰ জাতিৰ বাবে, অৰ্থাৎ সৰ্ব্ব-সাধাৰণৰ বাবে এই তান্ত্ৰিক দীক্ষা আৰু পৌৰাণিক দীক্ষা সৰ্ব্ব সিদ্ধিৰ বাবে ভগবানকৰ্ত্তৃক আবিষ্কৃত হয়।

(২) **তান্ত্ৰিক দীক্ষা** — এই দীক্ষা শিৱপ্ৰণীত তন্ত্ৰ শাস্ত্ৰত বিশদভাৱে আছে। শিৱও যে একেই ভগবান্ এই কথা পূৰ্ব্বত কোৱা আছে। ভেদ বিবক্ষা কৰিলে নামাপৰাধও হয়। এই দীক্ষাৰ মন্ত্ৰ আৰু গায়ত্ৰী ভিন্ন ভিন্ন, দেৱতাৰো আকৃতি মূৰ্ত্তিভেদে ধ্যান, মন্ত্ৰ, গায়ত্ৰী ভিন্ন ভিন্ন। সেই ইষ্ট মন্ত্ৰৰ সহিত মন্ত্ৰ গ্ৰহীতা ব্যক্তিৰ লগত যোঁটন চাব লাগে। নহ'লে মন্ত্ৰগ্ৰহণৰ পিচত মন্ত্ৰগ্ৰহীতাৰ দোষ ঘটে। এই দীক্ষা গ্ৰহণকাৰী ইষ্ট দেৱতাৰ বিষয় পূৰ্ব্বতে গুৰুক ক'ব লাগিব। গুৰুই সেই সেই দেৱতাৰ নানা মন্ত্ৰৰ ভিতৰত পৰা— মন্ত্ৰ গ্ৰহীতাৰ লগত শুভ যোঁটন বিশিষ্ট মন্ত্ৰ দীক্ষাৰ পূৰ্ব্বতে স্থিৰ কৰিব লাগিব। যথা নিয়মে পূজাদি কৰি গুৰুই শিষ্যক এই তান্ত্ৰিক মন্ত্ৰ দিব। এই তান্ত্ৰিক দীক্ষাৰ দ্বাৰা দীক্ষিত ব্যক্তি তান্ত্ৰিক সন্ধ্যাও কৰিব লাগিব। যি ব্যক্তিৰ পূৰ্ব্বতে বৈদিক দীক্ষা গ্ৰহণ কৰা আছে, সেই ব্যক্তি পূৰ্ব্বে বৈদিক সন্ধ্যা কৰি, পিচত তান্ত্ৰিক সন্ধ্যা কৰি, তাৰ পিচতহে ইষ্টদেৱতাৰ পূজা আৰু মন্ত্ৰ জপাদি কৰিব। এই বৈদিক দীক্ষা যুক্ত তান্ত্ৰিক দীক্ষাৰ নিয়ম। বৈদিক দীক্ষা নোহোৱা ব্যক্তি বিলাকে অৰ্থাৎ শূদ্ৰলোক আৰু স্ত্ৰীলোকসকলে তান্ত্ৰিক সন্ধ্যা কৰি ইষ্টদেৱতাৰ পূজা মন্ত্ৰ জপাদি কৰিব।

(৩) **পৌৰাণিক দীক্ষা** - এই দীক্ষা ভাগৱতাদি শাস্ত্ৰত প্ৰসিদ্ধ। এই শ্ৰীমদ্ ভাগৱত পুৰাণ সংক্ষিপ্তভাৱে ভগৱান বিষ্ণুৰ মুখৰ পৰা প্ৰথম বাহিৰ হয়। ব্ৰহ্মাই সেই কথা নাৰদক কয়, নাৰদে ব্যাসত কয়। ব্যাসদেৱে সেই কথাকে বিস্তাৰ কৰি শুকদেৱৰ আগতে কয়। শ্ৰীমদ্ভাগৱতত লিখিছে —

ইদং ভাগৱতং নাম পুৰাণং ব্ৰহ্মসম্মিতম্।

অৰ্থ — এই ভাগৱত নামক পুৰাণ বেদৰ তুল্য।

শ্ৰীমদ্‌ভাগৱতৰ একাদশ স্কন্ধত ভগৱান শ্ৰীকৃষ্ণ উদ্ধৱত কৈছে।

বৈদিক ঃ তান্ত্ৰিকো মিশ্ৰ ইতি যে ত্ৰিবিধো মখঃ।
ত্ৰয়ানামিপিসত্তেনৈৱ বিধিনা মাং সমৰ্চ্চয়ৎ।।

অৰ্থ — হে উদ্ধৱ! মোক পূজা কৰাৰ বিধি বৈদিক, তান্ত্ৰিক, আৰু মিশ্ৰ (অৰ্থাৎ পৌৰাণিক) তিন প্ৰকাৰ। এই তিন প্ৰকাৰৰ স্বস্ব ব্যক্তি ইঙ্গিত (অভিনীত) অনুসাৰে বিধিক অৱলম্বন কৰি মোক পূজিব।

তন্ত্ৰ শাস্ত্ৰত শিৱে পাৰ্ব্বতীৰ আগত কৈছে —

যদা তু বৈদিকী দীক্ষা দীক্ষা পৌৰাণিকী তথা।
ন স্থান্যতি শিৱে! শান্তে! তদৈব প্ৰৱলঃ কলিঃ।।

হে দেৱি পাৰ্ব্বতি! যেতিয়া বৈদিক আৰু পৌৰাণিক দীক্ষা লোপ পাব, তেতিয়া কলি প্ৰৱল হ'ব।

এই পৌৰাণিক দীক্ষা আৰু "শৰণ" নামক দীক্ষা একেই বস্তু। পৌৰাণিক দীক্ষাক শৰণ বুলিবৰ তাৎপৰ্য্য এই। দীক্ষাৰ পূৰ্ব্বত গুৰুৰ চৰণত শৰণ ল'বৰ প্ৰয়োজন, এই শৰণ কেৱল গুৰুৰ চৰণত নহয়, পাঁচ বিষয়ত (স্থানত) শৰণ ল'ব লাগিব, তেতিয়াহে ভক্তিৰ অধিকাৰী হয়। সেই ভক্তিৰ অধিকাৰী হ'লে, গুৰুৰ ওচৰত সৰ্ব্ব বিষয়ৰ অৰ্পণ হয়, তেতিয়াহে বিষ্ণু বিষয়ক ইষ্টমন্ত্ৰ (নামমন্ত্ৰ) গ্ৰহণৰ যোগ্য বা সেই নাম মন্ত্ৰ জপৰ অধিকাৰী হয়। এই পৌৰাণিক দীক্ষাত পৃথক কোনো সন্ধ্যা নাই ব্ৰাহ্মণ, ক্ষত্ৰিয় বৈশ্যই বৈদিক সন্ধ্যা কৰি, শৰণ মন্ত্ৰ পাঠ কৰি ইষ্ট দেৱতাৰ ধ্যান, পূজা, মন্ত্ৰজপ (নাম জপ) কৰিব। শূদ্ৰ আৰু স্ত্ৰীলোকে শৰণ মন্ত্ৰ পাঠ কৰি ইষ্ট দেৱতাৰ ধ্যান পূজা মন্ত্ৰ জপ (নামজপ) কৰিব।

যদিও এই তিন দীক্ষাই এক বস্তু তথাপি ব্ৰহ্মচৰ্য্যাশ্ৰম লোপ পোৱাৰ বাবে, বৈদিক দীক্ষা জাত্যুচিত হিচাবে থাকিছে। পাৰলৌকিক সৎপন্থা অৱলম্বনৰ বাবে সদ্‌গুৰু অৱলম্বন কৰি তান্ত্ৰিক বা পৌৰাণিক দীক্ষাৰ অন্যতৰ দীক্ষা গ্ৰহণ কৰা উচিত। "শৰণৰ" তাৎপৰ্য্য হিচাবে কিছুমান যুক্তি প্ৰমাণ "ভট্টদেৱেকৃত" "ভক্তি বিবেক"ৰ পৰিশিষ্টত মই দিছোঁ। সেই ভক্তি বিবেক আৰু তাৰ পৰিশিষ্ট সানুবাদ পাঠ কৰিলে শৰণৰ তাৎপৰ্য্য ভালদৰে জানিবা।

(৪) **গুৰু** — বৈদিক দীক্ষাৰ গুৰুৰ বিষয় স্বতন্ত্ৰ। সেইটো বিধি অনুসাৰৰ কাৰ্য্য। কিন্তু তান্ত্ৰিক আৰু পৌৰাণিক দীক্ষাৰ বাবে গুৰুৰ লক্ষণ শাস্ত্ৰত বহু ৰকমৰ আছে। মোট কথা তান্ত্ৰিক হোক বা পৌৰাণিক হোক, সেই "দীক্ষাৰ বিষয় সম্যক

জ্ঞান বিশিষ্ট, শান্ত, শিষ্ট গুৰু হোৱাৰ নিতান্ত আৱশ্যক। অন্যান্য শাস্ত্ৰাদিৰ দ্বাৰা গুৰুৰ অপেক্ষা শিষ্য অধিক জ্ঞানী হ'লেও ক্ষতি নাই। যদি কৌলিক গুৰুক অৰ্থাৎ পিতৃ-পিতামহ দীক্ষা লোৱা গুৰুক বা তৎপুত্ৰক ত্যাগ কৰিবৰ নিষেধ থাকিলহেঁতেন, তেন্তে গুৰুৰ লক্ষণ শাস্ত্ৰত লিখাত কোনো প্ৰয়োজন নাছিল। গুৰুত্যাগ আৰু মন্ত্ৰত্যাগ শব্দৰ অৰ্থ এই — দীক্ষাদানৰ উপযুক্ত পিতৃগুৰু বা পিতৃগুৰু পুত্ৰ ত্যাগ কৰি অন্য গুৰুৰ ওচৰত দীক্ষা গ্ৰহণ কৰা নিষিদ্ধ আৰু যি ব্যক্তি দীক্ষা গ্ৰহণ কৰিছে — সেই ব্যক্তি সেই গুৰু ত্যাগ কৰি, অন্য গুৰুৰ ওচৰত অন্য মন্ত্ৰ গ্ৰহণ কৰা নিষিদ্ধ কৰিলে নৰকগামী হ'ব লাগিব। যদি প্ৰকৃত দীক্ষা দানত সেই গুৰু উপযুক্ত নহয়, অথচ সেই গুৰুৰ ওচৰত দীক্ষা গ্ৰহণ কৰা হ'ল, তেতিয়া জ্ঞানৰ বাবে অন্য গুৰুৰ আশ্ৰয় গ্ৰহণ কৰি, সেই দীক্ষাৰ মন্ত্ৰ অপ্ৰকাশিত ৰাখি জ্ঞানী গুৰুৰ পৰা, ধ্যান, পূজা, নিয়ম প্ৰভৃতি শিক্ষা কৰিব পাৰে। এই বিষয় তন্ত্ৰত বচন দিছে —

মধুলোভাৎ যথা ভৃঙ্গঃ পুষ্পাৎ পুষ্পান্তৰং ব্ৰজেৎ।
জ্ঞানলোভাৎ তথা শিষ্যো গুৰোগুৰ্ব্বন্তৰং ব্ৰজেৎ।।

এই বচনৰ অৰ্থ সহজ, ইয়াত "জ্ঞান লোভাৎ" এই পদৰে বুজিবা যি ব্যক্তিৰ "জ্ঞানৰ লোভ" অধিক জ্ঞান কৰিব ইচ্ছা আছে তেওঁহে জ্ঞান দিয়া পূৰ্ব্ব গুৰুৰ পৰা যাই, অন্য জ্ঞানী গুৰুৰ আশ্ৰয় গ্ৰহণ কৰিব। যি ৰূপ শাস্ত্ৰাধ্যয়নকাৰী ছাত্ৰ সকল জ্ঞানৰ বাবে জ্ঞানী, জ্ঞানিতৰ, জ্ঞানিতম গুৰু আশ্ৰয় কৰে। কিন্তু "মন্ত্ৰ লোভ" এই শব্দ দিয়া বচন কোনো শাস্ত্ৰত নাই। বৰং এনে কথাও শাস্ত্ৰত আছে, যদি গুৰু দুষ্ট ৰোগী, পতিতাদিও হয়, তথাপি সেই গুৰুক যথাযোগ্য ভক্তি কৰিব। গতিকে দীক্ষা গ্ৰহণৰ পূৰ্ব্বেই অন্যান্য উপায়ৰ দ্বাৰা গুৰু স্থিৰ কৰিব। মন্ত্ৰ গ্ৰহণ কৰা গুৰু ত্যাগ কোনো ৰূপে হ'ব নোৱাৰে।

বৎসগণ! মই গুৰুৰ মোট লক্ষণত তিনটা মাত্ৰ বিশেষণ দিছোঁ। (১) দীক্ষাৰ বিষয় সম্যক জ্ঞান বিশিষ্ট, (২) শান্ত অৰ্থাৎ কোনো ধূৰ্ত্ত বা মিথ্যাবাদিতাদি দোষ ৰহিত, (৩) শিষ্ট (শাসন কাৰ্য্যবিৎ) অৰ্থাৎ শিষ্যক বুজাবৰ শক্তি থাকিব লাগিব। শাস্ত্ৰত থাকা বাকীগুণ প্ৰায় ইয়াৰ অন্তৰ্ভুক্ত হ'ব।

দীক্ষা গ্ৰহণেচ্ছু ব্যক্তি দীক্ষাগ্ৰহণৰ পূৰ্ব্বতে গুৰু স্থিৰ কৰিব। যদি পিতা গুৰু হ'বৰ উপযুক্ত বোধ নহয়, তেন্তে তেওঁৰ পুত্ৰক আশ্ৰয় কৰিব। পুত্ৰও উপযুক্ত নহ'লে, তেওঁৰ বংশৰ বা তেওঁৰ সম্প্ৰদায়ৰ কোনো গুৰু স্থিৰ কৰিব। কিন্তু মন্ত্ৰ

গ্ৰহণ কৰি সেই গুৰু আৰু সেই মন্ত্ৰ ত্যাগ কৰি অন্য গুৰু বা অন্য মন্ত্ৰ গ্ৰহণ কৰিলে নৰকগামী হ'ব লাগিব। সন্দেহ নাই।

প্ৰকৃত গুৰু একজন ভিন্ন দুইজন হ'ব নোৱাৰে। অৰ্থাৎ দীক্ষাগুৰু। এই গুৰুৰ দৈনিক পূজাৰ আৱশ্যক। গতিকে অদীক্ষিত ব্যক্তি অন্য পূজাদি কৰিলে গুৰু পূজা ৰূপ অঙ্গচৈতন্য থাকে বুলি, তেওঁ কৰা পূজাদিৰ ফল অলপ কম হয়। দীক্ষিত ব্যক্তিৰ সমস্ত কাৰ্য্য প্ৰশস্ত।

গুৰুপুত্ৰ গুৰুৰ নিচিনা ইয়াৰ অৰ্থ এই ৰূপ। এই নিচিনা (তুল্য) বুলিলে সেই বস্তু হ'ব নোৱাৰে। অৰ্থাৎ নিজৰ দীক্ষা গুৰুক উপস্থিত নাপালে বা তেওঁৰ মৃত্যুৰ পিচত গুৰুক দেয় দ্ৰব্য পুত্ৰক দিলে গুৰুক দিয়া হ'ব। যিহেতু তেওঁ উত্তৰাধিকাৰী, আৰু গুৰু পুত্ৰ কোন বিষয়ত সুবিধা পালে গুৰুৰ আনন্দ হয়। গতিকে গুৰুৰ পুত্ৰক গুৰুৰ নিচিনা দেখিব। কিন্তু নিজেই অদীক্ষিত, তাৰ গুৰুই নাই, সেই ব্যক্তি গুৰুপুত্ৰক গুৰুৰ নিচিনা দেখিব লাগে, এই অৰ্থ কৰিলে কথা অলীক হয়। ইয়াতে অলপ ভাবিবলগীয়া আছে। যদি পিতাৰ গুৰুৰ মৃত্যু হৈছে, পিতাৰো মৃত্যু হৈছে, নিজেও দীক্ষিত হোৱা নাই, সেই শিষ্য পুত্ৰ পিতৃৰ সদ্‌গতিৰ উদ্দেশ্যে দেয় বস্তু, পিতাৰ গুৰুপুত্ৰক দিব লাগিব। এই ৰূপে গুৰুপুত্ৰক গুৰু নিচিনা দেখিব।

৫৫। শিষ্য — দেৱ! নাম মন্ত্ৰ, বীজমন্ত্ৰ, ইষ্টমন্ত্ৰ এইসকলৰ প্ৰকৃত অৰ্থ জানিবৰ ইচ্ছা। ইয়াৰ বহুতে বহু অৰ্থ কৰে। আৰু এক দেৱতাৰ মন্ত্ৰ গ্ৰহণ কৰি অন্য দেৱতাৰ পূজা কৰা, তান্ত্ৰিক দীক্ষিত আৰু পৌৰাণিক দীক্ষিতৰ ভেদ আছে নে নাই?

গুৰু — বৎসগণ! "নামমন্ত্ৰ" বা "বীজমন্ত্ৰ" ইয়াৰ কোনো ভেদ নাই। "ক্লীং" বীজমন্ত্ৰ, "কৃষ্ণ" নাম মন্ত্ৰ। "ক্ৰীং" বীজমন্ত্ৰ, "কালী" নামমন্ত্ৰ। এই বীজৰ বা অক্ষৰাত্মক নামৰ কোনো ভেদ নাই। ধ্যান, পূজা, জপ, প্ৰভৃতি উপায়ৰ দ্বাৰা যি কোনো মন্ত্ৰেৰে দেৱতাক আৰাধনা কৰিব পাৰিলে ফল লাভ অৱশ্যে হয়। কিছুমানে "ক্লীং কৃষ্ণ" "ক্ৰীং কালী" এই ৰূপেও জপাদি কৰে। মোট কথা শাস্ত্ৰৰ নিয়ম অনুসাৰে গুৰুই যি মন্ত্ৰ দিব সেইয়েই "ইষ্টমন্ত্ৰ" অৰ্থাৎ সেই মন্ত্ৰ সেই ব্যক্তিৰ পক্ষে নিত্য জপ্য। ইষ্ট (অভিলষিত) গুৰুক দেখা হিচাবে মানুষ বুদ্ধি নকৰিব, অৰ্থাৎ গুৰুৰ ভিতৰেৰে সেই পৰমাত্মা পৰমেশ্বৰে এই মন্ত্ৰ দিছে। এই জ্ঞান কৰি গুৰুক পৰমাত্মা পৰমেশ্বৰ ৰূপে জ্ঞান কৰিব। গতিকে এই ইষ্টমন্ত্ৰ অতি গোপ্য। গুৰু আৰু নিজ ভিন্ন অন্যত্ৰ অপ্ৰকাশ্য। পূৰ্ব্বত কোৱা আছে যে নামৰ বাচ্য শৰীৰ

নহয়, আত্মা। সেই গুৰুৰ নামৰ বাচ্যও পৰামাত্মা এই জ্ঞান থাকিব লাগিব। নহ'লে কোনো কাজ নহ'ব। পৰমাত্মা পৰমেশ্বৰ জগতৰ কাৰ্য্যৰ বাবে, পুৰুষ স্ত্ৰীৰূপে নানা নানা শৰীৰ গ্ৰহণ কৰিছে। কিন্তু সকল নামৰে বাচ্য, সেই সেই শৰীৰ বিশেষণ বিশিষ্ট একমাত্ৰ পৰমাত্মা। এই কথাও পূৰ্ব্বত কোৱা আছে।

গুৰুদত্ত নাম ইষ্ট আৰু নিত্য জন্য। অন্য নাম বা দেৱতা দ্বেষ্য নহয়। কাম্য বা নৈমিত্তিক বা অঙ্গ হিচাবে জপ্য, ধ্যেয় আৰু পূজ্য, তাত কোনো দোষ হ'ব নোৱাৰে। কৃষ্ণ মন্ত্ৰৰ দ্বাৰা দীক্ষিত ব্যক্তি নিজৰ কাম্য নৈমিত্তিক অথবা অন্যৰ প্ৰয়োজনীয় হিচাবে কালী পূজাদি কৰিলে, অথবা কালী মন্ত্ৰৰ দ্বাৰা দীক্ষিত ব্যক্তি নিজৰ কাম্য বা নৈমিত্তিক হিচাবে অথবা আমাৰ প্ৰয়োজনীয় হিচাবে কৃষ্ণ পূজাদি কৰিলে কোনো ৰূপ দোষ হ'ব নোৱাৰে। আৰু কোনো শাস্ত্ৰত দোষ বুলি উল্লেখো নাই।

বৎসগণ! পূৰ্ব্বত যি আত্মতত্ত্ব জ্ঞানৰ কথাত যিসকল কোৱা হৈছে, সেই সকলৰ সম্যক জ্ঞান হ'লে এই আপত্তি উঠিবই নোৱাৰে। আৰু তান্ত্ৰিক বা পৌৰাণিক দীক্ষাৰো কোনো ভেদ নাই। গ্ৰহীতা ভেদে, ৰুচিভেদে, সম্প্ৰদায়ভেদে আৰু শক্তিভেদে যিকোনো এক প্ৰকাৰৰ দীক্ষা গ্ৰহণ কৰিব লাগিব। কোনো শাস্ত্ৰত ইয়াৰ ভেদ বা মাহাত্ম্য ভেদ বিবক্ষা কৰা নাই। এইসকল ভেদ জ্ঞান কৰিলে দোষী হয়।

৫৬। শিষ্য — দেৱ! পূৰ্ব্বত যিসকল আত্মতত্ত্ব জ্ঞান বলেৰে সেই "আত্মতত্ত্ব জ্ঞান" (জীৱেশ্বৰ জ্ঞান) সম্যক্ ৰূপে হ'লে কোনো আপত্তি উঠিব নোৱাৰে সত্য। কিন্তু আমাৰ সেই সম্যক ৰূপে জ্ঞান হোৱা নাই এইটোও সত্য, অন্য কি পূৰ্ব্বোক্ত কিছুমান কথা আমি যে "বুজি পাইছোঁ নে" "নাই পোৱা" তাকেই ঠিক কৰি কোৱা টান হৈছে।

দেৱ! আৰু এটা কথা, কিছু কিছু কোনো বিষয়ত জ্ঞান হ'লে, সেই অলপ জ্ঞানীৰ আপত্তি বেছি, অৰ্থাৎ শঙ্কা বেছি হয়। একেবাৰে যাৰ জ্ঞান নাই, তাৰো শঙ্কা নাই, আৰু পূৰ্ণ জ্ঞানীৰো শঙ্কা নাই। মধ্যম বিধৰ মাত্ৰ শঙ্কা। গতিকে আপোনাৰ পৰা কিছুমান ভাল কথা শুনি, বাহিৰা বাহিৰা বহু আপত্তি আমাৰ উদিত হৈছে। আৰু সেই সকলৰ কিবা বিশেষ সমাধান, মনক সুখ দিব পাৰা হিচাবে পাম বুলি ধাৰণা হৈছে। গতিকে অন্যান্য বহু বিষয় প্ৰশ্ন মনত উদিত হৈছে; অনুগ্ৰহ কৰিলে জিজ্ঞাসা কৰিব পাৰোঁ।

গুৰু — বৎসগণ! শাস্ত্ৰীয় কথা সমুদায় ধৰ্ম্মমূলক । শাস্ত্ৰীয় কৰ্ম্ম সমুদায়

ধৰ্ম্মমূলক বুলি পূৰ্ব্বত কোৱা হৈছে। যদি শাস্ত্ৰীয় বাক্য আৰু কৰ্ম্ম ধৰ্ম্মমূলক হ'ল, তেন্তে ধৰ্ম্ম কি বস্তু পূৰ্ব্বত বুজি পাইছা। ই জীৱাত্মাৰ গুণ। জীৱাত্মাৰ গুণ নানা প্ৰকাৰে বুজি পালেহে পৰমাত্মাৰ জ্ঞানো দৃঢ় হয়, এই জীৱাত্মা আৰু পৰমাত্মাৰ জ্ঞান দৃঢ়, দৃঢ়তৰ, দৃঢ়তম কৰিব পাৰিলেহে, তত্ত্বজ্ঞান স্থায়ী হ'ব। গতিকে শাস্ত্ৰীয় যিকোনো কথা জিজ্ঞাসা কৰিলে, মোৰ জ্ঞান অনুসাৰে উত্তৰ দিবৰ ইচ্ছা আছে। আৰু এইসকল কথা তোমালোকৰ তত্ত্বজ্ঞানৰ বিশেষ উপযোগী হ'ব।

৫৭। **শিষ্য** — দেৱ! আপোনাৰ এই বাক্যেৰে আমালোক আনন্দিত হৈ এতিয়া অন্যান্য কথাৰ প্ৰশ্ন উত্থাপিত কৰিলোঁ। দেৱ ঃ সগোত্ৰৰ অশৌচ গ্ৰহণ কৰা, সম্বন্ধ চাই কন্যা বিবাহ কৰা, শ্ৰাদ্ধ, সপিণ্ডন, প্ৰায়শ্চিত্ত এই বিষয় কেইটাৰ কিছু কিছু তাৎপৰ্য্য জানিবৰ ইচ্ছা।

গুৰু — বৎসগণ! এইবিলাক কথাৰ তত্ত্ব অতিসূক্ষ্ম, ঋষিসকলে যোগ বলৰ দ্বাৰা এই তত্ত্ব অনুসন্ধান কৰি শাস্ত্ৰত লিখিত কৰি ৰাখিছে। আৰু সেই অনুসাৰে আজিও ব্যৱহাৰ চলি আছে।

(১) অশৌচ গ্ৰহণ কৰা — এই অশৌচ পদাৰ্থ অদৃশ্য এই বস্তুই মানুহক কোনো কোনো কৰ্ম্মৰ অযোগ্য আৰু ব্ৰত কৰণৰ যোগ্য কৰি দিয়ে। এই অশৌচৰ বস্তু গোত্ৰ অৰ্থাৎ বংশত হ'ব। বংশ (বাঁহ) বাঁহৰ যেনেকৈ এটাৰ পৰা এটা অঙ্কুৰ (গাঁজা) ওলায়, এই ৰূপে জাৰজ সন্তান নোহোৱাকৈ ক্ৰমিক যি সকল সন্তান জন্ম হয় সেইসকলক বংশ বোলে। এই বাঁহৰ বংশ শব্দৰ তুল্যাৰ্থ — বংশ, গোত্ৰ, কুল এই বিলাক শব্দ। যি হোক এই বংশত সন্তান জন্মিলে সপ্তম পুৰুষ পৰ্য্যন্ত অশুচিতা অৰ্থাৎ কোনো কোনো কৰ্ম্মৰ অযোগ্যতা ৰূপ অশৌচ গ্ৰহণ কৰিব লাগিব। অৰ্থাৎ সেইকেইদিনৰ ভিতৰত সেই সেই নিষিদ্ধ কাৰ্য্য কৰিলে, কাৰ্য্য নষ্ট হ'ব। এই ৰূপ কোনো ব্যক্তিৰ মৃত্যু হ'লেও, উক্তৰূপ অশৌচ গ্ৰহণ কৰিব লাগিব, আৰু নিৰামিষ ভোজনাদি ৰূপ ব্ৰতো কৰিব লাগিব। এই অশৌচ দৃষ্ট বস্তু নহয়। ই এটা আত্মাৰ জ্ঞানীয় সম্বন্ধ, অৰ্থাৎ দূৰৈত অশৌচ হ'লে সংবাদ নাপালে অশৌচ নহয়, সংবাদ পালে অশৌচ হয়। নিজ বংশৰ লোক দূৰৈত থাকিলেও সিহঁতৰ অশৌচ গ্ৰহণ কৰিব লাগিব; ভিন বংশৰ ব্যক্তি নিকটত থাকিলেও সিহঁতৰ অশৌচ গ্ৰহণ কৰিব নালাগিব, ইত্যাদি কাৰ্য্য সমুদায় চাই পূৰ্ব্বোক্ত পুত্ৰাদিৰ নিচিনা অশৌচো এটা জ্ঞানীয় সম্বন্ধ। এই সম্বন্ধ দেখা নাপালেও, সম্বন্ধ গুৰুতৰ। দৃষ্ট সম্বন্ধসকল এনেই অন্য কাৰণবশতঃ ছেদন হ'ব পাৰে। ই সম্বন্ধ সেই সেই শাস্ত্ৰোক্ত

নিয়ম ভিন্ন ছেদন হ'ব নোৱাৰে। এই অশৌচ সম্বন্ধৰ অল্প, অধিক বা ইমান পুৰুষত অশৌচ নাথাকিব এইসকল সেই সেই শাস্ত্ৰত চাবা।

(২) সম্বন্ধ চাই কন্যা গ্ৰহণ — এই কথাৰো তাৎপৰ্য্য পূৰ্ব্বোক্ত কথাৰ নিচিনা। পশু পক্ষী প্ৰভৃতিৰ ভ্ৰাতৃ-ভগিনীৰ বিবাহ সম্বন্ধ অৰ্থাৎ সন্তানোৎপত্তি কাৰক সম্বন্ধ ঘটে। কিন্তু মনুষ্য মাত্ৰৰে আজি পৰ্য্যন্ত এই সম্বন্ধ ঘটা নাই। গতিকে ইয়াৰ কিবা এটা গুৰুতৰ দোষ আছে। এই বিষয় ত্ৰিকালজ্ঞ ঋষিসকলে দিব্য জ্ঞানৰ দ্বাৰা চাই, এই সম্বন্ধে, পিতৃপক্ষৰ সাতপুৰুষ, মাতৃ পক্ষৰ পাঁচ পুৰুষ বাদ দিয়া প্ৰভৃতি বহু ৰকমৰ নিয়ম কৰিছে। সেই নিয়ম সেই সেই শাস্ত্ৰত পাবা। বিশেষ এটা কথা শুনা যায় যে বংশ ৰক্ষাৰ বাবে বিবাহ, যি বিলাক সম্বন্ধত বিবাহ ত্যাগ কৰিব কৈছে, সেই সম্বন্ধৰ ভিতৰত বিবাহ কৰালে, দুই বা তিন পুৰুষ পিচত সেই ব্যক্তিৰ বংশহীন হয়। যিবিলাক জাতি এই ৰূপ সম্বন্ধ নাচায় সন্তান জন্ম দিছে, সিহঁতৰ কি কাৰণে বংশ আছে। তাৰ উত্তৰ এই যে সেই বিলাকৰ প্ৰায় সন্তান, বিবাহ নিবন্ধন বংশজাত সন্তান নহয়। জাৰজ সন্তান অধিক। আৰু অবিবাহিতা (সংগৃহীতা) স্ত্ৰীৰ সন্তান অধিক।

পূৰ্ব্বত কোৱা আছে, সমস্ত কৰ্ম্ম-ধৰ্ম্মমূলক, অৰ্থাৎ পাৰলৌকিক ক্ৰমোন্নতি কাৰক। যি বংশত যাৰ জন্ম, সেই বংশৰ সেই নিয়ম মৰ্য্যাদা ধৰ্ম্ম মানি নচলিলে ধৰ্ম্ম নাথাকিব। ধৰ্ম্ম নাথাকিলে পাৰলৌকিক ক্ৰমিক অৱনতি হ'ব।

(৩) শ্ৰাদ্ধ, সপিণ্ডন, প্ৰায়শ্চিত্ত — শ্ৰাদ্ধ আৰু প্ৰায়শ্চিত্ত সম্বন্ধে পূৰ্ব্বত কিছুমান কোৱা আছে। প্ৰথমতঃ সপিণ্ডন সম্বন্ধে অলপ কোৱা হোক। সপিণ্ডন শব্দৰ অৰ্থ "সমান পিণ্ডকৰণ" অৰ্থাৎ মৃতব্যক্তিৰ পিণ্ড পূৰ্ব্ব পুৰুষৰ লগত সমীকৰণ। তাৎপৰ্য্য এই যে যি বিলাক সৎভাৱে মৃত হৈছে সেই ব্যক্তিসকল সেই বংশৰ পূৰ্ব্ব পুৰুষ বিলাকৰ সহিত পিণ্ডৰ অৰ্থাৎ পুত্ৰাদি দিয়া অন্নৰ মিলিত হিচাবে ভাগ কৰি খাব। আৰু কৰ্মফল ভোগান্তত যদি এই মৰ্ত্ত্যলোকত জন্মগ্ৰহণ কৰিবৰ প্ৰয়োজন হয়, তেন্তে যেন সেই বংশতে জন্মগ্ৰহণ কৰে। যিবিলাক ব্যক্তি অসৎভাৱে মৃত হৈছে যেনে "পতি পুত্ৰ বিহীনা স্ত্ৰী" অৰ্থাৎ যি স্ত্ৰীৰ স্বামীও পূৰ্ব্বত মৃত হৈছে, পুত্ৰও নাই সেই ৰূপ স্ত্ৰীৰ লগত পূৰ্ব্ব পুৰুষ গণে নাখায়, আৰু সেইৰূপ স্ত্ৰী এই বংশত জন্ম গ্ৰহণ কৰাও উচিত নহয়। গতিকে সেইৰূপ স্ত্ৰীৰ সপিণ্ডন নাই। "অম্বুঘট" নামে একবিধ শ্ৰাদ্ধ কৰি, তাইক পিতৃ সমাজৰপৰা বহিষ্কৃত কৰা হয়।

নান্দীমুখ শ্ৰাদ্ধ কৰিলে উৰ্দ্ধ ছয় পুৰুষক পিণ্ড দিয়া হয়। দাতাৰ সহিত

মাতৃপুৰুষ হয়। গতিকে পিণ্ডদাতাৰ পৰা ভোক্তা পৰ্য্যন্ত সাত পুৰুষৰ ভিতৰত "সাপিণ্ড্য" থাকে। এই সাপিণ্ড্য থাকে বুলি এই পিতৃ পক্ষৰ সাপিণ্ড্য সম্বন্ধ থাকা ব্যক্তিৰ সপ্তমী কন্যা বিবাহ কৰোবা নিষিদ্ধ। পুত্ৰাদি শ্ৰাদ্ধ কৰিলে যেনেকৈ পিত্ৰ্যাদি তুষ্ট হয়, সপিণ্ডনৰ দ্বাৰা এই নিজৰ পৰা সপ্তম পুৰুষ পৰ্য্যন্ত তুষ্ট হয়। আৰু সেই মৃত ব্যক্তিৰ প্ৰেতত্ব বিমুক্তি হৈ পিতৃত্বপ্ৰাপ্ত হয়। এইয়ো সপিণ্ডৰ তাৎপৰ্য্য।

তৃণজেলৌকা (বিনাশক) যেনেকৈ এক ডাল তৃণ গ্ৰহণ কৰি পূৰ্ব্বতৃণ ত্যাগ কৰে, তেনেকৈ জীৱসকলেও অন্য শৰীৰ অৱলম্বন কৰি পূৰ্ব্ব শৰীৰ ত্যাগ কৰে। গতিকে মনুষ্য সকল এই শৰীৰ ত্যাগৰ লগে লগে "আতিবাহিক" নামক বায়ৱীয় শৰীৰ গ্ৰহণ কৰে, দশ-পিণ্ড দানৰ পিচত "প্ৰেত শৰীৰ" গ্ৰহণ কৰে। সপিণ্ডনৰ পিচত ভোগ শৰীৰ গ্ৰহণ কৰে। যদিবা পুণ্যাত্মা ব্যক্তিসকল এই শৰীৰ সকল গ্ৰহণ নকৰি তৎক্ষণাৎ মুক্ত হৈ যায় অথবা শুভলোকক যায়, তথাপি বেদৰ বিধি বাক্য ৰক্ষাৰ বাবে পুত্ৰাদি উক্ত দশপিণ্ড, সপিণ্ডীকৰণ, আদ্যশ্ৰাদ্ধ দি সকলো ব্যক্তিৰ কৰিব লাগিব। নকৰিলে পুত্ৰাদিৰ দোষ (পাপ) হয়।

(১) যেতিয়া ভক্ত প্ৰহ্লাদৰ বাক্য ৰক্ষাৰ বাবে ভগৱানে নৰসিংহ মূৰ্ত্তিগ্ৰহণ কৰি হিৰণ্যকশিপুক বধ কৰিলে, তাৰ পিচত নৰসিংহ মূৰ্ত্তিয়ে প্ৰহ্লাদক কৈছে।

কুৰুত্বং প্ৰেত কাৰ্য্যানি পিতুঃ পূতস্য সৰ্ব্বশঃ।
সদঙ্গস্পৰ্শনাদঙ্গহু লোকান্ যাস্যতি সুপ্ৰজঃ।।

ভা- ৭।১০।২২

হে প্ৰহ্লাদ! সৰ্ব্বতোভাৱে পবিত্ৰ পিতাৰ প্ৰেতকাৰ্য্য তুমি কৰা। সুসন্তান জন্মদাতা হিৰণ্যকশিপু মোৰ অঙ্গস্পৰ্শৰ বাবে শুভলোকক যাব। ইয়াৰ দ্বাৰা বুজা গ'ল যে ভগৱানৰ অঙ্গস্পৰ্শৰ বাবে হিৰণ্যকশিপু শুভলোকক যাব। তুমি পিতাৰ প্ৰেত কাৰ্য্য কৰা। অৰ্থাৎ বেদবাক্য (মোৰ আদেশ) লঙঘন কৰিলে তোমাৰ দোষ হ'ব।

(২) যেতিয়া বলিৰ সৰ্ব্বস্বহৰণ আৰু বন্ধন উদ্দেশ্যে বামণাৱতাৰ ভগৱান বলিৰ সৰ্ব্বস্ব গ্ৰহণ কৰিলে, আৰু সুতলত বন্ধনৰ ব্যৱস্থা কৰিলে। ভৱিষ্যৎ নৱম সাবৰ্ণি মন্বন্তৰত বলি ইন্দ্ৰ হ'ব। এই বৈবস্বৎ মন্বন্তৰৰ পুৰন্দৰ ইন্দ্ৰৰ ভোগ্য যুগ কেইটা বলি বদ্ধ থাকিব। তেতিয়া শত অশ্বমেধৰ শেষ অশ্বমেধীয় পূৰ্ণাহুতি হোৱা নাই। এই সৰ্ব্বস্ব দান আৰু দক্ষিণাৰ অন্তত শুক্ৰাচাৰ্য্যক ভগৱান বামণ অৱতাৰে ক'লে, আচাৰ্য্য?

তুমি যজ্ঞৰ পূৰ্ণাহুতি দিয়া। তেতিয়া শুক্ৰাচাৰ্য্যে ক'লে।

মন্ত্ৰতন্ত্ৰস্তত শ্ছিদ্ৰং দেশকালাই বস্তুতঃ।
সকৰ্ব্বং কৰোতি নিশ্ছিদ্ৰং তবাণুকীৰ্ত্তনাদ্বৰে।।

ভা-৮।২৩।১৬

অৰ্থ — হে হৰে! তোমাৰ অনুকীৰ্ত্তন অৰ্থাৎ পুনঃ পুনঃ নামোচ্চাৰণ কৰিলে, মন্ত্ৰৰ ছিদ্ৰ (মন্ত্ৰোচ্চাৰণৰ দোষ) তন্ত্ৰছিদ্ৰ (বিধিপাঠৰ দোষ) আৰু দেশ কালৰ প্ৰয়োজনীয় বস্তুৰ ছিদ্ৰ (দোষ) অৰ্থাৎ যি স্থানৰ যি বস্তু যি কালৰ যি বস্তু বিনাদোষে সংগ্ৰহ কৰিব নোৱাৰি (যেনে দোকানৰ বস্তু, বা অন্যৰপৰা আনা বস্তুৰ) ছিদ্ৰ (দোষ) নিচ্ছিদ্ৰ অৰ্থাৎ নিৰ্দোষ হয়। সেই তোমাৰ যি যজ্ঞত সাক্ষাৎ দৰ্শন, আৰু যজ্ঞৰ দান গ্ৰহণ, সেই যজ্ঞৰ এনেই পূৰ্ণতা হৈছে, আৰু পূৰ্ণাহুতিৰ কি প্ৰয়োজন? তেতিয়া ভগবান বামণে কৈছে বিধিলঙ্ঘন জন্য অৰ্থাৎ মোৰ আদেশ ৰূপ বেদবাক্য (পূৰ্ণাহুতি দিব" এই বাক্য) লঙ্ঘন জন্য দোষ / পাপ হ'ব। এই বাক্য কোৱাত শুক্ৰাচাৰ্য্য পূৰ্ণাহুতি দিলে।

আৰু পূৰ্ব্বত এটা কথা কোৱা আছে যে পিতৃৰ উদ্দেশ্যে বিধি অনুসাৰে পুত্ৰাদি যি কৰ্ম্ম কৰে, সেই কৰ্ম্মফল পিতাৰ প্ৰয়োজনীয় নহ'লে, অৰ্থাৎ পিতা মুক্ত থাকিলে; পুত্ৰাদি বন্ধুবৰ্গ সেই পুণ্য ফল ভোগ কৰে।

বৎসগণ : প্ৰায়শ্চিত্ত সম্বন্ধে পূৰ্ব্বত কিছুমান কথা কোৱা আছে আৰু অলপ কোৱা হোক। শ্ৰীমদ্‌ভাগৱতৰ পৰীক্ষিত ৰাজাৰ প্ৰশ্ন —

ক্কচিৎ নিবৰ্ত্ততেহভদ্ৰাৎ ক্কচিৎ চৰতি তৎ পুনঃ।
প্ৰায়শ্চিত্ত মথোহপাৰ্থং মন্যে কুঞ্জৰ শৌচবৎ।। ৬।১।১০

উত্তৰ — **কৰ্ম্মণা কৰ্ম্মনিৰ্হাৰো ন হ্যাত্যন্তিকমিষ্যতে।**
অবিদ্বদধিকাৰিত্বাৎ প্ৰায়শ্চিত্তং বিমৰ্ষনিম্।। ৬।১।১১

অৰ্থ — কোনো স্থানত যি ব্যক্তি পাপৰ পৰা নিবৃত্ত হৈছে আৰু কোনো স্থানত সেই ব্যক্তিয়ে সেই পাপ পুনঃ আচৰণ কৰিছে। পুনঃ পুনঃ পাপাচৰণ কৰাৰ বাবে, প্ৰায়শ্চিত্তৰ দ্বাৰা পাপ নাশ কৰা হস্তীস্নানৰ নিচিনা ব্যৰ্থ। হস্তী যেনেকৈ স্নান কৰি উঠি পুনঃ ধূলি লয়, সেই ৰূপ প্ৰায়শ্চিত্ত হৈ উঠি যিহেতু পুনঃ পাপ কৰে, সেই প্ৰায়শ্চিত্তৰ প্ৰয়োজন নাই। শুকদেৱৰ উত্তৰ — এটা কৰ্ম্মৰ দ্বাৰা এটা কৰ্ম্মফল নষ্ট কৰিব লাগিলে আত্যন্তিক নষ্ট, অৰ্থাৎ পুনঃ দোষোৎপত্তিৰহিত হিচাবে দোষ নষ্ট হ'ব নোৱাৰে। যিহেতু প্ৰায়শ্চিত্ত বস্তু অজ্ঞানীৰ বাবেহে

পাপনাশক। অৰ্থাৎ অজ্ঞান যিমান দিন থাকিব কিবা নহয় কিবা বিষয়ত পাপোৎপত্তি হ'বই। প্ৰায়শ্চিত্তৰ দ্বাৰা তাক নাশো কৰি থাকিব লাগিবই। হস্তী ধূলি ললেও পুনঃ পুনঃ স্নান কৰাই ৰাখিব লাগিবই। ঔষধ খালে ৰোগ এৰা দিব, পুনঃ ৰোগ হ'লে পুনঃ ঔষধ খাব লাগিবই। তদ্ৰূপ। যদি কোনো দিন ৰোগোৎপত্তিৰহিত ঔষধ খাব পাৰে তেন্তে পুনঃ ঔষধ খাব নালাগিব। তত্ত্বজ্ঞানীৰ পাপোৎপত্তি হ'ব নোৱাৰে, গতিকে তেওঁলোকৰ প্ৰায়শ্চিত্ত হ'বৰো প্ৰয়োজন নাই। যেনে পূৰ্ব্বে হাতত তেল দিয়া থাকিলে, কঁঠাল ফল স্পৰ্শ কৰিলে আঠা লাগিব নোৱাৰে। তদ্ৰূপ তত্ত্বজ্ঞানীক পাপে স্পৰ্শ কৰিব নোৱাৰে। গতিকে "প্ৰায়শ্চিত্ত বিমৰ্শনম্" তত্ত্বজ্ঞানই শেষ প্ৰায়শ্চিত্ত।

৫৮। শিষ্য — দেৱ! পূৰ্ব্বজন্মৰ বেয়া কৰ্ম্ম কৰাৰ বাবে ইহজন্মত নানা দুৰাৰোগ্য ৰোগ জন্মে। এই সম্বন্ধে "কৰ্ম্ম বিপাক" নামে শাস্ত্ৰ থকাৰ কথা শুনিব পাওঁ। সেই শাস্ত্ৰৰ তাৎপৰ্য্য আৰু কৰ্ম্মফলৰ বিষয় কিছু জানিবৰ ইচ্ছা।

গুৰু — বৎসগণ। এই সম্বন্ধে ভৃগুমুনি "ভাৰ্গবীয় কৰ্মবিপাক" শাতাতপ মুনি "শাতাতপীয় কৰ্ম্মবিপাক" দুইখন শাস্ত্ৰ কৰিছে। ভৰতমুনিকৃত এখন 'কৰ্ম্ম-বিপাক' আছে; সেইখন দেখা নাই।

পূৰ্ব্বত কোৱা আছে, বিনা প্ৰাণী হিংসাই প্ৰাণী জীৱিত থাকিব নোৱাৰে। জৰায়ুজ, অণ্ডজ, উদ্‌ভিদ্‌জ, স্বেদজ এই চাৰিশ্ৰেণীৰ প্ৰাণীৰ ভিতৰতে চাৰিশ্ৰেণীৰ খাদ্য নিহিত আছে। আৰু পূৰ্ব্বত কোৱা আছে সমস্ত কৰ্ম্ম-ধৰ্ম্মমূলক, তাৎপৰ্য্য এই যে বেদ আৰু স্মৃতিশাস্ত্ৰ অনুসাৰে ভগবানৰ নিৰ্দ্দেশ বুলি সংসাৰৰ যথাযোগ্য কৰ্ম্ম কৰিলে পাপ নহয়। এই কথা হিংসা বিচাৰত ভালদৰে কোৱা হৈছে। শাস্ত্ৰবিধি লংঘন নকৰি ভগবানৰ এই লীলাখেলাৰ নিয়ম ৰক্ষা কৰাত যি পাপ হয়, দৈনিক ত্ৰিসন্ধ্যাত ভগৱানক আৰাধনাৰ দ্বাৰা, প্ৰভৃতিৰ শুশ্ৰূষাৰ দ্বাৰা সেই পাপ ধ্বংস হৈ থাকে। এই পাপৰ ফল কৰ্ম বিপাকত লিখিত নাই।

বেদ স্মৃতি শাস্ত্ৰত নিষেধ কৰা, কাম, ক্ৰোধ, লোভ, মোহ, মদ, মাৎসৰ্য্যৰ অনিয়মিত কাৰ্য্যৰ দ্বাৰা, যিসকল পাপ উৎপন্ন কৰিব, সেইসকল পাপৰ বাবে মৃত্যুৰ পিচত নৰকভোগ হয়, তাৰ পিচত জন্মগ্ৰহণ কৰি, নানা ৰকমৰ ৰোগী বা নানা ৰকমৰ কুৎসিত শৰীৰ ধাৰী হয়। এইয়ে হৈছে পূৰ্ব্বজন্মৰ বেয়া কৰ্মৰ দাগ বা মাৰ্কা। এই পূৰ্ব্বজন্মৰ বেয়া কৰ্ম্মৰ দাগসকল যে এক জন্মত হয় এনে নহয়। পাপ অনুসাৰে এই দাগ সপ্ত জন্ম পৰ্য্যন্ত হ'ব পাৰে। গতিকে এইসকলৰ প্ৰতিকাৰৰ বাবে উক্ত মুনিদ্বয়ে দয়া কৰি, এই কৰ্ম্মবিপাক শাস্ত্ৰ তৈয়াৰ কৰিছে। সেই ৰোগৰ

লক্ষণ অনুসাৰে উক্ত শাস্ত্ৰৰ নিৰ্দ্দেশ অনুসাৰে প্ৰতিকাৰ (প্ৰায়শ্চিত্তাদি) কৰিলে, ৰোগ আৰোগ্য হয়। বিকৃত শৰীৰাদি পৰিবৰ্তন নহ'লেও ভৱিষ্যৎ জন্মত সেই ৰূপ হ'বৰ সম্ভৱ নাথাকে। যি বিলাক ৰোগৰ ঔষধৰ দ্বাৰা নিবৃত্তি নহয় (কমি থাকে অথবা মুঠেই নিবৃত্তি নহয়) সেই সকল ৰোগ পূৰ্ব্বজন্মৰ পাপক ৰোগ। যি সকল ৰোগ ঔষধাদিৰ দ্বাৰা নিবৃত্তি হয় সেই সকল ইহ জন্মৰ আগন্তুক ৰোগ। এই কথা আয়ুৰ্ব্বেদত লিখিত আছে। এই ৰোগ বা বিকৃত শৰীৰাদিও জন্মকালীন গ্ৰহৰ স্থিতি অনুসাৰে সূচিত হয়। ফলিত জ্যোতিষৰ সেই গণনা অনুসাৰে সেই সেই গ্ৰহৰ, গ্ৰহাবভাৰীভূত দেৱতাৰ আৰু গ্ৰহাধিষ্ঠাতৃ দেৱীৰ পূজাদি কৰিব পাৰিলেও পূৰ্ব্ব-জন্মৰ পাপজ ৰোগ আৰোগ্য হয়।

বিশেষ কথা এই যে উক্ত বিষয় প্ৰতিকাৰৰ ইচ্ছা কৰিলে বিদ্বান ব্যক্তিৰ সভা কৰি তেওঁলোকৰ অনুমতি, শাস্ত্ৰ, বিভৱ আৰু কাল অনুসাৰে ব্যৱস্থা কৰিব লাগে। "বিদ্বৎসভা" এই শব্দৰ অৰ্থ তিনিজন বিদ্বান্ ব্ৰাহ্মণক লগ কৰি কাৰ্য্যৰ ব্যৱস্থা কৰিব লাগে। যদি বিদ্বত্তৰ (অধিক বিদ্বান্) হয় দুইজন সেই ব্যৱস্থা কৰিব। যদি বিদ্বত্তম (অত্যধিক বিদ্বান্) হয়। তেন্তে একজনেও ব্যৱস্থা কৰিব পাৰিব। এই ৰূপ স্থলত এক জনকও সভা বুলি ধৰিব। এই সভা অৰ্থাৎ জ্ঞানীৰ অনুমতি লোৱাৰ তাৎপৰ্য্য এই যে — শাস্ত্ৰত যিভাৱে কৰ্ম্ম বিপাকৰ প্ৰতিকাৰ বা জ্যোতিঃশাস্ত্ৰত গ্ৰহৰ প্ৰতিকাৰ দেৱ, দেৱীৰ পূজাৰ ব্যৱস্থা দিছে। সেইমতে বহু ব্যক্তিয়ে কৰিব নোৱাৰে। গতিকে বিদ্বানৰ অনুমতি হ'লে সেই অঙ্গ বৈগুণ্য দোষ নিবৃত্তি হয়। ইয়াৰ বাবে তেওঁলোকক দক্ষিণা দিব লাগিব। কৰ্ম্ম বিপাক শাস্ত্ৰৰ প্ৰতিকাৰসকলত প্ৰায়শ্চিত্ত, পূজা, পাঠ, হোম, দান, দক্ষিণা এইসকল লিখিত আছে। শাস্ত্ৰৰ কথা অনুসাৰে সেই সেই বিষয়ৰ অভিজ্ঞ ব্ৰাহ্মণ নিমন্ত্ৰণ কৰি কাৰ্য্য কৰিলে ৰোগ বিমুক্ত হয়। সন্দেহ নাই। (১) মহাপাতকজ ৰোগ, (২) অতিপাতকজ ৰোগ, (৩) উপপাতকজ ৰোগ, (৪) লঘুপাতকক ৰোগ, (৫) অতিলঘুপাতকজ ৰোগ। ইত্যাদি হিচাবে ভাগ কৰি আৰু প্ৰত্যেক পাপ হিচাপে ভাগ কৰিও ৰোগৰ নাম শাস্ত্ৰত দিয়া আছে। সেইসকল অতি বিস্তৃত কথা। আজিকালি সেই সেই শাস্ত্ৰৰ অনুবাদ হৈছে, তোমালোকে নিজে বুজিব পাৰিবা।

৫৯। (ক) **শিষ্য** — দেৱ! শুনা যায়, কোনো কোনো ঠাইত পোৱাও যায় যে — ইয়াতে স্বৰ্গ আৰু ইয়াতে নৰক। এই কথা শ্ৰীমদ্ভাগৱতত কপিল দেৱহূতিৰ সংবাদত আছে বুলিও শুনা যায়। এই সম্বন্ধে অলপ কথা জানিবৰ ইচ্ছা।

গুৰু — বৎসগণ! এই কথা কপিল দেৱহুতিৰ সংবাদত দৃষ্টান্ত হিচাপে আছে।

অত্ৰৈব নৰক : স্বৰ্গ ইতি মাতঃ প্ৰচক্ষ্যতে।

যা যাতনা হি নায়ক্যাস্তা ইহাভ্যপল্লৱলক্ষিতাঃ।।

অৰ্থ — হে মাতঃ ইয়াতে নৰক আৰু স্বৰ্গ এই কথা যে লোকসকলে কয় — সেই পূৰ্ব্বোক্ত নাৰকীয় যিসকল যাতনা সেই সকল ইয়াতেও দেখা যায়।

এই শ্লোকৰ অৰ্থৰ দ্বাৰা কি বুজা হ'ল? যে 'ইয়াতেও দেখা যায়' ইয়াৰ দ্বাৰা এই দৃষ্টান্ত কৰি সেই অদৃশ্য নৰক স্বৰ্গ বুজি ল'বা। অৰ্থাৎ — পৰিদৃশ্যমান মনুষ্য তদিতৰ প্ৰাণী, মনুষ্যৰ ভিতৰতে জ্ঞানী, অজ্ঞানী, সুখী দুঃখী, ভোগী, ৰোগী ইত্যাদি ভেদ কৰি সদৃশ্য স্বৰ্গ নৰকৰত ভেদ বুজিবা।

৬০। **শিষ্য** — দেৱ! পোৱা যায় ভাগ্য নহ'লে কৰ্ম কৰিও ফল নাপায়। আৰু কৰ্ম নকৰিলেও ভাগ্যে (অদৃষ্টে) কেনেকৈ ফল দিয়ে? আৰু পৰস্পৰে যদি পৰস্পৰৰ প্ৰতি কাৰণ হয়, তেন্তে দেখো অন্যোন্যশ্ৰয় দোষ হয়। অন্যোন্যাশ্ৰয় দোষ হ'লে সেই বস্তু কাৰ্য্য কাৰণ হ'ব নোৱাৰে এই কথাও শুনা যায়। নীতি শাস্ত্ৰত বহু বচন পোৱা যায়, আৰু মানুহেও কয়। দৈৱ বলৱান; দৈৱ ভিন্ন কি আছে? কোনস্থলত পোৱা যায় কৰ্ম্ম-বলৱান্, কাৰ্য নকৰিলে কি হ'ব? ইত্যাদি সন্দেহ পৰিপূৰ্ণ কথা। এই সন্দেহ যাতে দূৰ হয়, এই বিষয় কিছু কথা শুনিবৰ ইচ্ছা।

গুৰু - বৎসগণ! প্ৰথম অনোন্যা শ্ৰয় দোষৰ কথা শুনা। "বীজাঙ্কুৰ" এটা অন্যোন্যাশ্ৰয় দোষৰ উদাহৰণ। অৰ্থাৎ সৃষ্টিৰ আদিতে বৃক্ষৰ "গুটি তৈয়াৰ হ'ল"? অথবা এটা "অঙ্কুৰ (গাঁজৰ) তৈয়াৰ হ'ল"? এই অঙ্কুৰ শব্দৰ অৰ্থ বৃক্ষ ধৰি ল'ব লাগিব। এতিয়া ভাবি চোৱা যে বৃক্ষৰ পৰা বীজ? অথবা বীজৰ পৰা বৃক্ষ? জগতত দুটাই দৃষ্টি গোচৰ হয়। সৃষ্টিৰ আদিতে ভগবানে কৰোক বা এনেই হোক কোন বস্তু প্ৰথম তৈয়াৰ হয়? যিহেতু উভয় বস্তু পৰস্পৰক আশ্ৰয় কৰিছে।

আৰু চোৱা এখন পাল্লাৰে সমস্ত বস্তুৰ ওজন জানা গ'ল। অৰ্থাৎ পাল্লা (তুলা) প্ৰমাণেৰে বস্তুৰ গুৰুত্ব (এজন) ঠিক হ'ল। কিন্তু সেই পাল্লাৰ গুৰুত্ব কি বস্তুৰে প্ৰমাণ হয়। গতিকে পুনঃ অন্য পাল্লাৰ আৱশ্যক হয়। আৰু পাল্লাৰ দ্বাৰা বা গুৰুত্ব কেনেকৈ ঠিক হয়? সেই গুৰুত্ব নিৰ্দ্ধাৰক বস্তুৰ (দাগাৰ) আৱশ্যক হয়। এই ৰূপে তিনিটা হলে যিকোনো বস্তু সঠিক কৰিব পাৰি। তাৰ বেছি হ'লে আৰু সুবিধা হয়। কিন্তু তিনিটাৰ কমত নহয়। গতিকে কাৰ্য্য মাত্ৰে বহু কাৰণ জন্ম বুলি নৈয়ায়িক প্ৰভৃতি স্বীকাৰ কৰে।

জ্ঞানৰ প্ৰমাণ নিৰূপণত, চাৰ্ব্বাকৰ এক প্ৰমাণ, বৌদ্ধৰ দুই প্ৰমাণ, নৈয়ায়িক প্ৰভৃতিৰ তিনি, চাৰি প্ৰমাণ (১৯ নং) পূৰ্ব্বত কোৱা আছে। নতুন বালকক শব্দবোধ কৰাব লাগিলেও তিনিজন ব্যক্তিৰ আৱশ্যক হয়, এইসকল কথা পূৰ্ব্বত কোৱা আছে।

আৰু পূৰ্ব্বত কোৱা আছে, কোনো শাস্ত্ৰৰ জ্ঞান কৰিলে তাৰ পৰা আত্মাত এটা সংস্কাৰ হয়। সেই সংস্কাৰৰো দৃঢ়, দৃঢ়তৰ, দৃঢ়তম্ প্ৰভৃতি বহু ভেদ আছে। সেই ৰূপ শুভকৰ্ম্ম অশুভ কৰ্ম্মভেদে, লঘু গুৰুভেদে আত্মাত অদৃষ্টৰূপ যি দাগ হয় তাৰো সৰু, ডাঙৰ, ভাল বেয়া বহু ভেদ আছে।

দৈৱং পুৰুষাকাৰশ্চ কালশ্চ ভৱতৰ্ষভঃ।
ত্ৰয়মেতন্মনুষ্যস্য পিণ্ডিতং স্যাৎফলাবহম্।।
যথাএকন চক্ৰেণ ন ৰথস্য গতিৰ্ভবেৎ।
এবং পুৰুষাকাৰেণ বিনা দৈৱং ন সিদ্ধ্যতি।।

অৰ্থ — দৈৱ, যত্ন আৰু কাল ত্ৰিতয় মিলিত হৈ ফল জন্মায়। যেনেকৈ এক চক্ৰৰ দ্বাৰা ৰথৰ গতি নহয়, সেই ৰূপ যত্ন কিবা দৈৱ সিদ্ধি নহয়।

এইসকলৰ তাৎপৰ্য্য এই যে ইহ জন্মত যি কৰ্ম্ম কৰা হয় তাৰ প্ৰতি পূৰ্ব্ব জন্মৰ অদৃষ্ট (কৰ্ম্মফল) কাৰণ আৰু পূৰ্ব্ব জন্মত যি অদৃষ্ট তৈয়াৰ কৰা হৈছিল তাৰ প্ৰতিও কৰ্ম কাৰণ। এই ৰূপে অন্যোন্যাশ্ৰয় দোষ হ'লেও, কাৰ্য্য কাৰণৰ এটা নিয়ম আছে আৰু দেখাও যায়, কোনটো বিশেষ কাৰণ, কোনটো সহকাৰী কাৰণ, কোনটো কৰণ, কোনটো সাধাৰণ কাৰণ। যি বস্তু কাৰ্য্য মাত্ৰৰ প্ৰতি কাৰণ থাকে, যেনে কাল আৰু অদৃষ্ট সাধাৰণ কাৰণ। যি বস্তু বহু কাৰণ জন্য কাৰ্য্য, গতিকে অন্যোন্যাশ্ৰয় দোষ হ'ব নোৱাৰে। তাৰ ভিতৰত বিশেষ এই যে — কোনো ব্যক্তিৰ পূৰ্ব্ব জন্মৰ ডাঙৰ শুভাদৃষ্ট থাকে, ইহজন্মত অলপ শুভকৰ্ম্মৰ (যত্নৰ) দ্বাৰা অধিক ফল পায়। কোনো ব্যক্তিৰ পূৰ্ব্বজন্মৰ সৰু শুভাদৃষ্ট থাকে সেই ব্যক্তিৰ এই জন্মৰ অলপ শুভ কৰ্ম্মৰ দ্বাৰা অলপ ফল হয়। গতিকে বিষম দেখা যায়। এই ৰূপে কোনো ব্যক্তিৰ পূৰ্ব্বজন্মৰ ডাঙৰ দূৰদৃষ্ট থাকে, ইহজন্মত অলপ বেয়া কৰ্ম্ম কৰিলেই গুৰুতৰ বেয়া ফল পায়। আৰু কোনো ব্যক্তিৰ পূৰ্ব্ব জন্মৰ সৰু দূৰদৃষ্ট থাকে, সেই ব্যক্তি ইহজন্মত অলপ বেয়া কৰ্ম্ম কৰিলে অলপ বেয়া ফল পায়। যদি পূৰ্ব্ব জন্মৰ শুভাদৃষ্ট অলপ থাকে অথচ ইহজন্মৰ অধিক শুভ বাঞ্ছা কৰে তেন্তে সেই ব্যক্তিয়ে গুৰুতৰ যত্ন কৰিব লাগিব। জন্ম মাত্ৰৰ প্ৰতি অদৃষ্ট কাৰণ, গতিকে ইহ জন্মৰ কৰ্ম্ম আৰু কৰ্মফল, উভয়ৰ প্ৰতি অদৃষ্ট কাৰণ হ'ল। ইহজন্মৰ

ফলৰ প্ৰতি ইহজন্মৰ কৰ্ম্ম বিশেষ কাৰণ হ'ল। সাধাৰণ কাৰণ (অদৃষ্ট) জন্য কৰ্ম্ম আৰু সেই কৰ্ম্ম বিশেষ জন্য বিশেষ অদৃষ্ট হ'লেও, কৰ্ম্মজ ফলৰ প্ৰতি অদৃষ্ট সাধাৰণ কাৰণ সদায় থাকিব। গতিকে অন্যোন্যাশ্ৰয় দোষ নহ'ব। পৰস্পৰ বিশেষ কাৰণ হ'লেহে অন্যোন্যাশ্ৰয় দোষ হয়। বিশেষ কাৰণ শব্দৰ অৰ্থ এই যে ঘটৰ প্ৰতি মৃত্তিকা দণ্ড-চক্ৰ-কুনাল-সলিল সূত্ৰ বিশেষ কাৰণ। কাল আৰু অদৃষ্ট সাধাৰণ কাৰণ (অৰ্থাৎ কাৰ্য্য মাত্ৰৰ প্ৰতি কাৰণ হিচাবে আছেই)। কাৰণ, এই ঘট কোনো ব্যক্তিৰ পানী খোৱাৰ ভাগ্যে তৈয়াৰ হৈছে? অথবা কোন ব্যক্তিৰ এই ঘটৰ বাবে মৃত্যু ঘটে? তাৰ নিৰ্দ্ধাৰিত নাই। গতিকে সাধাৰণ কাৰণ। যদি সেই সেই ভোগৰ বাবে সেই সেই ব্যক্তিৰ জন্মান্তৰীণ ভাগ্য কাৰণ স্বীকাৰ কৰা, তেন্তে, অন্যোন্যাশ্ৰয় দোষ নহ'ব, কাৰণ এই ৰূপ ভৱিষ্যৎ অদৃষ্টৰ প্ৰতি এই ৰূপ পূৰ্ব্বৰ কৰ্ম্ম কাৰণ আৰু এই ৰূপ ভৱিষ্যৎ কৰ্ম্মৰ প্ৰতি এই ৰূপ পূৰ্ব্বৰ অদৃষ্ট কাৰণ, তেতিয়া অন্যোন্যাশ্ৰয় দোষ একেবাৰে বন্ধ। কাৰণ বিশেষ নামকৰণ হ'ল।

বিশেষ কথা এই যে সমস্ত কাৰ্য্য অদৃষ্ট নজন্মায়, নিষ্ফল কৰ্ম্মও আছে। পৰস্পৰ ভ্ৰমে কৃত প্ৰয়োশ্চিত্তস্য নিষ্ফলত্বেহপি ন তদবোধক বেদোহন্যোন্যম্।" "ন কুৰ্মাৎ নিষ্ফলং কৰ্ম ইত্যাদিত্বে জন তাৰাদেৰপি নিষিদ্ধৰাৎ" ইত্যাদি শাস্ত্ৰীয় বাক্যৰ দ্বাৰা শুভাশুভাদি অদৃষ্ট তৈয়াৰ নোহোৱা নিষ্ফল আছে। গতিকে কৰ্ম্ম সাধাৰণ কাৰণ হ'ব নোৱাৰে। এইভাৱে জগতত দেখা যায়। ভাবি চোৱা কিছুমান ব্যক্তি বেয়া কৰ্ম্ম (অন্যক বধ বা অগম্যাগমন প্ৰভৃতি) কৰিবৰ ইচ্ছা কৰিলেও কৰিব নোৱাৰে, তাৰ কাৰণ সেইৰূপ দুৰ্ভাগ্যৰ সহকাৰী কাৰণ নাই। এইৰূপ কিছুমানে উক্ত ৰূপ কৰ্ম অলপ যত্নত সিদ্ধ কৰে। তাৰ প্ৰতি সেই ব্যক্তিৰ পূৰ্ব্বজন্মৰ দূৰদৃষ্ট সহকাৰী হৈছে। এটা কৰ্ম্মৰ প্ৰতি অদৃষ্টৰ দ্বাৰা পূৰ্ব্ব-কৰ্ম্মকে সহকাৰী কাৰণ বুলি "যোগবাশিষ্ঠ ৰামায়ণ"ত উক্তি আছে আৰু কৰ্ম্মাতিৰিক্ত অদৃষ্ট নাই বুলিও উক্তি আছে। গতিকে—

অশুভং হ্ৰসিতুং দৈৱং শুভঞ্চ বৰ্দ্ধিতুং তথা।
শনৈঃ সৎকৰ্ম্ম কুৰ্ব্বীত হান্যথাধো গতিং ব্ৰজেৎ।।

অশুভ দৈৱ হ্ৰাস কৰিবৰ বাবে, আৰু শুভফল বৃদ্ধিৰ বাবে, লাহে লাহে ভাল কাজৰ বৰ্দ্ধিত কৰিব। বিপৰীত কৰিলে : জীৱ অধোগতি প্ৰাপ্ত হয়। গতিকে কোনো ব্যক্তি তৎক্ষণাৎ (একজন্মতে) শ্ৰেষ্ঠ নহয়। আৰু এক জন্মতে সৰুও নহয়। অদৃষ্টক সহকাৰী কৰি বিশেষ কৰ্ম্মৰ দ্বাৰা জীৱ ক্ৰমশঃ শুভফল প্ৰাপ্ত হয়।

বেয়া কৰ্ম্মৰ দ্বাৰা অশুভ ফল প্ৰাপ্ত হয়।

বীজঙ্কুৰবো বিষয় এই ৰূপ বীজৰ সূক্ষ্ম বীজ প্ৰকৃতিৰূপ অথবা অনুৰূপ আছে, তাৰপৰা বীজ, অঙ্কুৰ, ক্ৰমে বৃক্ষ হয়। এই ৰূপ পূৰ্ব্বোক্ত দোষ নিবৃত্তি বুজিবা।

৬১। **শিষ্য** — দেৱ! অন্যোন্যাশ্ৰয় দোষ স্বীকাৰ কৰিও কাৰ্য্য কাৰণৰ বিষয় সাধাৰণ আৰু অসাধাৰণ কাৰণ ভেদে বৈলক্ষণ্য কৰা হ'ল, কিন্তু এই ভাগ্য কৰ্ম্মৰ প্ৰবাহত জীৱ থাকি যাব, কিন্তু মুক্তি কেনেকৈ পায়?

গুৰু — বৎসগণ! এই দোষৰ সিদ্ধান্ত পূৰ্ব্বত দিয়া আছে। তত্ত্বজ্ঞান মুক্তিৰ প্ৰতি কাৰণ। কৰ্ম্ম কাৰণ হ'ব নোৱাৰে। শুভাদৃষ্ট বলবান হ'লে ভগৱদ্ ভক্তি বৃদ্ধি হৈ তত্ত্বজ্ঞান স্থায়ী ভাব প্ৰাপ্ত হৈ মুক্তি হয়।

৬২। **শিষ্য** — দেৱঃ এতিয়া মোটা মোটি হিচাবে আশ্ৰমৰ ধৰ্ম্ম জানিবৰ ইচ্ছা।

গুৰু — বৎসগণ! এই আশ্ৰম ধৰ্ম্ম সম্বন্ধে বেদ, স্মৃতি, ভাগৱত প্ৰভৃতি পুৰাণত বহু কথা আছে। আৰু মনুষ্য হৈ জন্ম গ্ৰহণ কৰিলে সংস্কৃত ভাষা সাহায্যত হোক বা দেশীয় ভাষা সাহায্যত হোক সেইসকলৰ জ্ঞান কৰা নিতান্ত আৱশ্যক। সংক্ষেপতে অলপ শুনা।

ব্ৰহ্মচাৰী আশ্ৰম (যদিও এই আশ্ৰম পূৰ্ব্বকালৰ নিচিনা নাই, তথাপি) বাল্যকাল (পঠ্যাৱস্থা) এই আশ্ৰমৰ কাল।

গৃহী আশ্ৰম — বিবাহ কৰাই, ধনোপাৰ্জন কৰি, পুত্ৰাদি জন্ম দি ভৱিষ্যৎ সৃষ্টিৰ ব্যৱস্থা কৰা কাল।

বানপ্ৰস্থ আশ্ৰম — পুত্ৰ উপযুক্ত হ'লে, সস্ত্ৰীক বা একাকী ঈশ্বৰ আৰাধনাৰ বাবে কোনো বিশেষ ঈশ্বৰ চিন্তাৰ সুবিধাৰ স্থানত ঈশ্বৰ আৰাধনা কৰা কাল।

ভিক্ষু আশ্ৰম — উক্ত তিনি আশ্ৰমৰ যিকোনো আশ্ৰমৰ পৰা সন্যাস গ্ৰহণ কৰা, অৰ্থাৎ একেবাৰে সংসাৰৰ সম্বন্ধ ত্যাগ কৰি পৰমেশ্বৰৰ আৰধনা কৰা কাল।

বৎসগণ : সকল আশ্ৰমতে মূল কাৰণ গৃহস্থাশ্ৰম। এই আশ্ৰম নাথাকিলে, স্ত্ৰী-পুৰুষ সকলোৱে ব্ৰহ্মচাৰী হ'লে ৫০/৬০ বছৰৰ পিচত ঈশ্বৰৰ সৃষ্টি কাৰ্য্য শেষ হ'ব। গতিকে এই আশ্ৰম সমস্তৰে মূল কাৰণ। মনুসংহিতাত কৈছে —

যথা ত্ৰয়োঽপ্যাশ্ৰমিনো জ্ঞানেনান্নেন চান্বহম্।
গৃহাস্থৈনৈব ধাৰ্য্যন্তে তস্মাৎ জ্যেষ্ঠাশ্ৰমো গৃহী।।
যথা বায়ুং সমাশ্ৰিত্য বৰ্ত্তন্তে সৰ্ব্ব জন্তৱঃ।
এবং গৃহস্থমাশ্ৰিত্য বৰ্ত্তন্তে সৰ্ব্ব আশ্ৰমাঃ।।

অৰ্থ — ব্ৰহ্মচাৰী, বানপ্ৰস্থী, সন্যাসী সমস্তকে যিহেতু গৃহস্থাশ্ৰমী জ্ঞানদান আৰু অন্নাদি দান কৰি ৰক্ষা কৰিছে, যেনেকৈ বায়ুক আশ্ৰয় কৰি সকল প্ৰাণী জীৱন ধাৰণ কৰি আছে, তেনেকৈ গ্ৰহস্থাশ্ৰমক অৱলম্বন কৰি সকল আশ্ৰমী জীৱন ধাৰণ কৰি আছে, গতিকে গৃহস্থাশ্ৰম শ্ৰেষ্ঠ।

পূৰ্ব্বত কোৱা আছে, চাৰিবিধ প্ৰলয়ৰ ভিতৰত, নিত্যপ্ৰলয় সুসুপ্তি (গাঢ় নিদ্ৰা) প্ৰভাত হ'লে পুনঃ সৃষ্টি হয়, যিহেতু গাঢ় নিদ্ৰাত কোনো বিষয়ৰ জ্ঞান নাছিল। জগতত সৃষ্টিকাৰ্য্য স্থিতি-কাৰ্য্য আৰু প্ৰলয়ৰ কাৰ্য্য, এই তিনি ৰকমৰ কাৰ্য্য দেখা যায়।

(১) মনুষ্যৰ পক্ষে সৃষ্টি কাৰ্য্য আমাৰ গৃহাদি নিৰ্ম্মাণ, ধনোপাৰ্জ্জন বিবাহকৰণ; সন্তানাদি জন্মদান ইত্যাদি।

(২) স্থিতিৰ কাৰ্য্য — উক্ত বিষয় কেইটা যথা নিয়মে ৰক্ষা কৰা।

(৩) প্ৰলয়ৰ কাৰ্য্য উক্ত বিষয় কেইটা মনৰ অনুকূলে নষ্ট হোৱা।

উক্ত তিনি কাৰ্য্য মনৰ অনুকূলে চলিবৰ বাবে তিনি কালত অৰ্থাৎ — প্ৰাতঃ মধ্যাহ্ন আৰু সায়াহ্নত ভগৱানৰ উপাসনাৰ প্ৰয়োজন। এই উপাসনাৰ বাবে প্ৰাতঃ প্ৰভৃতি সময়ত দুই দণ্ড হিচাবে উপাসনাৰ সময় নিৰ্দ্দেশ কৰিছে ৪৮ মিনিট। ইয়াৰ চাৰি ভাগৰ একভাগ কাল উপাসনা কৰিলেও ভগৱানৰ আদেশ (বেদ স্মৃতিৰ বাক্য) ৰক্ষা কৰা হয়। ব্ৰাহ্মণাদিৰ পক্ষে সন্ধ্যা উপাসনা, তদিতৰৰ পক্ষেও উক্ত সময় তিনিটাত গুৰুৰ উপদেশ অনুসাৰে যিমান কাল ঈশ্বৰৰ আৰাধনা কৰা উচিত। দুই দণ্ড কাল ঈশ্বৰৰ আৰাধনা কৰা উচিত। দুই দণ্ড (৪৮ মিনিট) কাল উপাসনা কৰিব পাৰিলে উৎকৃষ্ট। উক্ত চাৰি ৰকমৰ আশ্ৰমীয়ে এই কাৰ্য্য সদায় কৰিব লাগে, নকৰিলে উক্ত সংসাৰৰ সৃষ্টি, স্থিতি, প্ৰলয় কাৰ্য্যত মনৰ অনুকূলৰ ব্যাঘাত জন্মিব। সন্দেহ নাই।

গৃহ নিৰ্ম্মাণ অনুকূল, বায়ু প্ৰভৃতিৰ দ্বাৰা ধ্বংস হ'লে প্ৰতিকূল। সেই গৃহাদি যদি সাধাৰণ গৃহাদি নষ্ট কৰি প্ৰসাদ (দালান) প্ৰভৃতি কৰিব পাৰি তেন্তে এই ধ্বংসও অনুকূল হয়। ধন উপাৰ্জ্জনো অনুকূল, কিন্তু সেই ধন অপব্যয় হ'লে প্ৰতিকূল হয়। এইভাৱে সকলো বিষয়ত বুজিবা।

বৎসগণ ! শাস্ত্ৰবিধি অনুসাৰে সংসাৰত থাকি অন্যায় পূৰ্ব্বক ধনোপাৰ্জ্জন ৰাহিত্য কৰি যথা সম্ভৱসদ্‌ভাৱে থাকিব পাৰিলে ইহকাল আৰু পৰকালত শুভ অৱশ্যে হ'ব। সন্দেহ নাই।

৬৩। **শিষ্য** — দেৱ! সন্ন্যাস আশ্ৰমত কিছুমান ১। হঠাযোগী, ২। জ্ঞানী, ৩। ভক্ত প্ৰৱেশ কৰে, এই বিলাকৰ কাৰ্য্যকলাপ বা ভেদ থাকিলে শুনিবৰ ইচ্ছা।

গুৰু — বৎসগণ! (১) হঠযোগ, এই যোগৰ কথা পূৰ্ব্বত কিছু কোৱা আছে। এই যোগত যম-নিয়ম-আসন প্ৰাণায়াম প্ৰত্যাহাৰ ধাৰণা ধ্যান সমাধি এই অষ্টাঙ্গ যোগৰ কথা। (১) **যম** (বাহ্যেন্দ্ৰিয় সংযম, অৰ্থাৎ চক্ষু-কৰ্ম-নাসিকা-জিহ্বা-ত্বক্ এই পঞ্চ জ্ঞানেন্দ্ৰিয় বাক্-কৰ্ণ-নাসিকা-জিহ্বা-ত্বক্ এই পঞ্চ জ্ঞানেন্দ্ৰিয়। বাক্-পাণি-পাদ-পায়ু-উপস্থ, এই পঞ্চ কৰ্ম্মেন্দ্ৰিয় শাস্ত্ৰানুসাৰে বেয়া বিষয়ৰ পৰা নিবৃত্ত কৰি ভাল বিষয়ত ঠিক ৰাখা কাৰ্য্য।

(২) **নিয়ম** — অন্তৰিন্দ্ৰিয় সংযম। অন্তৰিন্দ্ৰিয় মনঃ অৰ্থাৎ পূৰ্ব্বোক্ত অন্তঃকৰণৰ চাৰি স্তৰ মনঃবুদ্ধি অহঙ্কাৰ চিত্ত এই চাৰিটাক যথা নিয়মে ঠিক ৰাখি, সৎ বিষয় চিন্তা কৰা আৰু সেই চিন্তা শাস্ত্ৰীয় নিয়মে হোৱা উচিত।

(৩) **আসন** — যিভাৱে বহিলে বহুকাল সুখে বহি থাকিব পাৰি। এই আসন নানা ৰকম দিছে, যেনে পদ্মাসন, স্বস্তিকাসন, বীৰাসন, প্ৰভৃতি নানা আছে। যাৰ যিটো সুবিধা হয়।

(৪) **প্ৰাণায়াম** — এই প্ৰাণায়ামৰ কথাও পূৰ্ব্বত অলপ কোৱা আছে। দক্ষিণ নাসিকা ৰোধ কৰি বাম নাসিকাৰে বায়ু টানি উদৰ পূৰণ কৰাৰ নাম **"পূৰক"** (শক্তি অনুসাৰে ইয়াৰ সময় ১ গুণ) উভয় নাসিকাত ধৰি এই বায়ু ৰোধ কৰাৰ নাম **"কুম্ভক"** (শক্তি অনুসাৰে ইয়াৰ সময় ৪ গুণ) বাম নাসিকা ৰোধ ৰাখি, দক্ষিণ নাসিকাৰে বায়ু লাহে লাহে ত্যাগৰ নাম **"ৰেচক"** (শক্তি অনুসাৰে ইয়াৰ সময় ২ গুণ)।

এই প্ৰাণায়ামৰ নাম বহু আছে, প্ৰকাৰো বহু আছে। এইসকল যোগ শাস্ত্ৰত চাব লাগিব। এই প্ৰাণায়ামৰ সময় ক্ৰমশঃ বৰ্দ্ধিত কৰিব লাগে। আমাৰ শ্বাস আৰু প্ৰশ্বাসৰ বায়ু হৃদয়ৰ (ফুস্‌ফুসৰ) পৰা ফিৰি আহে। কিন্তু সময় বৰ্দ্ধিত কৰি দীৰ্ঘ-দীৰ্ঘতৰ-দীৰ্ঘতম প্ৰাণায়াম কৰিলে সেই কুম্ভকৰ বায়ু সৰ্ব্ব শৰীৰ বিয়পি যায়। যোগী সকলে বায়ু কিমান পৰ্য্যন্ত যায় অনুভৱ কৰিব পাৰে। যি পৰ্য্যন্ত বায়ু যায় সেই সেই স্থানত সূক্ষ্ম শব্দ হয়।

পূৰ্ব্বোক্ত ষট্ চক্ৰৰ কথা ইয়াতে যোগ কৰিব লাগিব। মেৰুদণ্ডৰ (ৰাজহাড়াৰ) মাজেৰে ধস্তুৰৰ (ধতুৰা) ফুলৰ নিচিনা "সুষুম্না" নামে এডাল নাড়ী গুহ্য স্থানৰ সমানৰ পৰা (মূলাধাৰৰ পৰা) মস্তক পৰ্য্যন্ত আছে। সেই নাড়ীৰ মাজ ফফলা। তাৰ মুখত (গুহ্য স্থানৰ সমাগত) সেই সুষুম্নাৰ মুখ। সাৰ্দ্ধত্ৰিবৃত্তাকৃতি কুণ্ডলিনী

নামে এটা বস্তুৱে সেই মুখ বন্ধ কৰি ৰাখিছে। উক্ত প্ৰাণায়ামৰ বায়ু সৰ্ব্বশৰীৰ স্থান নাপালে সেই বায়ুই মূলাধাৰৰ কুণ্ডলিনীত আঘাত দিয়ে। সেই বায়ুৰ আঘাতত কুণ্ডলিনী ক্ৰমশঃ ওপৰলৈ যাবৰ আৰম্ভ কৰে। তেতিয়া যোগী ক্ৰমশঃ জ্ঞান বিকাশ হয়। এক এক চক্ৰ অতিক্ৰম কৰিলে জ্ঞান ক্ৰমশঃ বৰ্দ্ধিত হৈ সেই ষষ্ঠ চক্ৰ পালে সৰ্ব্বজ্ঞতা লাভ হয় আৰু সপ্তম চক্ৰত পৰমাত্মা প্ৰত্যক্ষ হয়। তেতিয়া যোগী ইচ্ছা কৰিলে ভিতৰ বাহিৰ উভয়তে ঈশ্বৰৰ নানা মূৰ্ত্তি সাক্ষাৎ কৰিব পাৰে। ইচ্ছা মৃত্যু হয়। প্ৰাণায়ামৰ দ্বাৰা সৰ্ব্ব শৰীৰত বায়ু সঞ্চাৰ কৰিব লাগিলেও বহুদিন প্ৰাণায়াম অভ্যাস কৰিব লাগিব আৰু সেই চক্ৰসকল অতিক্ৰম কৰিব লাগিলেও বহু দিন লাগিব। এই প্ৰাণায়ামৰ কাৰ্য্য কোমল বয়সত (অৰ্থাৎ ২৪ বছৰৰ ভিতৰত) ক্ৰমশঃ আৰম্ভ নকৰিলে অধিক বয়সত হ'লে ৰোগ জন্মে। বৈপৰীত্যাদি হ'লে কম বয়সত আঁৰম্ভকাৰীবৃত্ত ৰোগ হ'ব পাৰে। এইবাবে সেই প্ৰাণায়াম সম্বন্ধে বিশেষ শাস্ত্ৰজ্ঞ আৰু প্ৰাণায়ামৰ কাৰ্য্যতো গুৰুৰ দৰকাৰ। তেতিয়া সেই ৰোগোপশমনৰ উপায় দিব পাৰিব। এই সকলো কথা শাস্ত্ৰত বিশদভাৱে আছে।

এই হঠযোগী প্ৰথমাৱস্থাত বৰ কষ্ট কৰিব লাগিব। প্ৰাণায়ামৰ বস্তু সৰ্ব্বশৰীৰ ব্যাপন কৰিব পাৰিলে মন স্থিৰ হয়। নিম্নোক্ত ধ্যান ধাৰণা ঠিক হয়। মন স্থিৰ নহ'লে ধ্যান-ধাৰণাৰ নিয়ম ৰক্ষা মাত্ৰ হয়। মন স্থিৰ হ'বৰ আৰম্ভ হ'লে, যোগীৰ কিছুমান সিদ্ধি হয়। যেনে নানা বিভূতি, দ্ৰব্যাদি, অৰ্থাদি, স্বতঃ আগত হয়। ক্ৰমশঃ স্ত্ৰী প্ৰভৃতিও আগত হয়। যেনে বিশ্বামিত্ৰৰ মেনকা অপ্‌সৰা লাভ। তেতিয়া "তুষ্টি" নামে কিছুমান সিদ্ধি হয়। সেইসকল সাংখ্য দৰ্শনত বিস্তাৰ আছে। সেই সকল এইৰূপ — যথা চৈতন্য বিশিষ্ট আত্ম সাক্ষাৎকাৰ তেতিয়া নহয়, জড় কোনো বস্তু সদায় ভাসমান হয়। যদি এইসকলত ধ্যান আৰু ধাৰণা কৰে তেন্তে সেই যোগীৰ মুক্তি নহয়। সেই জড় পদাৰ্থৰ চিন্তা কৰি দেহত্যাগ কৰে। সেই দেহত্যাগত মুক্তি হ'ব নোৱাৰে। যেনে —

দশ মন্বন্তৰাণীহ তিষ্ঠন্তীন্দ্ৰিয় চিন্তকাঃ।
ভৌতিকাশ্চ শতংপূৰ্ণং সহস্ৰং ত্বাভিমানিকাঃ।।
বৌদ্ধা দশসহস্ৰানি তিষ্ঠন্তি বিগত জ্বৰাঃ।
পূৰ্ণশত সহস্ৰন্তু তিষ্ঠন্ত্যব্যক্ত চিন্তকাঃ।
নিৰ্গুণংপুৰুষ্যং প্ৰাপ্ত কালসংখ্যা ন বিদ্যতে।।

সাংখ্যদৰ্শন।

ইন্দ্রিয় চিন্তক সকল দশ মন্বন্তৰ, চতুৰ্ভুতৰ অন্যতম চিন্তক শত বৎসৰ। অহঙ্কাৰ চিন্তক সহস্ৰ বৎসৰ, বৌদ্ধসকল (শূন্যচিন্তক) দশসহস্ৰ বৎসৰ আৰু প্ৰকৃতি চিন্তক সকল শতসহস্ৰ বৎসৰ সন্তাপ ৰহিত হৈ থাকে, নিৰ্গুণ পুৰুষক (চৈতন্যশালী পুৰুষক) পালে কালসংখ্যা নাই, অৰ্থাৎ মুক্ত হয়।

তাৎপৰ্য্য চৈতন্যশালী পুৰুষক চিন্তা কৰি দেহত্যাগ কৰিলে চৈতন্যত লীন হয়। জড় পদাৰ্থ চিন্তা কৰি প্ৰাণ ত্যাগ কৰিলে সেই জড়ৰ স্থিতি পৰ্য্যন্ত ভেক-সৰ্প আৰু কচ্ছপসকল যেনেকৈ ভোজনাদি ৰহিত হৈ নিদ্ৰিত অৱস্থাৰ নিচিনা ৬ মাহ থাকে তেনেকৈ দুঃখ সুখৰ অনুভৱ নোহোৱাকৈ সন্তাপৰহিত হৈ (নিদ্ৰিতৰ নিচিনা) সিমান দিন থাকে। তাৰ পিচত পূৰ্ব্ব কৰ্ম্ম সংস্কাৰ অনুসাৰে জন্ম হয়। কিন্তু চৈতন্যশালী পৰম পুৰুষক পালে আৰু কালৰ সীমা নাথাকে, অৰ্থাৎ মুক্ত হয়।

হঠযোগীৰ কুণ্ডলিনীৰ ভেদ (কুণ্ডলিনীৰ ঊৰ্দ্ধগতি) নোহোৱা অৱস্থাত এইসকল বিঘ্ন হয়। কুণ্ডলিনী ভেদ হৈ ঊৰ্দ্ধগতি কৰিলে শাস্ত্ৰাদি জ্ঞান পৰ্য্যন্ত বিকশিত হয়। তেতিয়া আৰু, উক্ত প্ৰতিবন্ধক নাথাকে, জড়ত লীন হ'বৰো শঙ্কা নাথাকে।

(৫) **প্ৰত্যাহাৰ**- উক্ত প্ৰাণায়ামৰ বায়ু সৰ্ব্বশৰীৰ ব্যাপ্ত অথচ কুণ্ডলিনী আৰু ভেদ হোৱা নাই, এই মধ্যাৱস্থাত যিসকল সিদ্ধি প্ৰভৃতি কোৱা হ'ল সেইসকলৰপৰা মনক টানি আনা কাৰ্য্যক প্ৰত্যাহাৰ বোলে। অৰ্থাৎ বিভূতিৰপৰা অথবা জড়পদাৰ্থ ভাসমানৰপৰা মন টানি আনি চৈতন্যৰ পিনে নিয়াৰ যত্নক প্ৰত্যাহাৰ বোলে।

(৬) **ধাৰণা** - সেই ধ্যেয় বাস্তৱকে স্থানত (হৃদয়াদি স্থানত) এক ৰূপে ৰাখিব পৰা কাৰ্য্য।

(৭) **ধ্যান** — ইষ্ট চিৎ বস্তুৰ আকাৰ চিন্তা কৰা।

(৮) **সমাধি** — সমাধিৰ লক্ষণ আৰু স্বৰূপ পূৰ্ব্বত কোৱা আছে।

ধ্যাতৃধ্যানে পৰিত্যজ্য ক্ৰমাদ্ ধ্যেয়ৈকগোচৰ।
নিবাত দীপৱৎ চিত্তং সমাধিৰভিধীয়তে।।

"অহমমুকেংচিন্তয়ামি" ইয়াতে অহং (ধ্যাতা) অমুকং (ব্যেয় বস্তু) বিন্তয়ামি (ধ্যান অৰ্থাৎ চিন্তা) ইয়াতে যেতিয়া ধ্যাতা আৰু ধ্যান অংশদ্বয় ৰহিত হৈ চিত্ত কেৱল ধ্যেয় মাত্ৰৰ স্বৰূপ হ'ব, অৰ্থাৎ ধ্যেয়ৰ লগত তন্ময় হ'ব। নিজৰ জ্ঞান নাথাকি, ধ্যান বুলিও জ্ঞান নাথাকি কেৱল ধ্যেয়ৰ জ্ঞান হয় সেই অৱস্থাক সমাধি বোলে।

এই সমাধি অৱস্থা যি বস্তুৰ লগত হয়, জড় হোক বা চিৎ বস্তু হোক, দেহ ত্যাগৰ পিচত সেই বস্তু প্ৰাপ্ত হয়।

ভগৱদ্গীতাতো উক্ত কৰিছে —

যংযং বাপি স্মৰণ্ ভাবং ত্যজত্যন্তে কলেৱৰম।
তং তমেবৈতি কৌন্তেয়! সদাতদ্ভাৱভাবিতঃ।।

এইভাৱে হঠযোগীৰ সিদ্ধিলাভাদি বুজিবা।

২। **জ্ঞানী** — জ্ঞানীসকল শব্দ ব্ৰহ্ম জ্ঞানৰ দ্বাৰা, জড়পদাৰ্থ, চৈতন্য পদাৰ্থ (জীৱাত্মাৰ জ্ঞান, পৰমাত্মাৰ) জ্ঞান কৰি সন্দেহ ভঞ্জন কৰি, সেই পৰমাত্মাত স্থিৰ মতি হ'লে। অৰ্থাৎ শাস্ত্ৰত নিঃসন্দিগ্ধ জ্ঞান কৰি পৰমাত্মা স্থিৰ কৰিব পাৰিলে, সেইভাৱে দেহ ত্যাগ কৰিব পাৰিলে মুক্ত হয় আৰু দেহত্যাগৰ পূৰ্ব্বত সেই জ্ঞান বিশেষভাৱে কৰিব পাৰিলে পৰমাত্মাৰ অবিষ্ট মূৰ্ত্তি (পূৰ্ব্বত কোৱা কোনো মূৰ্ত্তি) সাক্ষাৎকাৰ হয়।

জ্ঞানী আৰু হঠযোগীৰ ভেদ এই — হঠযোগীৰ সেই প্ৰতিবন্ধকসকল আছে জ্ঞানীৰ সেইসকল নাই। জ্ঞান লাভ কৰি, হঠযোগ কৰিব পাৰিলে অতি উত্তম বস্তু।

৩। **ভক্ত** — এই ভক্ত হ'ব লাগিলেও (ভক্তি কৰিব লাগিলে) জ্ঞানৰ দৰকাৰ, কিন্তু সেই ৰূপ শাস্ত্ৰজ্ঞানৰ প্ৰয়োজন নাই। গুৰুৰ উপদেশৰ দ্বাৰা ঈশ্বৰ স্বৰূপ জানি, অৰ্থাৎ ঈশ্বৰৰ কোনো এটা মূৰ্ত্তি স্থিৰ কৰি, সেই মূৰ্ত্তি অনুসাৰে শ্ৰৱণাদি সপ্তধা ভক্তি কৰিব পাৰিলে, তাৰ ভিতৰত 'পাদসেৱন' (শুশ্ৰূষা) দাস্য কৰ্মাৰ্পণ অৰ্থাৎ সমস্ত কাৰ্য্য পৰমেশ্বৰৰ বুলি কৰা এই কৰ্ম্মাপণ শব্দৰ অৰ্থ অলপ ভালদৰে বুজাই কোৱা হোক। বহুলোকে ভাবে আৰু কয় এই কাৰ্য্য 'পৰমেশ্বৰৰ' এই কথা একেবাৰে সহজ নহয়। সমস্ত কাৰ্য্য নিজৰ ভাবেই কৰা হয়। এই শব্দৰ তাৎপৰ্য্য শ্ৰীমদ্ ভাগৱতাদিত বিশেষভাৱে কোৱা আছে। সংক্ষিপ্ত তাৎপৰ্য্য এই যে পূৰ্ব্বোক্ত কথা অনুসাৰে সমস্ত জগতৰ কাৰ্য্য ভগৱানৰ "লীলাখেলা"; গতিকে বৰ্ত্তমান মই সেই ভগৱানৰ খেলাৰ নিয়ম (বেদ বাক্য) অনুসাৰে সংসাৰৰ সমস্ত কাৰ্য্য কৰিছোঁ। ইয়াৰ পিচত এফালে কৰিব গতিকে পুত্ৰাদি উৎপন্ন কৰাৰ দৰকাৰ। ইত্যাদি কাৰ্য্যৰ দৰকাৰ হ'লে অৰ্থোপাৰ্জ্জনাদিৰো দৰকাৰ, অৰ্থোপাৰ্জ্জন নহ'লে এই সকলৰ ৰক্ষাদি কেনেকৈ হ'ব ইত্যাদি। আশঙ্কা হ'ব পাৰে যে তোমাৰ উপাৰ্জ্জিত ধন তোমাৰ পুত্ৰাদিৰ প্ৰতি পালনৰ বাবে ব্যয় কৰাকে, অন্যক নিদিয়া কিয়? তাৰ তাৎপৰ্য্য এই যে ভগৱানে মোক যি কেইটাক পালনৰ অধিকাৰ দিছে সেই কেইটাক মই পালন কৰিম, তোমাক অধিকাৰ দিয়া কেইটাৰ তুমি প্ৰতিপালন কৰিবা।

অন্যৰ ওপৰত মোৰ দ্বেষ বা ঈৰ্ষা নাই। পাৰিলে অন্য বস্তু সহায় কৰিম। (যেনে গৰখীয়া (গোপালক) সকল নিজৰ নিজৰ গৰু ৰক্ষা কৰে ইত্যাদি)। গতিকে ভগৱানৰ আদেশ বুলি (বিধিবাক্য অনুসাৰে) কাৰ্য্য কৰাকে কাৰ্য্যাপন্ন বোলে। এনেই দুই এক কথা মুখত ক'লে নহ'ব। এই দাস্য ভক্তি (অৰ্থাৎ কাৰ্যাৰ্পণ) সকল ভক্তিৰে শ্ৰেষ্ঠ; এই ভক্তি প্ৰকৃতভাৱে উদয় হ'লে পিচৰ ভক্তিদ্বয় ভগৱানে অৱশ্যে দিব। আৰু মুক্তি হ'ব সন্দেহ নাই। অৰ্থাৎ সমস্ত কাৰ্য্য পৰমেশ্বৰৰ বুলি কৰা স্মৰণ (স্মৃতি পথত ভগৱদ্ মূৰ্ত্তি আনয়ন) এই দুই ভক্তি মাত্ৰা বৃদ্ধি পালে পিচত সখ্য আৰু আত্মনিবেদন ভক্তি উদয় হয়। তেতিয়া দেহত্যাগ কৰিব পাৰিলে মুক্ত হয়। আৰু সেই সখ্য আত্মনিবেদন ভক্তিৰ কালত ধ্যেয় মূৰ্তি সাক্ষাৎকাৰ হয়। জ্ঞানী হৈ উক্ত ভক্ত হ'ব পাৰিলে আৰু বিশেষ হয়। যোগী ভিন্ন জ্ঞানী আৰু উক্ত সন্যাস আশ্ৰম গ্ৰহণ নকৰিলেও উক্ত সিদ্ধি হয়। সন্ন্যাসাশ্ৰমত বিশেষ সুবিধা।

৬৪। **শিষ্য** — দেৱ! নানা স্থানত নানা কথা শুনা যায়। আধুনিক কিছুমানে পূৰ্ব্বৰ কথাসকল মিছা বুলি কয় আৰু বৰ্ত্তমানিক কথাসকল সত্য বুলি কয়। বিজ্ঞানত বহু বস্তু যন্ত্ৰাদিত প্ৰত্যক্ষতঃ দেখুৱাই দিয়ে। পূৰ্ব্ব লিখকসকল যে যোগ বলৰ দ্বাৰা বা ঐশ্বৰিক সিদ্ধিৰ পৰা সৰ্ব্বজ্ঞতা লাভ কৰি লিখিছে এইসকল মিছা বুলি কয়। ইয়াৰ কাৰণ কিন্তু আৰু এই বিষয়ে কিবা জানিব লগীয়া থাকিলে, অথবা এই বিষয়ৰ কিবা সমাধান থাকিলে জানিবৰ ইচ্ছা।

গুৰু — বৎসগণ! আধুনিক বিজ্ঞানৰ দ্বাৰা যিসকল আবিষ্কাৰ কৰিছে সেইসকল মই মিছা বুলি ক'ব নোখোজো। কিন্তু পূৰ্ব্ব বাক্যসকলো মই মিছা বুলি নকওঁ। যি সকলে পূৰ্ব্বৰ বাক্য মিছা বুলি কয়, সেইসকলৰ কথাৰ ধৃষ্টতা মাত্ৰ বুজিবা।

কাৰণ, এই যান্ত্ৰিক বিজ্ঞান পূৰ্ব্বত নাছিল এনে নহয়, আৰু যোগজ বিজ্ঞানো নাছিল এনে নহয়, সকলো বিলাক আছিল। কালৰ গতিত, উদ্ধত ৰাজাসকলৰ উৎপাতত বহু বস্তু নষ্ট হৈছে, আৰু বহু বুজাত উলটা হৈছে। শুনিব পাইছোঁ যে মুছলমান ৰাজাৰ দিনত হিন্দুৰ বহু শাস্ত্ৰ নি পুৰি পেলাইছে। কিছুমান পুথি এখন মাত্ৰ আছিল, সেই লিখক ৰাজ বিপ্লৱত কোনো স্থানত গ'ল। পুস্তক অজ্ঞানীৰ হাতত পৰি নষ্ট হ'ল। বৰ্তমানতো শুনা গৈছে যে ভৰদ্বাজ মুনি লিখিত ব্যোমযান সম্বন্ধে এখন শাস্ত্ৰ মাত্ৰাজত পাইছে। তাৰ বহু অক্ষৰ নষ্ট, সম্পূৰ্ণ অৰ্থ কৰিব পৰা নাই। বৰ্তমানিক ব্যোমযান বাহিৰ নোহোৱাত ৰামায়ণত ইন্দ্ৰজিতৰ যুদ্ধ, আৰু

পুষ্পক ৰথৰ কথা যিবা বুলি কোৱা প্ৰচুৰ বৈজ্ঞানিক আছিল।

বৎসগণ! কিছুমানক যে তোমালোকে বৈজ্ঞানিক বোলা সেইসকল প্ৰকৃত বৈজ্ঞানিক নহয়। সেইসকলে অন্যে বাহিৰ কৰা বিজ্ঞানৰ কথাখিনি পাই নিজক ডাঙৰ বুলি অভিমান কৰে, তাৰ ওপৰত আৰু কিবা তত্ত্ব আছেনে নাই, তাৰ অনুসন্ধানৰ চেষ্টা নকৰে। কিন্তু যিসকল প্ৰকৃত বৈজ্ঞানিক, তেওঁলোকে সেই সকলক নিন্দা নকৰি, নিজৰ আবিষ্কৃত তত্ত্বকে পুনঃ অনুশীলন কৰি, আৰু তাৰ নতুন কথা বাহিৰ কৰে।

বৎসগণ! আৰু এটা দৃষ্টান্ত দিও শুনা। বিজ্ঞানৰ সত্যতা প্ৰমাণ কৰিব লাগিলে সেই বিজ্ঞানৰ যন্ত্ৰাগাৰক যাব লাগিব, সেই সূক্ষ্ম অণু দেখিব লাগিলে "মাইক্ৰোস্কোপক" (microscope) চাব লাগিব। আৰু সেই মাইক্ৰোস্কোপতো নানা জনৰ নানা মতভেদ পোৱা যায়। যি হোক পুৰাতন শাস্ত্ৰতো যি সকল যোগৰ কথা বা ঈশ্বৰাধনৰ কথা লিখিছে, সেই সকলোক এনেই মিথ্যা নুবুলি সেই কাৰ্য্য কৰি মিথ্যা বোলাহে ভাল। মই নিজেই বহু ডাঙৰ ডাঙৰ ডাক্তৰৰ মুখে শুনিছোঁ, যে আয়ুৰ্ব্বেদৰ ঔষধসকল মিছা আৰু সেইসকলৰ দ্বাৰা ৰোগ নাশ নহয়। কিন্তু সেই আয়ুৰ্ব্বেদজালি আৰু তাৰ কাৰ্য্য কৰি চালেহে ভাল বেয়া দোষ দিয়া উচিত। অথচ কিছুমান বিদেশী ডাঙৰ ডাক্তৰসকলে আয়ুৰ্ব্বেদক বিশেষ প্ৰশংসা কৰে।

বৎসগণ! নতুন বিজ্ঞানৰ পিনে নাচাই ভগবানৰ যন্ত্ৰৰ পিনে চোৱাচোন। পৃথিৱীত সমস্ত বস্তু আছে। এক পৃথিৱীতে এটা কুঁহিয়াৰ পুলি, এটা কাকিৰালৰ পুলি আৰু এটা ভুঁইজালুকৰ পুলি ৰোপণ কৰা, দেখিবা প্ৰত্যেক ভগৱৎকৃত যন্ত্ৰে পৃথিৱীৰ পৰা স্ব স্ব ৰস আনিছে। আৰু সেই বস্তু খাই পুৰুষৰ শৰীৰ ৰূপ যন্ত্ৰে নিজ শৰীৰৰ পৰিপোষণকাৰী অস্থিমজ্জাদি সপ্তধাতু তৈয়াৰ কৰিছে আৰু সেই বস্তুকে খাই স্ত্ৰীসকলে প্ৰয়োজনীয় সময়ত নিজৰ শৰীৰ পৰিপোষণ কৰিও সন্তানৰ পৰিপোষণৰ বস্তু তৈয়াৰ কৰিছে। এই সকল বিচিত্ৰতা দেখি জ্ঞানীসকলে সমস্ত কাৰ্য্য ভগৱানত অৰ্পণ কৰে।

যি হোক এতিয়া মোৰ যুক্তি শুনা —

প্ৰমাণ — শ্ৰেষ্ঠ হিচাবে তিনিটা প্ৰত্যক্ষ, অনুমান, আৰু শব্দ, অতিৰিক্ত আৰু উপমান, অৰ্থাপত্তি, অনুপলব্ধি, সম্ভৱ, ঐতিহ্য এই পাঁচটা আছে। এই সকলত দাৰ্শনিক বিচাৰ বহু আছে। পিচৰ পাঁচটা পূৰ্ব্বৰ তিনিটাৰে অন্তৰ্ভুক্ত কৰি ল'ব পাৰি।

পূৰ্ব্বৰ তিনিটাৰ কথা মই অলপ কওঁ কাৰণ তোমালোকৰ আপত্তিৰ উপযোগী হ'ব।

প্ৰত্যক্ষ প্ৰমাণ — অক্ষ শব্দৰ অৰ্থ ইন্দ্ৰিয়, প্ৰতি শব্দৰ অৰ্থ সাম্মুখ্য অৰ্থাৎ সম্বন্ধ, গতিকে ইন্দ্ৰিয় সম্বন্ধৰ দ্বাৰা যি জ্ঞান হয় সেই জ্ঞানক প্ৰত্যক্ষ বোলে। চক্ষুঃ-কৰ্ণ, নাসিকা-জিহ্বা অৰ্থাৎ — চক্ষুৰ দ্বাৰা ৰূপ, কৰ্ণৰদ্বাৰা শব্দ, নাসিকাৰ দ্বাৰা গন্ধ, জিহ্বাৰ দ্বাৰা ৰস আৰু ত্বকৰ দ্বাৰা স্পৰ্শ জ্ঞান কৰা হয়। মনৰ দ্বাৰা জ্ঞান, ইচ্ছা, যত্ন, সুখ, দুঃখ মানস প্ৰত্যক্ষ কৰা হয়।

অনুমান প্ৰমাণ — এটা বস্তুৰ জ্ঞান হ'লে, সেই বস্তুৰ নিয়ত সম্বন্ধ থাকা বস্তুৰ পুনঃ জ্ঞান উৎপত্তি হ'লে, সেইটো অনুমানিক জ্ঞান। যেনে দূৰৈত ধূম দেখিলে সেই ধূমৰ সম্বন্ধ জ্ঞানৰ দ্বাৰা অগ্নিৰ জ্ঞান কৰা।

শব্দ প্ৰমাণ — কৰ্ণেৰে ধ্বনি শুনাটো প্ৰত্যক্ষ। কিন্তু শব্দসকল শুনি, শব্দৰ পৰা সেই বাচ্য অৰ্থ স্মৰণ কৰি, সেই বাচ্যাৰ্থসকলৰ মিলিতাৰ্থবোধৰ নাম শাব্দবোধ বা শব্দ প্ৰমাণ গম্য অৰ্থ। অৰ্থাৎ শব্দ প্ৰমাণ শব্দৰ অৰ্থ — আপ্তবাক্যৰ দ্বাৰা (যথাৰ্থ বক্তাৰ দ্বাৰা) যি বোধ হয়, সেই শাব্দ।

এই তিন প্ৰমাণৰ ভিতৰত পূৰ্ব্বাপেক্ষা পৰস্পৰ প্ৰমাণ বলবান। চোৱা — প্ৰত্যক্ষৰ কাৰণ প্ৰথম চক্ষুকে ধৰা, সেই চক্ষুৰ অস্তিত্ব (দৃষ্টি শক্তিৰ অস্তিত্ব) অনুমান গম্য। কাৰণ দৃষ্ট চক্ষু ইন্দ্ৰিয় নহয়, তাৰ ভিতৰত কোনো এটা এনে সূক্ষ্ম বস্তু আছে, যি বস্তু থকা নাথাকা, ভাল বেয়া প্ৰভৃতি অনুমানেৰেহে বুজিব লাগিব। অন্য ইন্দ্ৰিয়ৰোও এই ৰূপ বুজিবা। অন্য কি নিজ মুখ দেখিব লাগিলেও চক্ষুৰ দেখিবৰ শক্তি নাই। দৰ্পণ সহকাৰী হ'ব লাগিব, তাতো দক্ষিণ ভাগ আৰু বাম ভাগৰ বিপৰীত দেখা যায় গতিকে নিজৰ মুখ দেখিবলৈ অনুমান আৰু আপ্ত বাক্যৰ দৰকাৰ হ'ল ইত্যাদি। এই প্ৰত্যক্ষ আৰু অনুমানৰ সমস্ত বস্তু জ্ঞানৰ বাবে আপ্ত বাক্য অৰ্থাৎ শব্দ প্ৰমাণৰ দৰকাৰ। পূৰ্ব্বত কোৱা আছে। কোনো যথাৰ্থ বক্তা ব্যক্তিয়ে আমাক শাব্দবোধ ৰূপ ভাষা শিক্ষা দিছে।

অন্য কি? তোমালোকৰ পিতা কোন? মাতা কোন? এই পিতা মাতা বস্তু জানিবৰ উপায় আপ্তবাক্য ভিন্ন অন্য প্ৰমাণ নাই। অৰ্থাৎ, প্ৰত্যক্ষৰ দ্বাৰা বা অনুমানৰ দ্বাৰা অন্ততঃ পিতা-মাতাক জানিবৰ উপায় নাই। গতিকে আপ্ত বাক্য হিচাপে পূৰ্ব্ব শাস্ত্ৰ লিখকসকলৰ কথা সেই সেই বিষয়ত নিশ্চিত নহ'লে অপ্ৰমাণ বোলা উচিত নহয়।

৬৫। **শিষ্য** — দেৱ! পৰমেশ্বৰৰ বাক্যৰ দ্বাৰা আমাৰ শাস্ত্ৰীয় জ্ঞানো ব্যৱহাৰিক জ্ঞান হ'ল। এই জ্ঞানেৰে আমি তত্ত্ব জ্ঞান কৰি ভগবানক পাম। কিন্তু ভগবান

সমদৰ্শী, সকল প্ৰাণীৰে উপকাৰৰ বাবে এই সৃষ্টি কাৰ্য্য কৰিছে, গতিকে তেওঁ মনুষ্যেতৰ জৰায়ুজ-অণ্ডজ-উদ্ভিদ্জ আৰু ছেদজ প্ৰাণীসকলৰ পক্ষে এই ৰূপ তত্ত্বজ্ঞান বিতৰণৰ পন্থা নকৰিলে কিয়? এই সম্বন্ধে সৃষ্টিৰ তত্ত্ব অলপ জানিবৰ ইচ্ছা।

গুৰু — বৎসগণ! পূৰ্ব্বত কোৱা আছে বেদ ভগৱানৰ আদেশ বাক্য আৰু তদবাস্তৱ যে অন্যান্য চতুৰ্দ্দশ বিদ্যাদি আছে সিও ভগৱদাদেশ অনুসাৰে ঋষিসকল প্ৰণীত। আৰু পূৰ্ব্বত এটা কথা কোৱা হৈছে যে জ্ঞানীৰ জ্ঞানৰ সম্বন্ধত, অজ্ঞান ধ্বংস হয়। পাপাদি বেয়া কাৰ্য্য সকলো জ্ঞানীসকলক ধেনু বা ধেনুমূল্য দানাদি দ্বাৰা ধ্বংস কৰা হয়। পাপাদি সকলো অজ্ঞানৰ কাৰ্য্য। মনুষ্যগণ অলপ, মধ্যম, অধিক হিচাবে জ্ঞানী। অনুষ্যেতয় উক্ত চাৰি শ্ৰেণীৰ জীৱৰ মনুষ্যৰ সম্বন্ধৰ দ্বাৰা জ্ঞানৰ পিনে উন্নতি বুজিবা। যেনে —এজন বিশিষ্ট ব্যক্তি তত্ত্বজ্ঞান পাই মুক্ত হ'ল। সেই মানুহজনে ৫০ বছৰ বয়সত তত্ত্বজ্ঞান পালে।

এই ৫০ বছৰ জীৱিত থাকিবলৈ যিসকল প্ৰাণী সহকাৰী হৈছে আৰু যি সকল প্ৰাণী সেই ব্যক্তিৰ তত্ত্বজ্ঞানৰ সহকাৰী হৈছে এই সকলৰো নিশ্চয় কিবা উপকাৰ হ'ব লাগিব। এইসকল প্ৰাণীৰ ভিতৰত উক্ত জৰায়ুজাদি চাৰি শ্ৰেণীৰ প্ৰাণী আছে। গতিকে বুজিবা সেই সকল প্ৰাণীৰ ক্ৰমোন্নতি হ'ব। যেনে — বংশত এজন মুক্ত হ'লে সেই বংশত উৰ্দ্ধদশ পুৰুষ অধঃপিনেও দশ পুৰুষ সদ্গতি প্ৰাপ্ত হয়। অন্যান্য সেই ব্যক্তি শৰীৰ ৰক্ষাৰ বাবে গৰু প্ৰভৃতি জৰায়ুজ আছে, আৰু অশুদ্ধ আৰু উদ্ভিদ্জ প্ৰভৃতি ঔষধি ৰূপে বহু আছে, সেই সকলো সহকাৰী। গতিকে সিহঁতৰ ক্ৰমোন্নতি আছে। ভাবি চোৱা একভাগ সাপৰ বিষৰ দ্বাৰা জ্বৰাদিনাশ কৰি সদ্ব্যক্তি দশজনক দীৰ্ঘজীৱী কৰিলে, আৰু সেই দীৰ্ঘ জীৱনৰ ভিতৰত সিহঁতে যিমান ধৰ্ম্ম কৰিলে, বা ভগবানৰ নাম ল'লে তাৰ অংশ সেই সৰ্পৰো কিছু হ'ব, সন্দেহ নাই। এই বাবে আমাৰ ধৰ্ম্ম কাৰ্য্যত যিসকল উদ্ভিদ্জ পদাৰ্থ প্ৰয়োজন হ'ব (অৰ্থাৎ চাউল, দালি, পুষ্প, তুলসী ইত্যাদি) এইসকল জীৱৰ নিশ্চয় উন্নতি হ'ব। এই বাবে বেদাদি শাস্ত্ৰত জীৱ বিভাগ কৰি ধৰ্ম্ম-কাৰ্য্যত ব্যৱহাৰ কৰিব দিছে। পূৰ্ব্বত কোৱা আছে ভগৱানে প্ৰাণীকে প্ৰাণীৰ খাদ্য ৰূপে তৈয়াৰ কৰিছে। সেই প্ৰাণীৰ পূৰ্ব্বে-কৰ্ম্মৰ সংস্কাৰ অনুসাৰে প্ৰাণ ত্যাগ, ভালৰ সংসৰ্গত, অথবা বেয়াৰ সংস্পৰ্শত হয়। বাঘে খোৱা পাঠাৰ গতি আৰু ভগৱতীক নিবেদন কৰা পাঠাৰ গতি সমান নহয়। গতিকে মানুহে

যি কোনো বস্তু খায়, ভগৱানক নিবেদন কৰি খাব লাগে। তেতিয়া নিজৰো উপকাৰ আৰু সেই বস্তুৰো উপকাৰ হয়।

তোমালোকে ভাবি চোৱা এটা মনোহৰ ফুল, "বিষ্ণেৱে নমঃ" বুলি বিষ্ণুত অৰ্পণ কৰিলা, তোমাৰ বৈকুণ্ঠপ্ৰাপ্তি ফল হ'ল, কিন্তু ফুলৰ তাত অংশ নাই, এই কথা ক'ব নোৱাৰা। কিছুমান বৃক্ষাদিও এইভাৱে ভগৱৎ পদ পায়। যেনে শ্ৰীকৃষ্ণৰ বৰণৰ সংসৰ্গ পাই জমলাৰ্জ্জুনৰ মুক্তি। যি বিলাক বৃক্ষৰ অতি বেয়া দুৰদৃষ্ট অৰ্থাৎ কোনো কিছুমান মনুষ্য পাপবশতঃ জ্ঞান শূন্য বৃক্ষ যোনিত জন্ম গ্ৰহণ কৰিলে, তাৰে কোনো যজ্ঞীয় কাষ্ঠ হ'ল, কোনো শ্মশানৰ শগুন বা হাড়গিলা পৰা বৃক্ষ হ'ল। এই দুই বৃক্ষৰ সমান ফল নহয়। গতিকে সেই পূৰ্ব্ব-পাপৰে কিবা কিবি যে আছে। একপাপ কৰিলেও কৰ্ত্তাৰ কাৰ্য্যৰ পদ্ধতি অনুসাৰে পাপৰ মানা বেছি কম হয়। এইসকল শাস্ত্ৰত লিখিত আছে। বেছি পাপীৰ লিখা আছে যে —

"শ্মশানে জায়তে বৃক্ষো গৃহ কঙ্ক নিসেবিত।" ইত্যাদি

উক্তভাৱে মনুষ্যেতৰ প্ৰাণী ক্ৰমোন্নতি পাই মনুষ্য জন্মত তত্ত্ব জ্ঞান পাই মুক্ত হয়।

৬৬। **শিষ্য** — দেৱ! এতিয়া আমাৰ আৰু নতুন আপত্তি উত্থিতি হ'ল। যদি পশু-পক্ষী-বৃক্ষাদিৰ মনুষ্য সংসৰ্গতহে ক্ৰমোন্নতি হৈ বহু জন্মত হে তত্ত্ব জ্ঞান পাই মুক্ত হয় তেতিয়া সেই পশু-পক্ষী-বৃক্ষাদিৰ নিজ নিজ জন্মত কোনো শুভাদৃষ্ট বা দুৰদৃষ্ট তৈয়াৰ হয় নহয় জানিবৰ ইচ্ছা।

গুৰু — বৎসগণ! সেই জীৱ ভগৱানৰ এই লীলা খেলা ৰূপ এই সংসাৰত ভগৱানৰ আদেশৰূপ বেদাধীনত নাই বুলি অদৃষ্ট তৈয়াৰ হ'ব নোৱাৰে। কেৱল পূৰ্ব্বাদৃষ্টৰ ভোগ মাত্ৰ। সেই সেই অদৃষ্টৰ ভোগসকল শেষ কৰি বহু জন্মৰ পিচত মনুষ্য জন্ম গ্ৰহণ কৰি তত্ত্বজ্ঞান পাই মুক্ত হয়।

৬৭। **শিষ্য** — দেৱ! যদি মনুষ্য জন্মতে হে অদৃষ্ট তৈয়াৰ হয় অন্য প্ৰাণীৰ শুভাশুভ অদৃষ্ট তৈয়াৰ নহয় তেন্তে সৃষ্টিৰ আদি অৱস্থাত মাত্ৰ মনুষ্যই থাকিব লাগিব। আৰু যদি মনুষ্যই আছিল, ইতৰ প্ৰাণী নাছিল, তেন্তে খাদ্যখাদক ভাব নাথাকিলে অদৃষ্ট কেনেকৈ তৈয়াৰ হয়। এই সম্বন্ধে জানিবৰ ইচ্ছা।

গুৰু — বৎসগণ! এইভাৱে সৃষ্টি আদি স্বীকাৰ কৰিলে, প্ৰথম বা মানুহৰ জন্ম হয় কিয়? আৰু মানুহ বা একৰকমৰ নহ'ল কিয়? ইত্যাদি শঙ্কাৰ বাবে সৃষ্টি

অনাদিত্ব স্বীকাৰ কৰিছে। গতিকে সৃষ্টিৰ পিচত প্ৰলয় আৰু প্ৰলয়ৰ পিচত সৃষ্টি এইভাৱে যথাপূৰ্ব্ব সৃষ্টি চলিছে।

৬৮। **শিষ্য** — দেৱ! ইষ্ট দেৱতা আৰু গুৰুৰ চিন্তা কিৰূপ? কিৰূপে চিন্তা কৰিলে, জীৱৰ সদ্‌গতি হয়। আৰু যদি কিবা চিন্তাৰ ভেদ থাকে তেন্তে সেই ভেদানুসাৰে পৰজন্মৰ গতিভেদ হ'ব কি নহ'ব। এই সফল জানিবৰ ইচ্ছা।

গুৰু — বৎসগণ! প্ৰথমতঃ এটা কথা বুজি ল'বা যে "আহাৰ্য্য জ্ঞান" নামে এটা জ্ঞান আছে। এই জ্ঞান হৈছে যে অন্য বস্তুক অন্য বুলি জ্ঞান কৰা। এই জ্ঞান ল'ৰা-ছোৱালীৰ খেলাত বিশেষভাৱে দেখা যায়। আৰু কাব্যৰ ৰূপকালঙ্কাৰ আহাৰ্য্য জ্ঞান। ছোৱালীৰ খেলা-বৰ, কন্যা সাধাৰণ কাঠৰ পুতুলাত আৰোপ। এই আহাৰ্য্যমানৰ মিথ্যা অংশে ফল দিব নোৱাৰে, প্ৰকৃত অংশইহে ফল দিব। তুমি অগ্নিক জল বুলি ভাবি হাত দিলেও জলৰ কাৰ্য্য নহ'ব। অগ্নিৰ কাৰ্য্যহে হ'ব। আৰু জলক অগ্নি বুলি দিলে অগ্নিৰ কাৰ্য্য নহ'ব। জলৰ কাৰ্য্যহে হ'ব। সেই ৰূপ "বাঘবান" দোলাৰ বাঘে মানুহ নাখাব। কিন্তু বাঘক সেই লেলাৰ গুটি বুলিলেও ক'ব। শাস্ত্ৰৰ কথাত ভুল নাই; বোধত ভুল আছে। চোৱা —

(১) **"গুৰৌ মানুষবুদ্ধিস্তু মন্ত্ৰে চাক্ষৰ বুদ্ধিতা"** আৰু পুনঃ

(২) **"নমস্ত গুৰবে তস্মাদ্ বিষ্ট দেৱ স্বৰূপিণে।।"**

(৩) **"গুৰুৰ্ব্ৰহ্মা গুৰুৰ্বিষ্ণু ৰ্গুৰুৰ্দেৱ মহেশ্বৰঃ।।"**

(১) নং নিষেধ বাক্য আৰু পিচৰ দুই বাক্য বিধি। তাৎপৰ্য্য এই যে ব্ৰহ্মা বিষ্ণু, মহেশ্বৰ গুৰু হ'লে পৰমাত্মা গুৰু হ'ল। পূৰ্ব্বত কোৱা আছে, এই তিনি শব্দৰ বাচ্য এক পৰমাত্মা। গুৰুত মানুহ বুদ্ধি কৰা নিষেধৰ কাৰণ গুৰুৰ আত্মা ব্ৰহ্ম বুলিছে। সেই আত্মা এক বা এক জাতীয়। যিহেতু (মনুষ্যত্ব শৰীৰ বৃত্তি গতিকে শৰীৰক গুৰু বুলিব নিষেধ কৰিছে। অক্ষৰৰ সমষ্টিৰূপ মন্ত্ৰ হ'লেও সেই সমষ্টিৰ ধ্বনিহে মন্ত্ৰ (অৰ্থাৎ যাৰ দ্বাৰা বাচ্য বস্তু বোধ হয় স্ফোটাত্মক) সেই ধ্বনিত অক্ষৰাত্মকতা দোষ। গতিকে পৰমাত্মাৰ স্বৰূপ গুৰুকচিন্তা কৰিব আৰু ইষ্ট দেৱতাত সেই পৰমাত্মা। গতিকে (২) নং বাক্য। এতিয়া পূৰ্ব্বৰ আহাৰ্য্য জ্ঞানৰ লগত মিল কৰি চোৱা। গুৰুৰ শৰীৰত ঈশ্বৰত্ব আৰোপণ কৰিলে ফল নহ'ব। কিন্তু বিষ্ণু প্ৰভৃতিৰ শৰীৰত মনুষ্যত্ব আৰোপ কৰিলে ফল পাব। প্ৰকৃত পক্ষে বিষ্ণু প্ৰভৃতি শৰীৰ চিন্ময়। ভৌতিক নহয়।

৬৯। **শিষ্য** — দেৱঃ! ইতি পূৰ্ব্বত আপোনাৰপৰা পৰমাণুৰ কথা অলপ

শুনিব পাইছোঁ। অন্য ফালৰপৰা শুনিব পাঁও যে বীজাণু আৰু জীৱাণু বুলি কিছুমান পদাৰ্থ আছে। সেইসকল আমাৰ শৰীৰাদিত থাকি নানা ৰোগ জন্মায় আৰু নানা উপকাৰো কৰে। এই সকলৰ কিবা তাৎপৰ্য্য জানিবলগীয়া থাকিলে জানিবৰ ইচ্ছা।

গুৰু — বৎসগণ! এই বিষয় অলপ কথা আছে, সুস্থিৰভাবে শুনিবা।

বীজাণু — এই বস্তুই বীজ। এই বীজক আশ্ৰয় কৰি জীৱ চৈতন্যই সংসাৰৰ কাৰ্য্য বৃদ্ধি কৰে; যেনে — ধানৰ বীজ; সেই বীজ ধানৰ কণৰ ভিতৰত আছে। কিন্তু সেই ধানৰ বীজ ঘৰত ৰাখিলে অঙ্কুৰ বাহিৰ নহয়। মাটিত পেলাই দিলে অৰ্থাৎ তাৰ লগত মৃত্তিকা, জল, বায়ুপ্ৰভৃতি অন্য কাৰণ সমুদায় মিলন হ'লে জীৱ চৈতন্য আশ্ৰয় কৰি বৰ্দ্ধিত হ'বত আৰম্ভ হয়। বৃক্ষাদিৰ বীজ সেই গুটিৰ ভিতৰত থাকে তেনে নহয়, কিছুমান বৃক্ষৰ শাখা প্ৰভৃতিতো থাকে। যাৰ শাখা প্ৰভৃতিৰপৰা যথাস্থানত দিলে কিছুদিন পিছত পত্ৰাদি দেখা যায়। সেই বিলাকৰ বীজাণু শাখা প্ৰভৃতিতো থাকে। এই সকল অণু (অতিসূক্ষ্ম) বৰ্ত্তমান সময়ত সেই সূক্ষ্ম বীজাণু যন্ত্ৰ সাহায্যত ধৰিব পাৰিছে, কিন্তু জীৱাণু (বা জীৱচৈতন্য) যন্ত্ৰেৰে ধৰিব নোৱাৰে এই সকল জ্ঞান গম্য আৰু যোগবল দৃশ্য। এই কথা জীৱাত্মা নিৰূপণৰ সময়ত কোৱা হৈছে। বীজাণুৰ বহু প্ৰকাৰ ভেদ আছে। যেনে — (১) প্ৰথমতঃ সৃষ্টি, স্থিতি, প্ৰলয়ৰ বাবে ব্ৰহ্মা, বিষ্ণু, ৰুদ্ৰ ৩টা ঈশ্বৰীৰ স্থূল শৰীৰ কোৱা হৈছে। আৰু তেওঁলোকৰ সেই সৃষ্টাদি নানা কাৰ্য্যৰ বাবে নানা শৰীৰ বহু পুৰাণৰ নানা ৰূপৰ আছে। সেইসকল যি আকাৰৰ ঠিক সেই আকাৰৰ সূক্ষ্ম বীজাণুও আছে। আৰু বিৰাট ব্ৰহ্মাণ্ডৰ আকাৰ আছে। ব্ৰহ্মাণ্ডৰ আকাৰ যি ঈশ্বৰীয় বিৰাট শৰীৰ, সেই শৰীৰ কিৰূপ? ব্ৰহ্মাণ্ডৰ ভিতৰত থাকি ধৰিব নোৱাৰি, ব্ৰহ্মাণ্ডৰ বাহিৰে যাই চালেহে কেনে বুজিব পাৰিবা। আমাৰ শৰীৰৰ ভিতৰত কিমান আমাৰ চক্ষুৰ দৃশ্য কৃত্ৰিম প্ৰভৃতিৰ জীৱ শৰীৰ আছে, সেই বিলাকৰ পক্ষে আমাৰ শৰীৰো ব্ৰহ্মাণ্ড।

১। ইয়াতে বুজিবলগীয়া এই যে যিবিলাক বীজাণু আমাৰ শৰীৰ শোষক অৰ্থাৎ শৰীৰ বৃদ্ধিৰ বাবে আছে সেইসকল ব্ৰহ্মাৰ বা ব্ৰহ্মাৰ পত্নী তেওঁলোকৰ অবান্তৰ ভেদৰ স্বৰূপ অৰ্থাৎ আকৃতি।

২। যিবিলাক বীজাণু আমাৰ শৰীৰ ৰক্ষক অৰ্থাৎ শৰীৰৰ অপকাৰক বীজাণু সকলক নষ্ট কৰি বা সিহঁতৰ শক্তি হ্ৰাস কৰি, শৰীৰ ঠিক ৰাখিছে, সেইসকলৰ

স্বৰূপ বা আকৃতি বিষ্ণুৰ বা তেওঁৰ পত্নী অথবা তেওঁৰ অবান্তৰ ভেদ (নানা অৱতাৰৰ স্বৰূপ)।

৩। যি বিলাক বীজাণু আমাৰ শৰীৰৰ অপকাৰক অৰ্থাৎ ৰোগাদি কাৰক, সেইসকলৰ স্বৰূপ বা আকৃতি ৰুদ্ৰ বা তেওঁৰ পত্নীৰ, অথবা তেওঁৰ বা তেওঁৰ পত্নীৰ অবান্তৰ ভেদৰ স্বৰূপ।

যেনে — কলেৰাৰ বীজাণু নিশ্চয় দক্ষিণ কালীৰ অৰ্থাৎ "আসি মুণ্ড কৰা ভয়দা বৰদা" যেন হ'ব। অথবা ছিন্নমস্তাৰ আকৃতি হ'ব। বসন্তৰ বীজাণু শীতলাৰ অৰ্থাৎ "ৰসভস্থা মাৰ্জ্জনী কলসোপেটা" হ'ব। এইভাৱে শাস্ত্ৰত যি ৰোগৰ উপশমৰ বাবে যিৰূপ দেৱ দেৱীৰ পূজা আৰাধনা কৈছে; সেইসকলৰ সেই সেই আকৃতি বুজিবা। বহু চিন্তাৰ কথা সংক্ষেপে কোৱা হ'ল। শ্ৰীশ্ৰীচণ্ডীত উক্ত আছে, মই সেই দেৱীক দেৱতাসকলে পূজা আৰাধনা কৰাৰ বাবে তেওঁলোকৰ অপকাৰক মহিষাসুৰ ৰক্তবীজ প্ৰভৃতিক, সেই আকাৰৰ দেৱীয়ে নষ্ট কৰি দিছিল। বীজাণু পৰীক্ষাৰ যন্ত্ৰত যিসকল বীজাণু চিকিৎসকসকলে দেখা পায়, সেইসকল গোলাকাৰ নহয়, সেই সকল দীৰ্ঘ, বক্ৰ, নানা আকাৰৰ। যেতিয়া উক্ত যন্ত্ৰ আৰু ডাঙৰ আকাৰে দেখিব পৰা হিচাবে তৈয়াৰ হ'ব, তেতিয়া নিশ্চয় আকাৰ শাস্ত্ৰোক্ত হিচাবে আকাৰ (সেই কলেৰাৰ বীজৰ অসিমুণ্ড কৰা "ভয়দা বৰদা" মূৰ্ত্তি) দেখা পাব।

গতিকে সূক্ষ্মদৰ্শী ঋষিসকলে সেই সেই উপকাৰৰ বাবে বিষ্ণুৰ আৰাধনা আৰু সেই সেই ৰোগনাশ বা শত্ৰু নাশৰ বাবে শিৱ বা শিৱশক্তিৰ আৰাধনাৰ উপদেশ দিছে।

বৎসগণ! এইখিনি কথা অৱলম্বন কৰি সূক্ষ্ম চিন্তাৰে পুৰাণ, স্মৃতি প্ৰভৃতি শাস্ত্ৰ চালে আৰু বিস্তাৰ আৰু সূক্ষ্মাতি সূক্ষ্ম বুজিব পাৰিবা। আকাশৰ গ্ৰহ নক্ষত্ৰ গণে যে আমাৰ ওপৰত নানা প্ৰভাৱ (উপকাৰ, অপকাৰ) চলাই আছে। সেই বিলাকে কোন গ্ৰহে কোন ৰোগ বা কোন সৌভাগ্য সূচনা কৰে এইসকল সংস্কৃতকৃত জ্যোতিষচিন্তামণি গ্ৰন্থত পাবা।

বৎসগণ! বেদ, উপনিষদ্, পুৰাণ আৰু স্মৃতি প্ৰভৃতি শাস্ত্ৰত পাবা যে ভগবানৰ আকাৰ "অণোৰণীয়ান" "মহতো মহীয়ান্" ইয়াৰ দ্বাৰাও বিৰাট্ ব্ৰহ্মাণ্ডৰ আকাৰত মূৰ্ত্তি আৰু অতি সূক্ষ্মও ভগবানৰ মূৰ্তি আছে।

৭০। **শিষ্য** — দেৱ! ব্ৰহ্মা বিৰাট্‌ৰূপে হোক বা সূক্ষ্মৰূপে হোক আমাৰ উপায় অৰ্থাৎ বৃদ্ধিৰ কাৰ্য্য কৰিছে। বিষ্ণুই বিৰাটৰূপে হোক বা সূক্ষ্মৰূপে হোক আমাৰ

অশুভ প্ৰতিৰোধ কৰি ৰক্ষাৰ কাৰ্য্য কৰিছে। ৰুদ্ৰই বিৰাট্ ৰূপে হোক বা সূক্ষ্ম ৰূপে হোক আমাৰ ক্ষয়ৰ (ৰোগাদিৰ) কাৰ্য্য কৰিছে। বুজা গ'ল যে এই ব্ৰহ্মা, বিষ্ণু আৰু ৰুদ্ৰৰ ভিতৰত একজনক উপাসনা কৰিলে আমাৰ ইষ্ট সিদ্ধি হ'ব। কাৰণ —

ব্ৰহ্মাই যদি আমাৰ উপচয় বৰ্দ্ধন কাৰ্য্য ঠিক ৰাখে, তেন্তে পালনৰ বা ৰোগাদিৰ দ্বাৰা অপচয়ৰ (ক্ষয়ৰ) কোনো প্ৰয়োজন নহ'ব।

অথবা বিষ্ণুই যদি বিৰোধী প্ৰতিৰোধৰ দ্বাৰা পালন (আমাৰ ৰক্ষাৰ কাৰ্য্য) কৰে নাশৰ বা বেয়াৰ কোনো ভয় নাই।

অথবা ৰুদ্ৰই যদি ৰোগাদি উৎপন্ন হ'বই নিদিয়ে, তেন্তে আমাৰ শৰীৰাদি অবশ্য ঠিক থাকিবই।

গুৰু — বৎসগণ। ঠিক কথা ধৰিব পাৰিছা। পূৰ্ব্বত কোৱা আছে যে ব্ৰহ্মা, বিষ্ণু আৰু ৰুদ্ৰৰ আত্মা এক। সেই একাত্মা ব্ৰহ্ম হিচাবে যি কোনো মূৰ্ত্তিক উপাসনা কৰিলেই সৰ্ব্ব সিদ্ধি হয়। কিন্তু মূৰ্ত্তিৰ দ্বাৰা বিশেষিত হৈ পৃথক হিচাবে উপাসনা কৰিলে (ভেদ জ্ঞান কৰিলে) সৰ্ব্ব কাৰ্য্য (সৃষ্টি, স্থিতি, প্ৰলয়ৰ কাৰ্য্য) সিদ্ধি নহ'ব।

কাৰণ — তুমি ভেদ জ্ঞান কৰি ব্ৰহ্মাৰ উপাসনা কৰিলা সৃষ্টিৰ কাৰ্য্য তোমাৰ পূৰ্ণ হ'ল, কিন্তু স্থিতি বা প্ৰলয়কাৰ্য্য তাতকৈ প্ৰবলো হ'ব পাৰে, তেতিয়া সেই স্থিতি আৰু প্ৰলয়ৰ কাৰ্য্য অনুকূল নহ'ব। আৰু সৃষ্টি, স্থিতি, প্ৰলয় কাৰ্য্য এই জন্মৰ যেনে তিনি ৰকমৰ আছে, ভৱিষ্যৎ জন্মৰো তিনি ৰকমৰ হ'ব। সেইসকলত বিঘ্ন হ'ব। তোমালোকে ক'ব পৰা যে — বৰ্ত্তমান সময়ত বিষ্ণু আৰু শিৱ পক্ষৰহে উপাসনা বা পূজাদি দেখা যায়, ব্ৰহ্মাৰ পক্ষৰ দেখা নাযায়। সেইটো নাভাবিবা। প্ৰত্যেক পূজাৰ লগত বিদ্বেষ ৰাহিত্যভাৱে, 'ব্ৰহ্মণে নমঃ', হোমাদিত প্ৰথমতেঃ 'প্ৰজাপতয়ে স্বাহা' ইত্যাদিভাৱে তিনিজনৰ আৰু তিনিজনৰ পত্নী অথবা অবান্তৰ ভেদ সকলৰ পূজা। তেওঁলোকৰ ভক্তসেৱকবৃন্দৰো পূজা সদায় আছেই। এই কথা পৰমাত্মা নিৰূপণৰ সময়ত বিশেষভাৱে কোৱা আছে।

যদি কোনো ব্যক্তি — ভগৱদ্ গীতাত উক্ত অনুসাৰে —

যস্ত্বাত্ম ৰতিৰেৱ স্যাদাত্মতৃপ্তশ্চ মানৱঃ।
আত্মন্যেৱ চ সন্তুষ্টস্তস্য কাৰ্য্যং ন বিদ্যতে।।

প্ৰকৃত ব্ৰহ্ম জ্ঞান কৰি আত্মতত্ত্বজ্ঞান তৃপ্ত হ'ব পাৰে, সেই ব্যক্তি ইহ জন্মত শুভভাৱে থাকি, অন্তত অৱশ্যম্ভাৱী মুক্ত হ'ব। যি ব্যক্তি নানা কাৰ্য্যত নানা অভিলাষত থাকে, সেই ব্যক্তিয়ে শাস্ত্ৰবিধি অনুসাৰে সকল কৰ্ত্তব্য কৰ্ম কৰিবই

লাগিব, নকৰিলে, এক বিধৰ দ্বাৰা সৰ্ব্বসিদ্ধি নহ'ব।

৭১। **শিষ্য** — দেৱ! গন্ধৰ্ব্ব বিদ্যাৰ ভিতৰত নৃত্য, গীত, আৰু বাদ্য তিনিবিধ। তাৰ ভিতৰত স্বৰ, ৰাগ, ৰাগিণী প্ৰভৃতি বহু আছে। এই বিলাক সম্বন্ধে বিশেষ কোনো তাৎপৰ্য্য থাকিলে জানিবৰ ইচ্ছা।

গুৰু — বৎসগণ!

আমাৰ এই অষ্টাদশ বিদ্যাৰে সূক্ষ্মাতিসূক্ষ্ম তত্ত্ব আছে। সেই বিষয়ত বিশেষ জ্ঞাত নহ'লে তাৰ প্ৰকৃত তত্ত্ব বুজা টান। মই শাস্ত্ৰ হিচাবে অলপ কথা জানোঁ কিন্তু স্বৰ বা ৰাগাদি সম্বন্ধে নাজানোঁ।

স্বৰ সাতটা — সড্জ, ঋষভ, গান্ধাৰ, মধ্যম, পঞ্চম, ধৈবত, নিষাদ। এই সপ্তস্বৰৰ আদিম অক্ষৰ —শ-ঋ-গ-ম-প-ধ-নি। দীৰ্ঘ বা প্লুত কৰিলে সা-ঋৃ-গা-মা-পা-ধা-নী হয়।

এই সপ্তস্বৰৰ উচ্চ, মধ্যম, নীচ হিচাবে তিনিটা গ্ৰাম (সমষ্টি) কৰিছে, ইটো স্বৰৰ পৰা সিটো স্বৰৰ সাম্য ৰক্ষাৰ বাবে যি ভাবৰ স্বৰৰ দৰকাৰ সেই স্বৰক লয় বোলে। এই স্বৰ হাৰমণিয়মত উচ্চাদি ভেদে ভাগ কৰি ২১টা কৰি পুনঃ কৃষ্ণবাৰি কেইটাৰ দ্বাৰা লয় ভাগ কৰিছে। নৃত্য, গীত, বাদ্যক (তৌৰ্য্যত্ৰিক) বোলে এই সকলৰ সংস্কৃত সংগীত শাস্ত্ৰত বহু ভেদ আছে।

বাদ্যৰ ভিতৰত আদিম বাদ্য "বীণা" (ছেটাৰ) তাৰে শাখা বেহলা, দোটাৰা প্ৰভৃতি। এই বীণাৰ ঈশ্বৰী দেৱী সৰস্বতীয়ে প্ৰথম শিক্ষয়িত্ৰী, তাৰ পিচত নাৰদ, তাৰ পিচত অন্যান্য। মৃদঙ্গ বাদ্য (খোল) গন্ধৰ্ব্বসকলৰ দিনত আবিষ্কৃত। কোনো আধুনিক (সহস্ৰবৎসৰ পূৰ্ব্বত) গায়কৰ স্ত্ৰীয়ে মৃদঙ্গ বজাইছিল। যেতিয়া স্ত্ৰীৰ গৰ্ভাবস্থা হ'ল, তেতিয়া মৃদঙ্গ বজাবৰ অসুবিধাবোধ কৰিলে। সেই ব্যক্তিয়ে নিজৰ স্ত্ৰী ভিন্ন অন্যে মৃদঙ্গ বজালে ৰাগ টানিব ভাল নাপায়। তেতিয়া চিন্তা কৰি মৃদঙ্গক দুই খণ্ডআকাৰে তৈয়াৰ কৰি ডাইনা-বামা কৰিলে। তেতিয়াৰ পৰা মৃদঙ্গৰ স্থলত ডাইনা বামা ব্যৱহাৰ হৈছে। যুদ্ধ বাদ্যত সৰু বাদ্যেৰে সুবিধা নহয় দেখি, সেই মৃদঙ্গাদিকে ডাঙৰ কৰি ঢাক, ঢোল, প্ৰভৃতি নানা আবিষ্কাৰ কৰিছে।

বৰ্ত্তমান আমাৰ ইয়াত গান বাদ্যৰ বল হ'লেও বাদ্য, গীত, স্বৰ সম্বন্ধে গায়ক বিলাকৰ তাল, আৰু লয়ত বহু দোষ আছে। দুই এক জনৰহে দোষ কম পোৱা যায়। বিশেষতঃ আমাৰ এই অসমীয়া ভাষা হিচাবে (অসমীয়া ভাষা দ্বাৰা) তিনিটামান স্বৰযুক্তহে গান বা গীত গাব বা ৰচনা কৰিব পাৰে, বঙ্গ ভাষাত ৫টা

মান স্বৰ ৰক্ষা কৰি গাব পাৰে। হিন্দী আৰু সংস্কৃত ভাষাৰে সপ্তস্বৰৰ ৰচিত গান বা সপ্তস্বৰ ধ্বনিযুক্ত যুক্ত ৰাগ ৰাগিনী তৈয়াৰ কৰিব পাৰে। যি ভাষাৰ শেষৰ ক্রিয়া পদৰদ্বাৰা বা ভাষা ঘটক পদৰদ্বাৰা সেই স্বৰ উত্থিত হয় সেই আকাৰৰ শব্দ সেই ভাষাত নাথাকিলে, সেই ৰূপ গান বা সেই ৰূপ ৰাগ ৰাগিনী হ'ব নোৱাৰে। গতিকে ডাঙৰ গায়ক সকলে বহু গান বা স্বৰ হিন্দীৰে ঠিক কৰে। এই কথা ভাল গায়কসকলে বিশেষভাৱে জানে। সাৱধানে খুব অনুধাৱন কৰি শুনিলে, গান আৰু ৰাগত যে দোষ গুণ আছে, ধৰিব পাৰি।

মোৰ পঢ়া কালত শেষত পঢ়োৱা অধ্যাপক শ্রীযুত অখিল চন্দ্র তর্কতীর্থ। এওঁ শ্রীহট্ট বাসী, শ্রীহট্ট সংস্কৃত কলেজৰ অধ্যাপক আৰু অধ্যক্ষ। এওঁ কোনো দিন গান গোৱা বা বাদ্য বজোৱা দেখাও নাই, শুনাও নাই। হঠাৎ শ্রীহট্টলৈ এজন বিদেশী ছেটাৰ (বীণাৰ) স্বৰ ৰক্ষক গায়ক আহিল। শ্রীহট্টৰ বহু স্থানত গায়ক সকলক আশ্চর্য্য ভাব দেখুৱাই মুগ্ধ কৰিলে। সেই গায়কে সংস্কৃত কলেজত সেই বাদ্য, ৰাগ, স্বৰ, তাল, লয় প্রভৃতি দেখুৱালে, শুনালে। উক্ত অধ্যাপক মহাশয়ে নিবিড়ভাৱে শুনি আছিল। আৰু শেষত তেওঁ ক'লে যে — অমুক অমুক তিন স্থানত স্বৰ অলপ বেয়া হৈছে। গায়কে স্বীকাৰ কৰিলে আৰু গায়কে ক'লে আপুনি ঠিক ধৰিব পাৰিছে। অন্যান্য ব্যক্তিসকলেও অধ্যাপক মহাশয় ধ্বনিৰ সূক্ষ্ম দোষ ধৰিব পাৰিছে, এই কথাত আশ্চর্য্যান্বিত হ'ল। বহু আলোচনা আৰু প্রশংসা বৰণ হ'ল।

বৎসগণ! পূৰ্ব্বত কোৱা বীজাণুৰ আৰু জীৱাণুৰ নিচিনা ধ্বনিৰো সূক্ষ্ম তত্ত্ব জ্ঞান কৰা বা তাৰ সূক্ষ্ম তত্ত্ব অনুসন্ধান কৰিব পাৰা শক্তি উপাৰ্জ্জন কৰা জন্মান্তৰীণ সংস্কাৰৰ দৰকাৰ। প্রত্যেক বিষয়ৰে সূক্ষ্ম তত্ত্ব জ্ঞান কৰা মানুহ খুব কম আছে।

৭২। **শিষ্য** — দেৱ! বিবাহত সৰু মালা বুলি বৰ্হিদ্বাৰত (বাটঘৰাৰ নিকটত) (গেটৰ নিকটত) উলুৰ জৰিৰে আমৰ পাত প্রভৃতি কিছুমান বস্তু দিয়ে, সেই স্থানৰ পৰা বৰ কন্যাক বৰণ কৰি আনিব লাগে, আৰু তাতে মালা আৰু শত সূত্ৰাদি দিয়ে, এইসকল বিবাহৰ বিধিত নাই। এইসকলৰ কি তাৎপৰ্য্য ইত্যাদি জানিবৰ ইচ্ছা।

গুৰু — বৎসগণ! বিধিত নাথাকিলেও এইসকলৰ পৌৰাণিক কথা হিচাবে যুক্তি আৰু নিয়ম বিশেষভাৱে আছে। জৰৎকাৰু নামেৰে এক মুনি আছিল (এওঁ

আস্তিক মুনিৰ মাতা, মনসা দেৱীৰ স্বামী) এওঁ চিৰ ব্ৰহ্মচাৰী হৈ বিবাহ শূন্য হৈ বহু কাল থাকিল। তেওঁলোকৰ বংশত সেই জৰৎকাৰু ভিন্ন ব্যক্তি নাই। একদিন জৰৎকাৰু বনত ভ্ৰমণ কৰোঁতে দেখিলে, যে এটা অগাধ গভীৰ গৰ্ত্ত, তাত ৬ জন পুৰুষ পৰস্পৰক অৱলম্বন কৰি তললৈ ওলমি আছে। প্ৰথমজন উলুৰ শিকৰত ওপৰৰ পিনে ধৰি আছে যেন উঠিব পাৰা নাই। সেই শিকৰক এটা ইন্দুৰে কাটিবৰ উপক্ৰম, তেতিয়া তেওঁলোকে শব্দ কৰিছে— আমাক উদ্ধাৰ কৰা। জৰৎকাৰুয়ে শব্দ শুনি আৰু দেখা পাই উদ্ধাৰৰ বাবে গ'ল, আৰু উঠাবৰ ভাব দেখুৱালে। তেতিয়া তেওঁলোকৰ এজনে ক'লে এইভাৱে আমাক যি কোনো ব্যক্তিয়ে উদ্ধাৰ কৰিব নোৱাৰিব, কাৰণ আমাৰ বংশত জৰৎকাৰু নামে এজন মাত্ৰ ব্যক্তিয়ে আছে। সেই পাপিষ্ঠে বিবাহ নকৰাম বুলি ঠিক কৰিছে। আমি তাৰ উৰ্দ্ধ পুৰুষ হিচাবে এই ৬টা। আমালোক পিতৃলোকাদি স্বৰ্গবাসী। অধো পুৰুষৰ সপ্তম পুৰুষে পিণ্ড দিলে আৰু সেই পুৰুষৰ সপ্তম জন্ম হ'লে ওপৰৰ পিনে (অষ্টমপুৰুষ) মুক্ত হয়। (ভগৱৎ পদপ্ৰাপ্তি হয়)। এই ক্ৰম মুক্তিৰ পন্থা উক্ত জৰৎকাৰুয়ে ৰোধ কৰিবৰ উপক্ৰম কৰিছে। এই ব্যক্তি মৰিলে আমালোকৰ পুণ্য ক্ষয় হ'লে, পুনঃ মৰ্ত্তত জন্মগ্ৰহণ কৰিব লাগিব। এই উলুৰ একাডাল শিকৰ জৰৎকাৰু। বিবাহ নকৰাম বোলাৰ বাবে ইন্দুৰে সেই শিকৰ কাটিবৰ উপক্ৰম কৰিছে। এতিয়া জৰৎকাৰুৰ বিবাহ স্বীকাৰ ভিন্ন আমাৰ উদ্ধাৰৰ উপায় নাই।

তেতিয়া জৰৎকাৰুৱেই ক'লে, পিতৃগণ! সেই পাপিষ্ঠ জৰৎকাৰুৱেই মই। মোক আপোনালোকে শাসন কৰোক (আদেশ দিয়ক)। পিতৃগণে ক'লে - তুমি বিবাহৰ প্ৰতিজ্ঞা কৰিলে আমাৰ উদ্ধাৰ। তেতিয়া জৰৎকাৰুৱে "বিবাহ কৰাম" বুলি স্বীকাৰ কৰিলে। পিতৃগণ, তাৰ পৰা স্বৰ্গলৈ গ'ল। এই বাবে এই উলুৰ দ্বাৰা মাঙ্গল্য কৰি বহিৰ্দ্বাৰত মালাৰ আকাৰে দিয়ে, আৰু প্ৰবাদ আছে যে সাতপুৰুষ সেই সৰুমালাত অধিস্থান কৰে। অৰ্থাৎ বিবাহ হ'লে পুৰুষ বৃদ্ধিৰ পন্থা আবিষ্কাৰ হয়। শতসূত্ৰ সম্বন্ধে শুনা। এই শতসূত্ৰ অৰ্থাৎ মায়াৰ শতসূত্ৰ (মায়াৰ অসংখ্য সূত্ৰেৰে বন্ধন)। কন্যাৰ পৰিধেয় বস্ত্ৰৰ সূত্ৰেৰে বহুগ্ৰন্থিযুক্ত শতসূত্ৰ (কন্যাৰ (মায়াৰ) সেই শত শত সূত্ৰেৰে আজিৰ পৰা তোমাক গাঁথা হ'ল।) এই শত সূত্ৰ উক্ত সৰুমালাৰ তলত দিয়ে, অৰ্থাৎ মায়াৰ বেদীৰ সেইয়ে সীমা। কোনো কোনো স্থলত বৰণৰ পূৰ্ব্বতো বা বৰণৰ লগত দিয়ে। এই শতসূত্ৰ ব্ৰাহ্মণৰ উপবীতৰ হিচাবে দিয়ে। কিন্তু তাৎপৰ্য্য হিচাবে এই শতসূত্ৰ গলত দিব লাগে। শূদ্ৰাদিৰো এই শতসূত্ৰ

গলত দিব লাগে। নিদিলে ক্ষতি নাই। বৈদিক বিধি নাই। পৌৰাণিক উপাখ্যানত পোৱা নাই। প্ৰাচীন বুঢ়া অধ্যাপকৰ মুখে শুনা কথা। **"অবিগীত শিষ্টাচাৰ বিষয়ত্বেন সফলত্বাৎ গ্ৰাহ্যোঽয়ং বিষয়"**। শিষ্টাচাৰৰ অনিন্দনীয় বিষয় বুলি কোনো বিশেষ ফল আছে, গতিকে এই বিষয় গ্ৰহণ কৰা উচিত।

৭৩। **শিষ্য** — দেৱ! শূদ্ৰৰ অগ্নিত ঘৃতাহুতি নিষেধ শুনা যায়, বৰ্ত্তমান কিছুমান শূদ্ৰে এই কাৰ্য্য আচৰণ কৰাও শুনা যায়। ইয়াৰ কোনো তাৎপৰ্য্য থাকিলে জানিবৰ ইচ্ছা।

গুৰু — বৎসগণ! এই সম্বন্ধে বহু বাদ প্ৰতিবাদ বহু সভাত হৈ গৈছে। ইয়াৰ সূক্ষ্ম তত্ত্ব ধৰা টান। কিন্তু বেদ স্মৃতিত শূদ্ৰৰ অগ্নিত ঘৃতাহুতি নিষেধ বিশেষভাৱে আছে। কেৱল স্ত্ৰী আৰু শূদ্ৰে অগ্নিৰ পূজাত লাজা (আখৈ) আৰু পুষ্পাদি ব্যৱহাৰ কৰিবৰ বিধি আছে।

অন্য কি দ্ৰুপদীৰ বিবাহৰ হোম ধৌম্যে আৰু সীতাৰ বিবাহৰ হোম শতানন্দে কৰিছিল, এই প্ৰমাণো পোৱা যায়। সকলো ব্যক্তিয়ে অন্যান্য যজ্ঞাদি বিশিষ্ট ব্ৰাহ্মণৰ দ্বাৰা কৰা প্ৰমাণ পোৱা যায়।

৭৪। **শিষ্য** — দেৱ! বিশিষ্ট ব্ৰাহ্মণৰ পক্ষে বহু কাৰ্য্য নিষেধ আছে। বিপদত কিছুমান কাৰ্য্য ব্ৰাহ্মণে কৰিব পাৰে বুলিও কিছুমান স্মৃতিত পোৱা যায়, কিন্তু হলবাহন আৰু ভাৰবহন বিশেষ নিষিদ্ধ বুলি শুনা যায়। এই বিলাকৰ তাৎপৰ্য্য শুনিবৰ ইচ্ছা।

গুৰু — বৎসগণ! কালৰ গতি বৰ বিষম। এই সময়ত কিছুমান কথা কোৱা অনুচিত হৈছে। এই কথা বহু স্থলত নানা ভাৱত উত্থিত হৈ গৈছে। মানুহৰ বাবে খাদ্য, অখাদ্য, কাৰ্য্য, অকাৰ্য্য প্ৰভৃতি শাস্ত্ৰত বহু কথা কোৱা আছে। তথাপি এই কালৰ মানুহৰ সেই অখাদ্য আৰু অকাৰ্য্যৰ পিনেহে মন ধাবিত, আৰু বিৰুদ্ধ তৰ্ককৰণ। মানুহৰ ভিতৰত যি জাতিভেদে খাদ্য, অখাদ্য আৰু কৰ্ত্তব্য অকৰ্ত্তব্য আছে; সেই কথা উত্থিত হ'লেই বহুতে যে কি কৰিব পাৰে সেই কথা কোৱা টান।

তথাপি জাতি ভেদে যি খাদ্য, অখাদ্য আৰু কৰ্ত্তব্যাকৰ্ত্তব্য আছে, এইসকলৰ তাৎপৰ্য্য অতি সূক্ষ্ম। আৰু বিপদত যে কিছুমান কৰিব পাৰে বুলি কৈছে। সেই বিলাকৰো তাৎপৰ্য্য অতি সূক্ষ্ম। প্ৰত্যেক জাতিৰে নানা জীৱিকাৰ পন্থা শাস্ত্ৰকাৰ সকলে কৈছে। তথাপি যে নিষিদ্ধ জীৱিকাৰ পিনে মন ধাবিত হয় সেইসকল

কথা লিখিতভাৱে ব্যক্ত কৰা টান। মৌখিকভাৱে নানা সভাত সেইসকলৰ মুখ মুদ্ৰণ তৰ্ক বহু কৰা হৈছে, আৰু অন্যান্য পণ্ডিতেও কৰিছে।

তথাপি অন্য ৰূপে এটা কথা কওঁ, ব্ৰাহ্মণেতৰ জাতিৰ ভিতৰত ৪ ভাগৰ ৩ ভাগে হালবাহন আৰু ভাৰ বহন কাৰ্য্য নকৰে, হিচাব কৰি চাবা, সেই বিলাকৰ জীৱিকা চলে ব্ৰাহ্মণৰ জীৱিকা নচলে, এই কথা কিৰূপ বুজি পাবা। যাৰ জীৱিকা শাস্ত্ৰ বিহিত অনুসাৰে নচলে, তাৰ নিশ্চয় অন্যৰূপেও নচলে। কিছু দিন আপাততঃ চলা যেন দেখিলেও অলপ দিনতে হতশ্ৰী দেখা গৈছে।

শাস্ত্ৰ বিহিত সমস্ত কাৰ্য্য ধৰ্ম্মমূলক। এই কথা পূৰ্ব্বত কোৱা আছে।

অধৰ্ম্মেনৈধতে তাবৎ ততো ভদ্ৰানিপশ্যতি।
ততঃ সপত্নান্ জয়তি সমূলস্ত বিনশ্যতি।।
যদি নাত্মনি পুত্ৰেষু নপুত্ৰেষু চ নপ্তৃষু।
নত্বেব তু কৃতোঽধৰ্ম্মঃ কৰ্ত্তুৰ্ভবতি নিষ্ফলঃ।।
অতুৎকটৈঃ পাপ পুন্যৈৰিহৈব ফলমশ্নুতে।।

ইত্যাদি শাস্ত্ৰৰ দ্বাৰা বুজা যায় যে বেয়া কাৰ্য্যৰ ফল এই জন্মতে বা পুত্ৰৰ দিনত বা নাতিৰ দিনত ফলে। এই কাৰ্য্য প্ৰত্যক্ষতে বহুত ব্যক্তিৰ দেখা হৈছে, আৰু তোমালোকেও দেখা পাবা। যিবিলাক দোষ গুৰুতৰ তাৰ ফলো গুৰুতৰ। এই মাত্ৰ সংক্ষেপত কোৱা হ'ল।

৭০। শিষ্য — দেৱ! বিধবা বিবাহ বুলি এটা নতুন কথা শুনা যায়। পূৰ্ব্বত এই কথা নাছিল। কেৱল বিধবা ধেম্নাক যোৱা শুনা আছিল। এতিয়া এই কথা কোনো কোনো স্থানত হোৱা বুলিও শুনা যায়। ইয়াৰ তাৎপৰ্য্যৰ সহিত বিষয়টো পৰিষ্কাৰভাৱে শুনিবৰ ইচ্ছা।

গুৰু — বৎসগণ! এই বিধৱা বিবাহ শব্দটো অলীক (যোগ্যতাশূন্য)। কাৰণ বিবাহ শব্দৰ অৰ্থ কন্যা সম্প্ৰদান; সেই দানৰ গ্ৰহীতাৰ মৃত্যু হ'লে নাৰী বিধৱা হয়। সেই বিধৱাৰ সম্পদাতা কোন হ'ব পাৰে? বিধৱাই নিজে পত্যন্তৰ গ্ৰহণ কৰিব পাৰে অৰ্থাৎ ধেম্নাক যাব পাৰে সেইটো পৃথক কথা। স্বামীও নিজৰ স্ত্ৰীক অন্যক দান দিব নোৱাৰে। কাৰণ অন্যান্য দানৰ বস্তুৰ দাতাৰ যি ভাবৰ স্বত্ব গ্ৰহীতাৰো সেই ভাবৰ স্বত্ব জন্মে। কিন্তু কন্যাদান সেই ভাবৰ দান নহয়। কাৰণ এই কথা দাতাৰ (পিতাৰ) সন্তান হিচাবে স্বত্ব আছিল, সেই সন্তান হিচাবে স্বত্ব বিবাহৰ পিচতো থাকিব। গ্ৰহীতাৰ (বৰৰ) স্ত্ৰী হিচাবে ভোগ আৰু সন্তান জন্মাবৰ

স্বত্ব জন্মে ইত্যাদি বিবাহৰ বিধি আৰু মন্ত্ৰৰ অৰ্থেৰে বুজিবা।

ব্ৰাহ্মণৰ দশ সংস্কাৰ মুখ্য, ক্ষত্ৰিয়ৰ অষ্ট সংস্কাৰ মুখ্য আৰু বৈশ্যৰ পঞ্চ সংস্কাৰ মুখ্য। শূদ্ৰৰ বিবাহ সংস্কাৰ (এক সংস্কাৰ) মুখ্য। পত্যন্তৰ গ্ৰহণ কৰা ব্ৰাহ্মণ ক্ষত্ৰিয় আৰু বৈশ্যৰ স্ত্ৰীৰ সন্তানৰ এই সংস্কাৰ নাথাকে। গতিকে পত্যন্তৰ গ্ৰহণ কৰা উক্ত তিনি জাতিৰ স্ত্ৰীৰ চাৰিবৰ্ণৰ হীনতা প্ৰাপ্ত হৈ সন্তানগণ চাৰিবৰ্ণৰ হীন শ্ৰেণীত গৃহীত হয়।

শূদ্ৰ স্ত্ৰীৰ যে পত্যন্তৰ গ্ৰহণ চলি আছে তাৰ কাৰণ এই - সজাতীয় অসম্বন্ধিনী / স্ত্ৰীৰ গৰ্ভত শূদ্ৰে সন্তান জন্মালে শূদ্ৰই হয়। কিন্তু অবিবাহিত স্ত্ৰীৰ গৰ্ভত জাত বুলি অলপ দোষ হ'লেও সেই সন্তনৰ বিবাহত সেই দোষ কৰ্ত্তন হয়। অবিহিতভাৱে এইৰূপভাৱে শূদ্ৰৰ সন্তান হ'লে, সেই অলপ দোষৰ বাবে প্ৰায়শ্চিত্ত হয়। বিহিতভাৱে (ধেম্নাক যোৱাভাৱে) সন্তান জন্মালে "ভাবিনি ভূতো পচাৰ ন্যায়েৰে" সেই সন্তানক শুদ্ধ বুলি ধৰা হয়।

বৎসগণ! এই বাবে কাৰ্য্যব্যৱস্থাদি বহু সৎ শূদ্ৰবংশীয় ব্যক্তিসকলৰ বিধৱাৰ গৰ্ভত সন্তান জন্ম দি বংশবৃদ্ধি কৰাৰ নিয়ম নাই। বঙ্গদেশত এই নিয়ম সৎশূদ্ৰ মাত্ৰৰে নাই।

বিধৱা বিবাহ সম্বন্ধে অপ্ৰয়োজনীয় হ'লেও এটা কথা ইয়াতে কোৱা হোক। স্মৃতিত এটা বচন আছে।

নষ্টে মৃতে প্ৰব্ৰজিতে ক্লীবে চ পতিতে পতৌ।
পঞ্চস্বাপৎসু নাৰীণাং পতি ৰন্যো বিধীয়তে।।

ব্যাখ্যা-নষ্ট (নশু অদৰ্শনে ধাতোঃ ক্তঃ) (অদৰ্শনং গতে অৰ্থাৎ নিৰ্দ্দিষ্ট সময় মধ্যে দৰ্শনাভাৱে) মৃতে (লোকান্তৰংগতে) প্ৰব্ৰজিতে (সন্যাসিনী) ক্লীবে (পুৰুষৰ শক্তি ৰহিতে) পতিতে (পাতিত্য দোষ গ্ৰস্তে অৰ্থাৎ প্ৰায়শ্চিতাদিনা প্ৰতীকাৰ ৰহিতে সতি।) ইত্যাদি। এই বচন পূৰ্ব্বাপৰ হিচাবে ভালদৰে ভাবি চালে বাগ্‌দান কৰা কন্যাৰ বিষয় এই বচন হয়, আৰু এইভাৱে টীকাকাৰ সকলে লিখিছে। কিন্তু শব্দবোধ ৰহিত কিছুমান পণ্ডিতাভিমানীয়ে এই বচন বিধৱাৰ বিবাহ হ'ব পৰা অৰ্থত ব্যৱহাৰ কৰে। "নষ্ট" আৰু "পতিত" শব্দৰ ব্যাখ্যাৰ পিনে ভাবি নাচায়। স্বামী নেদেখা স্থানক গ'লে অন্য পতি বিধান বা স্বামী পতিত হ'লে স্ত্ৰীও যে সেই দোষত দোষিণী হ'ব লাগে ইত্যাদি। ধ্বজ ভঙ্গদি দ্বাৰা মধ্যত ক্লীব হ'লেও সেই স্বামীক ত্যাগ কৰিব লাগে। ইত্যাদি কথা অসম্ভৱ বুজি এই বচন বাগ্‌দান

পৰ বুজিব। আৰু কথা কন্যাৰ স্বামী নিৰূপণ প্ৰকৰণত লিখিত। সিদ্ধ বিবাহৰ পিচৰ এই বচন নহয়।

"বাগ্‌দান" বুলি এটা কাৰ্য্য আছে, যেনে ভূম্যাদি বিক্ৰীৰ পূৰ্বত "বায়না পত্ৰ" কৰা। কন্যাৰ পিতা বা ভ্ৰাতা প্ৰভৃতিয়ে বংশ আৰু গুণাদি চাই কোনো কন্যাৰ উপযোগী পুৰুষৰ লগত বাগ্‌দান কৰিছিল। সেই বাগ্‌দানত কন্যাৰ কোনো প্ৰয়োজন নাই। কেৱল ঘট স্থাপন কৰি, তাত ভগৱানক আহ্বান, আৰোপণ, কৰি তেওঁক সাক্ষী কৰি কন্যাৰ পিতাই তেওঁৰ অমুকনাম্নী কন্যাক যথা কালত (কন্যাদানৰ প্ৰকৃত বয়সত) দিম বুলি প্ৰতিজ্ঞা কৰিব, আৰু সেই মন্ত্ৰ পাঠ কৰিব। পুৰুষেও সেই কালত সেই কন্যাক গ্ৰহণ কৰিম (বিবাহ কৰাম) বুলি প্ৰতিজ্ঞা কৰিব, আৰু মন্ত্ৰপাঠ কৰিব। এই বাগ্‌দান। এতিয়াও কোনো কোনো স্থানত বিবাহৰ দিন বিবাহৰ পূৰ্ব্বকালত বাগ্‌দান কৰি, পিচত সম্প্ৰদান কৰে। কোনো কোনো স্থানত সম্প্ৰদান হ'লে বাগ্‌দানৰ (গৌণ কাৰ্য্যৰ) প্ৰয়োজন নাই, বুলি কোনো কন্যা সম্প্ৰদান কৰে। যেনে বিক্ৰী দলিল সম্পন্ন কৰিব পাৰিলে বায়নাপত্ৰ দলিলৰ প্ৰয়োজন নাই।

বৎসগণ! এতিয়া সেই বচনৰ শব্দ বিলাকৰ অৰ্থৰ পিনে ভাবি চোৱা। সেই নিৰ্দিষ্ট সময়ৰ ভিতৰত পাত্ৰক দেখা নাপালে সেই ভ্ৰষ্ট শব্দৰ অৰ্থ ঠিক হ'ল। বাকী শব্দ বিলাকৰো তাৎপৰ্য্য সেইদৰে ভাবিবা।

৭৬। শিষ্য — দেৱ! বহু কথা আপোনাৰ পৰা শুনিলোঁ। সকলকাৰ্য্যৰে আৰু সকল বিষয়ৰে উদ্দেশ্য জীৱাত্মা আৰু পৰমাত্মাৰ জ্ঞান মুখ্য, এই জ্ঞান যে মনুষ্য মাত্ৰৰে বিশেষ প্ৰয়োজনীয় বুজি পাইছোঁ। কিন্তু এই জ্ঞান স্থিৰ ৰাখি সংসাৰত থাকা টান, আৰু সংসাৰী মানুহৰ এই জ্ঞান স্থিৰ হোৱাও টান। গতিকে কিবা সহজ উপায়ৰ দ্বাৰা সংসাৰত থাকি এই আত্ম তত্ত্বজ্ঞান স্থিৰ ৰাখিব পাৰি এই ভাবৰ দৃষ্টান্ত আৰু কথা থাকিলেও শুনিবৰ ইচ্ছা।

গুৰু — বৎসগণ! সঁচা কথা কৈছা, সংসাৰী মানুহে এই জ্ঞান ঠিক ৰাখা টান। মই তোমালোকক কওঁ যে — শ্ৰীমদ্ ভাগৱতৰ ৪ৰ্থ স্কন্ধৰ ২৫ অধ্যায়ৰ পৰা লিখিত "প্ৰাচীন বৰ্হিষ ৰাজা আৰু নাৰদ সংবাদ" নামক যি কথা, সেই কথা আধ্যাত্মিক তত্ত্বৰ সাংসাৰিক হিচাবে মনত ৰাখিবলগীয়া কথা, কিন্তু সেই কথা হিচাবে ৰাখিলে নহ'ব। সেই জ্ঞান প্ৰকৃত হিচাবে ৰাখিব লাগিলে আৰু সংসাৰৰ প্ৰতি অনাস্থা ভাব ৰাখি সংসাৰৰ কাৰ্য্য কৰিও জ্ঞান ঠিক ৰাখিব লাগিলে,

বেদান্তোক্ত যাজ্ঞবল্ক্য আৰু মৈত্ৰেয়ী সংবাদ বেছি ভাল। সেই বেদান্তোক্ত যাজ্ঞবল্ক্যে মৈত্ৰেয়ী সংবাদ দৃষ্টান্তৰ সহিত, কিছু কোৱা হোক। শুনিবা আৰু দৃষ্টান্তসকল ভালদৰে মনত ৰাখিবা। সংসাৰৰ বিষয় বিলাকৰ লগত এই দৃষ্টান্ত সদায় স্মৰণ কৰিবা। তেতিয়া দেখিবা যে আমাৰ সাংসাৰিক কাৰ্য্যসকল যে কিভাবৰ? ভগবানৰ সৃষ্টিৰ কাৰ্য্য সকল যে কিৰূপ? এই কাৰ্য্যৰ বিচিত্ৰতাৰ স্বৰূপ ধৰা টান।

কথা — বৈশম্পায়নৰ শিষ্য দেৱৰাত মুনিৰ পুত্ৰ যাজ্ঞবল্ক্য মুনি। এই যাজ্ঞবল্ক্য প্ৰভৃতি শিষ্যগণক বৈশম্পায়নে ক'লে - যে তোমালোকে সদাচৰিত ব্ৰত কৰি (অৰ্থাৎ মই যি ব্ৰতৰ শক্তিৰ দ্বাৰা বেদসকল ধাৰণ কৰিছোঁ সেই ব্ৰত কৰি) অধীত বেদ সকল ঠিক ৰাখিবা। তেতিয়া যাজ্ঞবল্ক্যই ক'লে গুৰু। এই ব্ৰত অতি সামান্য। তেতিয়া ব্ৰতক অৱমাননা কৰা বুলি গুৰুৰ (বৈশম্পায়নৰ) যাজ্ঞবল্ক্যৰ ওপৰত ক্ৰোধ উঠিল আৰু ক'লে মোৰ পৰা অধীত বেদসকল তুমি দি যোৱা। যাজ্ঞবল্ক্যই সেই অধীত যজুৰ্ব্বেদৰ শাখাসকল মূৰ্ত্তিমদ্ৰূপে বমন কৰি দিলে। যাজ্ঞবল্ক্যে বমন কৰাৰ বাবে (অৱজ্ঞা কৰাৰ বাবে) বেদ সকল কৃষ্ণবৰ্ণ হ'ল। বৈশম্পায়নে অন্য কিছুমান শিষ্যক ক'লে, এইসকল তোমালোকে গ্ৰহণ কৰা। তেতিয়া সেই শিষ্য সকল তিত্তিৰী পক্ষীৰ স্বৰূপ হৈ বেদ সকল গ্ৰহণ কৰিলে (খালে)। এই সকল যজুৰ্ব্বেদৰ নাম তৈত্তিৰীয় শাখাৰ কৃষ্ণ যজুৰ্ব্বেদ হ'ল।

যাজ্ঞবল্ক্য মুনি তাৰ পৰা যাই তপস্যাৰ দ্বাৰা সূৰ্য্যক তুষ্ট কৰি তেওঁৰ পৰা কান্ব, মাধ্যন্দিনাদি যজুৰ্ব্বেদৰ পঞ্চদশশত শাখা গ্ৰহণ কৰিলে। বৎসগণ সামবেদৰ সহস্ৰ শাখা ঋকবেদ আৰু অথৰ্ব্ব বেদাদিৰ বহু শাখা। এতিয়া বেদৰ বহু শাখা পোৱা নাযায়। বহু দুৰ্দ্দান্ত ৰাজাৰ উৎপাতৰ সময়ত (ৰাজ বিপ্লৱত) বহু শাস্ত্ৰ নষ্ট হৈছে, সন্দেহ নাই। যি হোক এতিয়া যাজ্ঞবল্ক্য আৰু তেওঁৰ পত্নী মৈত্ৰেয়ীৰ সংবাদ শুনা।

যাজ্ঞবল্ক্য মুনি ঐশ্বৰিক জ্ঞান, শাস্ত্ৰীয় জ্ঞান অথবা সংসাৰিক জ্ঞান প্ৰভৃতি সমস্ত বিষয়ত নিপুণ। তেওঁ কৰিব নোৱাৰা কাৰ্য্য সংসাৰত নাছিল। (শুনিব পাইছোঁ যে মাদ্ৰাজত এখন যাজ্ঞবল্ক্য ৰচিত ব্যোমযান তৈয়াৰৰ পুস্তক পাইছে।) তেওঁ যেতিয়া পত্নীৰ সহিত কথা কয়, তেতিয়া পত্নীভাৱে যে এওঁ ঘোৰ সংসাৰী ব্যক্তি। আৰু জ্ঞানীৰ লগত বা যোগীৰ লগত যেতিয়া কথা কয় তেতিয়া জ্ঞানী বা যোগী ব্যক্তি। আৰু কাৰ্য্যসকলো সেই ৰূপ। একদিন মৈত্ৰেয়ী জিজ্ঞাসা কৰিলে প্ৰভু ঃ আপুনি দেখো ঘোৰ সংসাৰী লোক। শুনিব পাঁও আপোনাৰ নিচিনা

যোগী সন্যাসীও নাই। এই কি বিচিত্ৰ কথা? যাজ্ঞবল্ক্যাই ক'লে সেই জ্ঞানৰ তুমি অধিকাৰিণী হোৱা নাই। পুনঃ মৈত্ৰেয়ী ক'লে প্ৰভু, সেই জ্ঞানৰ কিছু কথা কওক মই শুনোঁ। যাজ্ঞবল্ক্যে কলে— সেই জ্ঞান বিশেষভাৱে স্থিৰ কৰি ৰাখা বৰ টান। স্থিৰ কৰি ৰাখিব নোৱাৰিলে সংসাৰ নষ্ট হয়, সিপিনে তত্ত্বজ্ঞানো ঠিক নাথাকে, গতিকে ভ্ৰষ্ট হয়। এই ৰাবে প্ৰকৃত তত্ত্বজ্ঞান প্ৰকৃত অধিকাৰী নহ'লে লোৱা উচিত নহয় আৰু অনধিকাৰী ব্যক্তিক দিয়াও উচিত নহয়। মৈত্ৰেয়ী বহু অনুনয় আৰু বিনয় কৰিলে। কিন্তু যাজ্ঞবল্কে কোনো জ্ঞান নিদিলে। সেই কথাত মৈত্ৰেয়ী দুঃখিতা হোৱা নাই। মাজে মাজে কথা প্ৰসঙ্গত সেই তত্ত্বজ্ঞানৰ কথা উলিয়াই থাকে। যাজ্ঞবল্ক্যাই বহু সময়ত নুশুনাভাৱে বা অবজ্ঞাভাৱে থাকে। কিন্তু মৈত্ৰেয়ী দুঃখিত নহয়। শ্ৰৱণেচ্ছা আছেই।

একদিন যাজ্ঞবল্ক্যে ক'লে - মৈত্ৰেয়ী! মই বুজি পাইছোঁ তুমি এই জ্ঞান ৰাখিব পাৰিবা। তথাপি কওঁ - তুমি এই তত্ত্বজ্ঞান পালে এতিয়া যেনে সংসাৰিণী আছা তেতিয়াও সেই ৰূপ সংসাৰিণী থাকিব লাগিব। মই যি ভাবৰ জ্ঞানী উদাসী, সৰ্ব্বকাৰ্য্যী, আৰু ঘোৰ সংসাৰী তুমিও সেই ভাবত থাকিব লাগিব, পাৰিবা? মৈত্ৰেয়ী কৈছে পাৰিম বুলি বিশ্বাস। আৰু আপোনাৰ আশীৰ্ব্বাদো তাৰ লগত সহায় হ'ব লাগিব।

যাজ্ঞবল্ক্যে ক'লে - মৈত্ৰেয়ী! প্ৰথমতঃ আমি দুইজনৰ কথা কওঁ। তুমি মোক খুব ভাল পোৱা। এই যে ভাল পোৱা, মোৰ জ্ঞানৰ বাবে মোক ভাল পোৱা? অথবা তোমাৰ ভালৰ বাবে মোক ভাল পোৱা? মৈত্ৰেয়ীয়ে ক'লে প্ৰভু মোৰ কি ভাল আছে, আপোনাৰ ভালৰ বাবে মই সদায় ব্যস্ত আৰু যত্নবান। আৰু সন্তান বা অতিথি প্ৰভৃতিৰ বাবেও ব্যস্ত থাকোঁ।

যাজ্ঞবল্ক্যে ক'লে - এই তোমাৰ ভুল ধাৰণা; জগতৰ সকল প্ৰাণীয়ে নিজৰ আত্মাৰ ভালৰ ৰাবে অৰ্থাৎ সুখৰ বাবে সদায় যত্নবান। পৰৰ (অন্যৰ) বাবে অলপ মাত্ৰও যত্ন নাই। ভালকৈ ভাবি চোৱা, পাবা। আৰু মই পিচত দৃষ্টান্ত দি বুজাই দিম।

আমাৰ ভিতৰত চৈতন্যশালী এটা আত্মা আছে সেই আত্মাই মই (অহং) শব্দৰ বাচ্য বস্তু। সেই আত্মাৰ বাবে অৰ্থাৎ নিজৰ বাবে সমস্ত কাৰ্য্য, সমস্ত যত্ন, সমস্ত জ্ঞান সকল প্ৰাণীয়ে কৰে। (এই কথাৰ বাবে পূৰ্ব্বত কোৱা দৃষ্টান্তসকল উপযোগী) এই জ্ঞান আৰু কাৰ্য্যৰ উদ্দেশ্যসকল আমি বহিৰ্মুখে বুজিপাওঁ অৰ্থাৎ

পুত্ৰ, ভাৰ্য্যা, (স্বামী) ধন বা বন্ধুৰ উদ্দেশ্যে বুলি বুজি পাওঁ। কিন্তু প্ৰকৃত পক্ষে নহয়। অন্তৰ্মুখে আত্মাৰ উদ্দেশ্যে বুলি বুজিব লাগে। বহিৰ্মুখে জ্ঞান বা যত্ন ভুল, অন্তৰ্মুখে জ্ঞান বা যত্ন শুদ্ধ। এই অন্তৰ্মুখ হ'লে জীৱাত্মাভিমুখী হয়। জীৱাত্মাভিমুখী হ'লে পৰমাত্মাভিমুখী হ'ব সন্দেহ নাই।

বৎসগণ! ইয়াকে বোলে স্বাৰ্থ। স্ব (আত্মা) অৰ্থ (প্ৰয়োজন) নিজৰ প্ৰয়োজন। স্বাৰ্থৰ বাবে অৰ্থাৎ নিজৰ প্ৰয়োজনে (নিজৰ উদ্দেশ্যে সমস্ত কাৰ্য্য কৰা হয় আৰু সকলোৱে কৰে পৰৰ বাবে (উদ্দেশ্যে) নহয়। এই সাৰ কথা। আৰু সত্য।

দৃষ্টান্ত — অতিথিক মানুহে খুৱায় বা শুশ্ৰূষা কৰে। তাৰো ভিতৰত যদি ধৰ্ম্ম ভাব বা মানুহৰ প্ৰশংসা কৰা এটা ডাঙৰ উদ্দেশ্যৰ ভিতৰত নাথাকে কেতিয়াও সেই কাৰ্য্য নকৰে।

সৰু পুত্ৰাদিক চুম্বন কৰে, সেই চুম্বনৰ যি আনন্দ সেই আনন্দ পুত্ৰৰ অথবা নিজৰ? পুত্ৰৰ নহয়, বৰং পুত্ৰই দাৰিৰ কাটাৰ দ্বাৰা দুঃখহে পায়। নিজৰ আনন্দৰ বাবে সেই চুম্বন কৰা হয় আৰু সেই পুত্ৰে বৃদ্ধ বয়সত নিজৰ উপকাৰ কৰি দিব। পৰলোকৰ পৈত্ৰাদিৰ দ্বাৰা তৃপ্তি জন্মাব ইত্যাদি।

টকা, স্বৰ্ণ প্ৰভৃতি ধনৰ পিনে চোৱা। ধন যি স্থানত থোৱা, তাতেই সেই ভাৱে থাকিব। সি কেতিয়াও নকয় যে মোক ভাল আলমাৰী বা পাটৰ কমালেৰে বান্ধি ৰাখিব লাগে। কিন্তু সেই ধন ভাল আলমাৰী বা পাটৰ কমালেৰে বান্ধিলে নিজৰ আনন্দ বা নিজক অন্যে প্ৰশংসা কৰিব। এই ধনে নিজ আত্মাৰ বহুদিন শৰীৰৰ লগত সম্বন্ধ ৰাখি সুখী কৰি দিব, এই উদ্দেশ্যে ধন সাৱধানে ৰক্ষা কৰা হয়। এই টকা প্ৰভৃতিৰ দান বা সাহায্য ইয়াৰ উদ্দেশ্য কি? যে পাৰলৌকিক সুখ বা মৃত্যুৰ পিচতো অন্যৰ প্ৰশংসা প্ৰাপ্তিৰ ইচ্ছা। ইত্যাদি।

কিছুমান মানুহ দেশৰ উপকাৰৰ বাবে ঘূৰে; সিও প্ৰকৃত দেশৰ নহয়, নিজৰ ধৰ্ম্ম বা কিবা বিশেষ স্বাৰ্থ, তাৰ ভিতৰত সোমাই আছে। এইভাৱে সমস্ত বিষয় ভালদৰে বুজি চাবা যে সমস্ত কাৰ্য্যৰে টান নিজ আত্মাৰ বাবে।

মৈত্ৰেয়ী: এতিয়া আমাৰ ফালে চোৱা, তুমি মোক ভালপোৱা, বা মই তোমাক ভালপাওঁ সেইটো নহয়। তুমি নিজৰ ভালৰ বা সুখৰ বাবেহে মোক ভাল পাইছা, আৰু মইও মোৰ ভালৰ বা সুখৰ বাবেহে তোমাক ভাল পাইছোঁ। ভাবি চোৱা যেতিয়া কোনো শৰীৰত বিশেষ পীড়া হয় বা অত্যন্ত ক্ষুধা লাগে, তেতিয়া নিজৰ শৰীৰক লৈ ব্যস্ত। কি পুত্ৰ? কি ধন? বা কি ভাৰ্য্যা? ইত্যাদি ভাবিবৰ সময় নাই।

সমস্ত জ্ঞানৰ বিষয় বৰ্হিমুখে, অৰ্থাৎ ইন্দ্ৰিয়ৰ বিষয়ত গন্ধ, ৰূপ, ৰস, স্পৰ্শ শব্দৰ পিনে। ভালদৰে ভাবি চোৱা এই বিষয় ৫টাৰ দ্বাৰা পাঁচটা ইন্দ্ৰিয়ৰ তৃপ্তি ভিন্ন অন্য নাই। সেই ইন্দ্ৰিয়ৰ তৃপ্তিতে আত্মা তৃপ্ত বুলি জ্ঞান কৰে। কিন্তু প্ৰকৃত আত্মাৰ বস্তু নহয়। এই বহিৰ্মুখী প্ৰাণ বন্ধনৰ কাৰণ, অৰ্থাৎ বিষয়ৰ লগত সম্বন্ধ, যাৰ লগত যি সম্বন্ধ হিচাবে মৃত্যু হয় সেই সম্বন্ধ হিচাবে পুনৰ্জন্ম হ'ব। কিন্তু এই জ্ঞান জীৱাত্মা অভিমুখে আৰু তাৰ পৰা পৰমাত্মা অভিমুখে নিব পাৰিলে তাৰ জন্মত সেই পৰমাত্মা লাভ হ'ব। সন্দেহ নাই। এই জীৱাত্মাৰ বাবে সমস্ত বিষয় জ্ঞান নি, যদি সেই বিষয় পৰমাত্মাৰ বুলি তেওঁত অৰ্পণ কৰিব পাৰি, অৰ্থাৎ পূৰ্ব্বোক্ত দাস্য ভক্তি কৰিব পাৰি, তেন্তে সেই ব্যক্তি কিৰূপে সংসাৰত থাকিব পাৰে? অৱশ্য মুক্ত হ'ব।

আৰু মৈত্ৰেয়ী! চোৱা, — যেতিয়া প্ৰাণীসকলে কোনো কষ্ট বা আঘাত পায় তেতিয়া জন্মদাতাক (অৰ্থাৎ পিতা মাতাক আই! বাপা! মা! বাপা! ইত্যাদি ভাবে আহ্বান কৰে, ঈশ্বৰক আহ্বান নকৰে। গতিকে বুজিব মৃত্যুৰ সময়ত যেতিয়া কষ্ট উপস্থিত হ'ব, তেতিয়াও ভিতৰত সেই নামহে (জন্মদাতাৰ নামহে) আহিব। অন্য নাম ঈশ্বৰৰ নাম অহা টান। জন্মদাতাক আহ্বান কৰি দেহ ত্যাগ কৰিলে ভৱিষ্যতেও কৰ্ম্ম-সংস্কাৰ হিচাবে জন্মৰে ব্যৱস্থা কৰা হ'ল।

এতিয়া ভাবি চোৱা কম জ্ঞানী ব্যক্তি এই জ্ঞান পালে, সি সমস্তকে কেৱল স্বাৰ্থপৰ বুলিব, কিন্তু এই স্বাৰ্থপৰ শব্দৰ অৰ্থ সামান্য জ্ঞানীসকলে, স্ব শব্দৰ অৰ্থ শৰীৰ বুজে আৰু নিজ শৰীৰ পৰ বুলি বুজে। কিন্তু জ্ঞানীসকলে এই স্ব শব্দৰ অৰ্থ আত্মা বুজি, এই আত্মাৰ আনন্দৰ বাবে কাৰ্য্য কৰি জগৎখনকে আনন্দময় দেখে। গতিকে বেদান্তত বুজাইছে যে "আত্মানন্দে জগদানন্দঃ" নতুবা জগদানন্দে আত্মানন্দঃৰ। অৰ্থাৎ তোমাৰ ভিতৰত যেতিয়া আনন্দভাব আছে, তুমি সকলোকে (পুত্ৰ ভাৰ্য্যাদিক) আনন্দময় দেখিবা অৰ্থাৎ ভাল পাবা, যেতিয়া তোমাৰ দুঃখ, তেতিয়া সকলোকে দুঃখময় দেখিবা অৰ্থাৎ ভাল নাপাবা। (পূৰ্ব্বত কোৱা কথা)।

যদি এই জ্ঞান কৰি নিৰবচ্ছিন্নভাৱে সদায় যোগৰ দ্বাৰা ঈশ্বৰক ভাবিব পাৰিলে ভাল। সদায় যোগ কৰা টান, গতিকে সংসাৰৰ কাৰ্য্যকে ভগবানৰ বুলি কৰিলে; ভগবানৰ লীলাখেলাৰ কাৰ্য্য কৰা হ'ল। এই লীলা খেলাৰ কাৰ্য্য আমাৰ নহয়, আমি তেওঁৰ দাস, দাসৰ যেনে কোনো বস্তুৰ স্বত্ব নাই, আমাৰো কোনো বস্তুত (পুত্ৰ, ভাৰ্য্যা, ধনাদিত) স্বত্ব নাই, ভগবানৰ খেলাৰ বস্তু। যদি তেওঁৰ প্ৰকৃত

ভৃত্যৰ কাৰ্য্য কৰিব পাৰোঁ, নিশ্চয় তেওঁ বেতন (মুক্তি) দিব। যদি কোনো ভৃত্যে প্ৰকৃত কাৰ্য্য নকৰে তেন্তে সি বেতন নাপায়। আমাৰ ভৃত্যে যদি প্ৰকৃত কাৰ্য্য নকৰি বেতন নিয়ে, তেন্তে সি তাৰ ধাৰ হ'ব। আমিও এই কাৰ্য্যসকল মোৰ বুলি কৰিলে, এই ধাৰ জন্মান্তৰ সুজিব লাগিব। আৰু জন্মান্তৰৰ ধাৰ পুনঃ ইত্যাদি হিচাবে ইয়াৰ অন্ত নাই। যদি আমাৰ ক্ষমতা অনুসাৰে (অৰ্থাৎ শৰীৰ, জাতি, জ্ঞান অনুসাৰে) এই সংসাৰৰ ভগৱানৰ লীলাখেলাৰ কাৰ্য্যৰ সহায় নকৰোঁ তেন্তে ভগৱানৰ আদেশ (অৰ্থাৎ বেদ বাক্য) লঙ্ঘন কৰাৰ বাবে আমাৰ পাপ হ'ব। মৈত্ৰেয়ী! ইত্যাদি হিচাবে জ্ঞান কৰি সংসাৰত থাকিলে ভৱিষ্যৎ মুক্তি পাবা।

৭৭। শিষ্য — দেৱ! এই যাজ্ঞবল্ক্য আৰু মৈত্ৰেয়ী সংবাদ, অতীৱ ৰহস্যপূৰ্ণ। এই কথা সাৱধানে ঠিক ৰাখিব পাৰিলে এই জন্ম সাৰ্থক বুলি, মনত ভাব হ'ব।

শিষ্য — দেৱ! "শ্ৰীমদ্‌ভগৱদ্‌গীতা" এই শাস্ত্ৰ মহাভাৰতৰ অন্তৰ্গত শ্ৰীকৃষ্ণাৰ্জ্জুন সংবাদ হিচাবে ১৮টা অধ্যায়। পূৰ্ব্বত শুনিছোঁ। এই ভগৱদ্‌গীতাত বহু কথা পূৰ্ব্বাপৰবিৰুদ্ধ যেন পোৱা যায়, আৰু কিছুমান শ্লোকৰ অৰ্থৰ পিনে চালে সংসাৰৰ সমস্ত কৰ্ম ব্যৰ্থ যেন লাগে। সেইসকল শ্লোকাৱলম্বন কৰি কিছুমান নাস্তিক (বৈদিক কৰ্ম্মৰহিত) হৈছে।

> ময়াততমিদং সৰ্ব্বং জগদব্যক্তমূৰ্ত্তিনা।
> মৎস্থানি সৰ্ব্ব ভূতানি ন চাহং তেষ্বৱস্থিতঃ।।৯।৪
> ঈশ্বৰঃ সৰ্ব্ব ভূতানাং হৃদ্দেশেঽৰ্জ্জুন তিষ্ঠতি।
> ভ্ৰাময়ন্ সৰ্ব্ব ভূতানি যন্ত্ৰাৰূঢ়ানি মায়য়া। ১৮।৬১

এই শ্লোকদ্বয়ৰ অৰ্থ পূৰ্ব্বাপৰ বিৰুদ্ধ যেন লাগে।

> বিদ্যা বিনয় সম্পন্নে ব্ৰাহ্মণে গবি হস্তিনি।
> শুনি চৈব শ্বপাকে চ পণ্ডিতাঃ সম দৰ্শিনঃ।। ৫।১৭
> সৰ্ব্বান্ ধৰ্ম্মান্ পৰিত্যজ্য মামেকং শৰণং ব্ৰজ।
> অহং ত্বাং সৰ্ব্বপাপেভ্যো মোক্ষয়িষ্যামি মা শুচঃ।। ১৮।৬৬

এই শ্লোক দ্বয়ৰ অৰ্থ ভাবিলে সংসাৰৰ সমস্ত কৰ্ম ব্যৰ্থ যেন লাগে। গতিকে এই "ভগৱদ্‌গীতা" সম্বন্ধে আমাৰ কিছু কথা জানিবৰ ইচ্ছা।

গুৰু — বৎসগণ! শ্ৰীমদ্‌ভগৱদ্‌গীতা সম্বন্ধে তোমালোকে সন্দেহ কৰিছা। মই এই সম্বন্ধে বিৰুদ্ধবাদী, আৰু নাস্তিক বহু পাইছোঁ। সেই ৰূপে গীতাৱলম্বন কাৰীসকলৰ কাৰ্য্যকলাপ শুনি, দেখি, নানা দুঃখ আৰু অশান্তি বোধ কৰিছোঁ।

বৈদিক ধৰ্ম্মাৱলম্বী বহুলোকেও সেই গীতাৰ বিৰুদ্ধবাদীসকলৰ পৰা নানা কষ্ট ভোগ কৰিছে। বহু সভাত মোৰ লগত গীতা সম্বন্ধে কুতৰ্ককাৰী ব্যক্তিসকলক জব্দ কৰা হৈছে।ব্ৰাহ্মণৰ ভিতৰতো শিক্ষিতাভিমানী / বহু ব্যক্তি গীতাৱলম্বন কৰি উপবীত পৰ্য্যন্ত ত্যাগ কৰিছে। আৰু সেই ৰূপ উপবীত ত্যাগ কাৰীক ২।৩ বাৰ পুনঃ সংস্কাৰ কৰোৱাও হৈছে। ইত্যাদি বহু কথা। এই সকল কথা সম্পূৰ্ণ কোৱা অসম্ভৱ।

বৎসগণ! ভগৱদ্গীতা দাৰ্শনিক কঠিন শাস্ত্ৰ, অন্যান্য শাস্ত্ৰও অধ্যয়ন নকৰি অথচ সংস্কৃত ভাষাত অনভিজ্ঞ বহু ব্যক্তি ধৰ্ম্ম-শাস্ত্ৰসকলৰ কুব্যাখ্যা কৰি দেশ নষ্ট কৰিছে। এইসকল ব্যক্তি নিজে অধোগতি যাব সন্দেহ নাই, আৰু অন্যলোককো কুপথগামী কৰোৱাৰ বাবে, সেই অধোগতিকে বহুকাল স্থায়ী কৰিব। দুঃখৰ বিষয়ে এই, কোনো ব্যক্তি নিজে সৎ বুজি হোক বা অন্য বুজি হোক কিবা এটা ধৰ্মাৱলম্বন কৰিলে, সেইটো পৃথক কথা। কিন্তু অন্য ব্যক্তি লিখিত গ্ৰন্থৰ আদ্যন্ত নুবুজি বা আদ্যন্ত সঙ্গতি নকৰি যি কোনো অৰ্থ কৰি অন্য ব্যক্তিকো কুমতি প্ৰদান কৰা অতি বেয়া।

বৎসগণ! এতিয়া ভগৱদ্গীতা সম্বন্ধে অলপ কথা শুনা। কুৰুক্ষেত্ৰৰ যুদ্ধত অৰ্জ্জুনৰ ৰথৰ সাৰথি হোৱা শ্ৰীকৃষ্ণৰ উক্তি হ'ল ভগৱদ্গীতা। যুদ্ধক্ষেত্ৰৰ মধ্যত উপস্থিত হৈ অৰ্জ্জুনে দেখিলে যে সমস্ত নিজৰ সম্বন্ধী বৰ্গ যুদ্ধোচ্ছুক। এই সকলৰ লগত কেনেকৈ যুদ্ধ কৰো? তেতিয়া শ্ৰীকৃষ্ণই শাস্ত্ৰীয় অথচ লৌকিক নীতিৰে ক'লে — হে অৰ্জ্জুন! তোমাৰ এইসকল জীৱৰ কথা, আৰু অনাৰ্য্যযুক্ত, অকীৰ্ত্তিকৰ আৰু হৃদয়ৰ দৌৰ্ব্বল্যকাৰী। গতিকে পৰিত্যাগ কৰা।

যেতিয়া অৰ্জ্জুনে পুনঃ ২য় অধ্যায়ৰ ৪ৰ্থ লোকৰ পৰা প্ৰশ্ন কৰিলে। তেতিয়া শ্ৰীকৃষ্ণই দেখিলে যে — "বন্ধু হলেও যে সিহঁত অত্যন্ত অন্যায়কাৰী আততায়ী" ইত্যাদি শাস্ত্ৰীয় লৌকিক কথা বুজালে কাৰ্য্য নহ'ব। গতিকে অলৌকিক তত্ত্বজ্ঞানৰ দ্বাৰা (আত্মতত্ত্ব জ্ঞানৰ দ্বাৰা) নুবুজালে নহ'ব। এই ভাবি অৰ্জ্জুনৰ "গুৰুহত্যা" অৰ্থাৎ গুৰুক নামাৰি ইত্যাদি প্ৰজ্ঞাবাদ লৈ শ্ৰীকৃষ্ণই আত্মতত্ত্বজ্ঞান আৰম্ভ কৰিলে। অৰ্থাৎ প্ৰকৃতগুৰু যে পৰমাত্মা, দ্ৰোণাদি শব্দৰো বাচ্য যে আত্মা এই তাৎপৰ্য্য লৈ আত্মতত্ত্ব জ্ঞানৰ কথা আৰম্ভ কৰিলে। মাজতে অলপ — (অৰ্থাৎ ২য় অধ্যায়ৰ ৩১ শ্লোকৰপৰা ৩৭ শ্লোক পৰ্য্যন্ত) লৌকিক ধৰ্ম্মৰ কথাও কৈছে। পুনঃ আৰু প্ৰকৃত জ্ঞানীৰ কথা কোৱাত অৰ্জ্জুনৰ স্থিতপ্ৰজ্ঞৰ লক্ষণৰ প্ৰশ্ন উত্থিত হৈছে। তাৰ পিচত ক্ৰমশঃ অৰ্জ্জুনৰ প্ৰশ্নসকল তত্ত্ব জ্ঞানীৰ কালৰহে।

বৎসগণ! তোমালোকে এনে অৰ্থ - নাভাবিবা যে "অৰ্জ্জুনৰ দাৰ্শনিক আত্মতত্ত্ব জ্ঞান নাছিল। ভগবদ্‌গীতা শুনিহে তত্ত্ব জ্ঞান হ'ল?।" তত্ত্বজ্ঞানী সকলো মায়াৰ দ্বাৰা যোগ (অজ্ঞান) আহি পৰে, কাৰণ —

অৰ্জ্জুন উবাচ —

"নষ্টো মোহঃ স্মৃতিৰ্লব্ধা ত্বৎপ্ৰশাদামময়াচ্যুত।" ১৮।৭৩

অৰ্থ — হে কৃষ্ণ! তোমাৰ অনুগ্ৰহত মোৰ অজ্ঞান নষ্ট হ'ল স্মৃতি লাভ হ'ল। অৰ্থাৎ পূৰ্ব্বানুভুত বিষয়ৰপুনঃ জ্ঞান কৰাক স্মৃতি বোলে। গতিকে অৰ্জ্জুনৰ এই ভগবদ্ উক্ত জ্ঞান পূৰ্ব্বত আছিল।

এই ভগবদগীতা: সংক্ষিপ্তালোচনা। এতিয়া প্ৰয়োজনীয় শ্লোকৰ আলোচনা শুনা।

শ্ৰীমদ্‌ভগবদ্‌গীতাত উক্ত যিসকল কথা আছে, সেইকথাসকল প্ৰথমতঃ তিনি ভাগে বিভক্ত কৰা। যেনে

(১) বেদবাক্য হিচাবে (উপনিষদ্ হিচাবে) সৰ্ব্বসাধাৰণৰ পক্ষে কোৱা কিছুমান কথা। যেনে —

স্থিতপ্ৰজ্ঞৰ লক্ষণ, জ্ঞানযোগ, ধ্যানযোগ, কৰ্মযোগ, ভক্তিযোগ ইত্যাদি, প্ৰায় যিসকল শ্লোকত যদ্ শব্দৰ আৰু তৎশব্দৰ প্ৰয়োগ আছে আৰু ক্ৰিয়াসকল প্ৰথম পুৰুষত দিয়া আছে। এই সকল সৰ্ব্ব-সাধাৰণৰ পক্ষে অধিকাৰী ভেদে কথা।

(২) যিসকল শ্লোকত মধ্যম পুৰুষত ক্ৰিয়া আছে, সেইসকল সম্বোধ্য ব্যক্তি অৰ্জুনক কোৱা কথা, কিন্তু তাৰ ভিতৰত কিছু যোগ্যতা অনুসাৰে আমালোকৰ পক্ষেও সম্ভৱ হ'ব পাৰে, গতিকে সেইসকল অৰ্জুনৰ আৰু আমাৰ উভয় পক্ষৰ কথা বুজিবা। যেনে —

তস্মাদ যোগী ভবাৰ্জ্জুন।। ৬।৪৬

মুক্ত সঙ্গ: সমাচৰ।। ৩।৯ ইত্যাদি

(৩) যিসকল শ্লোকত মধ্যম পুৰুষত ক্ৰিয়া আছে, অথচ সম্বোধ্য অৰ্জুন ভিন্ন অন্যৰ যোগ্যতা নাই (সম্ভৱ হ'ব নোৱাৰে) সেইসকল শ্লোক ভগৱদুক্তি হ'লেও আমাৰ পক্ষে হ'ব নোৱাৰে। যেনে —

অথচেৎ ত্বমিমং ধৰ্ম্ম্যং সংগ্ৰাম ন কৰিষ্যসি।

ততঃ স্বধৰ্ম্মং কীৰ্ত্তিং পিত্বা পাপমৱাপস্যসি।। ২।৩৩ ইত্যাদি

আত্তিষ্ঠোত্তিঠে ভাৰত। ৪।৪২

ময়ৈবৈতে নিহতাঃপূৰ্ব্বমেৱ

নিমিত্তমাত্ৰং ভৱ সব্যসাচিন্। ১১ ।৩৩

এইসকল শ্লোকৰ অৰ্থ অৰ্জ্জুন ভিন্ন অন্যৰপক্ষে যোগ্যতা নাই। ইত্যাদি।

বৎসগণ! এতিয়া তোমালোকৰ আপত্তি কৰা শ্লোকৰ তাৎপৰ্য্য শুনা। শ্ৰীকৃষ্ণই কোৱা শ্লোকৰ ভিতৰত যি সকলত অস্মদ্ শব্দৰ প্ৰয়োগ আছে আৰু উত্তম পুৰুষত ক্ৰিয়া আছে, সেইসকল শ্লোক - জগদ্ব্যাপক, বিভু, পৰমাত্মা পুৰোষোত্তম প্ৰভৃতি শব্দৰ বাচ্য হিচাবে শ্ৰীকৃষ্ণই কৈছে। শ্ৰীকৃষ্ণ যে পূৰ্ণাৱতাৰ এই কথা শ্ৰীমদ্ভাগৱতাদি শাস্ত্ৰত বিশেষভাৱে আছে। যেনে তোমালোকৰ উক্ত শ্লোক **"ময়া ততমিদং সৰ্ব্বং"** ইত্যাদি।

আমালোকে যেনেকৈ মই বগা, মই ক'লা, মই মোটা, মই কৃশ ইত্যাদি হিচাবে শৰীৰত অস্মদ্ শব্দৰ ভুল প্ৰয়োগ কৰোঁ, শ্ৰীকৃষ্ণৰ উক্তি হিচাবে শ্ৰীমদ্ভগৱদ্ গীতাৰ বা শ্ৰীমদ্ ভাগৱতত শৰীৰ বাচক অস্মদ্ শব্দৰ প্ৰয়োগ নাই। আৰু শ্ৰীকৃষ্ণৰ শৰীৰ ভৌতিক নহয়, সেই শৰীৰ চিন্ময়, বিশুদ্ধ সত্ত্ব প্ৰধান মায়াংশৰ দ্বাৰা প্ৰকাশিত। আমাৰ শৰীৰ অবিদ্যাংশৰ দ্বাৰা তৈয়াৰী আৰু ভৌতিক।

গতিকে যি বস্তু জগদ্ব্যাপক সেই বস্তুৰ আধাৰ আমি হ'ব নোৱাৰোঁ। "সেই বস্তু আমাৰ হে আধাৰ হ'ব।" এই কথা জীৱ পৰমাত্মাৰ কথাত কোৱা আছে। **"ঈশ্বৰঃ সৰ্ব্বভূতানাং"** ইত্যাদি শ্লোকত অস্মদ্ শব্দৰ প্ৰয়োগ নাই, উত্তম পুৰুষত ক্ৰিয়া নাই। গতিকে শ্ৰীকৃষ্ণই কৈছে "ঈশ্বৰ থাকে", "মই থাকোঁ" এই ভাষা কোৱা নাই। অদৃষ্টানুসাৰে জীৱৰ কাৰ্য্য পৰিচালনাকাৰী ঈশ্বৰ। এওঁ সমস্ত ব্যাপ্তি ভেদে ভিন্ন। গতিকে পূৰ্ব্ব শ্লোকৰ লগত এই শ্লোক বিৰুদ্ধ হ'ব নোৱাৰে। গতিকে শ্ৰীমদ্ভগৱদ্গীতা বা শ্ৰীমদ্ভাগৱত প্ৰভৃতি পঢ়িবৰ ইচ্ছা কৰা ব্যক্তিসকলে প্ৰথমতঃ এই প্ৰকৃতি, মায়া, অবিদ্যা, ব্ৰহ্ম, ঈশ্বৰ, ক্ষৰপুৰুষ, অক্ষৰ পুৰুষ, কূটস্থ পুৰুষ, পৰমেশ্বৰ, পৰমাত্মা পুৰুষোত্তম ইত্যাদি শব্দৰ অৰ্থ বেদান্ত সাংখ্যাদি শাস্ত্ৰৰ পৰা কিছু জানি লোৱা উচিত। নহ'লে বহু স্থানত কথাৰ বিৰুদ্ধ যেন পোৱা যাব।

এতিয়া —

বিদ্যা বিনয় সম্পন্নে ব্ৰাহ্মণে গবি হস্তিনি।

শুনি চৈব শ্বপাকে চ পণ্ডিতাঃ সমদৰ্শিনঃ।।

এই শ্লোকৰ অৰ্থ শুনা। এই শ্লোকৰ সমতা বাদ পাই অৰ্থ নুবুজি বহু ব্যক্তি স্বেচ্ছাচাৰী হৈছে।

বৎসগণ! ইয়াতে ব্ৰাহ্মণ, গৰু, হস্তী, কুকুৰ, চণ্ডাল, এই ৫টা শব্দৰ উক্তি আছে। সমান কৰিব লাগিলে, ওজন, আকাৰ, খাদ্য, ৰং, ইত্যাদিৰ দ্বাৰা সমতা কৰি কবিসকলে উপমালঙ্কাৰ দিয়ে। এই কেইবিধৰ কোনো বিষয়ৰ দ্বাৰা সমতা নাই। গতিকে ইয়াত কবিয়ে কোৱা সম শব্দ নহয়। ইয়াত সেই ব্ৰাহ্মণাদি শব্দত সপ্তমী বিভক্তি আছে। দ্বিতীয়া নাই।

ইয়াৰ পিচত

"আত্মৌপম্যেন সৰ্ব্বত্ৰ সমং পশ্যতি যোঽৰ্জ্জুন!"

এই শ্লোকতো সপ্তমী বিভক্তি আছে। গতিকে এইসকল শ্লোক আত্মাৰ সমতা বাচক, বিশেষ জ্ঞানী সকলে সকলোৰ শৰীৰতে আত্মাক সমান জ্ঞান কৰে। শৰীৰক সমান কৰিবৰ কোনো ব্যক্তিৰ সাধ্য নাই। এই আত্ম সাক্ষাৎকাৰ যি ব্যক্তিৰ হৈছে, তেওঁৰ পক্ষে আত্মজ্ঞানৰ কথা, গতিকে "সমদৰ্শিন:" শব্দ দিছে। শাৰীৰিক ব্যৱহাৰ তেওঁলোকৰ পক্ষেও ভিন থাকিব। এটা দৃষ্টান্ত কওঁ শুনা —

"সকল ঘৰকে সমান দেখিবা" আৰু

"সকল ঘৰতে সমান দেখিবা" এই ভাষাৰ কোনটো শুদ্ধ হ'ব পাৰে? প্ৰথমটো ভুল, কাৰণ সকল ঘৰক সমান দেখিলে, কুটিৰ, হৰ্ম্য, প্ৰাসাদ সকলোৰে মূল্য সমান হ'ব লাগিব।

দ্বিতীয়টো শুদ্ধ। কাৰণ সকল ঘৰতে সমান হ'ব পাৰে। ভাবি চোৱা — গৃহে তিষ্ঠামি, (ঘৰত আছোঁ) এই ভাষাত গৃহ শব্দৰ অৰ্থ কাষ্ঠ স্তম্ভাদি দ্বাৰা বেষ্টিত ভূভাগ বা আকাশভাগ গৃহ। নহ'লে, সেই কাষ্ঠ স্তম্ভাদি বস্তুত মানুহ নাথাকে জেঠী, নিগনি প্ৰভৃতি হে থাকে। মানুহ সেই ফাকৃখিনিতহে থাকে। সেই ফাক- কুটিৰ, হৰ্ম্য বা প্ৰাসাদ সকলোতে সমান। গতিকে ব্যাকৰণাচাৰ্য্যসকলে "প্ৰাসাদীয়তি যঃ কুট্যাম্" ইয়াতে "আধাৰাচ্চ যিনাচাৰে" এই সূত্ৰ নকৰি, পূৰ্ব্বত কৰা সূত্ৰৰ দ্বাৰা "প্ৰাসাদীয়তি যঃ কুটীৰ" এই প্ৰয়োগ কৰি দ্বিতীয়ান্তত বিন্ কৰিলে হ'লহেঁতেন। প্ৰাসাদীয়তি যং কুটীং এই প্ৰয়োগ ভুল, আৰু অলীক।

বৎসগণ! এই ৰূপ সম শব্দ থকা শ্লোক শ্ৰীমদ্‌ভাগৱতাদিত বহু আছে। সেই সকলতত্ত্ব সপ্তম্যপ্ত প্ৰয়োগহে আছে। দ্বিতীয়াত নাই। আধুনিক স্বেচ্ছাচাৰীসকলে দ্বিতীয়ান্ত হিচাবে কথা কয়। সেইটো হ'ব নোৱাৰে।

এতিয়া- **সৰ্বান ধৰ্মান্ পৰিত্যজ্য মামেকং শৰণং ব্ৰজ।**

অহং ত্বাং সৰ্ব্বপাপেভ্যো মোক্ষয়িষ্যামি মা শুচঃ ১৮।৬৬

এই শ্লোক "ব্ৰজ" "শুচঃ" এই দুই ক্ৰিয়াৰ দ্বাৰা লোট্ মধ্যম পুৰুষৰ একবচন হিচাবে বিভক্তিৰ ৰূপ বুজিছা। এইটো সম্বোধ্য অৰ্জ্জুনৰ ব্যক্তিগত কথা। এইটো সৰ্ব্ব সাধাৰণৰ হ'ব নোৱাৰে।

এই শ্লোকৰ পূৰ্ব্ব শ্লোক

মন্মনা ভৱ মদ্‌ভক্তো মদ্‌যাজী মাং নমস্কুৰু।

মামেবৈষ্যেমি সত্যংতে প্ৰতিজানে প্ৰিয়োঽসি মে।। ১৮।৬৫

এই শ্লোকৰ তাৎপৰ্য্য এই যে, যুদ্ধক্ষেত্ৰৰ কথা, অৰ্জ্জুনে নানা প্ৰশ্ন কৰি থাকিব, সেই প্ৰশ্নসকল ৰোধ কৰাৰ বাবে শ্ৰীকৃষ্ণই — "সত্যং তে প্ৰতিজানে" এই বাক্যৰ দ্বাৰা "তোমাৰ সম্বন্ধে সত্য প্ৰতিজ্ঞা কৰি কৈছোঁ" এই ভাষা ক'বৰ বাধ্য হৈছে, আৰু তাৰ পিচতে "সৰ্ব্বান্ ধৰ্ম্মান্" এই শ্লোক কৈছে। গতিকে এই শ্লোক সৰ্ব্ব-সাধাৰণৰ পক্ষে নহয়, অৰ্জ্জুনৰ ব্যক্তিগত কথাহে।

বৎসগণ! যদিবা — এই শ্লোকৰ অৰ্থ অৰ্জ্জুনৰ পক্ষে আৰু সৰ্ব্ব সাধাৰণৰ পক্ষেও বুলি ক'ব খোজা তেন্তে তাৰ উত্তৰ শুনা; প্ৰথমতঃ বিৰোধী তৰ্ক।

পৰিত্যাগ শব্দৰ অৰ্থ - প্ৰাপ্ত বস্তুৰ পৰিত্যাগ, যেনে অবিবাহিত ব্যক্তিৰ স্ত্ৰী পৰিত্যাগ নহয়। সৰ্ব্বধৰ্ম্ম শব্দৰ অৰ্থ বেদ বিহিত সমগ্ৰ ধৰ্ম্ম, ইয়াত আজি নাই, গতিকে এক দুই ধৰ্ম্ম পৰিত্যাগ কৰিলে নহ'ব। "সৰ্ব্ব পাপৰ পৰা মোচন কৰিব" সেই অংশতো আজি নাই। গতিকে ভগবানত শৰণাপন্ন হ'লেও দুই এক পাপ মোচন নকৰিব। গতিকে যি ব্যক্তি বেদ বিহিত সমস্ত ধৰ্ম কৰে, সেই সকলক পৰিত্যাগ কৰি, সৰ্ব্বপাপ কৰি (অৰ্থাৎ মহাপাতক, অতি পাতক, উপপাতক প্ৰভৃতি সমুদায় কৰি) ভগবানত শৰণাপন্ন হ'ব, তেতিয়াহে সেই ব্যক্তিৰ সৰ্ব্বপাপ মোচন কৰিব। অন্যথা নহ'ব। অৰ্জুনেও সৰ্ব্ব-ধৰ্ম্ম পৰিত্যাগ কৰা নাই, আৰু সৰ্ব্ব পাপ কৰা নাই, গতিকে অৰ্জ্জুনৰ পক্ষেও এই শ্লোক হ'ব নোৱাৰে।

এতিয়া অনুকূল তৰ্ক শুনা —

সৰ্ব্ব প্ৰভৃতি ৪০টা শব্দক সৰ্ব্বনাম শব্দ বোলে। এই সৰ্ব্বনাম শব্দবিলাক আমি ভাষাতো ব্যৱহাৰ কৰোঁ। যেনে - যদ্, তদ্, কিম্ ইত্যাদি (ভাষাত যি, কি ইত্যাদি) এতিয়া চোৱা এজন মানুহক দেখি সুধিলা "তুমি কোন"? সি উত্তৰ দিলে "মই মানুহ" এই উত্তৰ কেনে? নহ'ব। অন্ধকাৰত এইটো কোন বুলি সুধিলা, তেতিয়া "মই মানুহ" বুলি উত্তৰ দিলেও হয়। এই অৰ্থ সকলোৱে বুজে। কিন্তু শাস্ত্ৰজ্ঞান নহ'লে বুজাব নোৱাৰে। এইভাৱে কিম্ শব্দৰ অৰ্থৰ নিচিনা অন্যান্য সৰ্ব্বনাম

শব্দৰ অৰ্থ পঢ়িব লাগিলে, বুজা মানুহৰো ৩।৪ মাহত হোৱা টান। এইভাৱে ভাষাতো এই সৰ্ব্বনাম শব্দৰ অৰ্থ মানুহে বুজিয়েই কাজ চলাই আছে, কিন্তু বুজাব লাগিলে সেই শাস্ত্ৰ জ্ঞান নহ'লে বুজাব নোৱাৰে। যেনে পূৰ্ব্বোক্ত আত্মজ্ঞানৰ কথা (শৰীৰ ভিন্ন আত্মাক কোৱা কথা) মানুহে বুজি আছে, বুজিও মানুহক বুজাব নোৱাৰে। এই সম্বন্ধে বহু লৌকিক দৃষ্টান্ত দিছোঁ। সৰ্ব্বনাম শব্দৰো অৰ্থ সেই ৰূপ। বৌদ্ধ দৰ্শনত বুদ্ধদেৱে কোৱা চাৰিটা সূত্ৰ। প্ৰতিসূত্ৰত সৰ্ব্ব শব্দ আছে। এই সৰ্ব্ব শব্দৰ অৰ্থ নানা বুজি চাৰি শিষ্যে চাৰি ৰকমৰ অৰ্থ কৰি চাৰি শ্ৰেণীৰ বুদ্ধ হৈছে। সেই কথা ইয়াত কোৱা নহ'ব।

(১) এতিয়া সৰ্ব্ব শব্দৰ লৌকিক ব্যৱহাৰী অৰ্থ শুনা। এজন মানুহে ধৰ্ম্ম কাজ পাতিছে। সেই মানুহজনৰ চাৰিজন পুত্ৰ। প্ৰতি পুত্ৰক পৃথক পৃথক কাৰ্য্যভাৰ দিলে। ১ম পুত্ৰক — বৎস! তুমি সকলো মানুহক যথাযোগ্য খুৱাবা। ২য় পুত্ৰক বৎস! তুমি সকলো মানুহক যথাযোগ্য বহিবৰ ব্যৱস্থা কৰিবা। ৩য় পুত্ৰক বৎস! তুমি সকলো মানুহৰ ইচ্ছানুসাৰে বাহিৰা বস্তু (তামোল পাণ প্ৰভৃতি) খাবলৈ দিবা। চতুৰ্থ পুত্ৰক — বৎস! তুমি সকলো মানুহৰ তত্ত্বাবধান ৰাখিবা। এতিয়া পুত্ৰ কেইজনৰ এই ৰূপ চিন্তা হ'ব পাৰেনে? যে সকলো মানুহ তালৈ নাহিব। সকলো মানুহৰ ভিতৰত বহু মানুহ জন্মগ্ৰহণ কৰা নাই। বহু মানুহ মৰিছে। গতিকে পিতৃৰ আজ্ঞা কেনেকৈ পালন কৰা হয়? ইত্যাদি এই চিন্তা কোনো ব্যক্তিয়ে নকৰে।

এই অৰ্থহে বুজে যে আমাৰ আহূত ব্যক্তি সকল বুজিব। প্ৰকৃত আহূত ব্যক্তিও হ'ব নোৱাৰে, আহূতৰ ভিতৰত কোনো ব্যক্তি নাহিলে কি হ'ব? আগত ব্যক্তি সকল বুজিব। এই হ'ল উদ্দেশ্যৰ সঙ্কোচ। আহিও যদি কোনো ব্যক্তিয়ে নাখায় তেন্তে আগত সকলো মানুহক কেনেকৈ খুৱায় গতিকে আগত মানুহ সকলৰ ভিতৰত যি সকলে খায় সেই সকলক খুৱাব লাগে। এই তাৎপৰ্য্য, পিতাই সকলো (সৰ্ব্ব) শব্দ প্ৰয়োগ কৰিছে এই অৰ্থ পুত্ৰগণে বুজিছে, অন্য অৰ্থ কৰিলে তাক গৰু বুলিব।

(২) এক গৃহস্থৰ ঘৰত চাৰিজন অতিথি উপস্থিত। গৃহস্থে তেওঁলোকক খুৱাবৰ ব্যৱস্থা কৰিলে। আৰু পাকৰ পূৰ্ব্বত অতিথিসকলক সুধিলে। আপোনালোকৰ ভিতৰত কোনোবাই কিবা নোখোৱা বস্তু আছেনে? দেৱদত্তে ক'লে — যজ্ঞদত্তে ৰঙালাউ নাখায়। বিষ্ণুমিত্ৰে ৰহৰ দালি নাখায়। ৰামদত্তে বৰালিমাছ তীৰ্থত এৰিছে। মই হ'লে সকলোকে খাঁও। এই সকলোকে খাও শব্দৰ অৰ্থ ভাবি চোৱা

— জগতৰ সকল বস্তুকে খাবনে? গতিকে খাদ্যৰ ভিতৰত এই সঙ্কোচ কৰা। পুনঃ যি ৰন্ধন কৰি দিয়ে; (কাৰণ খাদ্যৰ ভিতৰত বহু বস্তু ৰন্ধন নকৰিবও পাৰে, ৰন্ধন কৰি নিদিবও পাৰে) গতিকে খাদ্যৰ ভিতৰত যি বস্তু ৰন্ধন কৰি দিয়ে; সেই বস্তুকে খাম। এইয়ে সকলো (সৰ্ব্ব) শব্দৰ অৰ্থ।

(৩) এক বুঢ়াৰ একজন পুত্ৰ আছিল। বুঢ়াই পুত্ৰক ক'লে বৎস! এতিয়া সকল কাজ এৰা, খেতিত লাগি যোৱা। এতিয়া এই "সকল কাজৰ" অৰ্থ ভাত খোৱা কাপোৰ পিন্ধা প্ৰভৃতিৰ সকল শব্দৰ ভিতৰত যায়। কিন্তু সেইসকল উদ্দেশ্যগত কথা নহয়, ঘৰৰ কাৰ্য্য বা বাৰী বস্তিৰ কাৰ্য্য ইয়াকে সকল শব্দৰ দ্বাৰা বুজাইছে। তাৰ ভিতৰত সম্ভৱানুসাৰে ত্যাগ কৰিব লাগিব, ইত্যাদি। "উদ্দেশ্যতাবচ্ছেদক ব্যাপক বিধেয় ব্যাপ্যা পৰ্য্যাপ্তিকত্বং সৰ্ব্বত্বম্" এই ন্যায় শাস্ত্ৰ নিষ্কৰ্ষ সৰ্ব্ব শব্দৰ অৰ্থ। এই লক্ষণক ব্যাখ্যা কৰা নহ'ব। সৰ্ব্ব শব্দৰ লগত এটা উদ্দেশ্য বাচক শব্দ আৰু এটা বিধেয় বাচক শব্দ থাকিব লাগিব। উভয় শব্দৰ অৰ্থৰ সঙ্কোচ হ'ব। সকল বস্তু খাওঁ, ইয়াতে বস্তু উদ্দেশ্য, খাদন বিধেয় বুজিবা ইত্যাদি।

"এতিয়া গীতাৰ সৰ্ব্ব শব্দৰ অৰ্থৰ পিনে চোৱা। ইয়াৰ পূৰ্ব্ব-শ্লোকত ভগৱান শ্ৰীকৃষ্ণই "সত্যং তে প্ৰতিজানে" "তোমাৰ ওচৰত সত্য প্ৰতিজ্ঞা কৰিছো" এই কথা কৈছে।

এই "তে" শব্দৰ দ্বাৰা (তোমাৰ সম্বন্ধে বা তোমাৰ ওচৰত এই শব্দৰ দ্বাৰা) পিচৰ শ্লোকৰ "ত্বাং" শব্দৰ দ্বাৰা অৰ্জ্জুনে ঃ— পূৰ্ব্বোক্ত "সৰ্বধৰ্ম্ম" আৰু সৰ্ব্বপাপ গ্ৰহণ কৰা- যেনে অৰ্জ্জনোক্তি ঃ-

কুলক্ষয়ে প্ৰণশ্যন্তি কুল ধৰ্ম্মা সনাতনাঃ। ১।৪০
উৎসাদ্যন্তে জাতি-ধৰ্ম্মা কুল ধৰ্ম্মাশ্চ সাশ্চতাঃ।১।৪৩ ইত্যাদি
কুলক্ষয় কৃতং দোষং মিত্ৰ দ্ৰোহে চ পাতকম।১।৩৮
পাপ মেধ শ্ৰয়েদস্মান্ হত্বৈতাততায়িনঃ। ১।৩৬
শঙ্কৰো নৰকায়ৈৱ কুলঘ্নানাং কুলস্য চ। ১।৪২ ইত্যাদি

তোমাৰ পূৰ্ব্বোক্ত ধৰ্ম্মসকল পৰিত্যাগ কৰা, মোক (পৰমাত্মাক) আশ্ৰয় গ্ৰহণ কৰা। মই তোমাক পূৰ্ব্বোক্তসকল পাপৰ পৰা মোচন কৰিম। এইয়ে শ্ৰীকৃষ্ণোক্ত বাক্যৰ তাৎপৰ্য্য। ইয়াতে বেদোক্ত সৰ্ব্বধৰ্ম্ম পৰিত্যাগ কৰিবৰ কথা অৰ্জুনক কোৱা নাই। আৰু বেদনিষিদ্ধ সৰ্ব্বপাপ মোচন কৰিম বুলিও ভগৱানে কোৱা নাই।

যঃ শাস্ত্র বিধি মুৎসৃজ্য বর্ত্ততে কামচাৰতঃ।
ন স সিদ্ধি মবাপ্নোতি ন সুখন পৰাংগতিম্।। ১৬।২৩
তস্মাদোস্তং প্রমাণং তে কার্য্যাকার্য্য ব্যৱস্থিতৌ।
জ্ঞাত্বা সর্ব্ব বিধানোক্তং কর্ম্ম কর্ত্তুমিহার্হসি।। ১৬।২৪

অর্থ — যি ব্যক্তি শাস্ত্ৰৰ (বেদৰ) বিধি-বিহিত কার্য্য ত্যাগ কৰি স্বেচ্ছাচাৰী হয়। সেই ব্যক্তি কোনো সিদ্ধি পাব নোৱাৰে (বাক্য সিদ্ধি বা সৰ্ব্বজ্ঞতাসিদ্ধি ইত্যাদি পাব নোৱাৰে, সুখ পাব নোৱাৰে (ইহ লোকত বা পৰলোকত স্বৰ্গাদিত সুখ পাব নোৱাৰে) পৰমগতি পাব নোৱাৰে। মুক্তি পাব নোৱাৰে, ১।২৩।

গতিকে কৰ্ত্তব্য আৰু অকৰ্ত্তব্য ব্যৱস্থাৰ বাবে তোমাৰ পক্ষে শাস্ত্ৰই প্রমাণ (বেদ প্রমাণ) শাস্ত্রবিধি বিহিত কার্য্য জানি তুমি কৰ্ম্ম কৰিবাৰ যোগ্য। এই দুই শ্লোকৰ প্রথম শ্লোকে সর্ব্ব-সাধাৰণৰ পক্ষে, (যদ্, তদ্ শব্দৰ প্রয়োগ আছে, আৰু প্রথম পুৰুষত ক্রিয়া আছে) দ্বিতীয় শ্লোক অর্জুনৰ পক্ষে, আৰু অন্যৰ পক্ষেও যিহেতু যোগ্যতা আছে।

যস্ত্বাত্ম ৰতিৰেব ম্যাদাত্ম তৃপ্তশ্চ মানবঃ।
আত্মন্যেব চ সন্তুষ্ট স্তস্য কার্য্য ন বিদ্যতে।।৩।১৭

অর্থ — যি মনুষ্য আত্মৰতি, আত্মতৃপ্ত আৰু আত্ম সন্তুষ্ট হৈছে সেই ব্যক্তিৰ কার্য্য (বিধি বিহিত কৰ্ত্তব্য) নাই।

আত্মৰতি — বিশেষ আত্মজ্ঞান সম্পন্ন

আত্মতৃপ্তি — আত্মজ্ঞানত সদায় আনন্দিত

আত্মসন্তুষ্ট — আত্মানন্দত থাকি অন্য বিষয় স্পৃহা ৰহিত

এই তিনি শব্দৰ লগত "এব" "এব" "চকাৰ" থাকাৰ বাবে প্রাধান্য বুজাইছে। পিচৰ দুটা শব্দত ক্ত প্রত্যয় দিয়াৰ বাবে সেই বিষয়ত বিশেষ সিদ্ধ বুজাইছে।

তাৎপর্য্য এই যে যি বিলাক জ্ঞানী আত্মানন্দ অনুভৱ কৰি দিবা-ৰাত্রি অতিবাহিত কৰে, অর্থাৎ যাৰ দিবা ৰাত্ৰিৰ জ্ঞান নাই, সেই ব্যক্তিৰ কৰ্ত্তব্য বিষয় নাই। বিধি বিহিত কার্য্যসকল দিবা ৰাত্রি প্রভৃতি কালৰ সম্বন্ধানুসাৰে বিহিত, গতিকে যাৰ দিবা ৰাত্রি জ্ঞান নাই সেই ব্যক্তিৰ কৰ্ত্তব্য বিষয়ো নাই।

যিবিলাক ব্যক্তি আত্মজ্ঞান সম্পন্নহৈ সন্ন্যাস গ্রহণ কৰে সেই বিলাকৰ কাম্য কৰ্ম্ম নিষিদ্ধ, নিত্য নৈমিত্তিক কার্য্য কৰিবই লাগিব। যজ্ঞদান, তপস্যা এই তিন কার্য্য অৱশ্য কৰ্ত্তব্য। এই কথা অষ্টাদশ অধ্যায়ত ২-৫ শ্লোকত কৈছে।

৭৮। **শিষ্য** — দেৱ শ্ৰীমদ্‌ভগৱদ্‌গীতাৰ বিষয় অলপ শুনিলোঁ। এতিয়া শ্ৰীমদ্‌ভাগৱত সম্বন্ধে অলপ বিষয় জানিবৰ ইচ্ছা।

গুৰু — বৎসগণ! শ্ৰীমদ্‌ভাগৱত অষ্টাদশ মহাপুৰাণৰ অন্তৰ্গত এখন পুৰাণ শাস্ত্ৰ। এই শাস্ত্ৰত বহু বিষয় আছে। এই শাস্ত্ৰ ঠিকভাৱে একবাৰ আদিৰ পৰা অন্তলৈ শুনিব পাৰিলে ভগৱান্ হৃদয়ত আবদ্ধ হয় বুলি লিখা আছে। এই শাস্ত্ৰত পুৰাণ হিচাবে কিছুমান উপাখ্যান থাকিলেও সমস্ত দৰ্শন, সমস্ত ধৰ্ম্মৰ কথা, জ্ঞান, ভক্তি, নক্ষত্ৰ মণ্ডলাদিৰ সহিত সমস্ত ব্ৰহ্মাণ্ডৰ কথা, বিশদভাৱে আছে। এই শাস্ত্ৰৰ আৰু বিশেষ আলোচনা কৰা নহ'ব। যত্ন কৰি তোমালোকে এই শাস্ত্ৰ একবাৰ শ্ৰৱণ কৰিবৰ চেষ্টা কৰিবা। ইতি

শ্ৰীমদ্‌ভাগৱতৰ (পাঠ্য আৰু শ্ৰৱণীয় বিষয়বোৰ)

১। শ্যামগুৰুৰ কথা

২। অজামিলৰ কথা

৩। হিৰণ্যকশিপুৰ বৰ

৪। সুতৰ কথা

৫। শুকদেৱৰ কথা

৬। দুৰ্গাপূজাৰ কথা। প্ৰাণী হিংসাদিৰ কথা

৭। ভক্তিৰ প্ৰকাৰ ভেদ ইত্যাদি শঙ্কা জীৱেশ্বৰ জ্ঞানত লিখিতব্য।

১৮৭৭ শক ৫ পৌষ

(ওপৰৰ বিষয়বোৰ লেখকে লেখিবলৈ ইচ্ছা কৰিছিল যদিও সেয়া হৈ নুঠিল। মৃত্যুৱে তেওঁক আমাৰ মাজৰ পৰা কাঢ়ি নিলে।)

— ওঁ তৎ-সৎ —

জীবেশ্বৰ তত্ত্ব

বিষয় নির্দেশিকা

	বিষয়	প্ৰশ্ননং	পৃষ্ঠা
১।	জ্ঞান কি বস্তু, জ্ঞানৰ প্ৰয়োজন, বিভাগ আৰু উৎকৃষ্টতা	১,২	১
২।	তত্ত্ব জ্ঞান সম্বন্ধে পিঙ্গল মুনিৰ আখ্যান	৩	৪
৩।	লোমশ মুনিৰ আখ্যান	৪	৫
৪।	পুনঃ তত্ত্বজ্ঞান ব্যাখ্যা	৫	৭
৫।	পদাৰ্থ আৰু বস্তু	৬	৯
৬।	জীবাত্মা আৰু পৰমাত্মাৰ সম্বন্ধ	৭	১১
৭।	জীবাত্মা আৰু পৰমাত্মা	৮	১২
৮।	শৰীৰত অহংবুদ্ধি	৯	১৩
৯।	শৰীৰ আৰু ইন্দ্ৰিয়	১০	১৫
১০।	জীবাত্মাৰ পৰিমাণ	১১,১২	১৬
১১।	আত্মাৰ নিত্যতা	১৩	১৭
১২।	মন আৰু আত্মা সংযোগ	১৪	১৮
১৩।	পৰমাত্মা পৰমেশ্বৰৰ স্বৰূপ	১৫	১৯
১৪।	প্ৰাকৃতিক জগতৰ স্বভাব ঃ ঈশ্বৰ আৰু জীৱৰ সম্বন্ধ	১৬,১৭	২০
১৫।	আত্মাৰ পৰিচায়ক শৰীৰৰ নামকৰণ, শৰীৰৰ উপাধি	১৮	২৩
১৬।	ঈশ্বৰৰ অস্তিত্ব-সাকাৰ, নিৰাকাৰ	১৯	২৫
১৭।	পৰমেশ্বৰৰ সৃষ্টিত জীৱৰ প্ৰকাৰ	২০	২৭
১৮।	ভগৱানৰ লীলা-খেলা	২১	২৮
১৯।	বেদৰ স্ৰষ্টা কোন?	২২	৩১
২০।	জীৱৰ কৰ্ম্মফল	২৩	৩২
২১।	তত্ত্বজ্ঞানীৰ সুখ দুখ	২৪	৩৪
২২।	দানৰ ফলাফল	২৫	৩৬
২৩।	জীবাত্মাৰ সগত পৰমাত্মাৰ সম্বন্ধ	২৬,২৭	৩৭
২৪।	ভক্তি; নৱবিধা ভক্তি	২৮,২৯	৩৯
২৫।	মুক্তিৰ স্বৰূপ আৰু প্ৰকাৰ	৩০	৪১
২৬।	ঈশ্বৰৰ বহু অৱতাৰ	৩১	৪২
২৭।	জাতি বিভাগ	৩২	৪৩
২৮।	প্ৰণৱ (ওঁকাৰ)	৩৩, ৩৪	৪৪
২৯।	দৰ্শন শাস্ত্ৰ ঃ মুক্তি, জীবাত্মা-পৰমাত্মা	৩৫, ৩৬	৪৬
৩০।	ষড়দৰ্শন-উপদৰ্শন	৩৭	৫৪
৩১।	নাস্তিকবাদী চাৰ্বাক, বৌদ্ধ আৰু জৈন	৩৮	৫৮
৩২।	নব্য ন্যায় শাস্ত্ৰ	৩৯, ৪০	৬২
৩৩।	অক্ষৰ	৪১	৬৫
৩৪।	অঙ্কৰ নৱ সংখ্যা	৪২	৬৯

৩৫। শ্ৰী, শ্ৰীযুত, শ্ৰীমান শব্দৰ তাৎপৰ্য্য	৪৩	৬৯
৩৬। ব্ৰহ্মাণ্ডৰ কথা, চতুৰ্দ্দশভুবনৰ কথা, মন্বন্তৰৰ কথা	৪৪	৭০
৩৭। পুৰাণ, মহাভাৰত	৪৫	৭৩
৩৮। চতুৰ্দ্দশ আৰু অষ্টাদশ বিদ্যা	৪৬	৭৪
৩৯। দেব পূজা, পিত্ৰাদিশ্ৰাদ্ধ, হৰিনাম কীৰ্ত্তন	৪৭	৭৫
৪০। দশাৱতাৰ, দশমহাবিদ্যা, নৱগ্ৰহ, নৱপত্ৰিকা, পঞ্চদেৱতা	৪৮,৪৯	৭৮
৪১। ফলিত জ্যোতিষ	৫০	৭৯
৪২। ধৰ্ম্মমূলক, অধৰ্ম্মমূলক কাৰ্য্য	৫১	৮০
৪৩। বৈষ্ণৱ শ্ৰেষ্ঠ নে ব্ৰাহ্মণ শ্ৰেষ্ঠ?	৫২	৮৩
৪৪। বেদ, স্মৃতি, পুৰাণ, শ্ৰীমদ্ভাগৱত, শ্ৰীমদ্ভাগৱত গীতা পাঠৰ ফল	৫৩	৮৪
৪৫। দীক্ষাৰ প্ৰয়োজন	৫৪	৮৪
৪৬। নামমন্ত্ৰ, বীজমন্ত্ৰ আৰু ইষ্ট মন্ত্ৰাদি	৫৫	৮৮
৪৭। পুনঃ আত্মতত্ত্বজ্ঞান	৫৬	৮৯
৪৮। সগোত্ৰৰ অশৌচ গ্ৰহণ, সম্বন্ধ চাই কন্যা বিবাহ কৰা, শ্ৰাদ্ধ, সপিণ্ডণ, প্ৰায়শ্চিত্ত	৫৭	৯০
৪৯। পূৰ্ব্বজন্মৰ কৰ্ম্মফলৰ প্ৰভাব	৫৮	৯৪
৫০। স্বৰ্গ-নৰক সম্পৰ্কে কপিল দেৱহুতিৰ আখ্যান	৫৯	৯৫
৫১। দৈৱফল আৰু কৰ্ম্মফল	৬০	৯৬
৫২। কৰ্ম্মৰ প্ৰবাহত জীৱৰ মুক্তি?	৬১	৯৯
৫৩। আশ্ৰম ধৰ্ম্ম	৬২	৯৯
৫৪। সন্নাস আশ্ৰমৰ তাৎপৰ্য্য	৬৩	১০১
৫৫। বিজ্ঞান আৰু শাস্ত্ৰ, যান্ত্ৰিক বিজ্ঞান আৰু যোগজ বিজ্ঞান	৬৪	১০৫
৫৬। সৃষ্টি তত্ত্ব	৬৫	১০৮
৫৭। পশু-পক্ষী বৃক্ষাদিৰ মুক্তি	৬৬	১০৯
৫৮। অদৃষ্ট কেনেকৈ তৈয়াৰ হয়?	৬৭	১০৯
৫৯। জীৱৰ সদ্‌গতি	৬৮	১১০
৬০। পৰমাণু, বীজাণু আৰু জীৱাণু আদি পদাৰ্থ	৬৯	১১১
৬১। ব্ৰহ্মা, বিষ্ণু আৰু ৰুদ্ৰৰ উপাসনা	৭০	১১৩
৬২। নৃত্য, গীত, বাদ্য, স্বৰ, ৰাগ-ৰাগিণী	৭১	১১৪
৬৩। বিবাহত কলপুলি, উলুৰ সৰুমালা আৰু শত-সূত্ৰাদি	৭২	১১৫
৬৪। শূদ্ৰৰ অগ্নিত ঘৃতাহুতি	৭৩	১১৭
৬৫। ব্ৰাহ্মণৰ হালবাহন আৰু ভাৰ বহন	৭৪	১১৭
৬৬। বিধবা বিবাহ	৭৫	১১৮
৬৭। আত্ম তত্ত্বজ্ঞান : যাজ্ঞবল্ক্য আৰু মৈত্ৰেয়ী সংবাদ	৭৬	১২০
৬৮। শ্ৰীমদ্ভাগৱত্ গীতা	৭৭	১২৫
৬৯। শ্ৰীমদ্ভাগৱত্	৭৮	১৩৪

(পাঠকসকলৰ পঠনৰ সুবিধাৰ্থে এই বিষয় নিৰ্দ্দেশিকা সংযোগ কৰা হ'ল)

শ্ৰীসত্যনাথ গোস্বামী

সম্পাদক